

এজাক জোনাকীৰ জিলিকনি

শ্ৰদ্ধাৰে

সৌৰভ কুমাৰ চলিহাৰ হাতত



এজাক জোনাকীৰ জিলিকনি

(বিজ্ঞানভিত্তিক উপন্যাস)

ডঃ দীনেশ চন্দ্ৰ গোস্বামী

চন্দ্ৰ প্ৰকাশ
টিহু : গুৱাহাটী

Ejak Jonakir Jilikoni - A science-fiction Novel in Assamese written by Dr. Dinesh Chandra Goswami and published by Rajendra Mohan Sarmah, Chandra Prakash, Tihu : Guwahati, 1992, Price Rs. 35·00

প্ৰথম প্ৰকাশ :

জানুৱাৰী ১৯৯২

প্ৰকাশক :

শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা

চন্দ্ৰ প্ৰকাশ

তিহু আৰু

পাণবজাৰ, গুৱাহাটী ৭৮১০০১

মূল্য— ৩৫·০০ টকা

মুদ্ৰক :

আদ্যাশ্ৰী প্ৰেছ

২৩, যুগলকিশোৰ দাস লেন

কলিকতা—৬

কৃতজ্ঞতা

আকাশবাণী ডিব্ৰুগড়ৰ জ্যেষ্ঠ প্ৰযোজক শ্ৰীমুনীন ভূঞাৰ তাগিদাতে এই বিজ্ঞানভিত্তিক উপন্যাসখন লেখা হৈছিল আৰু ১৯৮৯ চনত ১৫ টা খণ্ডত ধাৰাবাহিকভাৱে কেন্দ্ৰটোৰপৰা ইয়াক প্ৰচাৰ হৈছিল। শ্ৰীভূঞা, শিল্পীসকল আৰু কলাকুশলীসকলৰ দক্ষতা আৰু নিষ্ঠাৰ বাবে সেই লানি প্ৰচাৰে শ্ৰোতাক আকৰ্ষণ কৰিছিল।

এতিয়া চন্দ্ৰ প্ৰকাশৰ স্বত্বাধিকাৰী শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মাই কিতাপ হিচাপে প্ৰকাশ কৰি উলিয়ালে।

এই সকলোৰে ওচৰত আমি কৃতজ্ঞ হৈ ৰ'লোঁ।

দীনেশ চন্দ্ৰ গোস্বামী
যোৰহাট
১ জানুৱাৰী ১৯৯২

॥ ১ ॥

পশ্চিমীয়া আৰু ভাৰতীয় সংগীতৰ মধুৰ মিশ্ৰণেৰে প্ৰস্তুত কৰা বাদ্যবৃন্দৰ সুৰ এটা দূৰৰপৰা ভাহি অহাদি আহি এক পৱিত্ৰ পৰিৱেশৰ সৃষ্টি কৰিলে। ঠিক এই মুহূৰ্তৰপৰাই আৰম্ভ হোৱা অজ্ঞাত ভৱিষ্যতটোৰ এক বিশাল সম্ভাৱনাই কল্যাণৰ গাত যেন এটা মৃদু শিহৰণ তুলি দিলে। ক'ব নোৱাৰাকৈয়ে সি থিয় হ'ল। হয়তো মূৰৰ ওপৰৰ হাই-ফাই স্পিকাৰবোৰৰপৰা ভাহি অহা সংগীতৰ মূৰ্চ্ছনাতেই এনে এক আবেদন আছিল যে সি থিয় নোহোৱাকৈ থাকিব নোৱাৰিলে।

এটা চিনো-নিচিনো সুবাস ভাহি আহিল। খটখটিৰে মিহি পদক্ষেপ এটা আগবাঢ়ি আহিল। কল্যাণে বৰ্ণাঢ্য ৰেৱিটং ৰুমটোৰ বহল দুৱাৰখনেৰে দেখিলে খটখটিৰে সেউজীয়া শাড়ীৰ মাজেৰে দুখন মসৃণ কোমল ভৰি নামি আহিছে। খটখটিৰ ৰঙা কাৰ্পেটৰ ওপৰত বগা ভৰি দুখন আৰু বেছি বগা দেখা গৈছে। অলপ পাছতে পূৰ্ণ অৱয়বটো তাৰ চকুত পৰিল। 'ইমান শান্ত, ইমান সুন্দৰ!'—সি তাৰ বুকুৰ মাজতে ক'ৰবাত যেন অস্ফুটকৈ উচ্চাৰণ কৰিলে।

সংগীতৰ সুৰটোৱে আগতকৈ উচ্চতালৈ গতি কৰিছে। চিনো-নিচিনো মৃদু সুবাসটো অলপ বেছি চিনাকি হৈ পৰিছে। খটখটিৰে নামি অহা সেউজীয়া শাড়ী পিন্ধা কোমল ছোৱালী-জনীয়ে ওঠ দুটা সামান্য লৰাই হঁহা যেন কৰিলে। তাৰ পাছত তাই ৰিছিপচন ডেস্কৰ ফালে আগবাঢ়ি গ'ল।

ৰিছিপচন ডেস্কত ফুলৰ সজনি এটা চৌখিন ভেছত উঠি

সেউজীয়া পাতৰ ধুনীয়া গছ এজোপা সজাই থোৱা আছিল। বৰ মৰমেৰে আলফুলকৈ ছোৱালীজনীয়ে ভেছটো সামান্য আঁতৰাই থ'লে। তাৰ পাছত ক'লা গোল মাইকটো মুখৰ ওচৰ কৰি ল'লে।

সংগীতে চৰম সীমা পাই বৈ গ'ল। দহ ছেকেণ্ডমানৰ সম্ভাৱনাময় নীৰৱতাই এক ৰহস্যময় পৰিৱেশৰ সৃষ্টি কৰিলে। ছোৱালীজনীৰ ওঠ দুটাই যেন ভাষা বিচাৰি কঁপি উঠিল। তাৰ পাছত মাইকটো আৰু স্পিকাৰবোৰে যেন জীৱন পাই উঠিল—

"আজি এই পৰম সম্ভাৱনাময় পৱিত্ৰ পুৱা"—শব্দবোৰে যেন এক গম্ভীৰ পৰিৱেশৰ সৃষ্টি কৰি তৰংগ তৰংগ হৈ গোটেই বিজ্ঞানাগাৰটোকেই আৱৰি ধৰিছে—"মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ সঞ্চালক প্ৰফেছৰ মজুদাৰ আৰু ব্যৱস্থাপক মণ্ডলীৰ তৰফৰপৰা মই কুমাৰী স্মিতা কাশ্যপে বিজ্ঞানাগাৰটোৰ সমূহ বিজ্ঞানী আৰু কৰ্মচাৰীকে স্বাগত সম্ভাষণ জনাইছোঁ। অতীত আৰু বৰ্তমানৰ সকলো দাৰ্শনিক আৰু বিজ্ঞানীৰ প্ৰতি আমাৰ শ্ৰদ্ধা নিবেদন কৰি আজিৰ দৰে কৰ্মময় প্ৰাণোচ্ছল দিন এটা আমি মানৱজাতিৰ হিতৰ বাবে উৎসৰ্গা কৰিলোঁ।"

পৰিৱেশটো যেন কোনো মণ্ডৰ মংগল মন্ত্ৰেৰে সম্পৃক্ত হৈ পৰিছিল। সেউজীয়া শাড়ী পিন্ধা ধুনীয়া ছোৱালজনীৰ কণ্ঠটো আকৌ শুনা গ'ল।—"এতিয়া আপোনালোকে বহিব পাৰে বা নিজ নিজ কামত লাগিব পাৰে। আজিৰ দিনটোৰ কাৰ্যসূচীত আছে"—তাই পঢ়ি গ'ল, "চাৰে দহ বজাত ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে এছিষ্টেণ্ট ডাইৰেক্টৰ আৰু ওপৰৰ ৰেংকৰ ছাইণ্টিষ্ট-সকলক ছেকেণ্ড ফ্লোৰৰ সুমনলতা কনফাৰেন্স ৰুমত লগ পাব। লাঞ্চৰ পাছতে এক বজাত ৰোড ইঞ্জিনিয়াৰিং ব্লকৰ ছেমিনাৰ ৰুমত আমাৰ ৰোডছ ডিভিজনৰ ছাইণ্টিষ্টসকলে ৰাজ্যিক পৰিৱহণ আৰু পি. ডব্লিউ. ডি. ৰোডছ ডিপাৰ্টমেণ্টৰ অফিছাৰ-ইঞ্জিনিয়াৰসকলৰ

লগত স্পনছৰড প্ৰজেক্ট ডিছকাছ কৰিব। তিনি বজাত বায়োটেক-নোলজিৰ প্ৰজেক্ট ৰিভিউ মিটিং তলৰ গায়ত্ৰী কনফাৰেন্স ৰুমত, আৰু চাৰি বজাত মায়াৰাম হাতীবৰুৱাৰ বিদায় মিটিং—জ্ঞানচান্দ অডিটৰিয়ামত। অ'ভাৰ।"

কল্যাণো আকৌ মন্ত্ৰমুগ্ধৰ দৰে ৰেটিং ৰুমৰ আগৰ ঠাইতে বহি পৰিছিল। স্মিতা কাশ্যপে ৰিছিপছন ডেস্কৰপৰা আহি হাঁহি মাৰি তাৰ কাষত বৈ থকাটো সি মনেই কৰা নাছিল।

"গুড মৰ্নিং, ছাৰ।"

"আঁ—গুড মৰ্নিং মিছ।"

এক প্ৰকাৰ অপ্ৰস্তুতভাৱেই সি ক'লে। লগে লগে সি থিয় হ'ল।

"মোৰ নাম স্মিতা কাশ্যপ—ইয়াত ৰিছিপছনিস্ট।"

"সেইটো জানিব পাৰিছোঁ.—" অলপ ইতঃস্ততঃ কৰি কল্যাণে ক'লে—"মোৰ নাম কল্যাণ চৌধুৰী। ইয়াত মই আজি জইন কৰাৰ কথা।"

কল্যাণৰ কথা শেষ হওঁতেনোহওঁতেই স্মিতাই উৎসাহেৰে কৈ উঠিল—"এ হয় নেকি? আপুনিয়ে নেকি ডক্টৰ কল্যাণ চৌধুৰী? আপোনাৰ কথা ইমান দিনে শুনি শুনি আপোনাৰ লগত যেন চিনাকিয়েই হৈ গৈছে ছাৰ। আমাৰ কল্পনা, জাহ্নৱীহঁতৰ লগত কালিও লাঞ্চ টাইমত আপোনাৰ কথা ওলাইছিল।"

"নিশ্চয় কোনো বদনাম নহয়," নিতান্তই ভদ্ৰতা ৰক্ষা কৰি কল্যাণে ক'লে।

"নাই, নাই, বদনাম কেনেই হ'ব ছাৰ?" তাই হাঁহি এটাৰে লাজটো অলপ পাতলাই দি ক'লে, "ইয়াত আমাৰ ছোৱালীবোৰৰ মাজত আপোনাৰ কথাই সদায়—পদাৰ্থবিজ্ঞানত চোকা, কবিতা আৰু ছাইন্স ফিকচন গল্প লিখে, তাতে ডাইৰেক্টৰে মাতি আনি কোনো ইণ্টাৰভিউ-টিউ নোলোৱাকৈ চাকৰি দিছে—আটাইতকৈ

কম বয়সীয়া এছিস্টেণ্ট ডাইৰেক্টৰ। আপোনাক লৈ আমাৰ কল্পনাৰ অন্ত নাই—"

"হ'ব বাৰু, সেইবোৰ কথা পাছে-পৰেও পাতিম," শুনি ভাল লাগিছিল যদিও মুখৰ আগতে ইমানবোৰ প্ৰশংসাসূচক কথা—তাতে এই প্ৰথম চিনাকিতে—শুনি থাকিবলৈ কল্যাণৰ টান লাগিছিল। সেইবাবে সিমানতে প্ৰসংগ সলাই সি ক'লে, "মই এতিয়াই জইন কৰিব খুজিছিলোঁ—তাৰ বাবে ডাইৰেক্টৰ চাহাবৰ ওচৰলৈ যাম নে এপ্টাব্লিছমেণ্টলৈ গ'লেই হ'ব ?"

"ইচ্ বাম," হঠাতে সত্য এটা আৱিষ্কাৰ কৰাৰ দৰে স্মিতাই ক'লে,—"আপোনাক ছাৰ মই বুলিবলৈয়ে কোৱা নাই।"

"সেইটো হ'ব বাৰু, চিন্তা নকৰিব।"

"আপোনাক মইছাৰ ডাইৰেক্টৰৰ ওচৰলৈকে লৈ যাওঁ। তাতে ডাইৰেক্টৰৰ লগত কথাও পাতিব আৰু জইনিং লেটাৰ এখনত চহী কৰি দিব—মই ইতিমধ্যে ডাইৰেক্টৰৰ অফিছতে আপোনাৰ ডিক্টেচন লৈ টাইপ কৰাই দিম।"

স্মিতাই দৰকাৰী কথাই কৈছে কিন্তু অলপ বেছি কথা কোৱা নাইনে ? তাই বাৰু কল্যাণক লগ পাই অতি উৎসাহিত নেকি ? কল্যাণে ভাবিলে।

টেলিফোনটোৱে অধৈৰ্য্যভাৱে ৰিং কৰি উঠিছিল। দৌৰি গৈ স্মিতাই টেলিফোনটো ধৰিলে। চুটি চুটি উত্তৰ দিলে। টেলিফোন ধৰিবলৈ যাওঁতে আৰু ধৰি থাকোঁতে তাইক কল্যাণৰ বৰ স্মাৰ্ট লাগিল।

টেলিফোনটো থৈ উঠি পেডত কিবা এটা নোট কৰি স্মিতা আকৌ কল্যাণৰ ওচৰ চাপিল। তাৰ পাছত ক'লে—"ব'লক ছাৰ।"

দুয়ো ছিৰিৰে ওপৰলৈ উঠি গ'ল। ছিৰিৰ প্ৰথম চাপটো

উঠাৰ পাছত ভাঙটো মুখৰোতে স্মিতাৰ সামান্য সান্নিধ্যই কল্যাণক এক মুহূৰ্তৰ বাবে সজাগ কৰি তুলিলে।

ডাইৰেক্টৰৰ পাৰ্ছনেল ছেক্রেটাৰি শ্রীমতী অবিনাশ কৌৰে অতি সৌহাৰ্দ্যপূৰ্ণভাৱে কল্যাণৰ লগত কৰমৰ্দন কৰিলে। বিনীতভাৱে তেওঁ জনালে যে ডক্টৰ কল্যাণ চৌধুৰীক ডাইৰেক্টৰে এইখিনি সময়ত আশা কৰিছেই। কিন্তু বোম্বাইৰপৰা আহি পোৱা কেমিকেল ফাৰ্ম এখনৰ প্ৰতিনিধিৰ লগত এতিয়া তেখেতৰ আলোচনা এটা চলিছে।

"মই অপেক্ষা কৰিম,"—কল্যাণে নম্ৰভাৱে ক'লে। "মোৰ কোনো লৰালৰি নাই।"

স্মিতাই অবিনাশ কৌৰৰ লগত কল্যাণক চিনাকি কৰি দি বিদায় লৈছিল। কাট গ্লাছত শীতল পানীয় আহিছিল কল্যাণ আৰু অবিনাশৰ বাবে। অবিনাশে কল্যাণৰ লগত দুই-এটা কথা আৰম্ভ কৰি দিছিল। তাৰ মাজতে তাই কল্যাণৰ চুটি জইনিং লেটাৰখন ইলেকট্ৰনিক টাইপ-ৰাইটাৰত ধুনীয়াকৈ টাইপ কৰি দিছিল। খমখমীয়া কাগজখন হাতত লৈ চহী কৰাৰ আগতে সোঁহাতৰ ওপৰৰ চুকটোত কল্যাণে কাৰো বিশেষ চকুত নপৰাকৈ চাৰিটা ফুট দিলে। জীৱনৰ যি কোনো শুভাৰম্ভ কৰাৰ আগতে সি সদায় এনেকৈ চাৰিটা ফুট দি ইস্ট দেৱতাকে স্মৰণ কৰে। কেতিয়াৰপৰা এনেদৰে ফুট দিবলৈ আৰম্ভ কৰিছিল সি? লগে লগে পুতুল খুৰালৈ মনত পৰি তাৰ মুখত এটা মিচিকি খেলি গ'ল। সৰু কালতে সেই হালধীয়া কৰবীৰ ফুল গাইপতি ভগাই লৈ মৌ খোৱাতেই হওক বা মেটেকাৰ ঠাৰিৰে গোসানী সাজি পূজা কৰি পুতুল খুৰাৰ মাক উজনীৰ আইতাই বনাই দিয়া পায়স খোৱাতেই হওক, পুতুল খুৰাই সিহঁতক সদায় ইস্ট দেৱতাক স্মৰণ কৰোৱাইছিল—'ওঁম্ নাগায় নমঃ, কুৰ্মায় নমঃ, কিৰ্কিৰেশ্বৰায়

নমঃ, ভগদত্তায় নমঃ, ধনঞ্জয়ায় নমঃ।' তাৰ পাছতো কল্যাণৰ সেই ইস্টদেৱতাক স্মৰণ কৰা অভ্যাসটো থাকি গ'ল। সি নিজৰ অজানিতেই কেতিয়াৰপৰা জানো এই অভ্যাসটো আৰম্ভ কৰিলে— চাৰিটা ফুট—সুখ, শান্তি, সমৃদ্ধি আৰু যশস্যা—হে প্ৰভু, এই চাৰিওটা মোক দিবা।—কোন প্ৰভু ? সি ক'ব নোৱাৰে। পুতুল থুৰাই মনত সুমুৱাই দিয়া প্ৰভু ? কোন প্ৰভু সি কেতিয়াও ভাবি চোৱা নাই।

অবিনাশ কোৰে ৱাড'প্ৰছেছৰত আকৌ কিবা এটা টাইপ কৰিছিল। থহি পৰিব খোজা ছিল্কেন দোপাট্টাখন তেওঁ ডিঙিত মেৰিয়াই লৈছিল। কল্যাণৰ ভাৱ হ'ল যে মহিলা গৰাকী বুদ্ধিমতী। কথা কম কয়। কামত বৰ নিষ্ঠাৱতী। সেউজ-হালধীয়া ছালৱাৰ কামিজযোৰে তাইক তুলি ধৰিছে।

চিঠিখন ৱাৰ্ড প্ৰছেছৰত টাইপ কৰি উঠি মেমোৰিত ভৰাই চাবি এটা টিপি কেবা কপিও কৰিবলৈ মেছিনটোক নিৰ্দেশ দি অবিনাশ এইফালে আহিল। কল্যাণৰ গিলাছটো আঁতৰাই থ'লে।

"আপোনাক বহুপৰ বহুৱাই ৰাখিছোঁ ছাৰ," এই বুলি কল্যাণৰ 'নাই নাই, একো নহয়, এইবোৰ অৱজ্ঞা কৰি তাই ডাইৰেক্টৰৰ কোঠাটো আৰু এই কোঠাটো দুভাগ কৰি ৰখা বেৰখনলৈ চালে। হাউলি থকা নাৰিকল গছ দুডালৰ সিফালে সীমাহীন সাগৰ। দুজনীমান চৰাই দূৰ দিগন্তৰফালে উৰি গৈছে। সাগৰৰ ঢৌবোৰ চলি আছে আৰু চৰাইৰ ডেউকাতো গতি এটা লাগি আছে। নাৰিকল গছ দুজোপাৰ পাতো লৰিছে। এই প্ৰশস্ত বেৰখনত এনে এটা জীৱন্ত, গতিশীল দৃশ্য কেনেকৈ সম্ভৱ হ'ল বাৰু ?

অবিনাশে যেন কল্যাণৰ মুখত প্ৰশ্নটো পঢ়িহে পেলাইছিল। তাই ক'লে, "লিকুইড ক্ৰিস্টেল ডিভাইছ ছাৰ। আমাৰ এটা ডিভিজনে এল.ছি.ডি.-ৰ ওপৰত কাম কৰে নহয়। আপুনি সকলো

দেখিব। দৃশ্যটো অফো কৰি দিব পাৰি। ছটা দৃশ্যৰ যি কোনো এটা ছিলেক্ট কৰিব পাৰি। আনকি, এইখন কাচৰ বেৰহে ছাৰ, ছুইচ এটা টিপি ইফাল সিফাল দেখা কৰি ল'ব পাৰি। সেই ছুইচটো পিছে ডাইৰেক্টৰেহে অপাৰেট কৰে, সিফালৰ পৰা।

অবিনাশ সিফাললৈ গৈ নিজৰ ছুইভেল চেয়াৰখনত বহি অৱলীলাক্রমে এপাক মাৰিলে। তাৰ পাছত ধুনীয়া, মসৃণ, ক'লা ভেলভেটি বাকছ এটাৰ ফিদাৰ টাচ্চ বুটাম এটা চুলে। সিফালৰ পৰা গলগলীয়া মাত এটা ভাহি আহিল, "কোৱা অবিনাশ।"

কণ্ঠটোত বেছ দৰদ আছে। কল্যাণে সেইটো ডাইৰেক্টৰৰ মাত বুলি বুজি পালে।

অবিনাশে ক'লা ভেলভেটি বাকছটোৰ ওচৰলৈ মুখ নি কল্যাণ অহাৰ কথা ক'লে।

"অ' হয় নেকি ?"

মাজৰ বেৰখনৰ সাগৰৰ দৃশ্যটো যেন বৈ গ'ল। তাৰ পাছত গোটেই বেৰখন স্বচ্ছ হৈ পৰিল। সিফালৰ ডাইৰেক্টৰৰ ৰুচিসম্মত প্রশস্ত কোঠাটো দেখা গ'ল। বিশেষ ভাঁজত কটা মেহোগনি কাঠৰ টেবুলখনৰ সিকাষে বহি আছে ডাইৰেক্টৰ প্রফেছৰ মজুমদাৰ। তেওঁৰ সন্মুখত ছুট টাই পিন্ধা, শকত, আদহীয়া ভদ্রলোক এজন। কাষত বৰ স্মাৰ্ট, চুলি ওলোটাই ফনিওৱা চল্লিছ মান বয়সৰ আন এজন মানুহ। তেওঁলোক দুজনক একাষৰ পৰাহে দেখা গৈছে।

ডাইৰেক্টৰে স্বচ্ছ হৈ উঠা বেৰখনৰ সিফালৰপৰাই মোলায়েম হাঁহি এটা মাৰিলে। তাৰ পাছত ৰুম কম্যুনিকেটৰটোৰ ছাবি এটা টিপি ধৰি ক'লে, "সোমাই আহক ডক্টৰ চৌধুৰী। অবিনাশ, ডক্টৰ চৌধুৰীক লৈ আহা ইয়ালৈ।"

অবিনাশে আৰু মিঠা হাঁহি এটা মাৰিলে। দোপাট্টাখন ইমান পৰ ভিঙিতে আছিল। অলপ নমাই ৰেচনী সেউজ-হালধীয়া

কামিজটো সামান্য ঢাকি ললে। তাৰ পাছত কল্যাণক আগবঢ়াই নিলে।

আদৰ-কায়দাবোৰ কল্যাণৰ বৰ নতুন লাগিল। অবিনাশ আৰু কল্যাণ আগবাঢ়ি যোৱাৰ লগে লগে বাঁহীৰ সুৰৰ দৰে সুৰ এটা তুলি ডাইৰেক্টৰৰ কোঠাৰ বেৰখন দুফাল হৈ দুয়োদিশে আঁতৰি গ'ল। এটা মধুৰ নাৰী কণ্ঠই আদৰণি জনাই ক'লে, "ইউ আৰ ৱেলকাম টু ডাইৰেক্টৰছ চেম্বাৰ। প্ৰফেছৰ মনোজ কুমাৰ মজুমদাৰ ডাইৰেক্টৰ অব দি মন্দাকিনী মেমোৰিয়েল লেবৰেটৰীৰ ৱেলকামছ ইউ ভেৰি কৰ্ডিয়েলি।"

সামান্য হিচহিচনিটো মন নকৰিলে কণ্ঠটো ৰেকৰ্ডেড বুলি বুজাই টান হৈ পৰে।

ডাইৰেক্টৰে কল্যাণক আথেবেথে বহুৱালে। অবিনাশক কফি পঠাবলৈ ক'লে। তাৰ পাছত অবিনাশ ওলাই যোৱাৰ লগে লগে এবাৰ খুলি আকৌ বন্ধ হৈ পৰা বেৰখনত মহাকাশৰ কোনো তাৰকা-ৰাজ্যৰ ছবি ভাহি উঠিল।

ডাইৰেক্টৰে কল্যাণে আগবঢ়াই দিয়া জইনিং লেটাৰখন ল'লে। সেইখনৰ প্ৰতি সদ্যহতে মনোযোগ নিদি তেওঁ কোঠাটোৰ আন দুজন ভদ্ৰলোকক লগত কল্যাণক চিনাকি কৰি দিলে।

"এখেত বোম্বাইৰ মেহতা কেমিকলছৰ জি. এম. টেকনিকেল আনন্দ কুমাৰ। আমাৰ এটা প্ৰজেক্ট ল'ব খুজিছে। আৰু এখেত—"আনজন চল্লিছ যেন বয়সৰ স্মাৰ্ট ভদ্ৰলোকলৈ ইংগিত কৰি তেওঁ ক'লে, "এখেত হ'ল আমাৰ লেবৰেটৰীৰ প্ৰছেছ টেন্সফাৰ ডিভিজনৰ চিফ বিদ্যুৎ চক্ৰবৰ্তী।"

কল্যাণৰ পৰিচয়ো ডাইৰেক্টৰে বৰ সুন্দৰকৈয়ে দিলে। ইয়ংগেস্ট এছিস্টেণ্ট ডাইৰেক্টৰ হ'ব। বৰ ভাল কেৰিয়াৰ, এতিয়াৰপৰা ছাইন্স এডমিনিষ্ট্ৰেচন আৰু ৰিছাৰ্চ মেনেজমেণ্ট ডিভিজনটো

এখেতৰ তত্ত্বাৱধানতে দিয়া হ'ব। মোৰোভাৰ, হি ইজ এ গুড ৰাইটাৰ।

কল্যাণে বিনয়ৰ ভংগীত কথাখিনি শুনিলে। এনেয়ে এবাৰ অস্ফুটভাৱে সি ক'লে—"নাই।"

কফি আহিছিল। প্ৰফেছৰ মজুমদাৰৰ বাবে ব্ৰেক কফি। বিদ্যুৎ চক্ৰবৰ্তীয়ে অলপ আগতে খোৱা বাবে আপত্তি কৰিছিল যদিও ডাইৰেক্টৰে দি যাবলৈ কোৱাত আপত্তি নকৰিলে।

সৌজন্যসূচক দুই-এটা কথা কফিৰ মাজে মাজে চলি থাকিল।

বিদ্যুৎ চক্ৰবৰ্তীৰ নাম কল্যাণে আগতে শুনিছে। প্ৰছেছ ট্ৰেন্সফাৰৰ নেচনেল এৱাৰ্ড দুবছৰমান আগতে তেখেতে মন্দাকিনী লেবৰেটৰিৰ হৈ ৰাষ্ট্ৰপতিৰ পৰা গ্ৰহণ কৰা নাছিল জানো দিল্লীত? কল্যাণতো তেতিয়া দিল্লীতে। ফাংকচনলৈ নিমন্ত্ৰণী পাছ পাইছিল। যাবহে নোৱাৰিলে।

আনন্দ কুমাৰ উঠিল। আটাইৰে লগত কৰমৰ্দন কৰি বিদায় ল'লে। তেওঁ খোজ আগবঢ়োৱাৰ লগে লগে বেৰখন ফাঁক হৈ গ'ল—আকৌ বন্ধ হ'ল।

কল্যাণৰ এয়ে প্ৰথম ভিজিট নেকি ছাইন্স ছিটিলৈ? প্ৰথম? "অ' তেনেহলে আপোনাৰ ইয়াত বহুত চাবলগীয়া আছে। প্ৰথম কিছুদিন ইয়াত থাকি ব'ৰ নালাগে—"নিজৰ ৰসিকতাত বিদ্যুৎ চক্ৰবৰ্তীয়ে নিজেই হাঁহিলে।

"তেনেহলে এটা কাম নকৰে কিয়?" ডাইৰেক্টৰে চক্ৰবৰ্তীকে কলে, "কল্যাণক দুদিনমান এই সবু ছাইন্স ছিটিখনৰ সকলোবোৰ চাবলগীয়া ঠাই আপুনিয়েই দেখুৱাই দিয়ক। আপোনাৰ নিচিনা এজন অভিজ্ঞ ছেলছমেন পালে কল্যাণে ভাল পাব।"

ডাইৰেক্টৰৰ মুখৰপৰা কল্যাণ শব্দটো ওলাই যোৱাত কল্যাণে

ভালেই পালে। এই সুবিধাতে সি তাক 'তুমি' বুলি মাতিবলৈ ডাইৰেক্টৰক অনুৰোধ জনালে।

বয়সৰ কথাটো ওলাল। উনত্রিছ? হে তেনেহলে দেখোন তেওঁৰ ল'ৰাৰ নিচিনা। হ'ব, হ'ব কল্যাণক তেওঁ 'তুমি' বুলিয়েই মাতিব।

চক্রবর্তীৰ যে ডাইৰেক্টৰৰ লগত খুব সহজ আৰু ঘৰুৱা সম্পর্ক সেইটোও বুজা গ'ল। তেওঁ পোনে পোনে এটা প্রশ্নই সুধিলে, "মোৰ বয়স কিমান কওকচোন ডক্টৰ চৌধুৰী।"

"চল্লিছ"—হাবি নিদি কল্যাণে ক'লে।

'ভুল হ'ল। অহা জুলাইত পঞ্চাশ হ'ব।'

'দেখিলে কিন্তু অনুমান কৰাটো টান'—এক প্রকাৰ প্রশংসাৰ সুৰতে কল্যাণে ক'লে।

'আপোনাৰ পৰা ডেকা হৈ থকাৰ ৰহস্যটো জানি ল'ব লাগিব। কিবা এলিক্‌জিৰ-টেলিক্‌জি আছে নিশ্চয়।"

তিনিও হাঁহিলে। আগৰ প্রসংগলৈ আহি বিদ্যুৎ চক্রবর্তীয়ে ডাইৰেক্টৰলৈ চাই ক'লে, "ছাইন্স ছিটি আৰু লেবৰেটৰীৰ দেখুওৱা এই দুয়োটা কামেই মই বুঢ়াটোৰে কৰিবলে ডক্টৰ কল্যাণ চৌধুৰীয়ে কি ভাল পাব ছাৰ? তাতকৈ মই মিছ স্মিতা কাশ্যপ বা মিছ অমলপ্রভাকে লগত পঠাম বুলি ভাবিছোঁ।" কথাখিনি কৈ ছেলাউৰিৰ কোঁচাই দৃষ্টি কল্যাণৰ ফালে ৰাখি তেওঁ এটা ইংগিত কৰিলে।

"সেইটো বাৰু আপুনি যি ভাল দেখে কৰিব" হাঁহি মাৰি ডাইৰেক্টৰে ক'লে। তাৰ পাছত কল্যাণৰ ফালে চাই সুধিলে, "বাই দি ৱে, তোমাৰ থকা-মেলাৰ সকলো ব্যৱস্থা ঠিক-ঠাক হৈছেনে? কিবা লাগিলে তুমি মোৰ পি. এছ. অবিনাশকে ক'বা।"

কথা-বতৰা ঘৰুৱা পৰিৱেশত আগবাঢ়ি থাকোঁতেই হঠাতে ডাইৰেক্টৰে আতংকিত হোৱাৰ দৰে আধাপাক ঘূৰি পিছফাললৈ চালে। হালধীয়া লাইট এটা খৰ খৰকৈ জ্বলা-নুমোৱা জ্বলা-নুমোৱা কৰা কল্যাণৰ চকুত পৰিল। তাৰ লগে লগে মিহিকৈ কিন্তু লাইটৰ একে ছন্দতে পুং-পোং, পুং-পোংকৈ শব্দও হৈ গৈ আছিল।

ডাইৰেক্টৰ আৰু চক্ৰবৰ্তীক সচকিত হৈ থিয় হোৱা দেখি কল্যাণো থিয় হ'ল। অবিনাশ কোঁৰ ব্যগ্ৰ ভাৱে সোমাই আহিল। তেওঁৰ হাতত কৰ্ড লেছ টেলিফোন এটা। আতংকৰ সুৰ গোপন নকৰাকৈয়ে তেওঁ মাথোন এটা শব্দ ক'লে "ছাৰ!" কোনেও একো প্ৰশ্ন নুসুধিলে। ডাইৰেক্টৰে জাপ মাৰি যোৱাদি গৈ অবিনাশৰ হাতৰ পৰা টেলিফোনটো লৈ আৱশ্যকতকৈ জোৰেৰে ক'বলৈ ধৰিলে—"মজুমদাৰ হিয়াৰ। হাঁ? ক'ত? পাইলট প্লেণ্টত? মানুহখিনিক বচাবলৈ যত্ন কৰক। মই এতিয়াই পাম গৈ।"

ফোনটো অবিনাশক দলিয়াই দিয়াদি দি প্ৰফেছৰ মজুমদাৰ নিজৰ চকীৰ পিছফাললৈ আহিল। মজিয়াৰ পৰা এহাতমান ওপৰত এটা কাচৰ বাকছ বেৰত খুওৱা আছিল। গাত ডাঙৰকৈ ৰঙা ৰঙেৰে লিখা আছিল 'জেনেৰেল ইমাৰজেন্সি' আৰু তাৰ তলতে ৰঙাৰেই সৰুকৈ এটা দফা।

ডাইৰেক্টৰে জোতাৰ আগেৰে গোব মাৰি বাকছটোৰ কাচৰ দুৱাৰখন ভাঙি দিলে। লগে লগে বিপদসূচক ছাইৰেন এটা দূৰুত ক'ৰবাত বাজি উঠিল।

ডাইৰেক্টৰ আৰু চক্ৰবৰ্তীৰ পিছে পিছে কল্যাণ আৰু অবিনাশো ডাইৰেক্টৰৰ কোঠাৰপৰা বাহিৰ ওলাইছিল। ইতিমধ্যে লেবৰেটৰীৰ অ'ত ত'ত থকা স্পিকাৰবোৰৰপৰা পুৰুষসুলভ

ক'ণ্ঠ এটাই পৰম আশ্বস্ততাৰে কিন্তু অতি জৰুৰী সুৰত ক'বলৈ আৰম্ভ কৰিছিল—"এ জেনেৰেল ইমাৰজেন্সি হেজ বিন ডিক্লাৰড ইন দিছ লেবৰেটৰি। আই ৰিপিট—এ জেনেৰেল ইমাৰজেন্সি হেজ বিন ডিক্লাৰড। সকলো গেছ আৰু ইলেকট্ৰিকেল সংযোগ বিচ্ছিন্ন কৰি দিয়ক। হেলমেট আৰু গেছ মাস্ক পিন্ধক, তিতা টাৱেল কান্ধত লওক আৰু তৎক্ষণাৎ ঘৰৰ বাহিৰলৈ ওলাই আহি নিৰ্দেশলৈ অপেক্ষা কৰক। পলম নকৰিব। কিন্তু আতংকিত নহ'ব। ধৈৰ্য্য ধৰক। এ জেনেৰেল ইমাৰজেন্সি····।

ঘোষণাটো চলি থকাৰ মাজতে ডাইৰেক্টৰে অবিনাশক নিৰ্দেশ দিছিল—"সঁচা কথাটোৱেই এনাউন্স কৰি দিয়া—কোৱা, পাইলট প্লেণ্ট ছিত জুই লাগিছে। কোনো মানুহৰ বিশেষ একো হোৱা নাই। জুই এতিয়াও নিয়ন্ত্ৰণ কৰিব পৰা নাই। যেয়ে সহায় কৰিব পাৰে পাইলট প্লেণ্ট এৰিয়ালৈ আহক। কিন্তু ফায়াৰ ফাইটিঙৰ বাবে ৰাস্তাত যাতে খালি ৰাখে। দুৰ্ঘটনা অঞ্চলত অযথা যাতে ভীৰ নকৰে।"

কল্যাণে বিস্ময়েৰে লক্ষ্য কৰিলে যে অবিনাশে নিজৰ দোপাট্টা খন চম্ভালাৰ কথাটোৱে সিমান মন কৰা নাই, কিন্তু ডাইৰেক্টৰে কোৱা কথাখিনি নোট পেডটোত শৰ্টহেণ্ডত টুকি ল'বলৈ হ'লে পাহৰা নাই। ডাইৰেক্টৰ কথা শেষ হোৱাৰ লগে লগে প্ৰায় দৌৰাদি অবিনাশ কোৰ নিজ কোঠালৈ উভতি গ'ল।

প্ৰফেছৰ মজুমদাৰৰ দৰে ইমান বয়সস্থ মানুহ এজনেও যে ইমান বেগাই খোজ কাঢ়িব পাৰে সেই ধাৰণা কল্যাণৰ নাছিল। তদুপৰি তেওঁক সি লগেই পাইছে বা কিমান? দিল্লীত দুবাৰ তাৰ ভাড়া ঘৰলৈ আহোঁতে সন্তৰ্পণে ছিৰি বগাই উঠা প্ৰফেছৰ মজুমদাৰেই এতিয়া উনত্ৰিশ বছৰীয়া কল্যাণকো পিছ পেলাই থৈ দৌৰিছে—পাইলট প্লেণ্টৰ ফালে।

বহু দূৰৰ পৰাই পাইলট প্লেণ্টৰ জুইৰ ধোঁৱা দেখা গৈছে। হাই-উৰ্ মিৰ ষিখিনি টুকুৰা-টুকুৰকৈ আহি সিহঁতৰ কানত পৰিছে তাৰপৰা বুজা যায় যে তাত এক আতংকৰ পৰিৱেশ বিৰাজ কৰিছে।

হালধীয়া আৰু ক'লা ষ্ট্ৰাইপেৰে ৰঙ কৰা বেৰেৰে আগুৰা পাইলট প্লেণ্ট অঞ্চলটো বৰ গহীন। ডাঙৰ ডাঙৰ পুৰণি গছো কেইডালমান বেৰৰ কাষে কাষে আছে।

ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰ, বিদ্যুৎ চক্ৰবৰ্তী আৰু কল্যাণ যেতিয়া তাৰ মেলি থোৱা গধুৰ গেটখনৰ ভিতৰলৈ সোমাই গ'ল যেতিয়া ছিকিউৰিটি গাৰ্ডজনে নিৰ্বিকাৰ গোমোঠা মুখ এখন লৈ খটপকৈ ছেলুট এটা মাৰিলে।

ডাইৰেক্টৰে এই বিপদৰ পৰতো সৌজন্য নেৰিলে। তেওঁ ছেলুট দিলে। কল্যাণৰ ফালে ইংগিত কৰি তেওঁ ক'লে, "আমাৰ নতুন এছিস্টেণ্ট ডাইৰেক্টৰ। এখেতৰ ফটো আইডেণ্টিটি কাৰ্ড এতিয়াও হোৱা নাই। মই লগত লৈ যাওঁ দেই।"

গাৰ্ডজনে ইতিবাচক-নেতিবাচক একো নক'লে। হয়তো সি ভাবিলে ডাইৰেক্টৰক অনুমতি দিয়া-নিদিয়াৰ এক্টিয়াৰ তাৰ ক'ত! কিন্তু কল্যাণৰ ফালে চাই সি এইবাৰ এটা ছেলুট মাৰিলে। মিলিটাৰি প্ৰটোকল আওকান কৰি কল্যাণেও এটা ছেলুট দিলে। সি মন কৰিলে ইয়াত আটাইবোৰ মানুহে আনকি ডাইৰেক্টৰেও ফটো আইডেণ্টিটি কাৰ্ড পিন্ধে। স্মিতা আৰু অবিনাশৰ বুকুতো সি কাৰ্ড দেখিছে। সি আৰু মন কৰিলে যে প্ৰতিটো লেবৰেটৰি বিল্ডিংৰ গেটটে একোটা ইলেকট্ৰনিক ঘড়ী আছে।

পাইলট প্লেণ্টৰ গেটৰ ঘড়ীটোত তেতিয়া ন বাজি তেইশ মিনিট গৈছে।

॥ ২ ॥

ডাইৰেক্টৰ, বিদ্যুৎ চক্ৰবৰ্তী আৰু কল্যাণ গৈ যেতিয়া পাইলট প্লেণ্টৰ অঞ্চলটো পালে তেতিয়া তাত এটা হুৱা-দুৱা লাগি পৰিছে। ইমাৰজেন্সি পাউদাৰ স্প্ৰেয়াৰবোৰ ষ্টাৰ্ট কৰি দিয়া হৈছে। প্ৰত্যেকটো স্প্ৰেয়াৰ অটোমেটিকৰপৰা গুচাই মেনুৱেল কৰি একো একোজন গেৰুৱা অ'ভাৰঅল আৰু বগা হেলমেট পিন্ধা টেকনিছিয়ানে জুইৰ ফালে ঘূৰাইছে। ফায়াৰ ফাইটিং অপাৰেচন তদাৰক কৰিছে চিফ ছিকিউৰিটি অফিছাৰজনে— তেওঁৰ নাম মিস্টাৰ জনাৰ্দন বুলি বিদ্যুৎ চক্ৰবৰ্তীয়ে কল্যাণক ক'লে। ভীৰ ফালি ডাইৰেক্টৰ আৰু কল্যাণহঁত আগবাঢ়ি যোৱাৰ লগে লগে মিস্টাৰ জনাৰ্দনে সসম্মানে ছেলুট কৰিলে।

"চিন্তাৰ কোনো কাৰণ নাই, ছাৰ। জুই লাগিব পৰা কেমিকেলছবোৰ—এলকহল আৰু বেনজিন আছিল প্ৰধানকৈ— সকলো ইতিমধ্যে আঁতৰাই পেলোৱা হৈছে।"—মিস্টাৰ জনাৰ্দনে ক'লে।

জনাৰ্দন মানুহজন শকত-আৱত, পেটটো বেলুনৰ দৰে তললৈ ওলমি গৈছে। বয়স চল্লিশ-বিয়াল্লিশ হ'ব। তেওঁ সাধাৰণ পোছাকেই পিন্ধিছে, কিন্তু মূৰত বগা হেলমেট পিন্ধি লৈছে। মানুহজনৰ কপালত বিন্দু বিন্দু ঘাম। খুব যে নিষ্ঠাবান কৰ্মী সেইটো বুজা যায়।

ডাইৰেক্টৰে যথেষ্ট সকাহ পালে। কিন্তু তথাপিও সুধিলে, "তাতচোন ধোঁৱা ওলায়ে আছে। জুই এতিয়াও পুৰাকৈ নুমোৱা নাই নেকি?"

"তাত গেছিফিকেচনৰ বাবে এক ট্ৰাক মান কয়লা দ'মাই থোৱা আছিল। জুই গৈ তাতো লাগিছিল। উমি উমি জ্বলি আছে। কেমিকেল ফায়াৰ ফাইটিং শেষ হোৱাৰ পাছত আমি তাত পানী মাৰিম।"—জনাৰ্দনে নিজৰ ওপৰত পৰম বিশ্বাস ৰাখি ক'লে।

ইতিমধ্যে ছাইন্স ছিটিৰ ছেণ্ট্ৰেল ফায়াৰ ফাইটিং ফেচিলিটিৰ-পৰা ফায়াৰ টেণ্ডাৰ চাৰিখন আহি পাইছিল। জনাৰ্দন সেই ফাললৈ দৌৰ মাৰি গ'ল। দুটামান বাক্যৰ আদান-প্ৰদানৰ পাছত খাকী ড্ৰেছ আৰু জালৰ মাস্ক পিন্ধা ফায়াৰ ফাইটাৰ কেইজনে এটা বিৰাট হোছ পাইপ টানি উলিয়ালে। হাইড্ৰেণ্টৰ লগত কানেক্ট কৰিলে আৰু পানী মাৰিবলৈ ধৰিলে।

কয়লাৰ দ'মৰ সীমিত জুই একত্ৰিত আক্ৰমণত স্তিমিত হৈ আহিল।

জুই লগা এই ঘটনাটো সৰু হ'লেও নাটকীয়ই আছিল। ঘটনাটোৱে কল্যাণক বহুতৰে লগত একেলগে আৰু কম সময়তে চা-চিনাকি হোৱাৰ সুবিধা কৰি দিলে। অকল চা-চিনাকি হোৱাৰে নহয় চিনি পোৱাৰো সুবিধা কৰি দিলে—কল্যাণে ভাৱিলে।

বিদ্যুৎ চক্ৰবৰ্তী মানুহজনয়ে বয়স হিচাবে অলপ বেছি স্মাৰ্ট সেইটো কল্যাণৰ চকুত পৰিল। ফায়াৰ ফাইটিঙৰ গোটেই সময়-খিনিত কেবাজনো মানুহকো ডাঙৰ ডাঙৰ মাতেৰে নানা দিহা পৰামৰ্শ দি থকা দেখা গৈছিল। তাৰ ভিতৰত লৰা-ঢপৰা কৰি আগ-ভাগ লৈছিল বিদ্যুৎ চক্ৰবৰ্তীয়ে। যেন এই জুই বিষয়ৰ ঘটনাটোৰ সমস্ত দায়িত্ব তেওঁৰহে এনে এক গাম্ভীৰ্য্যৰে তেওঁ অলপ দূৰৰ কনষ্ট্ৰাকচন ছাইটৰপৰা জুইৰ ঠাইলৈ বালি অনোৱাৰ বাবে পুৰুষ-মহিলাৰ লাইন এটা পতাই দিলে, একোটা বাল্টি বালি ইজনৰপৰা সিজনলৈ হাত-বাগৰি লাইনৰ শেষৰ মানুহজনৰ

হাতত পৰিল। তেওঁ বালিখিনি জুইৰফালে মাৰি পঠালে। গোটেই প্ৰক্ৰিয়াটোৰ তদাৰক কৰি থাকিল বিদ্যুৎ চক্ৰবৰ্তীয়ে নিজে অত্যাধিক ব্যস্ত হৈ।

অৱশ্যে শেষত মিষ্টাৰ জনাৰ্দনে প্ৰায় তৰ্ক কৰিয়ে ক'লে যে কামটো নিতান্তই নিষ্প্ৰয়োজনীয়, কাৰণ কেমিকেল জুই নুমাবৰ বাবে কেমিকেল মিনছ ব্যৱহাৰ কৰা হৈছেই। কয়লাৰ জুই নুমাবৰ বাবে এই ফায়াৰ টেণ্ডাৰ পালেহিয়েই।—বিদ্যুৎ চক্ৰবৰ্তী কিন্তু নিৰস্ত নহ'ল। তেওঁ কামটো আগৰ দৰেই চলাই থাকিল। অৱশ্যে ফায়াৰ টেণ্ডাৰ আহি পোৱাত লাইনটো এনেয়ে ভাঙি গ'ল।

এডিচনেল ডাইৰেক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ লগতো কল্যাণৰ চিনাকি হ'ল। ডাইৰেক্টৰেই চিনাকি কৰি দিলে। মানুহজনে যিটো পোছাক পিন্ধিছে তাৰপৰা তেওঁক এডিচনেল ডাইৰেক্টৰ বুলি ধৰা টান, বৰং ৱাৰ্কশ্বপৰ মেকানিক-টেকানিক যেনহে লাগে। তেওঁৰ গোটেই তালুখনত চুলি নাই, কাৰণ ওপৰে ওপৰে গোটেই ঘেৰটোত একোছা দীঘল চুলি আছে তাত বেছ পক ধৰিছে।

ডাইৰেক্টৰে চিনাকি কৰি দিয়াত কল্যাণে হাত আগবঢ়াই দি বিনয়েৰে কৰমৰ্দন কৰিব খুজিছিল। কিন্তু ভট্টাচাৰ্য্যই বকুৰ ওচৰলৈ হাত চপাই দীঘলীয়া নমস্কাৰ এটা দি তাক বিপদত পেলালে।

'আপোনাৰ কথা বহুদিনৰে পৰাই কথা বহুদিনৰে পৰাই ডাইৰেক্টৰ চাহাবৰ মুখত শুনি আছিলোঁ। লগ পোৱাৰহে সৌভাগ্য হোৱা নাছিল।'—ভট্টাচাৰ্য্যই সৌজন্য দেখুৱাই ক'লে, নেকিবা এটা ঠাট্টাৰ সুৰো তাত সানি দিলে বুজা নগ'ল।

কল্যাণৰ মুখৰপৰা মাত্ৰ এটা শব্দ ওলাল—"হয়।" কিন্তু সি এই শব্দটোৰ বাবে বহুদিনলৈ লাজ পাই থাকিল।

হয় ? সৌভাগ্য ? কল্যাণক লগ পোৱাৰ সৌভাগ্য ? মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ এডিচনেল ডাইৰেক্টৰ ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ বাবে কল্যাণক লগ পোৱাটো সৌভাগ্য নেকি ?

হয়তো ডক্টৰ ভট্টাচাৰ্য্যই এনেয়ে কথাৰ খাতিৰতে কথাষাৰ কোৱা নাছিল। তাৰ হয়তো এটা ভিতৰুৱা মূল্যও আছিল। কিন্তু সেই কথা বুজিবলৈ কল্যাণে কিছুদিন বাট চাবলগীয়া হ'ল।

জুইৰ ঘটনাতে কল্যাণে অনু বাইদেউকো লগ পাইছিল।

"তুমি আহিবা বুলি শুনিয়ে আছিলোঁ, কল্যাণ"—হাঁহি মাৰি অনু বাইদেৱে কৈছিল। কথাৰ সুৰটোও একেই আছে, জোৰটোও একেই আছে। কিন্তু মানুহজনী ? কলেজৰ গাৰ্লছ কমন ৰুমৰ ছেক্ৰেটাৰি, দুবছৰ একেৰাহে বেষ্ট এক্ট্ৰেছ হোৱা স্মাৰ্ট, স্লিম অনু বাইদেউ, সত্যেন অধিকাৰীৰ বায়েক অনুবাইদেউ—ইমান খীনালনে ? গালৰ হনু ইমান ওলালনে ?

"কি ? চিনি পোৱা নাই নেকি তেনেকৈ মনে মনে আছা যে— ? সত্যেন ঢুকোৱাৰ পাছৰ পৰাই তোমাৰ আৰু কোনো খবৰেই নোপোৱা হলোঁ।"

সত্যেনলৈ কল্যাণৰ চেৰেংকৈ মনত পৰি গ'ল। তাৰ অনাৰ্ছ প্ৰেক্টিকেলৰ পাৰ্টনাৰ সত্যেন অধিকাৰী কলেজ এখনত সোমাইছিল। বৃত্তি পাই এমেৰিকালৈ গ'ল। এমেৰিকান ছোৱালীও বিয়া কৰাইছিল। তাৰ পাছত দুবছৰমান কোনো খবৰ নাই। অনু বাইদেউ তেতিয়া কেমিষ্ট্ৰি পাছ কৰি পলিউচন কণ্ট্ৰোল বোৰ্ডত সোমাইছে। তাৰে অফিছাৰ এজনৰ লগত বিয়া বুলি কল্যাণে চিঠিও পাইছিল। বিয়াৰ সময়ত চিঠি দি খবৰ লওঁতে উত্তৰত অনু বাইদেৱে সত্যেনৰ খবৰখাতি বিশেষ নোপোৱা হ'ল বুলি লিখিছিল। তাৰ দুবছৰমান পাছত এদিন বাতৰি কাকতত ফটো ওলাল সত্যেন অধিকাৰীৰ নিউ জাৰ্ছিৰ লেবৰেটৰি এটাতে

বহস্যজনক মৃত্যু হয়। কিবা ডিফেন্স প্ৰজেক্ট এটাত কাম কৰি বেছ সাফল্যৰেই লাভ কৰিছিল বোলে।—অনু বাইদেউলৈ কল্যাণে টেলিগ্ৰাম দিছিল। পালেনে নাই নাজানে।

"কিন্তু অনু বাইদেউ, আপুনি? ইয়াত? ৰাজধানী এৰি এইখন চহৰত? মাত্ৰ কেৰিয়াৰৰ মোহতে? ভিনদেউ ক'ত? সুখন ঘৰ নেকি? আৰু পৰিয়াল কিমান ডাঙৰ?'—একে উশাহতে কল্যাণে বহুতো প্ৰশ্ন সুধি পেলালে।

অনু বাইদেৱে সেইদিনা একো প্ৰশ্নৰে উত্তৰ নিদিলে। মাথোঁ এটা প্ৰশ্নহে কৰিলে, "ইমান ওপৰা-ওপৰি কৰি পেলাইছা কেলেই কল্যাণ?"

অনু বাইদেউৰ—সেই আত্মবিশ্বাসী, তৎপৰ গাৰ্লছ কমনৰুম ছেক্ৰেটাৰি, বেষ্ট এক্টেৰছ অনু বাইদেউৰ কণ্ঠৰ নিয়ন্ত্ৰণ বাৰু হেৰাই গৈছে নেকি? হাৰে তেওঁ দেখোন মুখখন ঘূৰাই লৈ ৰুমালেৰে মুখ নে চকু মচিছে।

*

ছেকেণ্ড ফ্লোৰৰ সুমনলতা কনফাৰেন্স ৰুমটো চকুত লগা। প্লাইউডৰ সুন্দৰ পেনেলিং কৰি থোৱা আছে। এয়াৰকণ্ডিচনাৰবোৰ বেৰৰ কাষে কাষে মজিয়াত লগোৱা। গোটেই ৰুমটো সুন্দৰ পোহৰ হৈ আছে যদিও লাইটবোৰ ক'ত লগাই থোৱা আছে বুজা নাযায়। বেৰবোৰ আৰু ছিলিংখনেহে যেন কোঠাটো পোহৰাই ৰাখিছে। ডাইৰেক্টৰৰ পি.এছ. অবিনাশ কৌৰে কল্যাণক আগ-বঢ়াই নি যেতিয়া সুমনলতা কনফাৰেন্স ৰুম পোৱালেগৈ তেতিয়া তাৰ চেয়াৰমেনৰ চকীখনৰ পিছফালে বেৰত থকা ইলেকট্ৰনিক ঘড়ীটোত দহ বাজি কুৰি মিনিট গৈছে।

"আৰু পাঁচ মিনিটৰ ভিতৰতে এছিষ্টেণ্ট ডাইৰেক্টৰ আৰু ওপৰৰ ছাইণ্টিষ্টসকল ইয়ালৈ আহিব। ইয়াত আৰু সকলোৱে একেবাৰে ষ্ট্ৰিক্টলি টাইম ৰাখে।" তাৰ পাছত প্ৰসংগ সলাই তেওঁ কলে,—

সুমনলতা ভাৰ্গৱ আমাৰ কেমিকেল ইঞ্জিনিয়াৰিং ডিভিজনৰ ছাইণ্টিষ্ট আছিল ছাৰ। তিনি বছৰ আগতে এদিন বিক্টৰৰ এটাত বিস্ফোৰণ হৈ তেখেত আৰু লগতে বিমল বসু নামৰ ছাইণ্টিষ্টজন আহত হ'ল। বিমল বসুক আজি আপুনি পাইলট প্লেণ্টতে মন কৰিব পাৰ—এখন গালত যে পোৰা ছাল—"

কল্যাণে মন কৰিছিল। মানুহজনে নিষ্ঠাৰে ফায়াৰ ফাইটিঙত সহায় কৰিছিল।

অবিনাশে আকৌ কৈ গ'ল,—"সুমনলতাৰ আঘাত গুৰুতৰ আছিল। সঁচা কথা কব লাগিব ছাৰ, হস্পিটেলত তেওঁক দেখাৰ পাছত আমি তেওঁক ভাল কৰি দিবলৈ ঈশ্বৰক খাটিব পৰা নাছিলোঁ—সোনকালে মৃত্যু আনি দিবলৈহে প্ৰাৰ্থনা জনাইছিলোঁ। তিনি দিনৰ দিনা, চাৰি বছৰীয়া ল'ৰা এটা এৰি সুমনলতাই চকু মুদিলে।"—অবিনাশে ওঠা দুটা কামুৰি ধৰিলে, তাৰ পাছত চকুৰ কোণ দুটা মচি ল'লে।

"আপুনি ডক্টৰ পৱন ভাৰ্গৱক এতিয়া মিটিঙতে পাব। ল'ৰাটোক লৈ, সুমনৰ স্মৃতিকে বুকুত বান্ধি বেচেৰাই দিন কটাইছে।

হঠাতে কল্যাণৰ অনুভৱ হ'ল সি যেন এই মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ লগত নিজৰ অজানিতেই নিজে ক্ৰমে জড়িত হৈ পৰিব লাগিছে। ৰিছিপচনিষ্ট স্মিতা কাশ্যপ, ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰ, বিদ্যুৎ চক্ৰবৰ্তী, অবিনাশ কৌৰ, মিস্টাৰ জনাৰ্দন, পৱন ভাৰ্গৱ অনু বাইদেউ—আনকি অতীতৰ চৰিত্ৰ মন্দাকিনী আৰু সুমনলতায়ো তাক যেন চাৰিওফালৰপৰা আগুৰি ধৰি কৈছে—"তুমিও আজিৰ পৰা আমাৰ মাজৰে এজন হৈ পৰিলা কল্যাণ।"

কল্যাণে মন কৰিলে যে ইতিমধ্যে আঠ-দহজন বিভিন্ন বয়সৰ আৰু পেছাৰ বিভিন্ন ধৰণৰ ভদ্ৰলোক কিবা হাস্যৰসত অংশ গ্ৰহণ কৰি সোমাই আহিছে।

অবিনাশে দাঢ়ি বখা, অবিন্যস্ত মূৰৰ চুলিৰ চল্লিশ-বিয়াল্লিশ বছৰ বয়সৰ মানুহ এজনলৈ ইংগিত কৰি কল্যাণক ক'লে—"ডক্টৰ পৱন ভাৰ্গভ। আপুনি আগতে দেখিব লাগিছিল—কি উৎফুল্ল, কি প্ৰাণোচ্ছল আছিল!"

ডাইৰেক্টৰ আৰু তেওঁৰ লগে লগে এডিচনেল ডাইৰেক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য আৰু প্ৰছেছ ট্ৰেন্সফাৰ বিভাগৰ মুৰব্বী বিদ্যুৎ চক্ৰবৰ্তীও সোমাই আহিল। দুগৰাকী মহিলা বিজ্ঞানীও লগে লগে আহিল।

সকলোৰে বহাৰ পাছত ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে কল্যাণক চিনাকি কৰাই দিলে। পুৰাৰ দুৰ্ঘটনাটোৰ চুটি বিৱৰণী এটা দিলে। দুৰ্ঘটনাৰ কাৰণ সম্পৰ্কে একো নকৈ তেওঁ মাথোঁ এটা এটা এনকুৱাৰি কমিটি ঘোষণা কৰিলে—চেয়াৰমেন বায়োটেকনোলজিৰ হেড ডক্টৰ পদ্মনাভন, মেম্বাৰ ডক্টৰ পৱন ভাৰ্গভ আৰু ডক্টৰ কল্যাণ চৌধুৰী।

"কল্যাণক মই এই কাৰণে ৰাখিছোঁ যে তেওঁৰ যিহেতু কাৰো বিষয়ে একো প্ৰাক-ধাৰণা নাই, তেওঁৰ বিচাৰ আমাৰ সকলোবোৰতকৈ বেছি নিৰপেক্ষ হ'ব।" ডাইৰেক্টৰে ক'লে। এসপ্তাহৰ ভিতৰতে ৰিপোৰ্ট দিবলৈ তেওঁ চেয়াৰমেন ডক্টৰ পদ্মনাভনক অনুৰোধ জনালে।

ডাইৰেক্টৰৰ পি.এছ. অবিনাশ কোৰে নিষ্ঠাৰে কথাবোৰ আৰু নামবোৰ টুকি গ'ল।

ৰাসায়নিক কীটনাশক প্ৰকল্প, লুছিফেৰিন প্ৰকল্প আৰু ইণ্টাৰ্নেল টেক্সটাইল নামৰ প্ৰকল্পটোৰ চমু বিৱৰণী দাঙি ধৰিলে বিভাগীয় মুৰব্বী সকলে। সেই কথাবোৰৰ লগত ততাতৈয়াকৈ একাত্ম হৈ পাৰিবলৈ কল্যাণৰ টান লাগিল। কিন্তু সি ভাল ছাত্ৰ এজনৰ দৰে মনোযোগেৰে শুনি থাকিল।

তাৰ পাছত চাহ-বিস্কুট খাই থাকোঁতে ওলাল তিনি মাহ পাছত হ'বলগীয়া ৰাষ্ট্ৰীয় বিজ্ঞান সমাজৰ সমাৰোহ ছুপাৰগেলাক্সিৰ কথা। পাবলিক ৰিলেচনছৰ তদাৰককৰ্তা উৎপল বিষয়াক মাতি পঠোৱা হ'ল। অবিনাশেই ইণ্টাৰকমৰ চাবি টিপি মাতি দিলে।

তেওঁ আহি পোৱাত ছুপাৰগেলাক্সিৰ আয়োজনৰ বাবে দুই সৰু-সুৰা কথা আলোচনা কৰা হ'ল।

উৎপল বিষয়া নিজৰ ওপৰত আস্থা থকা মানুহ। তেওঁ—এতিয়াও বহুত টাইম আছে ছাৰ, মই ডিটেইলড প্লেনিং কৰি মিটিং পাতিম—আপোনাৰো এডভাইছ ল'ম ছাৰ—" বুলি ক'লে।

ডিটেইলড প্লেনিঙত নতুন ছাইন্স এডমিনিষ্ট্ৰেটৰ আৰু ৰিছাৰ্চ মেনেজাৰ ডক্টৰ কল্যাণ চৌধুৰীকো ল'বলৈ ডাইৰেক্টৰে উপদেশ দিলে।

*

সেই প্ৰথম দিনাই যি এক পৰম ব্যস্ততাৰে কল্যাণৰ এই লেবৰেটৰিৰটোৰ জীৱন আৰম্ভ হৈছিল, তাৰ যেন আৰু কোনো ছেদ নাছিল, কোনো অন্ত নাছিল।

প্ৰথম দিনাই এক বজাৰ ৰোডছ ইঞ্জিনিয়াৰিং ডিভিজনৰ ষ্টেট পি. ডব্লিউ. ডি., পৰিৱহণ বিভাগ আদিৰ লগত হোৱা স্পনছৰড প্ৰজেক্টৰ মিটিং, আৰু তিনি বজাত হোৱা বায়োটেকনোলজি ডিভিজনৰ ৰিভিউ মিটিংঙত বিজ্ঞানৰ নতুন নতুন বিশেষ বিশেষ শাখাৰ অদ্ভুত অদ্ভুত কথাবোৰ কল্যাণৰ মূৰত সিমানকৈ সোমোৱা নাছিল। কিন্তু ডাইৰেক্টৰে তাক ক'বলৈ দিয়াত দুয়োখন মিটিঙতে সি সুদক্ষ বিজ্ঞানী কেইগৰাকীৰ সময়ৰ যথাযথ ব্যৱহাৰ, যন্ত্ৰপাতিৰ সা-সুবিধা, বাহিৰা সংস্থাৰ পৰা পুঁজি আহৰণ, আৰু বিশেষকৈ নিৰ্দিষ্ট সময়সীমা বান্ধি লৈ সেই সময় সীমাৰ ভিতৰতে প্ৰকল্পটো নিৰ্দিষ্ট লক্ষ্যত উপনীত কৰোৱা—তাৰ বাবে আনক

দোষ দি বহিছে নকৰাকৈ আঙুলি কৰাৰ এগৰাকী জোৰ দি এটা তুটি মন্ত-তাৰেই দিছিল। সি আৱেগেৰে কৈছিল যে দেশৰ প্ৰতিটো পইচা খৰচ কৰাৰ বাবে বিজ্ঞানীসকলে দেশবাসীক উত্তৰ দিবলৈ বাধ্য।

বোৱাছ ইঞ্জিনিয়াৰিঙৰ বিজ্ঞানী আৰু এগৰাকী এছিষ্টেণ্ট ডাইৰেক্টৰ ডক্টৰ বিশালাক্ষী চলিহাই পাছত তাক অভিনন্দন জনাইছিল। মহিলা গৰাকীক মুঠেই ধুনীয়া বুলি ক'ব নোৱাৰি। পুৰাৰ মিটিঙতো সি তেওঁক দেখিছে। চুলি বৰ কটা। মুৰত বেণ্ড মাৰিছে। শিল্পধনত আঁট থকা পেণ্ট আৰু গুলপীয়া কুৰ্তা। কুৰ্তাটো ফুল তোলা আৰু বিশেষ ধৰণে চিলোৱা। ক'কালত এডাল বেল্ট মাৰি তেওঁৰ প্ৰয়োজনাতীত ডাঙৰ বক্ষ আৰু প্ৰকট কৰি তুলিছে।

"নাইছ, ভেৰি নাইছ। ইউ শ্বুড হেভ বিন এ ক্লাৰ্জি মেন। ইফ ইউ গো অন টকিং লাইক দিছ—দি ছাইণ্টিষ্টছ উড শ্বুৰলি ফিল এন ইনাৰ আৰ্জ টু ৱাৰ্ক ফৰ দি কাণ্ট্ৰি,"—ডক্টৰ বিশালাক্ষীয়ে এয়া ঠাট্টায়েই কৰিলে নে প্ৰশংসায়েই কৰিলে কল্যাণে ধৰিব পৰা নাছিল। কিন্তু অলপ পাছতে চাহৰ কাপত সোহা মাৰি তেওঁ কৈছিল, "ইউ নো ৱান থিং, আপোনাক দেখাৰপৰাই এটা কথা মনত ৰবকৈ লাগি আছে। আপুনি দেখাত একদম মোৰ দেওৰ জনৰ দৰে—অৰূপ চলিহা—ডাক্তৰ, মেণ্টেল হস্পিটেলৰ। আপোনাৰ কথা কোৱাৰ ধৰণ, পাৰ্ছনেলিটি, কনফিডেন্স ছব অৰূপৰ দৰে।"

বাহিৰৰ পৰা নামী পাৰ্টি এটা গ্ৰহেছে ল'বলৈ অহা উপলক্ষে ডাইৰেক্টৰে ডিনাৰ দিছিল। লক্ষ্ণৌৰ চিকন পাঞ্জাবী চোলা আৰু চুৰিদাৰ পাইজামা পিন্ধি বিয়াৰৰ গিলাছত কল্যাণে সোহা মাৰোঁতেই বিশালাক্ষী চলিহা আকৌ তাৰ ওচৰ চাপি আহি সুধিছিল,—"মাত্ৰ বিয়াৰ?"

"হ'ব দিয়ক"—হাঁহি মাৰি কল্যাণে কৈছিল। "প্ৰথমতে একে ভাল। কাৰণ খাইছোঁ নহয়।"

"এই ক্ষেত্ৰতো আপুনি অৰূপৰ নহয়।"

"আপুনি মাত্ৰ আপোনাৰ দেওৰেক অৰূপৰ কথাকে কৈ আছে। মিষ্টাৰ চলিহাৰ কথা একো কোৱা নাই এতিয়ালৈকে।"

বিশালাক্ষীয়ে শেতা হাঁহি এটা মাৰিছিল। তাৰ পাছত হুমুনিয়াহ এটা কাঢ়ি হুইস্কিৰ গিলাছটো মেজত থৈ ছিগাৰেট এটা জ্বলাই লৈছিল।

সেই দিনা ৰাতিয়েই ডিনাৰৰ পিছত ৰিছিপছনিষ্ট স্মিতা কাশ্যপে এটা সুবিধা চাই চকুৰ ঠাঁৰেৰে ওচৰলৈ মাতি কল্যাণক কৈছিল,—"ডক্টৰ বিশালাক্ষী আপোনাৰ লগত বৰকৈ লাগি থকা দেখিছোঁ দেখোন।"

"তেখেত মোৰ বাইদেউৰ নিচিনা"—কল্যাণে স্মিতাৰ ইংগিত অগ্ৰাহ্য কৰি কথাটো পাতলাই দিব খুজিছিল।

স্মিতাৰ কিন্তু আৰু বহুতো ক'বলগীয়া আছিল। কল্যাণক সকীয়নি এটা দিয়াটোও যেন তাই কৰ্তব্য বুলি ভাবিছিল। ক'লে,—"হায়দৰাবাদৰ ছোৱালী। ৱাশিংটনত অসমীয়া ইঞ্জিনিয়াৰ ধ্ৰুৱ চলিহাৰ লগত একে বিশ্ববিদ্যালয়তে কিবা এটা কোৰ্ছ কৰিছিল। তেতিয়াই বিয়া হ'ল। এতিয়া গিৰিয়েকৰ লগত সিমান মিল নাই। তাৰ কাৰণো এটাই।"

তাই ৰৈ যোৱা দেখি কল্যাণে সুধিলে,—"কাৰণটোনো কি?" সি অনুমান কৰিছিল কিন্তু স্পষ্ট হ'ব খুজিছিল।

"সেইটো আৰু মই আপোনাৰ দৰে ইনটেলিজেণ্ট মানুহকো ব্যাখ্যা কৰি দিব লাগিবনে?" তাই ৰ'ল। কিন্তু কল্যাণে মিচিকি মিচিকি হাঁহি থকা দেখি তাই ৰ'ব নোৱাৰিলে,—"এই লেবৰেটৰিটোলৈ ডেকা ল'ৰা এজন নতুনকৈ আহিলেই পাকৰাও

কৰি লয়। আপোনাৰ পিছতো লাগি গৈছে নহয়।"

"ল'লে ল'লে আৰু পাকৰাও কৰিব"—পাকৰাও শব্দটোত অলপ বেছি জোৰ দি কল্যাণে ক'লে। "মোৰ তাত কি লোকচান? ভালহে।"

কল্যাণৰ নিৰ্বিকাৰ মনোভাৱ স্মিতাই যেন সহ্য কৰিব নোৱাৰিলে। তাই জোৰদি ক'লে—"সেইটো হ'ব নোৱাৰে। আপনাৰ ওপৰত ছাৰ সকলোৰে চকু।"

কল্যাণে প্ৰায় নিৰ্বিকাৰভাৱে এটা হাঁহি মাৰিলে। ক'লে, "সকলোৰে চকু? সকলোৰে মানে কাৰ কাৰ?"

"এহ, আপুনি ছাৰ একোৱে নজনা হ'ল"—স্মিতাই কৃত্ৰিম খঙত ক'লে।

কিন্তু কথা আৰু বেছি আগ নাবাঢ়িল। লুছিফেৰিন প্ৰজেক্টটোৰ বাবে কম্পিউটাৰ-এইডেড গামা ছিণ্টিলেচন কাউণ্টাৰ এটা লাগে। বিদেশৰপৰা আনিব লাগিব—জাপান বা এমেৰিকাৰ পৰা। দাম পৰিব প্ৰায় চল্লিছ লাখ টকা। এই বছৰৰ বাজেটৰ পৰাই কিবা প্ৰকাৰে আনিব পাৰি নেকি আলোচনা কৰিবলৈ ডাইৰেক্টৰে তাক মাতিছিল।

অবিনাশ আৰু বিশালাক্ষী চলিহাই তেতিয়া আইচক্ৰিম খাই আছিল।

ডাইৰেক্টৰ, পাৰ্চেজ কণ্ট্ৰোলাৰ জীৱন শৰ্মা আৰু লুছিফেৰিন প্ৰজেক্টৰ ছাইণ্টিষ্ট কেইজনৰ লগত গামা ৰে ছিণ্টিলেচন কাউণ্টাৰটোৰ বিষয়ে কিছু পৰ আলোচনা চলিল। কল্যাণে আত্মবিশ্বাসেৰে মত দিলে যে এটা ভাল প্ৰজেক্টৰ বাবে পুঁজিৰ অভাৱ কেতিয়াও বাধা হ'ব হ'ব নোৱাৰে।

গেষ্টহাউছৰ পৰা ডাইৰেক্টৰৰ বাসভৱনলৈ আধা কিলোমিটাৰৰ বেছি নহয়। ৰাতি এঘাৰ বজাৰ অলপ পাছত বিদ্যুৎ চক্ৰবৰ্তী আৰু কল্যাণে ডাইৰেক্টৰ আগবঢ়াই থৈছিল।

ডাইৰেক্টৰৰ ঘৰৰ ওচৰ পাওঁতে কল্যাণে মন কৰিলে নাতিদূৰত থকা মাল্টিস্টোৰিড বিল্ডিংটোৰ তৃতীয় মহলাত অনু বাইদেউৰ ঘৰত তেতিয়াও লাইট জ্বলি আছে।

গেটখন বন্ধ কৰি বিদায় লোৱাৰ পৰত হঠাতে মনত পৰাত ডাইৰেক্টৰে ক'লে, "আৰু এটা কথা কল্যাণ ; তোমাৰ বাবে ভাল কোৱাটাৰ্ছ এটাৰ ব্যৱস্থা আমি সদ্যহতে কৰিব পৰা নাই। গেষ্ট হাউছতনো আৰু কিমান দিন থাকিবা? তিনিমাহ মান নহ'লেই জানো? তুমি এটা কাম কৰিবা। কাইলৈৰ পৰা তুমি আমাৰ প্ৰতাপ ভট্টৰ কোৱাটাৰ্ছ'ত থকা গেষ্ট ছুটটোতে থাকিবা। মই ভট্টৰ লগত কথা পাতিছোঁ। কাইলৈৰ পৰাই মই ৰাষ্ট্ৰীয় বিজ্ঞান সমাৰোহ—মানে ছুপাৰ গেলাক্সিৰ বাবে গেষ্ট হাউছ ৰিপেয়াৰ কৰিবলৈয়ে অৰ্ডাৰ দিছোঁ। তুমি পাৰিলে আগবেলাতে গেষ্ট হাউছৰ ৰুমটো খালি কৰি দিবা।"

অনু বাইদেউৰ খিৰিকিখনলৈ চকু পৰাত কল্যাণৰ অনু বাইদেউৰ সাৱধান বাণীলৈ মনত পৰি গ'ল—সি প্ৰথম অনু বাইদেউৰ এই তৃতীয় মহালাৰ ফ্লেটলৈ ফুৰিবলৈ অহাৰ দিনা একেবাৰে ভায়েকক কোৱাদি অনু বাইদেৱে কাষত বহুৱাই লৈ কৈছিল—"সত্যেন ঢুকোৱাৰ পাছত তুমি মোৰ আৰু বেছি আপোন আৰু বেছি ভাই হৈ পৰিলা, কল্যাণ।" আবেগৰ নানা কথাৰ পাছত অনু বাইদেৱে কৈছিল,—"এই লেবৰেটৰীত ডাইৰেক্টৰ আৰু বিদ্যুৎ চক্ৰবৰ্তীৰ কথাত কেতিয়াও পোনে পোনে বিশ্বাস নকৰিবা। প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য আৰু বিশালাক্ষী চলিহাৰ জালৰপৰা সাৱধানে থাকিবা—অৱশ্যে দুয়োজনৰে পৰা বেলেগ কাৰণত,—আৰু পাৰ্চেজ আৰু কনষ্ট্ৰাকচনৰ কোনো কামত মানে টকা-পাইচাৰ লেঠাড পোনপটীয়াকৈ নোসোমাবা।"

কল্যাণ যেতিয়া গেষ্টহাউছত শেষ ৰাতিটো শুবৰ বাবে গেষ্ট-হাউছৰ বাৰাণ্ডাত উঠিল তেতিয়া ৰাতি ৰাতিটো বৰ গভীৰ হৈ পৰিছে। দূৰৰ পৰা গুলঞ্চ ফুলৰ মন মিঠা কৰা সুবাস এটা ভাহি আহিছে।

।। ৩ ।।

প্ৰজেক্ট লুছিফেৰিন আশা কৰা মতেই চলি আছিল। যোৱা ন মাহত কল্যাণ এই প্ৰকল্পটোৰ লগত বৰকৈ জড়িত হৈ পৰিছে। কল্যাণৰ বিশ্বাস হৈছে—মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰে এই প্ৰকল্পত যদি সফলতা লাভ কৰে তেনেহ'লে অকল দেশতে নহয়, বিদেশতো ইয়াৰ যশ বৈ বৈ যাব।

এদিন তাৰ এক্সটেনচন টেলিফোনে কাম নকৰাত কাৰ্ডলেছ হাই ফ্ৰিকুৱেন্সি ভিদিঅ'ফোন ব্যৱহাৰ কৰিবলৈ কল্যাণ স্মিতাৰ বিছিপচন ডেস্কলৈ আহিছিল। ফোনটো শেষ হোৱাত স্মিতাই অভিমান অভিযোগৰ সুৰত কৈছিল, "এক্সটেনচন ফোনবোৰ বেয়া হৈ থাকিলেই মন ভাল পাওঁ।"

কল্যাণে কাৰণটো বুজিছিল। কিন্তু নুবুজাৰ ভাও ধৰিছিল,—"কেলেই, তেতিয়া আপোনাৰ এই ডেস্কখনৰ ইমপোৰটেন্সটো বাঢ়ে যেন পাওঁ।"

"নহ'লেযে মানুহৰ ছাঁটোৱে দেখা নাযায়।"

"মানুহৰ ছাঁ চাই আপোনাৰ ভাল লাগে নেকি?"—কল্যাণে স্মিতাক জোকাবলৈয়ে সুধিছিল।

স্মিতাই কল্যাণৰ কথা এৰাই গ'ল। ক'লে, "অণু বাইদেৱে কৈছে আপুনি বোলে ছাৰ, এতিয়া আৰু প্ৰজেক্ট লুছিফেৰিনৰ বাহিৰে আন একোৰে সপোন নেদেখে।"

"আপুনি আৰু কিহৰ কিহৰ সপোন দেখে বাৰু?" পাতলীয়া সুৰত কল্যাণে সুধিছিল।

কল্যাণে মন কৰিলে স্মিতা কাশ্যপৰ চকু দুটা যেন আৱেগত গভীৰ হৈ পৰিছে। তাইৰ ওঁঠ দুটাও বাৰু কঁপি উঠিছে নেকি?

কিন্তু এনেতে ওপৰৰ পৰা ডাইৰেক্টৰ আৰু বিদ্যুৎ চক্ৰৱৰ্তী কথা পাতি পাতি উল্লাসেৰে নামি অহা শুনা গ'ল।

ডাইৰেক্টৰে পৰম আগ্ৰহেৰে ক'লে,—"অ' কল্যাণ, তুমি ইয়াতে আছা। তোমাক পালো ভালেই হ'ল। অলপ সেই লুছিফেৰিন প্লেন্টৰ পৰা আহোঁ ব'লা।"

লুছিফেৰিন প্ৰকল্পটোনো আচলতে কি বুজি উঠোঁতে কল্যাণৰ কিছুদিন সময় লাগিছিল। অনু বাইদেৱেহে পানীৰ দৰে কৰি বুজাই দিছিল।

দেশখনত বিদ্যুতৰ সংকট সৰ্বকালৰ উচ্চ সীমাত চলিছে। নতুন নতুন ফিচন পাৰমাণৱিক শক্তি কেন্দ্ৰ স্থাপন কৰা হৈছে যদিও চাহিদাৰ এক-তৃতীয়াংশও মিটাব পৰা নাই। এনে অৱস্থাত বিদ্যুতৰ সংৰক্ষণ বা মিতব্যয়িতায়েই হৈ পৰিছে একমাত্ৰ উপায়।

অণু বাইদেউৰ তিনি মহলাৰ কোৱাৰ্টাৰ্ছ'ত কল্যাণ আৰু চাৰি বছৰীয়া ভাগিন লাটুৱে লুচী-ভাজি, পায়স খাই আছিল। তৰকাৰী দিয়া হেতাখন জোকাৰি অণু বাইদেৱে বিদ্যুৎ সংৰক্ষণৰ কথাবোৰ এনেদৰে কৈ আছিল যে তেওঁক তেতিয়া হায়াৰ ছেকেণ্ডাৰি স্কুলৰ ছাইন্সৰ মাস্টৰনী যেনহে লাগিছিল।

"মহানগৰী একোখনত ৰাতি ৰাস্তা পোহৰাওঁতেই হাজাৰ হাজাৰ কিলোৱাট শক্তি খৰচ হয়। ৰাস্তা পোহৰোৱাৰ এটা বিকল্প উদ্ভাৱন কৰিব পাৰিলে একো একোখন চহৰত বহু হাজাৰ মেগাৱাট বিদ্যুৎ ৰাহি হ'ব।"

মাকে হয়তো ক্লেছত ফুচুলাই থৈ যাওঁতে এইবোৰ গল্প লাটুক বহুবাৰ কৈছে। গতিকে বিজ্ঞৰ দৰে সিও যোগ দিলে, "মাহঁতে লেবৰেটৰিত জোনাকী পাৰুৱা বনাব, জানা মামা। ছব ৰাস্তা-ঘৰ পোহৰ হৈ থাকিব।"

তাৰ পাছত কিবা এটা ভাবি সি যোগ দিলে, "মোকো দুটামান আনি দিবা নেই মা। ৰাতি বেড ৰুমটো আন্ধাৰ হৈ থাকিলে মোৰ ভয় লাগে নহয়।"

কল্যাণে লাটুৰ ফালে চাই 'নিশ্চয় নিশ্চয়' ভংগীত চেলাউৰি আৰু কপালেৰে পাক এটা দিছিল। তাৰ পাছত অণু বাইদেউক সুধিছিল, "বিদ্যুতৰ বাহিৰ কথাটো বাৰু বুজিলোঁ। কিন্তু তাৰ লগত লুছিফেৰিন প্ৰজেক্টৰ সম্পৰ্কটোনো কি? জোনাকী পৰুৱা ব্যৱহাৰ কৰি ৰাস্তা-ঘাট পোহৰোৱাৰ কথা ভাবিলে মোৰ বিজ্ঞান যেন নালাগি সাধু যেনহে লাগে।"

"ময়ো সাধু শুনি বৰ ভাল পাওঁ মামা মামা," মনোযোগেৰে পায়স খাই থকাৰে পৰা লাটুৱে ক'লে।

কল্যাণে তাক সন্তুষ্ট কৰিবলৈয়ে ক'লে, "ময়ো। সঁচা সাধুবোৰ কিন্তু মোৰ বেছি ভাল লাগে।"

লাটুৱে শলাগিলে,—"উঁ, মোৰো।"

কল্যাণ আৰু লাটুৰ কথাৰ ৰসখিনি ভিতৰে ভিতৰে লৈ বাহিৰত একো নেদেখুওৱাকৈ অনু বাইদেৱে ক'বলৈ আৰম্ভ কৰিলে, "প্ৰথমতে আমি নানা ধৰণৰ ফছফৰৰ প্ৰতি মনোযোগ দিছিলোঁ। আমাৰ যে টেবুল লাইটৰ বুটাম যেন ছুইচ কিছুমান থাকে, লাইটটো জ্বলি থাকিলে ছুইচৰ বুটামটোৱে পোহৰ শুহি লয়। তাৰ পাছত লাইটটো নুমালে সি সামান্য পোহৰ দি জিলিকি থাকে। ৰাতি আন্ধাৰত ছুইচটো বিচাৰি পোৱাত একো অসুবিধা নহয়। ছুইচটোত থাকে জিংক ছালফাইড বা তেনে ফছফৰ এবিধ।"

তাৰ পাছত অনু বাইদেৱে ফছফৰৰ জন্ম আৰু ইতিহাসৰ বিষয়ে ক'বলৈ আৰম্ভ কৰি দিলে। পুৰণি দিনবোৰলৈ কল্যাণৰ চেৰেংকৈ মনত পৰি গ'ল—সত্যেন আৰু সি কেমিষ্ট্ৰি বুজিবলৈ

মাজে মাজে অনু বাইদেউৰ হোষ্টেললৈ গৈছিল। গাৰ্লছ হোষ্টেলৰ ভিজিটৰছ ৰুমটোৰ চুণ দিয়া বেৰখনকে ব্লেক বোৰ্ড আৰু তৰ্জনী আঙুলিৰ আগটোকে চকমাটি বুলি কল্পনা কৰি বিক্ষুব্ধভাৱে আঁক-বাক কৰাৰ ভংগীত কিন্তু বেৰখনত ক'তো দাগ নলগোৱাকৈ অনু বাইদেৱে সত্যেন আৰু কল্যাণক কেমিষ্ট্ৰি বুজাইছিল। সেয়া বাৰু কিমান বছৰ আগৰ কথা ? আঠ নে ন ? অথচ এই আঠ-ন বছৰতে অনু বাইদেউৰ স্বাস্থ্য ইমান ভাগি পৰিল নে ?

অনু বাইদেউৰ মাতটো কিন্তু একেই স্পষ্ট, একেই মৰম ভৰা আৰু একেই জোৰৰ হৈ আছিল।

"বেৰিয়াম ছালফাইডৰ পৰা প্ৰথম এনেদৰে ফছফৰ তৈয়াৰ কৰা হৈছিল। এতিয়াৰ পৰা ডেৰশ বছৰ মান আগতে। কিন্তু, এইবোৰ ফছফৰে বৰ ভালকৈ পোহৰ দিব নোৱাৰিছিল। তদুপৰি আদ্ৰ' বায়ুৰ সংস্পৰ্শলৈ আহিলে এইবোৰ ভাগিও পৰিছিল। প্ৰথম সুস্থিৰ বা ভাগি নোযোৱা ফছফৰ তৈয়াৰ কৰা হৈছিল ১৮৬৬ চনত। জিংক বা কেডমিয়ামৰ অক্সাইড হাইড্ৰোজেন ছালফাইডৰ পৰিৱেশত তপতাই, তাত নানা এক্টিভেটৰ প্ৰয়োগ কৰি চোৱা হৈছিল। তাৰে কিছুমান ফছফৰ বেছ সফলেই হৈছিল বুলিব লাগে। কেমিস্ট্ৰিৰ ছাত্ৰৰ বাবে তেনে ফছফৰ একেবাৰে জনা বস্তু আছিল যদিও, আমি তাৰেই ওপৰত, তাকেই উন্নত কৰিবলৈ নানা পৰীক্ষা-নিৰীক্ষা চলাইছিলোঁ।"

যোৱা চাৰিটা বছৰত অনু বাইদেৱে যেন নিজকে এই মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ লগত বিলীন কৰি দিছিল। মন্দাকিনী দেৱীৰ বিজড়িত স্মৃতিয়ে বাৰু ইয়াৰ সকলোবোৰ বিজ্ঞানী আৰু কৰ্মকৰ্তাক এনেদৰে উদ্বুদ্ধ কৰি ৰাখিছে নেকি ?

"কত কিমান যে ফছফৰ তৈয়াৰ কৰা নাছিলোঁ, কত কিমান যে

এক্টিভেটৰ কম্বিনেচন ব্যৱহাৰ কৰা নাছিলোঁ।" অনু বাইদেৱে স্মৃতি ৰোমন্থন কৰিছিল।

এনেতে লাটুৱে মাত দিলে। সি কাঠৰ ঘোঁৰা এটাত উঠি লৈছিল। তাৰ পৰাই টুপুককৈ ক'লে, "মাযে একদম মিছ জনীৰ দৰে। নুবুজা সাধুবোৰ কৈয়ে থাকে, কৈয়ে থাকে।"

কল্যাণে টিপি টিপি হাঁহিছিল।

"মিচিকি মিচিকি হাঁহিছা দেখোন কল্যাণ? কাৰোবালৈ মনত পৰিছে নেকি? ডাইৰেক্টৰে পিছফাললৈ ঘূৰি চাই কল্যাণক সুধিলে।

"চক্ৰবৰ্তী আৰু মইহে কথা কৈ কৈ আহি আছোঁ। তুমি দেখোন একদম কথা নোকোৱা হ'লা? কিয়? মন বহা নাই নেকি?"

ডাইৰেক্টৰৰ মাতত কল্যাণে সাৰ পোৱাদি পালে। সি 'নাই, এনেয়ে, কিয় নবহিব ছাৰ, আজি এবছৰ কটালোঁ ইয়াত, এতিয়া আৰু মন নবহিব পাৰে নে?' এইবোৰ খপজপকৈ ক'লে।

লাটুৰ জন্মদিনো আহিছে নহয়? সি এতিয়া পাঁচ বছৰীয়া হ'ল। অণু বাইদেউজনীয়ে বাৰু ইমান দীঘলীয়া সময় লেবত কটাই লাটুৰ মাক দেউতাক দুয়োৰে অভাৱ পূৰণ কৰিব পাৰে নে? ক্ৰেছখন এতিয়া কেনে চলিছে? আজিকালি দেখোন লাটুৱে তাত দিনটো থাকিবলৈ বিশেষ আপত্তি নকৰে? দুই এদিনতে এবাৰ ক্ৰেছখন চাবলৈ যাব লাগিব। তাৰ আগতে এদিন অণু বাইদেউৰ লেবত সোমাই ফছফৰৰ আৰ্কাইভটোৰ বিষয়ে অলপ আলোচনা কৰিব লাগিব। ফছফৰ প্ৰজেক্টৰপৰাই এদিন প্ৰজেক্ট লুছিফেৰিনৰ জন্ম হ'ল। অণু বাইদেউৰ বিপৰ্য্যয়তে হয়তো প্ৰজেক্ট লুছিফেৰিনৰ জন্ম। প্ৰজেক্ট লুছিফেৰিন এদিন সফল হ'লে গৱেষণাৰপৰাই আটাইবোৰ কথা, তাৰ ইতিহাসৰ আটাইবোৰ খুঁটি-নাটি কোনোবাই জানিব খুজিব পাৰে। 'এক

প্ৰকল্পৰ জন্ম—শব্দকেইটা মনলৈ অহাৰ লগে লগে কল্যাণে ভাবিলে এই নামেৰে এখন ভি দি অ' ফিল্মোই দেখোন কৰিব পৰা যাব। আৰু তাৰ মুখ্য অংশত অণু বাইদেৰেই থাকিব লাগিব। সেই তেজাল, দৰদী কণ্ঠই ফিল্মখন নিশ্চয় বৰ আবেদনশীল কৰি তুলিব।

ডাইৰেক্টৰ, বিদ্যুৎ চক্ৰবৰ্তী আৰু কল্যাণে যেতিয়া পাইলট প্লেণ্টৰ হালধীয়া-ক'লা ষ্ট্ৰাইপৰ বেৰেৰে আগুৰা নিৰাপত্তা অঞ্চলটো পালে তেতিয়া তাৰ ইলেকট্ৰনিক ঘড়ীটোৱে এঘাৰ বাজি পোন্ধৰ মিনিট দেখুৱাইছে। লাঞ্চ টাইমলৈ তেতিয়াও পঞ্চলিছ মিনিট বাকী।

লুছিফেৰিন পাইলট প্লেণ্টটো অন্য পাইলট প্লেণ্টতকৈ সম্পূৰ্ণ বেলেগ। ইয়াতো বাহিৰৰপৰা অন্য পাইলট প্লেণ্টত থকাৰ দৰে বিৰাট বিৰাট গম্বুজ, ওপৰলৈ উঠি যোৱা জখলা আৰু ক্ৰিম ৰঙৰ অ'ভাৰঅল আৰু বগা হেলমেট পিন্ধা কৰ্মীবোৰ বিভিন্ন উচ্চতাৰ প্লেটফৰ্মবোৰত ব্যস্ত হৈ থকা দেখা যায়। কিন্তু এইবোৰ বাজ্য—কেৱল বেছি পৰিমাণত নানা ৰিএকচন চলাবৰ বাবে এইবোৰ ভাট, বয়লাৰ, ৰিএকচন চেম্বাৰ আছে।

ফুড ফ্ৰম কোল নামৰ এটা ভুৱা প্ৰজেক্ট আগৰজন ডাইৰেক্টৰৰ দিনত ইয়াত চলিছিল। আগৰ ডাইৰেক্টৰ ডক্টৰ পট্টনায়ক বৰ হাত-দীঘল মানুহ আছিল। তেখেতৰ দৰ্শন আছিল—বাহিৰা উৎসব পৰা যিমান পাৰি ৰিছাৰ্চ গ্ৰেণ্ট আনিব লাগে আৰু লেবৰেটৰিটোত সদায় বিৰাট বিৰাট কনষ্ট্ৰাকচন চলি থাকিব লাগে। ৰিছাৰ্চৰ যি হয় হওক। কিন্তু তেওঁ বুধি জানিছিল। প্লেনিং অফিচাৰ নামৰ এজন ঘাগু, স্বল্পবিদ্য, তল-পুতল ভদ্ৰলোকক ব্যৱহাৰ কৰি তেওঁ বিভিন্ন এজেন্সিলৈ প্ৰজেক্ট পঠাইছিল। একেটা ৰিছাৰ্চ প্ৰজেক্টকে কেতিয়াবা কেবাঠাইতো অলপ বেলেগ বেলেগ নামেৰে দি দিছিল। কোনোবাটো মহয় কোনোবাটো চৰকাৰী এজেন্সিৰ পৰা এটা সময়ত পুঁজি

আছিল। বিদেশী যন্ত্ৰপাতি কিনা, বিদেশলৈ ছাইণ্টিষ্ট পঠোৱা আৰু লেবৰেটৰিটোত হকে-বিহকে কনষ্ট্ৰাকচন কৰাত সেই পুঁজি ব্যৱহাৰ কৰা হৈছিল। অৱশ্যে চাৰি-পাঁচ মূৰত সেই পুঁজিদাতা এজেন্সিক প্ৰজেক্টটোৰ চৰম সাফল্যৰ বিষয়ে এটা চালে চকুৰোৱা, ধুনীয়াকৈ প্ৰিণ্ট কৰা ৰিপোৰ্ট দিছিল। প্লেনিং অফিছাৰজনে কাগজৰ ৰিপোৰ্টাৰ আদিৰ লগত ভাল সম্পৰ্ক ৰাখিছিল—তেওঁলোকক বছেৰেকীয়া আৰু সাময়িক উপহাৰ দিয়াৰ ব্যৱস্থা আছিল।

এইবোৰ কথা এদিন অণু বাইদেউৰ কোৱাৰ্টাৰ্ছতে শুনা। অৱশ্যে কথাবোৰ কৈ গৈছিল পৱন ভাৰ্গভে। সুমনলতা ভাৰ্গভৰ গিৰিয়েক পৱন ভাৰ্গভে। মানুহজনে লেবৰেটৰিটোক বৰ ভাল পায়। সেইবাবেই সুমনলতাৰ মৃত্যুৰ পাছতো, ব্যক্তিগত সুখ-দুখ নেওচা দি তেওঁ ৰিছাৰ্চৰ কামতে আত্মনিয়োগ কৰিছে।

"এতিয়াৰ ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰ চালাক মানুহ। তেওঁ সময়ৰ সৈতে মিলি থাকিব জানে। আগতেও তেওঁ ডাইৰেক্টৰ পট্টনায়কৰ সোঁহাত আছিল। এতিয়াও তেওঁ পট্টনায়কৰ দৰ্শনকে সময়ৰ লগত মিলাই চলাই থাকে।" অণু বাইদেৱে কৈছিল। গম্ভীৰভাৱে পৱন ভাৰ্গভে যোগ দিছিল, "এইবোৰ বয়লাৰ, ৰিএকচন চেম্বাৰ, ভাট, ফাৰমেণ্টৰ সেই ভুৱা ফুড ফ্ৰম কোল প্ৰজেক্টৰে। এতিয়া এইবোৰ লুছিফেৰিন প্ৰজেক্টৰ কামত ব্যৱহাৰ কৰা হৈছে। কিছু সাল-সলনিও কৰি লোৱা হৈছে।"

লুছিফেৰিন পাইলট প্লেণ্টৰ পৰা তিনিশ মিটাৰমান দূৰত, কিন্তু এই সুৰক্ষিত অঞ্চলতে বায়োটেকনোলজি লেবটো। তাত একেবাৰে সম্পূৰ্ণ এছেপ্টিক ব্যৱস্থা। জোতা খুলি, ৰবৰৰ ছেন্দেল পিন্ধি, ফাইবাৰলেছ অ'ভাৰঅল গাত সুমুৱাই, মূৰত টুপী পিন্ধি অপাৰেচন থিয়েটাৰত সোমোৱা দি সোমাব লাগে। ভিজিটৰৰ বাবেও অধিকাকৈ তেনে পোচাক আঁৰি থোৱা আছে।

"অ' ডু প্লিজ কাম ইন ছাৰ"—ডাইৰেক্টৰক দেখি বায়োটেকনোলজিৰ হেড ডক্টৰ পদ্মনাভনে সম্ভাষণ জনালে।

"বৰ ধুনীয়া শ্বাৰ্ট পিন্ধিছে দেখোন, ডক্টৰ" ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে শ্বাৰ্টৰ কলাৰটো পিহি দি মৰম কৰাৰ দৰেকৈ পদ্মনাভনক ক'লে। পদ্মনাভন যে খুঙত আছিল। ডাইৰেক্টৰে জানে। সেইবাবে তেওঁক মোলায়েম কৰিবলৈয়ে ডাইৰেক্টৰে তেনেদৰে কথা আৰম্ভ কৰিলে।

পদ্মনাভনে এনেয়ে শলাগি থ'লে। তেওঁ ডাইৰেক্টৰৰ এইবোৰ সৌজন্যৰে প্ৰতি বেছি আগ্ৰহ নেদেখুৱালে। তাৰ পাছত নিয়ন্ত্ৰিত উষ্মাৰে ক'লে, "আহক ছাৰ। পানীৰ ড্ৰাই টেপৰপৰা বেৰৰ ক্ৰেকলৈকে সকলো আপুনি নিজে চাই ল'ব।"

পদ্মনাভনৰ পিছে পিছে ডাইৰেক্টৰ, বিদ্যুৎ চক্ৰবৰ্তী আৰু কল্যাণো সোমাই গ'ল। অনু বাইদেউ থকা বাবেই কিছু ঘনায়ে কল্যাণ এই স্পেছিয়েল লেবৰেটৰিটোলৈ আহে। ডাষ্ট ফ্ৰি, এছেপ্টিক লেবৰেটৰি।

লেব কোট পিন্ধা অনু বাইদেউক তাৰ পৰী এগৰাকী যেনহে লাগে। অনু বাইদেৱে কল্যাণক চকুৰে চিনাকিৰ ইংগিত এটা দিলে। কিন্তু নাহাঁহিলেও, একো নক'লেও। অইন দিনা সি আহিলেই আগ্ৰহত ব্যাকুল হৈ পৰা অনু বাইদেউ বৰ গম্ভীৰ হৈ ৰ'ল। হয়তো ডাইৰেক্টৰ থকা বাবেই। 'ডাইৰেক্টৰ আৰু বিদ্যুৎ চক্ৰবৰ্তী মানুহ দুজনক পোনে পোনে কেতিয়াও বিশ্বাস নকৰিবা' —বহুদিন আগতে অনু বাইদেৱে দিয়া সকীয়নিলৈ কল্যাণৰ মনত পৰিল।

"এই টেপকেইটাত পানী নাহে। যোৱা দুমাহ ধৰি প্ৰতি সপ্তাহে জব কাৰ্ড দি আছো।—এই যে দেখিছে গেছ লাইনটো যোৱা তিনিমাহ ধৰি তাত লিক চলিছে। গতিকে আমি তাক যিটো মুৰতে ছিল কৰি থ'বলগীয়া হৈছে।—আৰু 'এইটো, এই পিলাৰটো চাওক, দেখিছেনে ক্ৰেকটো। তাৰ ওপৰৰ ফালে প্লিন্থ

বাবকেইডাল কেনেকৈ দো খাই আছিছে মন কৰিছেনে?"—পদ্মনাভনৰ মাতত চেপা উষ্মা।

ডাইৰেক্টৰে বিদ্যুৎ চক্ৰবৰ্তীৰ ফালে চালে। চক্ৰবৰ্তীয়ে লগে লগে ক'লে—"ৰিয়েলি বৰ বেয়া কথা হৈছে। আই হেভ নোটেড দেম ডাউন।"

তেওঁ বুকুৰ জেপৰ পৰা অকমানি নোট পেড এটা উলিয়াই বৰ ঐকান্তিকতাৰ সুৰ সানি ক'লে, "মই আজিয়েই ডাইৰেক্টৰৰ হৈ সংশ্লিষ্ট ছেকচনবোৰক কৈ দিম।"

"বেৰৰ ক্ৰেকবোৰৰ বিষয়ে কনষ্ট্ৰাকচন ছুপাৰভিছন কমিটিক এনকুৱাৰি কৰিবলৈ কৈছো"—ডাইৰেক্টৰে ক'লে।

তেওঁলোকে পাইলট প্লেণ্টটোৰ আন আন অংশবোৰো ঘূৰি পকি চালে। পদ্মনাভনে ক'লে যে এতিয়া আৰু তেওঁ ছুইপাৰ ছাৰ্ভিছটোৰ ওপৰত নিৰ্ভৰ কৰিবলৈ এৰি দিছে। এই ডিভিজনৰ সকলো ছাইণ্টিষ্টে নিজে নিজে লেব পৰিষ্কাৰ কৰে। তেওঁ কেবাটাও ক্ৰায়োজেনিক ভেকুৱাম ক্লিনাৰ আনি দিছে। বায়োটেক-নোলজি লেবটো এই পাইলট প্লেণ্ট এৰিয়ালৈ ছিফ্‌ট কৰাৰে পৰাই এই ব্যৱস্থা।

কল্যাণে অৱশ্যে কথাটো মন কৰিছিল। অনু বাইদেউৰ লেবলৈ আহি কেতিয়াবা সি টয়লেটলৈ গৈছে। ইয়াৰ টয়লেটবোৰো একেবাৰে নিকা। মজিয়া চিকচিকাই থাকে। গন্ধনাশকৰ সুগন্ধ ভৰি থাকে। হাত ধুই শুকোৱাৰ বাবে ক্ৰায়োজেনিক ইভেপোৰেটৰ আছে।

ডাইৰেক্টৰ আৰু বিদ্যুৎ চক্ৰবৰ্তী গ'ল। অনু বাইদেউক লগ ধৰিবলৈ বুলিয়ে কল্যাণ ৰৈ গ'ল। পদ্মনাভনে অনুৰ ভায়েক বুলিয়ে কল্যাণক অলপ বেছি মৰম কৰে।

ডাইৰেক্টৰ আৰু চক্ৰবৰ্তী যোৱাৰ পাছত পদ্মনাভনে আবেগ-

বিহীনভাৱে আৰু অস্পষ্টকৈ ক'লে, "ধুৰুন্ধৰ"।

কল্যাণৰ মুখৰ পৰা প্ৰশ্নটো ওলাই গ'ল—"কোন?"

"দুয়োটা।"—পদ্মনাভনে ক'লে।

কল্যাণে আৰু কথা নবঢ়ালে। টেষ্ট টিউব এটা ৰঙচুৱা দ্ৰৱ এটাত কণীৰ কুহুমৰ দৰে টোপাল এটা জোকাৰি জোকাৰি অনু বাইদেৱে তাৰফালে নোচোৱাকৈয়ে কিন্তু পৰম আগ্ৰহ আৰু দৰদেৰে মাতিলে,—"আহা আহা কল্যাণ। তোমাৰ প্ৰথম দিনাৰ অগ্নিকাণ্ডটোৰ দৰে আৰু কিবা এনকুয়াৰি কমিটি-তমিটিত সোমাই পৰিছা নেকি?"

সেই এনকুয়াৰি কমিটিটোৰ কথা মনত পৰি কল্যাণৰ লাজ লাগিল। সি একো উত্তৰ নিদিলে।

॥ ৪ ॥

কল্যাণে নিজৰ অফিছ ৰুমটোৰ দুৱাৰখনত আলফুলকৈ বাওঁহাতৰ তলুৱাখন লগাই ধৰাৰ লগে লগে এটা ৰেকৰ্ডেড নাৰীকণ্ঠই ক'লে—"ৱেলকাম। আপনাৰ হাতৰ উষ্ণতা আৰু ৰেখা ৰেজিষ্টাৰ কৰা হ'ল।"

উষ্ণতা আৰু হাতৰ ৰেখা ৰেজিষ্টাৰ কৰাৰ পাছতো দুৱাৰখন কিন্তু আপোনা-আপুনি খোল না খায়। ডাবল ভেৰিফিকেচনৰ বাবে এতিয়া তাৰ মাতটো দুৱাৰখনে বা আচল কথাত দুৱাৰত থকা ইলেকট্ৰনিক কানখনে শুনিব লাগিব।

কল্যাণে পৰম আত্মীয়তাৰ সুৰত দুৱাৰখনক বা সেই ৰেকৰ্ডেড কণ্ঠৰ গৰাকী নাৰীগৰাকীক ক'লে, "থেংক ইউ, দুৱাৰ খন খোলক।"

এটা মৃদু-মধু যন্ত্ৰসংগীতৰ সুৰ তুলি দুৱাৰখন খোল খাই গ'ল। কোঠাটোতে মানুহ সোমোৱা গম পাই বুদ্ধিমান প্ৰছেছৰ এটাই লাইটবোৰ অন কৰি দিলে। চকুত চাট মাৰি নধৰিবৰ বাবে লাইটবোৰ প্ৰথমতে 'ডিম' হৈ জ্বলি লাহে লাহে উজ্জ্বল হৈ আছিল। ছেণ্ট্ৰেলি এয়াৰ কণ্ডিচণ্ড বাবে কোঠাটো আগৰে পৰাই আৰমদায়ক ঠাণ্ডা হৈ আছিল।

কল্যাণে মেছেজ পেডটোৰ চাবি স্পৰ্শ কৰিলে।

সেউজীয়া আখৰেৰে তীখা বৰণীয়া স্ক্ৰিনখনত জিলিক উঠিল তিনটা বাৰ্তা: প্ৰথম, ডাইৰেক্টৰৰ পি. এছ. অবিনাশ কৌৰে ফোন

কৰিছিল। ডাইৰেক্টৰে এবাৰ লগ পাব খোজে।

দ্বিতীয়, ক্লেছৰপৰা কেয়াৰটেকাৰ মালবিকাই ফোন কৰিছিল।

তৃতীয়, ৰিছিপচন ডেস্কৰপৰা স্মিতা কাশ্যপে ফোন কৰিছিল।

সি ফোনৰ এই ক্ৰমটোকে পছন্দ কৰিলে। অৱলীলাক্ৰমে আন এটা চাবি টিপি সি তাৰ দিনটোৰ এপইণ্টমেণ্টখিনি চাই ল'লে।

ভিদিঅ' ইন্টাৰৰ চাবিৰ নম্বৰ দুটো স্পৰ্শ কৰাত সিফালৰপৰা অবিনাশৰ হাঁহিমৰা মুখখন ভাহি আহিল।

"গুড মৰ্নিং ছাৰ।" তাই ক'লে।

মুখত হাঁহি এটা ফুটাই তুলি উৎফুল্ল ভাৱেৰে কল্যাণে ক'লে, "গুড মৰ্নিং মিছেছ কউৰ। খা-খবৰ কেনে?"

"সকলো ঠিকে-ঠাকেই চলিছে ছাৰ। আৰু হেৰি—ডাইৰেক্টৰে আপোনাক এবাৰ বিচাৰিছে—কেমিকেল ইঞ্জিনিয়াৰিঙত ফছফৰৰ কিবা প্ৰব্লেম।"

"এতিয়াই যাম নেকি?" কল্যাণে সুধিলে। "তেখেত ফ্ৰি আছেনে?"

"এতিয়া দুজন ভিজিটৰ আছে ছাৰ। আপোনাক মই ব্লিপ দিম নহ'লে।"

ইয়াৰ এই ব্লিপ ব্যৱস্থাটোও কল্যাণেই অনা। প্ৰত্যেকজন মানুহৰ ঘড়ীৰ চেইনতে লগোৱা থাকে একোটা ৰিছিভাৰ। চোলাৰ বুটামটোৰ সমান, কিন্তু চাৰিচুকীয়া। কোনোবাই যদি ফোন ডায়েল কৰে, সেই মোলায়েম, সংগীত মধুৰ ৰিংটো চাৰিবাৰ বজাৰ পাছতো ফোন নধৰিলে, বা ফোনৰপৰা আঁতৰি থকা বাবে ফোন ধৰিব নোৱাৰিলে বা ফোনটোত কাৰোবাৰ লগত আগৰেপৰা কথা পাতি থাকিলে, হাতৰ ঠাৰিৰ এই ব্লিপাৰটোত ব্লিপ ব্লিপকৈ শব্দ হয়। তেতিয়া ব্লিপাৰটো স্পৰ্শ কৰিলে তাত কোন কৰোঁতাজনৰ

ফোন নম্বৰটো জিলিকি উঠে। তেতিয়া ওচৰৰ ক'ৰবাৰ পৰা তেওঁলৈ ফোন কৰিব পাৰি। এক মিনিটৰ পাছত, জিলিকি উঠা ফোন নম্বৰটো আপোনা-আপুনি মচ খাই যায়।

এতিয়া অৱশ্যে গোটেই লেবটোৰ ত্ৰিশজনমান গুৰুত্বপূৰ্ণ লোককহে এই ব্লিপাৰ দিয়া হৈছে।

কল্যাণে মালবিকাক ভিডিঅ' ফোনত বিচাৰিলে। ল'ৰা-ছোৱালী ৰখা ক্ৰেছখনৰ লগতো কল্যাণ জড়িত হৈ পৰিছিল। ভগা-ছিগা ঘৰ এটাত, জামাদাৰণী এজনীয়ে আয়া হিচাবে, ব্যক্তিগত জিম্মাত সৰু ল'ৰাছোৱালী ৰখা ক্ৰেছখন সি এখন চালে চকুৰোৱা প্ৰতিষ্ঠান হিচাবে গঢ়ি তুলিলে। এতিয়া মালবিকা দত্ত নামৰ বি. এ. পাছ আৰু চাইল্ড কেয়াৰৰ ডিপ্লোমা থকা ছোৱালী এজনী তাৰ কেয়াৰ টেকাৰ। বৰ নিষ্ঠাৱতী ছোৱালী। ক্ৰেছখন যেন তাইৰ প্ৰাণহে।

"কি খবৰ মালবিকা ?"—ভিডিঅ' ফোনত বৰ দৰদেৰে কল্যাণে সুধিলে। এছিষ্টেণ্ট ডাইৰেক্টৰ ভেমটো সি কাৰো ওচৰতে দেখুৱাব নোখোজে।

"আপুনি এবাৰ ক্ৰেছৰ ফালে আহিব পাৰিব নেকি ছাৰ ?" —মালবিকাৰ অনুৰোধত যথেষ্ট স্নেহ আৰু ভক্তি সনা আছিল।

"কিয় মালবিকা ? কিবা বিশেষ খবৰ আছে নেকি ?" কল্যাণে সুধিলে।

"কাইলৈ নেচনেল চাইল্ড ৱেলফেয়াৰ এছোছিয়েচনৰ আমাৰ ষ্টেট চেপ্টাৰৰ তিনি গৰাকী প্ৰতিনিধি আমাৰ ক্ৰেছ চাবলৈ আহিব। আমি প্ৰায়বোৰ এৰেঞ্জমেণ্ট কৰিছো—মাত্ৰ আপোনাক এবাৰ দেখুৱাই লোৱাৰ কথা ভাবিছো। আপুনি যদি অলপ সময় স্পেয়াৰ কৰিব পাৰে ছাৰ—"

"যাম, নেযাওঁই নাযাম ? কেইবজাত যাব লাগিব বাৰু ?"

'চাৰি বজাত আমাৰ একজিকিউটিভ মেম্বাৰবিলাক লগ লগাৰ কথা—আপুনি যদি—"

"যাম দিয়া। ঠিক চাৰি বজাত মই সেইখিনি পাম।"

"থেংক ইট, ছাৰ' —মালবিকাৰ চকুৰে মুখে কৃতজ্ঞতাৰ আৱেশ. এটাই খেলি গ'ল।

কল্যাণে তাৰ পি. এ. নিভা কোঁৱৰক মাতিলে। নিভা তজবজীয়া ছোৱালী, উজ্জ্বল বগা ৰং। হায়াৰ ছেকেণ্ডাৰিৰ পাছত ছেক্রেটেৰিয়েলৰ এবছৰীয়া ডিপ্লোমা কৰি কামত সোমাইছে। বয়স বিশৰ বেছি হোৱা নাই। স্কার্ট-ব্লাউজৰ মাজতো যথেষ্ট আব্ৰু ৰাখে। তাইক দেখিলে কল্যাণৰ হঠাতে বিদেশী ছোৱালী যেনহে অনুমান হয়।

নিভা অহাত আবেলি চাৰি বজাত ক্লেছৰ এপইণ্টমেণ্টটো নোট কৰিবলৈ ক'লে। নিভা ওলাই গৈছিলেই—

"আৰু শুনা," কল্যাণে কিবা এটা মনত পৰাৰ দৰে ক'লে, —"ভাল মিল্ক চকলেটৰ ডাঙৰ পেকেট এটা অনাই দিবা—ত্রিশটামান ল'ৰা ছোৱালীক অ'টাকৈ। আৰু প্রত্যেকৰে বাবে এটাকৈ জন্তু বা চৰাই বা গছ-গছনি—ফল ফুলৰ স্টিকাৰ—বা তেনে কিবা, পাবানে বাৰু ?"

নিভা কোঁৱৰে মূৰ দুপিয়ালে। তাইৰ চকুৰ কোণ আৰু চেলাউৰি যোৰৰ মাজেৰে ঈষৎ হাঁহি এটা ফুটি উঠাটো কল্যাণৰ চকুৰ পৰা সাৰি নগ'ল। কল্যাণৰ ভনীয়েক শান্তালৈ হঠাতে মনত পৰি গ'ল। এনে এটা পৰিৱেশত নানা অংগী-ভংগী কৰি তাই আব্দাৰ ধৰিলেহে'তেন—দাদা, মোকো এটা চকলেট লাগিব। কল্যাণে তাইক অংগী-ভংগীৰে উত্তৰ দিব নালাগে—সি ক'লেহে'তেন —"ঠিক আছে দিম, মোৰ চোলাটোৰ হাতৰ বুটাম এটা ছিগি আছে, লগাই দিবি।" শান্তাই তাৰ ওঁঠৰ কঁপনি পঢ়ি কথাবোৰ

ব্ৰুজি পাই ওঁ ওঁ কৈ অস্পষ্ট দুটা মান শব্দ কৰি লব মাৰিলেহেঁতেন।

যোৱা তিনিমাহ ধৰি সি ঘৰলৈ যাব পৰা নাই। সি নিভাক ক'লে—"আৰু এটা কাম কৰিবা—মোৰ ভাই বিমান যে, তালৈ ফোন এটা কৰিম—তাৰ কোম্পানীৰ ফোন নম্বৰটো আছে নহয়—বজাৰ পাছত কানেক্ট কৰাই দিবা।"

মুৰ দুপিয়াই, বেণী নচুৱাই নিভা ওলাই যোৱাৰ পাছত কল্যাণে ৰিছিপচনিষ্ট স্মিতা কাশ্যপলৈও ভিডিঅ' ফোন কৰিলে। স্মিতাৰ অভিমান। ফোন চোন এটাও কৰিব নোৱাৰে নেকি?

প্ৰথমতে কল্যাণে স্মিতাক পোনে পোনে উত্তৰ নিদি অলপ জোকাই চালে। ভিডিঅ' ফোনৰ সৰু স্ক্ৰিনখনতে তাইৰ চকুৰ আবেগসিক্ত দৃষ্টি দেখি কল্যাণৰ তাইলৈ মৰম লাগি গ'ল। সেইবাবে নিৰাসক্ত নিৰ্বিকাৰ ভংগী এৰি সি এইবাৰ সুধিলে—"মিছ কাশ্যপ এই, বেয়া পাই গৈছে নেকি?"

"ওঁ।"

'কেলেই?"

"মোক স্মিতা বুলি মাতিবলৈ বাৰে বাৰে কৈ থাকিব লাগে নেকি? আৰু তুমি বুলি—"

'অ' সেইটো"—কল্যাণে ক'লে। "ঠি—ক আছে, মাতিম কিন্তু তাৰ যাত্ৰাটো ইয়াত ভিডিঅ'—ফোনত এনেকৈ নকৰো।"

নম্বৰটো জিলিকি উঠাত তালৈ ফোন কৰিলে। অবিনাশে ক'লে যে ডাইৰেক্টৰ এতিয়া ফ্ৰি। ইচ্ছা কৰিলে কল্যাণ আহিব পাৰে।

সাগৰৰ ঢৌ উঠি থকা ডাইৰেক্টৰৰ প্লাছ হলখন অৱলীলাক্ৰমে পাৰ হৈ যোৱাত কল্যাণ সোমাই গ'ল। ডাইৰেক্টৰৰ চেম্বাৰত সোমাই শুনো নুশুনোকৈ চিনাকি বাহীৰ সুৰ এটা বাজি আছে।

কল্যাণ সোমাই যোৱাত ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে আগ্ৰহেৰে তাক মাতিলে।

"ৰিলেমাইটৰ ষ্টোৰিটোতো তুমি জানাই"—ডাইৰেক্টৰ পোনে পোনে আচল কথালৈ আহিছিল।

কল্যাণে ইতিমধ্যে পোহৰ দিব পৰা নানা ক্ৰিষ্টেলীয় অক্ৰিষ্টেলীয় ৰাসায়নিক দ্ৰব্যৰ বিষয়ে নানা কথা অলপ ভবাৰ দৰে কৰি সি তুমি বা আপুনি একো ব্যৱহাৰ নকৰাকৈ মাজতে ক'লে, "আজি সন্ধিয়া কাবেৰীত কফি একাপ একেলগে খোৱাত কিবা অসুবিধা আছেনেকি? সাত বজাত মই হোষ্টেলৰ পৰা লৈ আহি তেনেহ'লে?"

কিছুপৰ ভিডিঅ' ফোনৰ সৰু স্ক্ৰিনখনত স্মিতা স্থিৰ হৈ থাকিল। তাই সন্মতি-অসন্মতি একো নজনালে।

এনেতে কল্যাণৰ হাতৰ ঠাৰিত ৱিপাৰটোৱে অধৈৰ্য্যভাৱে ৱিপ ৱিপ কৰিবলৈ ধৰিলে।

"সেইটোৱেই কথা থাকিল তেনেহ'লে।" এইবুলি কল্যাণে ৱিপাটোৰ বুটামটো চুলে। অবিনাশ কোৱৰ জনা হৈ গৈছে। জিংক অৰ্থোছিলিকেট ক্ৰিষ্টেলকে ৰিলেমাইট বোলে। তাত মেগনেছিয়াম এক্টিভেটৰ ব্যৱহাৰ কৰিলে সি পোহৰ শুহি লয় আৰু পাছত সেউজীয়া পোহৰ দিয়ে। চিলাইট নামৰ কেলছিয়াম টাংষ্টেট ক্ৰিষ্টেলেও তেনেদৰে পোহৰ দিয়ে—সেই পোহৰ কিন্তু নীলা।

এই সমস্ত কথা সি অনু বাইদেউৰ পৰা শুনিছে। ফছফৰ বা পোহৰ দিব পৰা বসায়নৰ সমস্ত ইতিহাসৰ লগত অনু বাইদেউ যেন একাত্ম হৈ পৰিছে। অনু বাইদেউৰ মতে প্ৰথম বেৰিয়াম ছালফাইট ফছফৰ প্ৰস্তুত কৰাৰ দিনাৰ পৰা ফছফৰৰ বিজ্ঞান বহুখিনি আগবাঢ়ি আহিছে। এতিয়া ৰাসায়নিক ফছফৰ এক পূৰ্ণ বিকশিত বিজ্ঞানৰ শাখা।

ডাইৰেক্টৰৰ মাতত কল্যাণ বৰ্তমানলৈ উভতি আহিল,—"ৱিলেমাইট, চিলাইট আদি ফছ্ফৰৰ বিষয়ে সকলো জানিবলগীয়া কথা জনা হৈ গ'ল বুলিয়ে বিজ্ঞানীসকলে এসময়ত ভাবিছিল। আমি যেতিয়া ইয়াত কেমিকেল ফছ্ফৰৰ কাম আৰম্ভ কৰো তেতিয়া ইয়াৰেই বহুতো ছাইণ্টিস্টে ৰিপিটিটিভ ৱাৰ্ক' বুলি ঠাট্টা কৰিছিল।"

সেই কথা অনু বাইদেৱেও কৈছিল। তেওঁৰ ভাগ্য বিপৰ্য্যয়ৰ পাছত তেওঁ যেতিয়া ইয়াত ইনৰ্গেনিক কেমিষ্ট্ৰিৰ ছাইণ্টিষ্ট হিচাবে জইন কৰি ফছ্ফৰৰ কাম কৰিবলৈ লয়—তেতিয়া গোটেই ফছ্ফৰৰ কামটোৱে এটা ঢাপাবাজী বুলি, অনু বাইদেউৰ বাবেহে এনে চাকৰি উলিওৱা হৈছে বুলি এটা অপবাদেই প্ৰচাৰ হৈছিল বোলে। অনু বাইদেৱে তালৈ মন নিদিলে। বা সেইবোৰ সৰু সুৰা কথাৰ প্ৰতি মন দিব পৰা মানসিক অৱস্থাও তেতিয়া তেওঁৰ নাছিল। গিৰিয়েকৰ প্ৰতি তেতিয়া তেওঁৰ ইমানেই অশ্ৰদ্ধা যে গিৰিয়েকৰ উপাধি পৰ্য্যন্ত এৰি অনু অধিকাৰী হিচাবে তেওঁ মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত যোগ দিছেহে মাত্ৰ। লাটুৰ তেতিয়া এবছৰো হোৱা নাই।

ডাইৰেক্টৰে যেন কল্যাণৰ চিন্তাৰ ৰেখাৰেহে আগবাঢ়ি আছিল। "যোৱা প্ৰায় চাৰিটা বছৰত অনু অধিকাৰীয়ে ফছ্ফৰ কেমিষ্ট্ৰিৰ প্ৰায় সকলো বিখ্যাত পৰীক্ষা ৰিপ্ৰডিউছ কৰি পেলালে। জিংক ছিলিকেট, জিংক বেৰিলিয়াম ছিলিকেট, জিংক আৰু কেডমিয়াম বেৰেটবোৰ, কেডমিয়াম ফছফেট—এই আটাইবোৰ ফছ্ফৰ ট্ৰাই কৰি চোৱা হ'ল। এক্টিভেটৰ সলনি কৰি চোৱা হ'ল। বচা বচা এক্টিভেটৰৰ কনছেনট্ৰেছন চেঞ্জ কৰি চোৱা হ'ল।—ৰভাৰ পৰা নীলালৈ নানা ৰঙৰ পোহৰ দিয়া ফছ্ফৰ আমি পালো।"

প্ৰফেছৰ মজুমদাৰে টেবুলৰ গিলাছটোৰ পৰা পানী অলপ

থালে। তাৰ পাছত সমস্যাটোৰ শেষ পৰ্য্যায়লৈ অহাৰ প্ৰস্তুতিৰে ক'লে, "অনু অধিকাৰীয়ে কেতিয়াবা তোমাক ক'ব পায়—যে কেতবোৰ 'কিলাৰ' বা পোহৰ দিয়া ধৰ্ম ধ্বংস কৰিব পৰা পদাৰ্থও ইতিমধ্যে চিনাক্ত কৰা হৈছে। কিন্তু, কোনোৱে যাতে আমাৰ প্ৰজেক্টৰ একো হানি কৰিব নোৱাৰে তাৰ বাবে 'কিলাৰ' পদাৰ্থবোৰৰ তথ্য গোপন কোডেৰে কম্পিউটাৰত ৰাখি থোৱা হৈছে।"

প্ৰফেছৰ মজুমদাৰে যে এনেয়ে ইমান দীঘলীয়া প্ৰস্তাৱনা দিয়া নাই সেইটো কল্যাণে বুজি পালে। কিন্তু তেওঁক ক'তো বাধা নিদিয়াকৈ সি কথাবোৰ শুনি গ'ল।

"আজি দুদিন মানৰপৰা আমাৰ কিছুমান কেমিকেল ফছফৰে কাম কৰা নাই। তাৰ পৰা পোহৰ নোলায়, ওলালেও আগৰ দক্ষতাৰে নোলায়—সিহঁতৰ উজ্জ্বলতা কম হৈ পৰিছে বা সিহঁতে অতি কম সময়হে পোহৰ দিয়া হৈছে। অনুৰ পৰাই কেমিকেল ফছফৰৰ ট্ৰেইনিং পোৱা মিত্তাল নামৰ ল'ৰাটো চিনি পোৱানে? অশোক মিত্তাল?—"

কল্যাণে মুৰ দুপিওৱাত প্ৰফেছৰ মজুমদাৰে আকৌ কৈ গ'ল —"অশোক মিত্তালেই প্ৰথমতে কথাটো ধৰা পেলালে। তেওঁ স্পষ্টকৈ মোক একো ক'ব নোখোজে—কিন্তু তেওঁ কাৰোবাক যেন সন্দেহ কৰে এনে লাগে।" অলপ বৈ ডাইৰেক্টৰে যোগ দিলে, "মই এতিয়াই ইয়াতকৈ বেছি তোমাক একো ক'ব নোখোজো। কিন্তু এটা ৰিছাৰ্চ লেবৰেটৰিৰ কাৰণে—বিশেষকৈ মন্দাকিনী দেৱীৰ স্মৃতিৰ লগত বিজড়িত এনে এটা ৰিছাৰ্চ লেবৰেটৰিৰ কাৰণে কথাটো বৰ গুৰুত্বপূৰ্ণ। তুমি সকলো কথা জানিবলৈ চেষ্টা কৰা। অতি গোপনে।"

কাবেৰী ৰেষ্টোৰাৰ এয়াৰকুলিড কৰ্ণাৰৰ মৃদু পোহৰ আৰু মধুৰ সংগীতৰ কবিতাময় পৰিৱেশত কল্যাণৰ সিদিনা স্মিতাক পৰী যেন লাগিছিল।

কাচৰ দুৱাৰেৰে ছাইন্স ছিটিৰ উদ্ভাসিত উদভ্ৰান্ত ফোৱাৰাবোৰ দেখি কল্যাণৰ এনে লাগিছিল যেন ফোৱাৰাবোৰেও কিবা এটা উথাপন কৰিবলৈহে ব্যগ্ৰ হৈ নাচিছে।

স্মিতাই বহুপৰলৈ একো কোৱা নাছিল। তাই যেন পৰিৱেশটো হৃদয়ংগম কৰিব খুজিছে। নাইবা বহুপৰ কল্যাণৰ মুখলৈ একেথৰে চাই থাকি তাই যেন কল্যাণক বুজিবলৈহে যত্ন কৰিছে।

"এই !" কল্যাণে মিহিকৈ মৰম সানি মাতিলে।

স্মিতাৰ ওঁঠ দুটা সামান্য লৰিল। কিন্তু কোনো শব্দ তাৰপৰা নোলাল।

কল্যাণেই আকৌ ক'লে, "এই, মই তেনেহ'লে এতিয়া 'তুমি' বুলি মাতো ? নাম কাঢ়ি স্মিতা বুলি মাতো ?"

ইয়াৰ আৰু কি উত্তৰ থাকিব পাৰে ? স্মিতাই এইবাৰো কোনো উত্তৰ নিদিলে। জীৱনৰ কোনো কোনো মুহূৰ্তত, কোনো, কোনো একান্ত পৰিৱেশত কথাবোৰ বৰ অৰ্থহীন হৈ পৰে। নীৰৱতা তেতিয়া হৈ পৰে অৰ্থবহ, বাংময়।

একো একোটা অচানক আচৰণে, একো একোটা অনিয়ন্ত্ৰিত ব্যৱহাৰে তেতিয়া গোটেই জীৱনৰ বাবে এক নতুন দিশ, নতুন ধাৰা কাঢ়িয়াই আনে। তাক আওকান কৰিব নোৱাৰি, তাক বাধ দিব নোৱাৰি। কল্যাণে নিজে ক'ব নোৱাৰাকৈয়ে স্মিতাৰ সোঁহাত খন নিজৰ বাওঁহাতেৰে তুলি আনি দুয়োহাতেৰে আলফুলকৈ মুঠি মাৰি ধৰিলে।

এক মুহূৰ্তৰ বাবে স্মিতা চকিত হৈ উঠা দি উঠিল। তাৰ

পাছত তাই—যেন ক'তো একো নতুন ঘটনা ঘটাই নাই এনে ভংগীত যেনে আছিল তেনে বৈ থাকিল। কিন্তু কল্যাণে যেতিয়া নিজে ক'ব নোৱাৰাকৈ স্মিতাৰ হাতখনৰ ওপৰেৰে নিজৰ পুৰুষ-সুঠাম হাতৰ পৰশ বুলাবলৈ ধৰিলে তেতিয়া স্মিতাৰ ওঁঠ দুটা আৰু নাকৰ পাহিটোত এটা মৃদু কঁপনি উঠিল। একেবাৰে অস্পষ্টকৈ তাই মাত্র দুবাৰমান কৈ উঠিল—"ডক্টৰ চৌধুৰী, ডক্টৰ চৌধুৰী। উঁ—হু!"

"স্মিতা—স্মিতা" আবেগেৰে কল্যাণে ক'লে "মোক এবাৰ মোৰ নাম কাঢ়ি মাতা,—কল্যাণ বুলি মাতা!"

"স্মিতা যেন কিঞ্চিত দ্বিধাত পৰিল। কিন্তু তাৰ পাছতে তাইৰ নিজৰ নিয়ন্ত্রণৰ বাহিৰ হৈ শব্দটো ওলাই আহিল—কল্যাণ! কল্যাণ!"

ডেৰ ঘণ্টা পাছত স্মিতাৰ ৱাৰ্কিং গাৰ্লছ হোষ্টেলৰ সৰু গেট-খনৰ সন্মুখত কল্যাণে গাড়ী ৰখালে। স্মিতা বাহি ৰ'ল। গাড়ীৰ লাইটবোৰ নুমাই যোৱাৰ পাছত গাড়ীৰ ভিতৰখন প্রথমতে বৰ অন্ধকাৰ যেন লাগিছিল। কিন্তু অনু বাইদেৱে গাড়ীৰ ডেস্ক বোৰ্ডত লগাবলৈ দিয়া বায়োলুমিনেটৰৰপৰা একেবাৰে পাতল পোহৰ এটা ওলাই আহি এক মায়াবী পৰিৱেশৰ সৃষ্টি কৰিছিল। সেই পোহৰৰ যেন এটা নিজা আবেদনো আছিল। কল্যাণে সেই আবেদন উপেক্ষা কৰিব নোৱাৰিলে।

স্মিতাক আগবঢ়াই থৈ আহি গাড়ীত বহাৰ পাছতো তাৰ ওঁঠত তপত তপত কোমল কোমল স্পর্শ এটাই আমনি দি থাকিল।

*

ক'ব নোৱাৰাকৈয়ে কিছু বেগত গাড়ী চলাই কল্যাণ যেতিয়া অনু বাইদেউৰ ফ্লেটত উপস্থিত হ'ল তেতিয়া ৰাতি চাৰে ন

বাজিছে। লাটু শুনলে নেকি বাবু? সি বাবু বেল বজাব নে নবজায়?

অকমান থমকি ৰওঁতে সি ভিতৰৰ পৰা কাৰোবাৰ তৰ্কবিতৰ্ক যেন লগা কথাবতৰা ভাহি অহা শুনিবলৈ পালে। মনোযোগ দিয়াত বুজি পালে সেয়া পৱন ভাৰ্গভ আৰু অনু বাইদেউৰ মাত। ইমান ৰাতি কিহৰ তৰ্কবিৰ্তক?

ফছফৰ ? কেমিকেল ফছফছৰ বিশেষ ভৱিষ্যত নাই ?—এয়া কেমিষ্ট্ৰিৰ ছাত্ৰী অনু বাইদেৱে কৈছে? আৰু পৱন ভাৰ্গভে নতুন এক্টিভেটৰ যোগ দিয়াৰ কথা কৈছে? অনু বাইদেউৰ মতে বায়োফছফছৰ বা বায়োলুমিনেটৰৰহে এতিয়া সম্পূৰ্ণ প্ৰস্পেক্ট আছে?

কল্যাণে কি কৰিব ঠিক কৰিব নোৱাৰিলে। এতিয়া এনেকৈ উভতি গ'লেও কোনোবাই এই মাল্টিষ্টোৰিড বিল্ডিংটোৰ কোনোবা ফ্লেটৰপৰা দেখি পাবে। সি গাড়ীৰে নহা হ'লেও হয়তো কোনোৱে মন নকৰিলেহেঁতেন। তদুপৰি আজিৰ কাবেৰী ৰেষ্টোৰাৰ তাৰ জীৱনৰ দিগপৰিৱৰ্তনকাৰী ঘটনাৰ পাছত সি জানো অনু বাইদেউক দেখা নকৰাকৈ থাকিব পাৰে। অনু বাইদেউক স্মিতাৰ কথা এতিয়াই সি ক'ব নোৱাৰে। কিন্তু মনেৰেই অনু বাইদেউৰ ভৰি চুই সি জানো আশীৰ্বাদ ল'ব নোৱাৰিব?

তদুপৰি কেমিকেল ফছফছৰৰ বিঘিনি ঘটোৱা বুলি অশোক মিত্তালে সন্দেহ কৰা ঘটনাটোত এটা খোজ আগ বঢ়াব লাগিলেই তাৰ অনু বাইদেউৰ পথ প্ৰদৰ্শনৰ প্ৰয়োজন হ'ব।

সি কল বেলটোৰ ফালে হাতখন আগবঢ়াই নিলে। এনেতে দুৱাৰখন অকস্মাতে খোল খালে। হাঁহি হাঁহি পৱন ভাৰ্গভ আৰু অনু বাইদেউ ওলাই আহিছে। পৱনে অনু বাইদেউৰ বুদ্ধিৰ বাবে বাবে প্ৰশংসা কৰিছে।

কল্যাণক তেনেকৈ দেখি অনু বাইদেৱে থতমত খাব নেকি ?

কিন্তু তাক আচৰিত কৰি দি অনু বাইদেৱে আগ্ৰহ আৰু আতিথ্য ভৰা সুৰেৰে তাক মাতিলে—"হাৰে কল্যাণ, তুমি ? আহা আহা—তোমাক যে ভাই কিমান দিন লগ পোৱাই নাই। তেনেকৈ ৰৈ আছা কেলেই ? আহা—ভিতৰলৈ।"

॥ ৫ ॥

এডিচনেল ডাইৰেক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ চেম্বাৰত বেংককৰ মেছেঞ্জ পাৰলৰৰ বিষয়ে সৰস আলোচনা চলিছিল। থাইলেণ্ডৰ অৰ্কিডবোৰত সুবাস এটা যোগ দিয়াৰ বায়োটেকনোলজি এটা ট্ৰেন্সফাৰ কৰাৰ সন্দৰ্ভত প্ৰছেছ ট্ৰেন্সফাৰ বিভাগৰ মুৰব্বী বিদ্যুৎ চক্ৰবৰ্তীয়ে বেংকক ভ্ৰমণ কৰি উভতি আহিছে। আচলতে তেনে এটা প্ৰছেছ ট্ৰেন্সফাৰৰ সময়ৰ ডেমন ষ্ট্ৰেচন আদিৰ বাবে যাব লাগিছিল বায়োটেকনোলজিৰ হেড ডক্টৰ পদ্মনাভন বা তেওঁৰ টিমৰ কোনোবা এজন বা দুজন। কিন্তু দায়িত্বটো প্ৰথমৰপৰাই বিদ্যুৎ চক্ৰবৰ্তীক দিয়া হ'ল।

এদিন জিটা—অ'মেগা ক্লাবত সন্ধিয়া ড্ৰিংক কৰোতে বিদ্যুৎ চক্ৰবৰ্তীৰ ঘৈণীয়েক অলকাই প্ৰতাপ ভট্টাচাৰ্য্যৰ ওচৰত অভিযোগ দাঙি ধৰিছিল—আন কিমান মানুহ ফৰেইনলৈ গ'ল—আমাৰ এওঁৰহে নাম-গোন্ধ নাই।

"ফৰেইন? কোন ফৰেইন? ঢাকা, ইছলামাবাদ নে বেংকক?" জোক এটা কৰাৰ ভংগীত ভট্টাচাৰ্য্যই সুধিছিল।

"ঢাকা বেংকক হ'লেও আমাৰ কোনো আপত্তি নাই।"—বিদ্যুৎ চক্ৰবৰ্তীয়ে এনেয়ে দিয়াৰ দৰে সহজকৈ উত্তৰ দিছিল।

"তেনেহলে ঢাকা হৈ বেংককলৈ ওলাওক। অহা মাহত যাব পাৰিব নহয় এখেত? নে কিবা অসুবিধা আছে?"—অলকাৰ বাউসীত চিকুট এটা মাৰি ভট্টাচাৰ্য্যই সুধিছিল।

তাৰ পাছৰ মাহত সঁচাকৈয়ে বিদ্যুৎ চক্ৰবৰ্তী ঢাকালৈ গ'ল।

ঢাকাত চাৰি দিন কটাই পোন্ধৰ দিনৰ বাবে বেংককলৈ গ'ল—প্ৰছেছ ট্ৰেন্সফাৰৰ কামত। কোনো কোনোৰ মতে বেংককলৈহে প্ৰছেছ ট্ৰেন্সফাৰৰ কামত ঢাকালৈ হ'ল অন্য এটা ষ্টাডিৰ বাবে। বাংলা-দেশলৈ এই লেবৰেটৰীৰ আৰু অন্য ছিস্টাৰ লেবৰেটৰীৰ প্ৰছেছ ইমান দিনে কিয় ট্ৰেন্সফাৰ হোৱা নাই তাৰ ষ্টাডি। দুয়োখন দেশতে চক্ৰবৰ্তীৰ বক্তৃতাই বিজ্ঞানী আৰু পণ্ডিতসকলৰ পৰা ভূয়সী প্ৰশংসা পাইছে বুলি ইতিমধ্যে চক্ৰবৰ্তীৰ ফটোৰে সৈতে ছাইন্স ছিটি কাভাৰেজ নামৰ স্থানীয় বাতৰি কাকতখনত প্ৰকাশ পাইছে। চক্ৰবৰ্তীৰ অন্যান্য অৱদানসমূহৰ কথাও লগতে উল্লেখ কৰা হৈছে।

বেংককৰ হোটেল ইম্পালাৰ ফ্লোৰ বয় এজনেই বিদ্যুৎ চক্ৰবৰ্তীক সুধিছিল তেওঁৰ কোনোবা বান্ধবী আছে নেকি এই চহৰত? নাই যদি তেওঁ দেখোন মেছেজ পাৰলৰ এটালৈয়ে যাব পাৰে—এই সুন্দৰ সন্ধিয়াটোতো হোটেলৰ লাউঞ্জত বহি বহি নষ্ট কৰি লাভ নাই। মাত্ৰ এশ বাততে টৌক্সিয়ে অনা নিয়া কৰিব, তাত ৰৈয়ো থাকিব মেছেজ পাৰলৰৰ খৰচ এহাজাৰ বাত আমাৰ চাৰিশ টকাৰ সমান।

তাৰ পাছত চক্ৰবৰ্তীয়ে শ্যামদেশী গাভৰুৰ আপ্যায়নৰ সেই মায়াভৰা সন্ধিয়াৰ বিশদ বৰ্ণনা দি গৈছিল। হুন লি নামৰ সেই চঞ্চলা ষোড়শীৰ আতিথ্য তেওঁৰ গোটেই জীৱন মনত থাকিব।

সুন্দৰ, স্বচ্ছ কৌটা এটা প্ৰতাপ ভট্টাচাৰ্য্যৰ ফালে আগবঢ়াই দি বিদ্যুৎ চক্ৰবৰ্তীয়ে ক'লে, "দিছ ইজ ফৰ ইঅ'ৰ দটাৰ ছাৰ।"

"কিনো?"—ভট্টাচাৰ্যই কৌটাটো পৰীক্ষা কৰি সুধিলে।

"ছেফায়াৰ খটাই গঢ়োৱা চৈধ্য কেৰেটৰ সামান্য গহনাৰ ছেট এটা মাথোন। মই ভাবোঁ কুইনে ভাল পাব। কি বোলে জানো ছেফায়াৰক অসমীয়াতে—" চক্ৰবৰ্তীয়ে নিজকে সোধাদি ক'লে।

"নীলম। কুইনে পালে আনন্দতে নাচিব।"

জোঃ জিঃ—৪

চক্ৰবৰ্তীয়ে কৃতজ্ঞ হৈ ক'লে, "থেংক ইউ, ছাৰ।"

বিদ্যুৎ চক্ৰবৰ্তীয়ে ডিউটি ফ্ৰি শ্বপৰ পৰা অনা এক লিটাৰৰ হুইস্কিৰ বটলটো দেখনিয়াৰ ফাইল কেবিনেটটোৰ এচুকত প্ৰতাপ ভট্টাচাৰ্যই বৰ মৰমেৰে বৰ কৃতজ্ঞতাৰে নি থ'লে। তাৰ পাছত চক্ৰবৰ্তীয়ে দিয়া বিদেশী ছিগাৰেটৰ বিৰাট বাণ্ডোলটোৰ পৰা এটা পেকেট খুলি এটা ছিগাৰেট নিজে ল'লে, আন এটা তেওঁ বিদ্যুৎ চক্ৰবৰ্তীৰ ফালে আগুৱাই দিলে।

ছিগাৰেটৰ ধোঁৱাৰ সোৱাদটো প্ৰতাপ ভট্টাচাৰ্যই চকু মুদি কিছুপৰ অনুভৱ কৰিলে। ধোঁৱাখিনি নাকেৰে উলিয়াই দি তেওঁ সুধিলে,—"মেছেজ পাৱলৰ কথাটো বাৰু বুজিলোঁ। পাৰিলে এবাৰ বেংককলৈ গৈ অহাৰহে কথা।—কিন্তু হেৰি, আমাৰ প্ৰজেক্টটোৰ মানে 'জেনিটিক স্মেল এডাৱ'ৰ কি হ'ল? টেন্সফাৰৰ কিবা ব্যৱস্থা হল নে?"

বিদ্যুৎ চক্ৰবৰ্তীয়ে তাৰো বিতং বৰ্ণনা দি গ'ল। প্ৰছেছ টেন্সফাৰ তেওঁ নিজে কৰা নাই নহয়—ছোছিয়েল কনটেক্ট লাইনত নাম থকা কোম্পানী এটাৰ জৰিয়তেহে কৰিছে। বেংককৰ হোম, এক্সপোৰ্ট আৰু হৰ্টিকালচাৰ ডিপাৰ্টমেণ্টকেইটাৰ মানুহ মতা হৈছিল। ছোছিয়েল কনটেক্ট কোম্পানীটোৱে দুজন পুৰুষ আৰু পাঁচ গৰাকী মহিলাৰ টিম এটা পঠাইছিল। বৰ স্মাৰ্ট, বৰ ভদ্ৰ টিম। প্ৰেছিডেণ্ট হোটেলত পাৰ্টি এৰেঞ্জ কৰা হৈছিল। কনটেক্ট কোম্পানীটোৱে সকলো এৰেঞ্জ কৰিছিল, ডিপাৰ্টমেন্টৰ প্ৰতিনিধিসকলে জিৰণি ল'বৰ বাবে ৰয়েল ছুইট পৰ্যন্ত। একোগৰাকী মহিলা কনটেক্টে প্ৰছেছটো সম্বন্ধে একোজন প্ৰতিনিধিক নিজ নিজ আচুতীয়া কোঠাত বেলেগে বেলেগে ব্ৰিফিং কৰিছেল, সেয়া আছিল এক দীঘলীয়া প্ৰক্ৰিয়া। পিছদিনা ব্ৰেকফাষ্টত তেওঁলোক যেতিয়া আকৌ লগ লাগিল তেতিয়া বিদ্যুৎ চক্ৰবৰ্তীৰ কৰিবলৈ একো বাকী

থকা নাছিল। সকলো কাগজপত্র ছোহিয়েল কনটেক্ট কোম্পানী-টোৱে সাজু কৰি পেলাইছে—মাত্র সেইবোৰ ফৰ্মেলি হেণ্ড অ'ভাৰ কৰিবলৈ বাকী আছিল।

"এনেদৰেই সাফল্যমণ্ডিত বেংকক ভ্ৰমণৰ অন্তত মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ জ্যেষ্ঠ বিজ্ঞানী বিদ্যুৎ চক্রবর্তীয়ে বিজ্ঞানা-গাৰটোৰ বাবে ডেৰ কোটি টকা মূল্যৰ বৈজ্ঞানিক প্ৰক্ৰিয়া এটা বিদেশলৈ ট্ৰেন্সফাৰ কৰাৰ গৌৰৱ কঢ়িয়াই আনিলে"—প্ৰতাপ ভট্টাচাৰ্য্যই কথাষাৰ এনে এক নাটকীয় সুৰত আবৃত্তি কৰিলে যে তাৰ পাছত চক্রবর্তী আৰু ভট্টাচাৰ্য্য দুয়ো গিৰ্জনি মাৰি হাঁহিব-লগীয়া হ'ল।

কিন্তু সেই হাঁহিৰ খলকনি মাৰ যোৱাৰ আগতে ভিডিঅ ফোনত অবিনাশ কৌৰৰ মাত ভাহি আহিল। "ছাৰ, অৰ্গেনিক কেমিষ্ট্ৰি লেবত এক্সিডেণ্ট এটা হৈছে। জুনিয়ৰ ৰিছাৰ্চ ফেলো এজন ইনজিঅ'ৰড হৈছে। আপোনাক—"

অবিনাশৰ কথা শেষ হোৱাৰ আগতেই প্ৰতাপ ভট্টাচাৰ্য্যই কলে, "আই এম কামিং দেয়াৰ অ'কে?"

*

অবিনাশে কল্যাণকো খবৰ দিছিল। ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে অবিনাশক স্পষ্ট নিৰ্দেশ দি থৈছিল—লেবৰেটৰিৰ মেনেজমেণ্টৰ সকলো কথাকে কল্যাণক যাতে ইনফৰ্ম কৰা হয়। বিশেষকৈ ডাইৰেক্টৰ ষ্টেচনত নথকা অৱস্থাত।

স্পষ্টকৈ একো নক'লেও প্ৰফেছৰ মজুমদাৰৰ নানা কথাত কল্যাণে কিবা এটা ইংগিত ধৰিব পাৰিছিল। লেবৰেটৰিটোত এডিচনেল ডাইৰেক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ নেতৃত্বত এটা চক্ৰই ভিতৰে ভিতৰে কাম কৰিবলৈ আৰম্ভ কৰিছে—সেইটো প্ৰফেছৰ

মজুমদাৰে যেন অনুমান কৰিব পাৰিছে। দীঘলীয়াকৈ লেবৰেটৰিটোৰপৰা আঁতৰি থাকিব লাগিলেই তেওঁ সেইবাবে বৰ দিগদাৰি পায়। কাৰণ তেতিয়া লেবৰেটৰিৰ চাৰ্জ আহি পৰে প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ হাতত। তেতিয়াই বিদ্যুৎ চক্ৰবৰ্তী আৰু উৎপল বিষয়াহঁতৰ চক্ৰটো সবল হৈ ওঠে। আৰু কোন কোন সেই চক্ৰটোত আছে স্পষ্টকৈ কোৱা টান।

অনু বাইদেৱে এদিন কল্যাণক ক'ম বুলি কৈছিল। তাৰ পাছত কৈছিল সি নিজেই জানিব পাৰিব—অনু বাইদেৱে নিজৰ ইমপ্ৰেচনটো তাক কিয় দি দিয়ে ?—লোকৰ চকুৰে পৃথিৱীখন চায় কাপুৰুষেহে। সি যাতে চক্ৰটোৰ কবলত সোমাই নপৰে তাৰ বাবে প্ৰতি খোজতে সজাগ হৈ থাকিবলৈ কল্যাণক অনু বাইদেৱে সাৱধান কৰি দিছিল।

কল্যাণে বেগাই খোজ কাঢ়ি অৰ্গেনিক কেমিষ্ট্ৰি লেব পালে। সিফালৰ এণ্ট্ৰেন্সটোৰে এডিচনেল্স ডাইৰেক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ গাড়ীখন সোমাই আহিল। লগত বিদ্যুৎ চক্ৰবৰ্তী।

ডাইৰেক্টৰৰ চাৰ্জত থাকিলে বোলে প্ৰতাপ ভট্টাচাৰ্য্যৰ মেজাজটো অলপ খিটখিটীয়া হৈ থাকে। আগতে সহজভাৱে হাঁহা-মতা মানুহৰ লগতো সেই সময়ছোৱাত তেওঁ বেছি হলিগলি নকৰে। ড্ৰাইভাৰে দুৱাৰ খুলি দিয়ালৈ তেওঁ ৰৈ ৰ'ল।

নামি দুখোজ যাওঁতে বিভিন্ন জনে জনোৱা সম্ভাষণবোৰ তেওঁ সোঁহাতখন সামান্য দাঙি গ্ৰহণ কৰিলে। তাৰ পাছত পৰিস্থিতিৰ বুজ ল'বলৈ তেওঁ অৰ্গেনিক কেমিষ্ট্ৰিৰ হেড বিনায়ক দেক বিচাৰিলে—দে লৰি অহাত এটা অদ্ভুত চাহাবী সুৰত তেওঁ সুধিলে, "আঁ ডক্টৰ দে, হোৱাট ইজ দি প্ৰব্লেম ?"

ডক্টৰ দেৰ প্ৰথমতে থোটামোজা লাগিল—"মানে ছাৰ, প্ৰব্লেম আৰু কিছু নহয়। এক্টা সৰু কেয়াৰলেছনেছ আছিলো। এতিয়া

সকলো ব্যৱস্থা হৈ গৈছে। ডাক্তৰ বাণী শৰ্মা আহি পাইছে, সকলো ব্যৱস্থা হৈ গৈছে। ডাক্তৰে কৈছে তেমন কিছু চিন্তা কৰিবাৰ নাই।”

‘হোৱেৰ ইজ দি ইনজিঅ'ৰড ৰিছাৰ্চ স্কলাৰ ?” প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ ডাইৰেক্টৰৰ চাৰ্জত থকা অৱস্থাৰ গৰগৰীয়া মাতটো উলিয়াই, ডক্টৰ বিনায়ক দেৱ দুৰ্বলতাৰ বিপৰীতে অধিক ব্যক্তিত্ব দেখুৱাই, সুধিলে।

“এই যে এইখানে—ইয়াতে ছাৰ।” ডক্টৰ দেএ ক'লে। কৈ আগবঢ়াই লৈ গ'ল।

কল্যাণে দেখিলে ধুনীয়া সুঠাম দেহৰ বিশ-বাইছ বছৰ মান বয়সৰ ৰিসাৰ্চ ফেলো এজনৰ মুখত ডাক্তৰে বৰফৰ গুড়ি নে কি দি আছে। ল'ৰাজনক লেব ডেস্ক এখনৰ ওপৰত চিতকৈ শোৱাই থোৱা আছে। বিচনা চাদৰৰ সলনি বগা লেব কোট দুটামান পাৰি দিয়া হৈছে।

যথেষ্ট সন্ত্ৰস্ত হৈ পৰা ডক্টৰ বিনায়ক দেৱ কথাৰপৰা কল্যাণে বুজিলে ল'ৰাজনে নতুন কীটনাশক ৰসায়নৰ পৰীক্ষা এটা কৰি আছিল।

পেষ্টিছাইড প্ৰস্তুতিৰ প্ৰক্ৰিয়াবোৰত নানা ছলভেণ্ট বা দ্ৰাৱক ব্যৱহাৰ কৰা হয়—বেনজিন, কাৰ্বন টেট্ৰাক্লোৰাইড, এলকহল ইত্যাদি। ছলভেণ্টবোৰ ড্ৰাই কৰিবলৈ পিঅ'ৰ ছোডিয়াম ব্যৱহাৰ কৰা হয়। ছোডিয়াম হ'ল চকচকীয়া ধাতু। ছোডিয়াম পানীৰ সংস্পৰ্শলৈ আহিলে কিন্তু বিস্ফোৰণ ঘটি জুই লাগি যায়।

ভঙা অসমীয়াত ডক্টৰ বিনায়ক দে-এ এটা বিশেষ যতন দেখুৱাই ক'লে যে যতনটোৰ মাজেৰে পাৰ হৈ যাওঁতে ছোডিয়ামৰ টুকুৰাবোৰ সুতা সুতাৰ দৰে মানে ফাইব্ৰাছ হৈ পৰে। সি ছলভেণ্টত থাকা অতি ক'ম পৰিমাণৰ পানী শুহি লয়। এইদৰে

পানী শুহি ছোডিয়ামখিনি হৈ পৰে ছোডিয়াম হাইড্ৰোক্সাইড।

বি. এছ. ছি. পাছ কোৰ্চৰ কেমিস্ট্ৰিৰ জ্ঞানেৰে কল্যাণৰ এইবোৰ কথা চিনাকি চিনাকি লাগে। কিন্তু পুৰণি সাধাৰণ চিনাকি প্ৰৌঢ়া ৰমণীক ব্যস্ততাৰ পৰত বিশেষ আকৰ্ষণীয় নলগাৰ দৰে, সি এইবোৰ কথাৰ প্ৰতিও আজিকালি বিশেষ আকৰ্ষণ অনুভৱ নকৰে।

কিন্তু ডক্টৰ দে-এ কৰ্তব্যবোধ আৰু নিষ্ঠাৰে বুজাই গ'ল— "বটলত অব্যৱহৃত হৈ ৰৈ যোৱা মেটেল ছোডিয়ামখিনি আমৰা কৰিব কি—মিথানলত ডিজল্‌ভ কৰো, তাৰ পৰে ছিংকত বাকি দিওঁ।"

কিন্তু প্ৰতুল ভূঞাই—মানে জে-আৰ-এফ ছেলেটা যে—তেওঁ বোধহয় এনছিঅ'ৰ নকৰিলে মিথানলত ডিজল্‌ভ নোহোৱাকৈ অল্পো ছোডিয়াম ৰৈ গোলো। ছিংকত পানী পাই—মানে আৰ কি ছামান্য একটা এক্সপ্লোচন হৈ গোলো।" অলপ ৰৈ তেওঁ যোগ দিলে—"মানে কাৰোৰে তেমন কিছু দোছ নাই।"

ডাক্তৰ বাণী শৰ্মাৰ যে এডিচনেল ডাইৰেক্টৰ প্ৰতাপ ভট্টাচাৰ্য্যৰ লগত এটা আন্তৰিক সম্পৰ্ক আছে সেইটো কল্যাণে জানিছিল। ভট্টাচাৰ্য্যই আহিয়ে ডাক্তৰৰ কান্ধত হাত থ'লে। সিদিনা ডাইৰেক্টৰৰ চাৰ্জত থকা অৱস্থাতো তেনে সৌজন্য তেওঁৰ বাবে কাৰোবাক অমৰত্ব বৰ দান কৰাৰ সমান। ডাক্তৰ থিয় হ'ল।

"নাই নাই, প্লিজ ছিট ডাউন।" প্ৰতাপ ভট্টাচাৰ্য্যই ক'লে। তাৰ পাছত হেহো-নেহোকৈ ডাক্তৰ শৰ্মা ৰিভলভিং টুলখনত বহাত ভট্টাচাৰ্য্যই সুধিলে—"হাউ ইজ হি নাউ?'

"এতিয়া কোনো প্ৰব্লেম নাই ছাৰ। কিন্তু মই তেওঁক এবাৰ ক্লিনিকেল ছেণ্টাৰলৈ নি সামান্য দুই-এটা ড্ৰেছিং দিব খোজো। এম্বুলেন্সো ৰেডি হৈ আছে—এই ফালৰ এণ্ট্ৰেন্সটোত।" প্ৰতুল ভূঞাৰ ফালে কোল্ড ড্ৰিংক এগিলাছ আগবঢ়াই দি ডাক্তৰে ক'লে।

"আপুনি যি ভাল দেখে কৰক। ডু ইউ নিড এনি হেল্প ফ্ৰম মি ?"— প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই একেবাৰে মহাদেৱে বৰ দান দিব খোজাৰ সুৰত সুধিলে।

ডাক্তৰে "নাই ছাৰ এতিয়া একো নালাগে" বুলি কোৱাত প্ৰতাপ ভট্টাচাৰ্য্যই ইমান পৰে ছাটোৰ দৰে নীৰৱে গাত লাগি থকা বিদ্যুৎ চক্ৰবৰ্তীক ক'লে,—"চক্ৰবৰ্তী, লেট্‌ছ মুভ নাউ।"

ড্ৰাইভাৰে গাড়ীৰ দুৱাৰ প্ৰতাপ ভট্টাচাৰ্য্যৰ বাবে মেলি ধৰিছিলেই। কল্যাণে আগবাঢ়ি গৈ প্ৰস্তাৱ এটা দিলে—"ছাৰ, লেবৰেটৰিবোৰত ছেফ্‌টি মেজাৰ কেনে আছে, কেনে হ'ব লাগে সেই বিষয়ে ডিছকাছ কৰিবৰ বাবে মিটিং এখন পাতিলে কেনে হয় ?"

"পাতক"—ওপৰৰ পৰা কোৱাদি নিৰ্বিকাৰভাৱে প্ৰতাপ ভট্টাচাৰ্য্যই ক'লে।

"আপুনি সময় দিলে আজিয়েই হেড্‌ছ অব ডিভিজনছৰ মিটিং এখন পাতিব পাৰো।"

প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই ইতিমধ্যে জ্বলাই লোৱা ছিগাৰেটটো ওঁঠেৰে অৱলীলাক্ৰমে চেপি ধৰি, জেপৰ পৰা অকণমানি ইলেকট্ৰনিক এংগেজমেণ্ট ডায়েৰি এটা উলিয়াই অলপ সময় বাইফোকেল লেন্সৰ মাজেৰে ঘোপাকৈ পৰীক্ষা কৰি ক'লে, "টু ডে আই উইল বি বিজি ইন এনাদাৰ ইমপোৰটেণ্ট মিটিং। কাইলৈ এঘাৰ বজাত পাতক।"

অনুবাইদেৱে প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ বিষয়ে কৈছিল— —"এওঁ জীৱনৰ প্ৰতিটো খোজেই জুখি-মাখি দিয়ে। এওঁৰ দিয়ে। এওঁৰ প্ৰতিটো মুভেই প্ৰি-কেলকুলেটেড।"

কাইলৈ এঘাৰ বজাত ? অ'—কল্যাণে বুজি পালে। কাইলৈ লান্স টাইমৰ পাছতে ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰ আহি পাব।

প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই তাৰ আগতেই, ডাইৰেক্টৰ হৈ থাকোঁতেই মিটিংখন ল'ব খোজে। কাইলৈৰ মিটিংখনত প্ৰতাপ ভট্টই কেনেকৈ গেৰগেৰাই চাহাবৰ দৰে ইংৰাজী ক'ব ভাবি কল্যাণৰ হাঁহি উঠি গ'ল।

এই প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰে পাৰ্চনেল গেষ্ট হুটত কল্যাণৰ থকাৰ ব্যৱস্থাৰ কথা শুনি অণু বাইদেউৰ মুখখন গোমোঠা হৈ গৈছিল।

"কিয়, কি হ'ল, অণু বাইদেউ?"—একো বুজিব নোৱাৰি সি সুধিছিল।

"হ'ব আৰু কিটো?—তুমি তাত থাকিম বুলি ভাবিলা কেনেকৈ?

"মই ক'ত ভাবিবলৈ পালোঁ? ডাইৰেক্টৰেহে যোবা ৰাতি ডিনাৰৰ পাছত অৰ্ডাৰ দিয়াৰ দৰে ক'লে,"—কল্যাণে ওপৰৰালাক ব্যাখ্যা দিয়াৰ সুৰত ক'লে।

"হুঁ।" অণু বাইদেৱে যেন পৰিস্থিতিটোৰ তুৰন্ত সমীক্ষা এটা কৰি ল'লে। তাৰ পাছত ক'লে, "যিমান পাৰি সোনকালে তাৰ পৰা ওলোৱা।"

তাৰ পাছত লাটুক তাৰপৰা বুধিকৈ আঁতৰাই পাঠাই অনু বাইদেৱে চমুকৈ কৈছিল,—"আগতেও প্ৰতাপ ভট্টই এবাৰ জাল পেলাইছিল। কিন্তু জালত নিজেহে ফাঁছ গ'ল। ডেকা ছাইন্টিষ্ট এজনক তেনেকৈ ৰাখিছিল। তিনি নে চাৰি মাহতে প্ৰমোচন এটাও পালে। তাৰ পাছত এদিন সি পলাল।"

"পলাল? কেলেই?"—ঘটনাৰ নাটকীয়তাত কল্যাণৰ মুখৰ পৰা প্ৰশ্নটো পোনে পোনে ওলাল।

"সেইবোৰ বহু কথা," অনু বাইদেৱে ৰহস্য সানি ক'লে, "ডাক্তৰ বাণী শৰ্মাই নবচোৱা হ'লে ইমান মাহৰ বোজাৰ পৰা

কুইনক কোনোৱে বচাব নোৱাৰিলেহেঁতেন।"

"কুইনক? —প্ৰতাপ ভট্টাচাৰ্য্য ছাৰৰ ছোৱালীয়ে?"

"উঁ," অনু বাইদেৱে ছুটিকৈ উত্তৰ দিলে।

সিদিনা প্ৰতাপ ভট্টাচাৰ্য্যৰ ব্যক্তিগত গেষ্ট হুটত ৰাতিপুৱা নাইট গাউন পিন্ধি তাক চাহ দিবলৈ অহা আৰু একেবাৰে কাষতে বহি আদৰ কৰি চাহ খুওৱা কুইনৰ মুখখন দিনটো তাৰ মনত পৰি আছিলেই।

দুপৰীয়া কেণ্টিনত কুইনৰ কথা কওঁতে স্মিতাই ৰহস্য কৰি কৰি কৈছিল—"বাঃ, হয় নেকি? আজি তেনেহলে কেণ্টিনৰ চাহ আৰু কত ভাল লাগিব?" তাৰ পাছত ফুচফুচাই কৈছিল, "আপুনি ছাৰ সাৱধানে থাকিব। ভট্টাচাৰ্য্য ছাৰে কোনো চাল এনেয়ে নিদিয়ে।"

অণু বাইদেৱে কৈছিল, "সেই এবাৰেই প্ৰতাপ ভট্টৰ হিচাপ ভুল হ'ল।" তাৰ পাছত থাৰাং থাচকৈ কৈছিল, "তুমি এটা কাম কৰা। আন একো উপায় নাথাকিলে মোৰ ইয়ালৈকে গুচি আহা। আনে যি উলিয়ায় উলিয়াব। কিন্তু তুমি আৰু মইতো জানি থাকিম যে তুমি মোৰ ভাই। সত্যেনৰ দৰে আপোন ভাই।" সত্যেনৰ নামটো উচ্চাৰণ কৰি অণু বাইদেৱে চকুৰ কোণ দুটা আচলেৰে মচি ল'লে।

সেয়া কিমান দিন আগৰ কথা বাৰু? কল্যাণে হিচাব কৰি ডেৰ বছৰেই হ'ব যেন পালে। সি লেবৰেটৰিৰ চৌহদত থকাৰ আশা এৰি টাউনতে ঘৰ ভাড়া ল'ব খুজিছিল। কিন্তু, পিছদিনাই ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে তাক মাতি পঠালে। তাৰ পাছত ছাইণ্টিষ্ট এপাৰ্টমেণ্টৰ তেতিয়াও ঠিকাদাৰে হেণ্ড অ'ভাৰ নকৰা ফ্লেট এটাত কিবা উপায়ে তাক থকাৰ ব্যৱস্থা কৰি দিলে।

মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ চালে চকুৰোৰা ৰেছিডেন্সিয়েল এৰিয়াটো লেবৰেটৰিৰ চৌহদৰ শেষ ৱালথনৰ গাতে আৰম্ভ হৈছে। লেবৰেটৰিৰ পৰা ওলাই সাত নম্বৰ ছিকিউৰিটি গেটখনৰ ইলেকট্ৰনিক আইটো পাৰ হোৱাৰ পাছতে এটা সুমধুৰ যন্ত্ৰসংগীতে বাস অঞ্চলটোলৈ আদৰণি জনায়। ওচৰতে ইলেকট্ৰনিক বেংকিং ফেচিলিটি; লোকেল, নেচনেল, আৰু ইণ্টাৰনেচনেল লং ডিষ্টেন্স ভিদিঅ' কল ফেচিলিটি আদি আছে। তাৰ পাছতে ষ্টাফ অডিটৰিয়ামটো। অডিটৰিয়ামটোৰ গ.ৰ পৰাই আৰম্ভ হৈছে প্ৰশস্ত লন এখন। লনখনৰ এটা মূৰত গেষ্ট হাউছটো আৰু আনটো মূৰত ছিটি ফৰেষ্ট, লেক আৰু ছুইমিং ফেচিলিটি। তাৰ প্যাছতহে ছাইণ্টিষ্ট আৰু ষ্টাফৰ থকা ঘৰবোৰ আৰম্ভ হৈছে।

ডাইৰেক্টৰৰ পি. এছ. অবিনাশ কৌৰে বৰ আগ্ৰহেৰে কল্যাণক অকমানি, লাকজাৰি, বেটাৰি কাৰখনেৰে ইফালে সিফালে ঘূৰাই ঘূৰাই, দেখুৱাই দেখুৱাই লৈ গৈছিল। অৱশেষত ছাইণ্টিষ্ট এপাৰ্টমেণ্টৰ এছ-এ-২০৫ অৰ চাবি খুলি লাকজাৰি হোটেৰ ছুটৰ দৰে সুন্দৰ ডাবল ৰুমটোত সোমাই কল্যাণে কৈ উঠিছিল—"বাঃ বৰ ভাল। বৰ ধুনীয়া।"

আবিনাশে হয়তো কিবা ভুল অৰ্থ কৰিছিল। তাই আবেগেৰে দীঘলীয়াকৈ সুধিছিল—"হুঁ? কি?"

সেইখিনি সময়ত তাইৰ চকুত বাৰু অন্য এক জ্যোতি, অন্য এক আকুতি ফুটি উঠা নাছিল নে?

সেয়া আছিল অন্য এক কাহিনীৰ আৰম্ভণিহে।

* * *

॥ ৬ ॥

কল্যাণে নিজৰ অফিছ কোঠাটোত সোমাই ধুনীয়া পেন ষ্টেণ্ডটোৰ-পৰা পেন এটা লৈ পেডটোৰ ওপৰৰ সোঁহাতৰ চুকত চাৰিটা ফুট দি, ভৰিৰ বুঢ়া আঙুলি দুটা লগ লগাই, চকু মুদি আন দিনাৰ দৰে ইষ্ট দেৱতাক স্মৰণ কৰিলে। গেষ্ট হাউছত ফৰেইন ভিজিটৰ এজনক ছি অফ কৰিব লগা হোৱাত কল্যাণৰ কেইমিনিটমান পলম হৈ গৈছে। অলপ আগতে নিশ্চয় পাবলিক এড্ৰেছ ছিষ্টেমৰ যোগেদি স্মিতাই মৌ-মিঠা মাতেৰে মংগলাচৰণ কৰি লেবৰেটৰিটোৰ দিনটোৰ শুভাৰম্ভ ঘোষণা কৰিছে। যেন এক—থট ৰেভেহে কাম কৰি পেলালে—মিহিকৈ কঁপনি তুলি ভিদিঅ' ইণ্টাৰকমটো বাজি উঠিল আৰু কল্যাণে চাবি টিপাৰ লগে লগে সৰু স্ক্ৰিনখনৰপৰা মোহনীয় হাঁহিৰে স্মিতাই সম্ভাষণ জনালে।

"কোৱা স্মিতা," কল্যাণে মৰমেৰে ক'লে।

"কংগ্ৰেচুলেছনছ ডক্টৰ চৌধুৰী", স্মিতাই চকুৰে-মুখে সেই চিনাকি জিলিকনিটো তুলি ক'লে।

"কংগ্ৰেছুলেছনছ? কিহৰ বাবে?"

"কেলেই? পাহৰি গ'লা নেকি, আজি তোমাৰ থাৰ্ড এনিভাৰ্ছাৰি ডে? তুমি ইয়াত আজি তিনি বছৰ কমপ্লিট কৰিলা।"

কল্যাণে সঁচাকৈ পাহৰি গৈছিল। 'ব্যস্ততাৰ ফাঁকে ফাকে সময় সৰকি পৰে'—সত্যেনে কবিতা এটাত লিখিছিল। অম্ভু বাইদেউৰ ভায়েক সত্যেন অধিকাৰী। সত্যেনৰ মৃত্যুৰ বেদনা সিয়েই দেখোন পাহৰিব পৰা নাই। অম্ভু বাইদেৱে পাহৰিব কেনেকৈ?

কল্যাণ কথাৰ মাজতে অমনোযোগী হৈ পৰিব খুজিছিল॥

"ধন্যবাদো এটা নজনালা—কংগ্ৰেছুলেছনছৰ বাবে।" স্মিতাৰ আব্দাৰ ভৰা কথাত তাৰ চমক ভাগিল।

"ধন্যবাদ"—যান্ত্ৰিকভাৱে সি ক'লে।

"তেনেকৈ নহ'ব"—স্মিতাই আব্দাৰ ধৰিলে।

"কেনেকৈ তেনেহলে ?—"

স্মিতাই ইতঃস্ততঃ কৰিলে। তাৰ পাছত ক'লে, "সন্ধিয়া, কাবেৰীৰ পৰা উভতি আহোঁতে, তোমাৰ গাড়ীত, বায়োলুমিনেটৰৰ মিঠা পোহৰত" —তাৰ পাছত তাইৰ লাজ লাগিল। "ধেৎ, তুমি যে মোক কি ভাবিছা —" তাইৰ লাজ আৰু দ্বিধা অকণমানি ভিদিঅ' স্ক্ৰিনখনত স্পষ্টকৈ ফুটি ওলাল।

*

ভিজিটৰৰ বগা ফাইবাৰ ফ্ৰি কোট আৰু হেডকাভাৰ পিন্ধি, ভৰিত ৰবৰৰ জোতাযোৰ সুমুৱাই কল্যাণে অনু বাইদেউহঁতৰ এই বায়ো-টেকনোল'জি ডিপাৰ্টমেণ্টত সোমাবৰ সময়ত কল্যাণৰ সদায়ে কোনোবা ডাঙৰ হস্পিটেলত সোমোৱা যেন লাগে। ডিপাৰ্টমেণ্টৰ ডাষ্ট ফ্ৰি, ক্লিন ৰুমটোতে কিবা পৰীক্ষাত ব্যস্ত হৈ থকা অৱস্থাতে অনু বাইদেউক পাব বুলি সি আশা কৰিছিল। কিন্তু লেব এছিষ্টেণ্ট স্মাৰ্ট ছোৱালী এজনীয়ে ক'লে যে অনু বাইদেউ ডিভিজনেল হেডৰ পাৰ্ছনেল লেবতে আছে। তালৈ গৈ কল্যাণে দেখিলে হেড ডক্টৰ পদ্মনাভনৰ সন্মুখৰ একমাত্ৰ চকীখনত অনু বাইদেউ বহি আছে, কাৰণে এখন ছুইভেল ষ্টুলত বহি থকাৰে পৰাই ডক্টৰ পৱন ভাৰ্গভে বেৰৰ গ্লাছ বোৰ্ডখনত ৰঙা ফিডাৰ পেন এটাৰে ইটা আৰু শিলগুটিৰ দৰে বহুতো কিবাকিবি আঁকিছে। একোটা বৃহদাকাৰ বিকাৰত তিনিও আধাবিকাৰ মানকৈ চাহ লৈ মাজে মাজে অলপ অলপ খাই আছে।

এইখন জগতত পানী খায় কনিকেল ফ্লাস্কত, চাহ খায় বিকাৰত, পিঠি

খজুৰায় বুৰেট আৰু পিপেটেৰে—কথাটো ভাবি কল্যাণৰ হাঁহি উঠি গ'ল।

"মিচিকি মিচিকি হাঁহি আহিছে দেখোন ডক্টৰ, কিবা শুভ সংবাদ আনিছে নেকি আমাৰ কাৰণে"—ডক্টৰ পদ্মনাভনে তাক সম্ভাষণ জনোৱাৰ সুৰত সুধিলে।

অম্নু বাইদেউৰ চকুতো আগ্ৰহ ফুটি উঠিল।

ডক্টৰ পৱন ভাৰ্গভে বিশেষ ভাবৰ পৰিৱৰ্তন নেদেখুৱাই কপালৰ সিয় থুপ খুৱাই তাক তেওঁ বহি থকা খনৰ দৰে ঘূৰি থাকিবপৰা ছুইভেল ষ্টুল এখনত বহিবলৈ ইংগিত কৰিলে। তাৰ পাছত, যি প্ৰসঙ্গ চলি আছিল তাত যেন কোনোপধ্যেই ছেদ এটা দিব নোৱাৰি তেনে এক গাম্ভীৰ্যৰে গ্লাছ বোৰ্ডখনত ৰঙা ফিদাৰ পেনটোৰে আঁক-বাঁক কৰি কৈ গ'ল—"জিংক অক্সাইড বা জিংক ছালফাইড ফছফৰবোৰ ষ্টেবল আছিল যদিও এক্টিভেটৰৰ ওপৰত সেইবোৰৰ এফিছিয়েন্সি বৰকৈ নিৰ্ভৰ কৰিছিল। কাম কৰি ভাল লাগিছিল কৰি ফছফছৰ ওপৰত।"

এইবুলি পৱন ভাৰ্গভে সৰু চতুৰ্ভুজ এটাৰ কাষত কেমিকেল ফৰমুলাটো লিখিলে: এ-এল-টু, অ'-থ্ৰি। বন্ধনীৰ ভিতৰত কৰি বুলি লিখা দেখি কল্যাণে বুজিলে সেয়া কৰি ফছফৰৰে কেমিকেল ফৰমুলা হ'ব। তাৰ কাষত পৱন ভাৰ্গভে টি-এইচ আৰু এক্টি বুলি লিখিলে। সেয়া থোৰিয়াম এক্টিভেটৰ।

অতপৰে অম্নু বাইদেউ মনে মনে বহি আছিল। ডক্টৰ পৱন ভাৰ্গভৰ ব্যাখ্যা বৰ মনোযোগেৰে শুনি আছিল। এইবাৰ তেওঁ মাত দিলে, "কিন্তু এই উজ্জ্বল ৰঙা পোহৰটোৰ বাবেই যত দিগদাৰি। বোড লাইটিং বা যিকোনো লাইটিঙৰ ক্ষেত্ৰত ইমান উজ্জ্বল ৰঙা পোহৰ জানো ব্যৱহাৰ কৰিব পৰা যাব? তদুপৰি, সকলো কেমিকেল ফছফৰ বৰ কষ্টলি হৈ পৰে।

"অম্নু অধিকাৰীয়ে আজিকালি কেমিকেল ফছফৰবোৰ বৰ বেয়া

পায় যেন লাগিছে। কিন্তু মনত ৰাখিব আপুনি মেইন্‌লি কেমিকেল ফছফৰৰ ওপৰতে আপোনাৰ পি. এইচ. ডিৰ কাম কৰিছে।"

এইবাৰ ডক্টৰ পদ্মনাভনে কথাটো একেবাৰে শুদ্ধও হওক বা পৰিৱেশটো অলপ পাতল হওক বুলিয়ে মাত দিলে, 'অমুৱে শেষ চেষ্টাৰটোত কিন্তু বায়োফছফৰ বা বায়োলুমিনেটৰৰ কথাতহে জোৰ দিছে। মইতো অমুক সদায়ে কওঁ তেওঁ যিখিনি কাম কৰিছে তাৰে দুখন থিছিছ হ'লহেঁতেন। কেমিকেল ফছফৰৰ কামখিনিৰে এখন, বায়োলুমিনেটৰৰ কামখিনিৰে আন এখন। কেমিকেল ফছফৰৰ মডিফিকেচন্ আৰু ইমপ্ৰুভমেণ্টৰ ক্ষেত্ৰত অমুৰ কন্ট্ৰিবিউচনৰ কথা আমি আটায়ে জানোৱেই। কিন্তু বায়োলুমিনেটৰ ক্ষেত্ৰত তেওঁ যি কন্টিবিউচন দিছে—তাৰো তুলনা নাই। আমাৰ সকলোৰে জীৱনত তাৰ অৱদান আমি সোনকালেই দেখিবলৈ পাম।"

অমু বাইদেৱে কৃতজ্ঞতা ভৰা দৃষ্টিৰে ড° ভাৰ্গৱ আৰু ড° পদ্মনাভনৰ ফালে চাই ক'লে, "কেমিকেল ফছফছৰ কামখিনিৰ গাইডেন্সৰ বাবে ড° ভাৰ্গৱৰ ওচৰত মই যিমান কৃতজ্ঞ, বায়োলুমিনেটৰৰ থিঅ'ৰিটিকেল কামখিনিৰ বাবেও মই আপোনাৰ ওচৰত সিমানেই কৃতজ্ঞ।" তাৰ পাছত স্বতঃস্ফূৰ্তভাৱেই অমু বাইদেৱে যোগ দিলে "মোৰ তাত কোনো অৱিহণা, কোনো ক্ৰেডিট নাই ছাৰ।"

ইমান পৰে মনে মনে থকাৰ পাছত কল্যাণে জেপত থকা কাগজখনৰ শুভ সংবাদটো আৰু বেছি সময় ৰাখি থ'ব নুখুজিলে। "বিজ্ঞানৰ ডাঙৰ ডাঙৰ কথাবোৰ মোৰ মূৰত নোসোমায়"—সি কথাষাৰ অৱশ্যে বিনয় দেখুৱাবলৈহে ক'লে, "কিন্তু, অমু বাইদেৱে যে কিবা এটা ডাঙৰ কাম কৰিছে সেইটো মই বুজিছোঁ। এইখন চিঠিত সেইটো কথাই ইনডাইৰেক্ট্‌লি লিখা আছে।"

কল্যাণে জেপৰপৰা বিদেশৰপৰা অহা খমখমীয়া খাম এটাৰ পৰা

ঝিলীৰ পাখিৰ দৰে পাতল কাগজৰ চিঠি এখন উলিয়াই ডক্টৰ পদ্মনাভনৰ সমুখলৈ আগবঢ়াই দিলে।

ডিভিত ফিটাৰে ওলোমাই থোৱা ডাঠ চছমাযোৰ নাকৰ আগলৈ আনি ডক্টৰ পদ্মনাভনে চিঠিখনত সমস্ত মনোযোগ দিলে। তাৰ পাছত আনন্দতে চিঞৰি উঠিল।

"আ-হ! কংগ্ৰেটছ মাই ডিয়াৰ। লু-বেকৰ ছিম্পোছিয়ামত তোমাৰ পেপাৰ এক্‌চেপ্টেড হৈছে আৰু তেওঁলোকে অহা-যোৱা আৰু আতিথ্যৰ খৰচো বহন কৰিব।"

"ইয়ে হয় নেকি—এনেয়ে দিছিলোঁ—হ'ব বুলি ভবাই নাছিলোঁ,"—অনু বাইদেৱে চকুৰ কোণ দুটাৰে লাজকুৰীয়া হাঁহি মাৰি ক'লে। কথাটো বুজি উঠোঁতে যেন তেওঁৰ সময় লাগিছে।

"লু-বেক? ক'ত? জাৰ্মানিত নেকি?"

"উঁ'—পশ্চিম জাৰ্মানিত, হামবুৰ্গৰ ওচৰত।" অনু বাইদেৱে ক'লে। পৱন ভাৰ্গভে আকৌ সুধিলে, "কেতিয়া ছিম্পোছিয়াম? কিমান দিন?"

"আগষ্টৰ ১২-ৰ পৰা ১৬ লৈ।" অলপ ভাৱি ডক্টৰ পদ্মনাভনে আকৌ ক'লে, "ডেৰ মাহো সময় নাই। তুমি এটা কাম কৰা—আজিয়েই ডেপুটেচন এপ্ৰুভেলৰ বাবে ফৰ্মখন ফিল আপ কৰি হেডকোৱাৰ্টাছলৈ পঠোৱাৰ ব্যৱস্থা কৰা। বেছি ডাঙৰ ফৰ্ম নহয়, পাৰিবা। —আৰু হেৰি—এয়াৰ ইণ্ডিয়ালৈ টেলেক্স বা ফেক্স পঠাই ছিট এটা বুক কৰা—টেণ্টাটিভলি। —তুমি, যোৱা কামখিনি আৰম্ভ কৰি দিয়াই।"

ইতঃস্ততঃ কৰি অনু বাইদেউ উঠিল।

পৱন ভাৰ্গভে ক'লে, "কিবা হেলপ লাগিলে ক'ব।"

অনু বাইদেৱে যেন ভয় খাইছে। অন্যমনস্কভাৱে মুৰটো লৰালে। তাৰ পাছত কল্যাণক ক'লে, "তুমি গধুলি এবাৰ আহিবাচোন মোৰ ফ্লেটলৈ।"

*

কল্যাণ নিজৰ অফিছ কমৰ ফালে আহি থাকোঁতে কিছু বেগাই আহি লাইব্ৰেৰিৰ জাহ্নৱী দত্তই লগ ধৰিলে।

"ছাৰ, বায়োলুমিনেটৰ নতুন কিতাপ দুখনমান আহিছে। চাব নেকি আপুনি ?"

কল্যাণৰ দুটামান দৰ্কাৰী ফাইল সোনকালে চাবলগীয়া আছিল। কিন্তু জাহ্নৱীৰ আগ্ৰহ উপেক্ষা কৰিব নোৱাৰিলে।

মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ স্পেছিয়েলাইজড লাইব্ৰেৰিটো কল্যাণৰ দুটা কাৰণত ভাল লাগে। একেবাৰে আধুনিক কম্পিউটাৰ ইনডেক্সিং ব্যৱস্থাৰে সকলো বস্তু সহজে বিচাৰি পাব পৰাকৈ থোৱা আছে। যন্ত্ৰপাতি আৰু ডিছপ্লে ইউনিটবোৰে যেন পাঠকসকলক সহায় কৰিবলৈ আগ্ৰহ আৰু উৎসাহেৰে ৰৈ আছে। চাবি একোটা টিপি দিলেই কিতাপৰ দৰ্কাৰী পাত একোটা, কিতাপখন ছেল্‌ফৰপৰা দাঙি ননাকৈয়ে ডিছপ্লেইড হৈ যায়।

কল্যাণে অৱশ্যে এতিয়াও সেই পুৰণা নিয়মটোৱে ভাল পায়। সি ছেল্‌ফলৈ গৈ কিতাপ একোখন উলিয়াই আনে—কিতাপখন হাতত পাই নিশ্চিত আৰু একাত্মবোধ কৰি সি আনন্দ পায়। তদুপৰি প্ৰত্যেক কিতাপৰে একো একোটা নিজস্ব গোন্ধ থাকে। সৰুতে পুতুল খুৰাই তাক নতুন কিতাপৰ গোন্ধটো চাই কিতাপ চিনি পাবলৈ শিকাইছিল। কিতাপ এখন পঢ়াৰ আগতে আৰু পঢ়ি উঠি সেৱা কৰিবলৈও পুতুল খুৰাইয়ে শিকাইছিল। এতিয়াও কিতাপ এখন মেলি লোৱাৰ আগতে কোনেও নেদেখাকৈ, এনেয়ে কপালখন খজুওৱাৰ দৰেকৈ, সি কিতাপখনত সেৱা এটা কৰে। জপাই থৈ উঠিও তেনেকৈ।

লাইব্ৰেৰিটো ভাল লগাৰ আন এটা কাৰণ হ'ল একে ধৰণৰ শাৰী পিন্ধা জাহ্নৱী দত্তকে ধৰি তত্ত্বৰজীয়া ছোৱালী কেইজনী। সপ্তাহৰ সাতোটা বাৰতে, দিনটোৰ যোল্ল ঘণ্টা লাইব্ৰেৰি খোলা থাকে—পুৱা ছয় বজাৰপৰা ৰাতি দহ বজালৈ। দুটা ছিফ্‌টত তাৰ মানুহবোৰে

ডিউটি কৰে। প্ৰতিটো ছিফ্‌টৰ বাবে ছোৱালী কেইজনীৰ শাড়ীৰ ৰং বেলেগ বেলেগ। কিন্তু একোটা নিৰ্দিষ্ট ছিফ্‌টত আটাইকেইজনীয়ে একে শাড়ী পিন্ধে। আজিৰ ছিফ্‌টৰ আকাশী ৰঙৰ শাড়ীয়ে জ্ঞানসুন্দৰী, কল্যাণী, সুনীতাৰাণী, ৰেমিম আটাইকেইজনীকে বেছ তুলি ধৰিছে।

"কি খবৰ ?"

কল্যাণে ঘূৰি চাই দেখিলে বিশালাক্ষী চলিহা। তাৰ ফালে হাঁহি মাৰি আগুৱাই আহিছে।

"একেবাৰে হাৰ্ড কপি পঢ়িছে দেখোন ?" সন্মুখৰ চকী এখনত ঢুপকৈ বহিপৰি বিশালাক্ষীয়ে সুধিলে।

"মই হাৰ্ড কপি পঢ়িহে ভাল পাওঁ। সৰু কালৰে অভ্যাস। কম্পিউটাৰ ডিছপ্লেৰ লগত এতিয়াও একাত্ম হ'ব পৰা নাই।" কল্যাণে ক'লে।

বিশালাক্ষীয়ে বয়স হিচাবে অলপ বেছি অদ্ভুত ড্ৰেছ কৰা নাইনে ? কল্যাণৰ সন্মুখত থকা কেবাখনো নতুন নতুন কিতাপৰ মেজৰ সিফাললৈ ওলাই থকা এখনত বিশালাক্ষীৰ বক্ষৰ হেঁচা পৰাত কিতাপখন কল্যাণৰ ফালে সামান্য চুঁচৰি আহিল।

"এই ক্ষেত্ৰতো আপুনি মোৰ দেউতাৰ জনৰ দৰে একদম একে। স্বৰূপেও হাৰ্ড কপিহে পঢ়ে, কম্পিউটাৰত নপঢ়ে।"

কল্যাণে হাঁহিলে। কিন্তু একো নক'লে।

"হেৰি নহয়—" বিশালাক্ষীয়ে ক'লে, "কাইলৈ ছাইন্স ছিটি লেডিজ ক্লাব 'বৰ্ষা'-ই ক্লাছিকেল ডেন্সৰ প্ৰগ্ৰেম এটা কৰিছে। মোকো জোৰকৈ দুটা টিকেট দি গৈছে। আপুনিও ওলাব মোৰ লগত। ডেন্সৰ আগতে ডিনাৰ বাহিৰতে খাই ল'ম। ইউ উইল বি মাই অনাৰড গেষ্ট।"

কল্যাণে কিবা এটা ক'ব খুজিছিল, কিন্তু সি কি ক'ব খুজিছিল বিশেষ স্পষ্ট নহ'ল। স্পষ্ট হ'ল মাত্ৰ বিশালাক্ষীৰ শেষ সিদ্ধান্ত, "মই কোনো আপত্তি শুনো। কাইলৈ গধূলি ছয় বজাত ছাইন্টিষ্ট এপাৰ্টমেণ্টৰ পৰা আপোনাক পিক আপ কৰিম। অ'কে ?"

ইতিমধ্যে বিশালাক্ষী উঠিছিলেই। কল্যাণে মাত্র মন্ত্রমুগ্ধৰ দৰে আকৌ এবাৰ কোমল ঠেলা এটা খাই তাৰফালে চুঁচৰি অহা কিতাপখনৰ ফালে চাই ৰ'ল।

*

কল্যাণে হাতৰ পৰশ আৰু কণ্ঠৰ চিনাকি দি অফিছ কোঠাৰ দুৱাৰ খন খুলি ভিতৰ সোমাল। নিজৰ ছুইভেল চকীখনত বাহৰ লগে লগে অভ্যাসবশতঃ ইলেকট্ৰনিক মেছেজ ৰেজিষ্টাৰটোলৈ তাৰ চকু গ'ল। বুটাম এটাত মিহিকৈ স্পৰ্শ কৰি সি মৰম সানি সুধিলে, "কোৱা স্মিতা?"

"ইণ্ডাষ্ট্ৰিয়েল এৰিয়াৰপৰা এজন বিজিনেছমেন আহি লগ পাবলৈ বৈ আছে, কিবা বিশেষ কথা আছে বোলে। চান্দমল চেৰাউগী। বৰ ভাল মানুহ।" তুমি-আপুনি, কল্যাণ বা ছাৰ একো নোকোৱাকৈ স্মিতাই ক'লে। আজিকালি তাই কল্যাণক অফিছত ফৰ্মেলি 'ছাৰ' আৰু 'আপুনি' বোলে। বাহিৰত, আৰু হঠাতে কেতিয়াবা ওচৰত কোনো নাথাকিলে কল্যাণ আৰু তুমিও বোলে। কল্যাণে এই সম্বোধনবোৰত এতিয়া অভ্যস্ত হৈ পৰিছে।

মিহি হাঁহিৰে স্মিতাক মৰম লগাই সি ক'লে, "আহিবলৈ দিয়া। মোৰ কমতে কথা পাতিম।" তাৰ পাছ তাৰ পি. এ. নিভা কোঁৱৰক ভিদিঅ' ইন্টাৰত ক'লে, "ভদ্ৰলোক এজন আহিব। তুমি কোল্ড ড্ৰিংক দুটা পঠিয়াই দিবা। দহ মিনিট পাছত পঠালেও হব।"

সুখমল চান্দমলৰ চান্দমল চেৰাউগীয়ে দীঘলকৈ নমস্কাৰ এটা দিলে। কল্যাণৰ কথা তেওঁ বহুদিনৰপৰা শুনি আছে। কল্যাণৰ চেষ্টাৰ বলতে যে কেইবাটাও সৰু উদ্যোগীয়ে কৰিব পৰা প্ৰজেক্ট লোকেল উদ্যোগীৰ হাতলৈ গৈছে সেইটোও তেওঁ জানে।

কল্যাণে প্ৰজেক্ট ল'বৰ বাবে ভুলতে তাৰ ওচৰলৈ আহিছে বুলি

ভাবিলে। ইণ্ডাষ্ট্রি কৰিব খোজা সকলক প্ৰেছেছ দিয়া কামটো যে বিদ্যুৎ চক্ৰবৰ্ত্তীয়েহে কৰে সেইটো কোৱাত চান্দমলে ক'লে, "নাই নাই। আমি চক্ৰবৰ্ত্তী ডাঙৰীয়াকো জানো বহুদিনৰ পৰাই। আপোনাৰ লগত চা-চিনাকি হৈ যাওঁ বুলি আহিলোঁ।" এই বুলি অনাহকতে তেওঁ ঢেকঢেকাই হাঁহিলে। তাৰ পাছত টিফিন বক্সৰ দৰে ধুনীয়া সোনালী বাকছ এটা কল্যাণৰ ফালে আগবঢ়াই দি চান্দমলে দাঁত উলিয়াই হাঁহি মাৰি বৈ থাকিল।

কল্যাণে আচৰিত হৈ সুধিলে, "কি এইটো?"

"নাই নাই, হুক একটা গিফ্‌ট আছে। জাপানিজ বস্তু। এইফালে টেপ ৰেকৰ্ডাৰ। বহুত দূৰৰ পৰাই ৰেকৰ্ড হয়। হেইফালে, পিছফালে হামাস্থ পা-পইচা ৰাখিব পাৰি। এই বুলি কল্যাণৰ হাতত তেওঁ বাকচটোৰ ফিদাৰ টাচ্চ বুটাম দুটামান চুই দিয়াত ইংৰাজী গান ওলাল। এবাৰ-দুবাৰ-'হেল্লো টেষ্টিং' বুলি ৰেকৰ্ড কৰিও দেখুৱালে। কোনো শব্দ নকৰাকৈ দূৰৰ পৰাই ৰেকৰ্ড কৰিব পাৰি। পিছফালে বুটাম বুটাম এটা পিছলাই দিয়াত এজাপ নতুন নোট ওলাল। কেবাহাজাৰ টকাও হ'ব।

কল্যাণে কথাটো সহজে এৰি দিব খুজিলে কিন্তু সি অলপো আতিশয্য নকাৰিলে। ভাল উপহাৰৰ প্ৰতি দুৰ্বলতা নথকা মানুহ চান্দমলেও তেনেকৈ লগ পোৱা নাই। সেইবাবে বিশেষ সন্দেহ নকৰাকৈ তেওঁ কৈ গ'ল ইণ্ডাষ্ট্ৰীয়েল এৰিয়া আৰু চহৰত তেওঁৰ দুখন চাহ-মিঠাইৰ ডাঙৰ দোকান আছে। প্ৰতিদিনে চপ, কাটলেট, ভুজিয়া, পুৰী, চিংৰা কত কি ভজা হয়। তদুপৰি ৰাজধানীৰ ওপৰত তেওঁৰ আছে এখন ভুজিয়াৰ ফাৰ্ম। সাতোখন ৰাজ্যত তিনি-চাৰিবিধ ভুজিয়া ছাপ্লাই কৰে। তেওঁ আগতেও তেনেকুৱা দুই-এটা প্ৰেছেছ নিছে এই লেবৰেটৰিটোৰ পৰা। বিদ্যুৎ চক্ৰবৰ্ত্তী, প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য দুয়ো লগতে ভাল চিনাকি। অফিছিয়েলি নিয়া নাই প্ৰেছেছবোৰ। ভিতৰে নিছে। দিছে আৰু কিবা এটা চক্ৰবৰ্তী-ভট্টাচাৰ্য্য হঁতক।

"ভুজিয়াত মানে বহুত তেল লাগে। গৰম কেৰাহীত মানে তেলবিলাক ভাপ হৈ উৰি যায়তো। সেইবাবে আমি ভাবিছিলোঁ যে যদি লেবৰেটৰিতে তেল কমকৈ ভাপ হোৱা কেমিকেল একটা বনাব পৰা যায়। —মানে পইচাৰ কোনো ফিকৰ কৰিব নালাগে।"

চান্দমল চেৰাউগীয়ে ইতিমধ্যে বহুখিনি আগবাঢ়িছিল। আচল গুৰিতে তেওঁ ধৰিছিল। প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই তিনি মাহৰ ভিতৰতে প্ৰছেছ এই দিব বুলি গাত লৈছিল। দাম-দৰো হৈছিল। প্ৰতাপ ভট্টাচাৰ্য্যই তেওঁৰ সোঁহাত-বাওঁহাত বিদ্যুৎ চক্ৰবৰ্তীক আগতেও এনে বহুতো ভাৰ দিছে। সকলোতে নিখুঁত দক্ষতা দেখুৱাই চক্ৰবৰ্তীয়ে ভট্টাচাৰ্য্যৰ বিশ্বাস ৰাখি আহিছে। এইবাৰ বিদ্যুৎ চক্ৰবৰ্তীয়ে হাত কৰিলে ইনৰ্গেনিক কেমিষ্ট্ৰিৰ ড° অশোক মিত্তালক। মিত্তালে ইতিমধ্যে দিনে নিশাই কাম কৰি এটা ফিল্ম ইভেপোৰেচন ৰিটাৰ্ডাৰ প্ৰস্তুত কৰি উলিয়াইছে। ভুজিয়া ভজা তেলৰ লগত সেই কেমিকেলটো মিহলাই দিলে তেল পোৰাটো বেছ কমি যায়।

"এডিবল নে?" কল্যাণে হঠাতে সুধি দিলে।

"মানে কি কৈছে ছাৰ?" চান্দমল চেৰাউগীয়ে বুজি নাপাই সুধিলে।

'মানে, অশোক মিত্তালে যে তেলৰ লগত মিহালোৱা কেমিকেলটো উলিয়াইছে, সেইটো খালে একো হানি নহয় বুলি প্ৰমাণ আছেতো?"

চান্দমল চেৰাউগীয়ে পোনে পোনে কোনো উত্তৰ নিদিলে। বেছ কিছুপৰ ঢেকঢেকাই হাঁহি তেওঁ ক'লে, "হেইবিলাক কথাত আপুনি বোছি মন নিদিব ছাৰ। কেমিকেলটো ওলাইছে, আমাৰ পেমেণ্ট কৰা হৈ গৈছে। অশোক মিত্তল চাহাবে আমাৰ ফাৰ্মতে ব্যৱহাৰ কৰি দেখিছে যে প্ৰায় টুৱেন্টি পাৰ্চেণ্ট তেলৰ ছেভিং হয়—দৈনিক আমাৰ ফাৰ্মত প্ৰায় ত্ৰিছ লিটাৰ তেল বাচি যায়। মানে হাজাৰৰ উপৰ টকা ডেইলি ছেভিং।"

নিভাই নিজে ট্ৰে এখনত পাতল কাট গ্লাছত কোল্ড ড্ৰিংক ছুপিলাহ

দি গ'ল। তাইক দেখি কল্যাণৰ আকৌ এবাৰ নিজৰ বোবা ভনীয়েক-জনীলৈ মনত পৰি গ'ল।

কল্যাণে কথাটো ঘূৰিবলৈ এৰি নিদিলে, "খাব পৰা কেমিকেল হয় নে নহয়? আৰু ভট্টাচাৰ্য্য চক্ৰবৰ্তী-মিত্তালে কেলেই ভিতৰুৱাকৈ আপোনাক দিব লাগে বা আপোনাক গোপনে দিব লাগে? ভাল প্ৰছেছ হ'লেতো মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰে খোলাখুলিকৈ আপোনাক লাইছেন্স দিব পাৰে!"

এইবাৰ চান্দমল চেৰাউগী অলপ যেন সন্ত্ৰস্ত হ'ল। একেসোঁহাই তেওঁ পানীয়খিনি পি খালে। কল্যাণে ধমকিব সুৰত আৰু যথেষ্ট কৰ্তৃত্ব দেখুৱাই কথা সোধাত তেওঁ ঘূৰাই-পকাই কেইবাটাও কথা ক'লে। আগতেও তেওঁ প্ৰতাপ ভট্ট আৰু বিদ্যুৎ চক্ৰবৰ্তীক ভিতৰুৱাকৈ পইচা দি কেইবাটাও সৰু সৰু প্ৰছেছ নিছে। ভুজিয়া বহুদিনলৈ বেয়া নোহোৱাকৈ ৰখা প্ৰিজাৰভেটিভ, মিঠাইত চেনি কমায়ো মিঠা ঠিক ৰখা ছুইটেনাৰ, এবিধ বনস্পতিৰ প্লাষ্টিকৰ টেমাৰ পৰা চিনি নোপোৱাকৈ বনস্পতি বাহিৰ কৰি অন্য কমদামী বনস্পতি আৰু কেমিকেলৰ মিকচাৰ ভৰাই দিয়া টেকনিক আৰু কেমিকেল, ক্ৰিমবোলৰ ভিতৰত ক্ৰিমৰ সলনি দিব পৰা ফোম। প্ৰত্যেকটা কথাতে কল্যাণে একোটা অপৰাধৰ গোন্ধ পালে। হয় সেইবোৰ পোনে পোনে জাল-জুৱাচুৰি, নহয় তাত ব্যক্তিগত মুনাফাৰ বাবে স্বাস্থ্যৰ বিস্তৰ ক্ষতিকাৰক কেমিকেল মিহলোৱাৰ ব্যৱস্থা। এইবাৰ যিটো ইভেপোৰেচন ৰিটাৰ্ডাৰ কেমিকেল ভুজিয়া ভজা তেলৰ লগত মিহলাবৰ বাবে উলিওৱা হৈছে, সি কেন্সাৰ সৃষ্টিকাৰী। তাৰ জেৰাত চান্দমল চেৰাউগীয়ে স্বীকাৰ কৰিছে—সামান্য কেন্সাৰ হ'ব পাৰে দুৰ্বল মানুহৰ। সেইবাবে অশোক মিত্তাল, বিদ্যুৎ চক্ৰবৰ্তী, প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য কোনোৱে প্ৰছেছটোৰ লগত জড়িত হোৱাটো দেখুৱাব নোখোজে। কি কৰা যায় এতিয়া?

চান্দমল চেৰাউগী কামৰ মানুহ। তেওঁ বিশ্বাস কৰে যে সকলো

মানুহৰে ব্যক্তিত্ব আৰু বিবেকৰ একোটা দাম থাকে। কাৰোবাৰ দাম অলপ বেছি, কাৰোবাৰ অলপ কম। কল্যাণৰ দামটো কিমান দুই এদিনতে জানি ল'ব পৰা যাব।

কল্যাণ আনমনা হৈ পৰিছিল। চান্দমলেই পোনে পোনে প্ৰস্তাৱটো দিলে, "অশোক মিত্তলৰ কিবা এটা এনকুৱেৰি আপুনি কৰি আছে নহয় ছাৰ। শুনিছোঁ আপুনি ৰিপোৰ্ট দিলেই মিত্তলক ডাইৰেক্টৰে ছাছপেণ্ড কৰিব। ৰিপোৰ্টটো দুদিনমান পিছুৱাই দিয়ক ছাৰ। কেতিয়া দিব পাৰিব আমি জনাম আপোনাক। তাৰ আগতে তেওঁ আমাক পঁচাচ লিটাৰ ৰিটাৰ্ডাৰ কেমিকেল বনাই দিব লাগে। নহ'লে আমাৰ বৰ লুকচান হ'ব। ভট্টাচাৰ্য্য চাহাবক এক লাখ দিয়া হৈ গ'ল।"

প্ৰতাপ ভট্টাচাৰ্য্য, বিদ্যুৎ চক্ৰবৰ্ত্তী যুঁটিৰ কথা শুনি কল্যাণ একো আচৰিত নহ'ল। মাত্ৰ মিত্তলৰ কেমিকেল ফছফৰৰ ছেবোটেজৰ ৰিপোৰ্ট আৰু ছাছপেনচনৰ আলোচনাৰ কথা বাহিৰৰ মানুহ এজনে কেনেকৈ গম পালে তাকে ভাবিহে বৰ আচৰিত হ'ল। ডাইৰেক্টৰৰ পাৰ্ছনেল ছেক্ৰেটাৰি অবিনাশ জড়িত নেকি? নে ডাইৰেক্টৰ প্ৰফেছাৰ মজুমদাৰ নিজে জড়িত? এনেয়েতো তেওঁক আণ্ডাৰ মাছ ধৰি খাব নজনা মানুহে যেন লাগে।

কল্যাণে এটা কাম কৰিলে। চান্দমল চেৰাউগীক ধন্যবাদ জনাই কেছেট ৰেকৰ্ডাৰটো খমখমীয়া নোটবোৰেৰে সৈতে ঘূৰাই দিলে। মাত্ৰ তাৰ খিনি কেছেটটো খুলি ৰাখিলে।

চান্দমলে সেইটোৰ বাবে কাওঁ-বাওঁ কৰি আছিল। কিন্তু কল্যাণৰ ব্যক্তিত্বৰ আগত একো নৰজিল।

চিৰিৰে তললৈ নামি যাওঁতে চান্দমল চেৰাউগীয়ে এই ডেকা এছিষ্টেণ্ট ডাইৰেক্টৰ আৰু ছাইন্স এডমিনিষ্ট্ৰেটৰ জনৰ দাম কিমান হ'ব পাৰে তাৰ হিচাপ এটা খেলিমেলিকৈ কৰি গৈ থাকিল।

পাৰ হৈ যাওঁতে যে স্মিতাৰ ফালে সৌজন্যসূচক হাঁহি এটা মাৰি যাব লাগে সেইটোত তেওঁৰ মনত নপৰিল।

॥ ৭ ॥

অম্ল অধিকাৰীৰ বিদেশ ভ্ৰমণৰ প্ৰস্তাৱটো মানৱসম্পদ সমিতিটোৰ হাতত আহি পৰিছিল। আচলতে হিউমেন ৰিছোৰ্চ কমিটিটোৰ এই প্ৰস্তাৱটোত বিবেচনা কৰিবলগীয়া একো নাছিলেই। কাৰণ পাবলিকেচনছ আৰু প্ৰছিডিংছ নামৰ এটা কমিটিয়ে আগতে জাৰ্মানিৰ লু-বেক ছিম্পোছিয়ামলৈ পঠোৱা অম্ল অধিকাৰীৰ পেপাৰখন তন্ন তন্নকৈ পৰীক্ষা কৰিহে পাছ কৰি দিছিল। তদুপৰি জাৰ্মানিৰ উদ্যোক্তাসকলে অম্ল অধিকাৰীৰ ভ্ৰমণ আৰু আতিথ্যৰ সকলো খৰচ দিব বুলি প্ৰথম চিঠিতেই লিখি দিছিল।

কিন্তু, ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে যেন এডিছনেল ডাইৰেক্টৰ ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ ওচৰত কিবা এক অদৃশ্য ডোলেৰে বান্ধ খাই আছে। সেই ডোলডাল কেতিয়াও কাৰো চকুৰ পৰাৰ উপায় নাই। কিন্তু ডোলডালে মৰা টানটো কেতিয়াবা চকুত পৰা হৈ যায়।

অম্ল অধিকাৰীয়ে ডেপুটেচন অৰ্ডাৰৰ বাবে ফৰ্মখন ততাতৈয়াকৈ ফিল আপ কৰি দিলে। লগৰ পেপাৰৰ কপি আৰু নিমন্ত্ৰণী চিঠিখনৰো কপি দিলে। তেওঁৰ ডিভিজনৰ হেড ডক্টৰ পদ্মনাভনে তাৰ নিৰ্দিষ্ট ঠাইত ছিম্পোছিয়ামখন যে দৰখাস্তকাৰী আৰু তেওঁৰ ডিভিজনৰ কামৰ বাবে কিমান প্ৰাসংগিক আৰু কামত অহা হ'ব সেইটো ধুনীয়াকৈ লিখি, এনে এখন আন্তৰ্জাতিক আলোচনা চক্ৰলৈ আমন্ত্ৰণ পোৱাটো আৰু উদ্যোক্তাসকলে সকলো খৰচ বহন কৰিব খোজাটো যে বিৰল সন্মান সেইটোও গুৰুত্ব দি লিখিলে। তাৰ পাছত তেওঁ এই ভ্ৰমণ জোৰ দি সমৰ্থন কৰিলে।

ডাইৰেক্টৰৰ চহী হৈ এই দৰখাস্ত দিল্লীৰ হেডকোৱাৰ্টাৰ্ছলৈ যাব

লাগে তাৰপৰা নিয়মিতভাৱে এটা ডেপুটেচন অৰ্ডাৰ আহিব লাগে। নহ'লে মন্দাকিনীকে ধৰি তেনে সহযোগী, সম্পূৰ্ণ চৰকাৰী অনুদান প্ৰাপ্ত বিজ্ঞানাগাৰবোৰৰ কোনো বিজ্ঞানীয়ে বিদেশ ভ্ৰমণ কৰিব নোৱাৰে। আনকি নিজ খৰচত বা বিদেশত থকা পুতেক বা আত্মীয়ৰ খৰচতো নোৱাৰে। ডেপুটেচন অৰ্ডাৰটো লাগিবই। হঠাতে প্ৰতিৰক্ষা বা মহাকাশ বিভাগৰ কোনো বিজ্ঞানী আত্মীয়ৰ খৰচত ছুটী লৈ বিদেশলৈ গৈ তাৰপৰা নহা হোৱাত, আৰু পাছত তাৰ তেনে সংস্থাত যোগ দিয়াৰ বাতৰি অহাত গোটেই দেশৰে সকলো বিজ্ঞানাগাৰক এই বিষয়ে সাৱধান আৰু সজাগ কৰি দিয়া হৈছে।

অনু অধিকাৰীৰ দৰ্খাস্ত আহি যেতিয়া ডাইৰেক্টৰৰ মেজত পৰিল, তেওঁ প্ৰতাপ ভট্টাচাৰ্য্যৰ অদৃশ্য ডোলডালৰ টান অনুভৱ কৰিলে। অনু অধিকাৰীয়ে প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ জীয়েক কুইনক সহ্য কৰিব নোৱাৰে আৰু সেই কথা লুক-ঢাকো নকৰে সেইটো ডাইৰেক্টৰে প্ৰফেছৰ মজুমদাৰে জানে। তাৰ বাবে প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্যয়ে অনু অধিকাৰীক মুঠেই সহ্য কৰিব নোৱাৰে। আগৰ বাৰ যেতিয়া মেৰিট প্ৰমোচনৰ বাবে দিল্লীলৈ কেছবোৰ পঠোৱা হৈছিল, হিউমেন ৰিছোৰ্ছ কমিটিয়ে অনু অধিকাৰীৰ নামটো তাৰপৰা বাদ দিছিল। এনুৱেল কনফিডেন্সিয়েল ৰিপোৰ্টত অনু অধিকাৰীয়ে একেৰাহে তিনি বছৰ নব্বৈৰ ওপৰত নম্বৰ পোৱা দেখি তেওঁৰ নামটো হিউমেন ৰিছোৰ্ছ কমিটিলৈ আহিছিল। কিন্তু কমিটিত থকা ভৱ বৰুৱা নামৰ মেটেৰিয়েলছ ছাইন্সৰ ছাইণ্টিফিক এছিষ্টেণ্ট জনে আপত্তি তুলিলে। —ক'লে, বায়োলুমিনেটৰ এৰিয়াটোৱেই তেনেই নতুন। তাত কাম হোৱা যেন লাগিছে যদিও এতিয়াই নিশ্চিত ভাৱে একো ক'ব নোৱাৰি। গতিকে অনু অধিকাৰীৰ নামটো এতিয়াই মেৰিট প্ৰমোচনৰ বাবে পঠোৱাটো কিমান যুক্তিযুক্ত হ'ব কোৱা টান। কমিটিত থকা বিমল বসুৱে অনু অধিকাৰীৰ কামটোৱে কিমান নতুন আৰু আলোড়নকাৰী

সেইটো উল্লেখ কৰিলে। মেৰিট প্ৰমোচনৰ থাবে নতুন দিশত, বিজ্ঞানৰ সীমান্ত ক্ষেত্ৰত অভুতপূৰ্ব অৱিহণা যোগোৱা গৱেষণাহে বিবেচনা কৰা হ'ব বুলি কোৱা বাক্য এটা মেম্বুৰেল এখনৰপৰা তেওঁ উদ্ধৃতিও দিলে।

কিন্তু বিদ্যুৎ চক্ৰবৰ্তীয়ে ক'লে, "মেৰিট প্ৰমোচনৰ দৰে কথা এটাত দ্বিধা বা মতানৈক্য থাকিব নালাগে। তদুপৰি মিছেছ-মিছ-মিট্জ বুলিয়ে কোৱা ভাল হ'ব—মিট্জ অনু অধিকাৰীৰ এতিয়াও বয়স আছে। তেখেতে ভালদৰে কাম কৰি থাকিলে আগলৈও বহুতো চান্স পাব।"

এডিচনেল ডাইৰেক্টৰ আৰু হিউমেন ৰিছোৰ্চ কমিটিৰ চেয়াৰমেন ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই, সচৰাচৰৰ দৰেই, কোনো মন্তব্য নিদিলে। তেওঁ কথাটো যেন বৰ গভীৰভাবে বিবেচনা কৰিলে। তাৰ পাছত তেওঁৰ সেই ব্যক্তিত্বসুলভ গেৰগেৰীয়া ইংৰাজীৰে ক'লে, "হঁা, আই ডু নট লাইক টু অ'ভাৰৰুল দি মেজৰিটি অপিনিয়ন অব দি লাৰ্নেড মেম্বাৰছ। হাৱেভাৰ ইট ইজ ফৰ দি ডাইৰেক্টৰ টু টেক এ ফাইনেল ডিছিচন।"

*

এইবাৰ অনু অধিকাৰীৰপৰা অহা বিদেশ ভ্ৰমণৰ দৰখাস্তখনত প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰপৰা ডাইৰেক্টৰে যিটো নোট পালে তাত ডেপুটেচন প্ৰপোজেলটো নাকচ কৰাৰ আন দুটামান যুক্তিহে দিয়া হৈছিল—এনে এটা ফ্ৰন্টিয়াৰ এৰিয়াৰ কাম আন দেশত প্ৰেজেণ্ট কৰা ভাল হ'ব জানো, তদুপৰি যেতিয়া ভাৰতৰ দৰে দুখীয়া দেশ এখনৰ ইকনমিৰ কথা জড়িত আছে প্ৰজেক্টটোৰ সৈতে—যি কোনো উন্নত দেশে ছেবোটেজো কৰিব পাৰেতো। তাৰ তলত অৱশ্যে দেশপ্ৰাণ প্ৰতাপ ভট্টাচাৰ্য্যই নিজৰ ঔদাৰ্য্যৰ প্ৰমাণ এটা ৰাখিবলৈ নাপাহৰিলে। তেওঁ লিখিলে, "অৱশ্যে ডেকা বিজ্ঞানী গৰাকীয়ে দেশতে এনে কামৰ

চৰ্চা কৰাৰ বাবে যথেষ্ট উৎসাহ পাব লাগে বুলি মই ব্যক্তিগতভাৱে বিশ্বাস কৰোঁ।"

ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে পোনে পোনে সেই নোটটোৰ কথা অনু অধিকাৰীক নজনালে বা ডেপুটেচন প্ৰপোজেলটোও নাকচ নকৰিলে। তেওঁ মাথো লিখিলে যে দেশৰ এটা উচ্চ পৰ্য্যায়ৰ বৈজ্ঞানিক গৱেষণা'ৰ কাম যিহেতু জড়িত আছে দৰখাস্তকাৰীয়ে তেওঁৰ বিদেশৰ প্ৰেজেণ্টেচনত কি কি তথ্য প্ৰেজেণ্ট কৰিব তাক বিতংকৈ জনাব লাগে।

অনু বাইদেউ জকি উঠিছিল। এইবোৰ যে পলম কৰোৱাৰ চেলু তেওঁ বুজিছিল। তদুপৰি ডাইৰেক্টৰে প্ৰতাপ ভট্টাচাৰ্য্যৰ মত উপেক্ষা কৰিব নোৱাৰে। অনু বাইদেৱে ইমান দিনে কৈ থকা অদৃশ্য ডোলডালৰ টান কল্যাণে বুজি পালে—এই অদৃশ্য ডোলে ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰক প্ৰতাপ ভট্টাচাৰ্য্যৰ হাতত বান্ধি ৰাখিছে।

কল্যাণৰ বুজনিত অনু বাইদেৱে মোলায়েম ভাষাৰেই উত্তৰ দিলে — লগত গাঁথি দিয়া পেপাৰখনতে সকলো আছে। যি হওক, আকৌ বিতংকৈ পইণ্ট-বাই-পইণ্ট তলত দিয়া হ'ল। গোপন তথ্য প্ৰকাশ পাব বুলি একো ভয় কৰিবলগীয়া নাই। কাৰণ, আমিহে গোটেই পৃথিৱীৰ কেবাটাও উন্নত বিজ্ঞানাগাৰৰ বায়োটেকনোলজিৰ জ্ঞান ব্যৱহাৰ কৰিছোঁ। তদুপৰি ইয়াৰ আগৰ প্ৰায় সমস্ত তথ্য ডক্টৰ পদ্মনাভন, প্ৰফেছৰ মজুমদাৰ আৰু নিম্ন স্বাক্ষৰকাৰীৰ জইণ্ট পেপাৰ হিচাবে কেবাখনো আন্তৰ্জাতিক জাৰ্নেলত প্ৰকাশ কৰা হৈছেই।

*

কল্যাণে আগদিনা স্মিতাৰ লগত কটোৱা কাবেৰী ৰেষ্টোৰাঁৰ স্বপ্নালু সন্ধিয়াটোৰ তুলনাত পিছদিনা বিশালাক্ষী চলিহাৰ লগত কটোৱা লেডিজ ক্লাবৰ এম্বুৱেল মিষ্টৰ সন্ধিয়াটো উম্ম আৰু সেমেকা আছিল।

এটা অদ্ভুত নৃত্যৰ অনুষ্ঠানত স্বল্পবস্ত্ৰা মহিলা এগৰাকীয়ে কেৱল চৰাইৰ পাখি জন্তুৰ নোমেৰেই যিমান পাৰি গাটো ঢাকিবলৈ চেষ্টা কৰি মোহনীয় ভংগীমাত ৰোমাঞ্চকৰ নাচ নাচিছিল। নাচৰ ছন্দে ছন্দে দৰ্শকে চাপৰি বজাই গৈ আছিল। বিগত যৌৱন, মেদবহুল কেবাজনো পুৰুষ দৰ্শকে নাচনীজনীক অনুকৰণ কৰি বিকৃত ভংগীমাত নাচিবলৈয়ে আৰম্ভ কৰি দিছিল।

কল্যাণে জানিছিল বিশালাক্ষীয়ে নিশ্চয় ইয়াৰপৰা ক'ৰবালৈ ওলাই যোৱাৰ প্ৰস্তাৱ দিব।—ক'ব ইয়াত বৰ গৰম লাগিছে।

ছাইন্স ছিটিৰ এই সুবৃহৎ, সুন্দৰ শীত-তাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহটোতো মানুহৰ উঠুলি-মুঠুলিৰ বাবেই অলপ যেন বন্ধ বন্ধ লাগিছিল।

"ইয়াত বৰ ষ্টাফি লগা নাইনে ?" আশা কৰা মতেই বিশালাক্ষীয়ে ক'লে।

"হুঁ"—কল্যাণে শলাগিলে।

কিছুপৰ দুয়ো নীৰৱ হৈ থাকিল। পাখি আৰু নোমেৰে ঢকা নাচনীজনীয়ে খৈজত বৰ উদ্‌ভ্ৰান্ত হৈ নাচিবলৈ ধৰিছে। সংগীত উচ্চ পৰ্য্যায়লৈ চলি গৈছে। তাৰ মাজে মাজে খাপ খাই পৰাকৈ সুমুৱাই দিয়া হৈছে দুই-এটা হা-হুতাশৰ মন চুই যোৱা শব্দ।

বিশালাক্ষীয়ে এইবাৰ প্ৰস্তাৱটো দিলে, "ইয়াত এনেকৈ বহি থকাতকৈ অলপ ফুৰি আহোঁগৈ ব'লক বাহিৰতে।"

তাৰ লগে লগে তেওঁ উঠিল। কল্যাণৰ ফালে এবাৰ কেৰাহিকৈ চাই 'এক্‌জিট' বুলি লিখা থকা দুৱাৰখনৰ ফালে খোজ দিলে।

জীৱনত এনে একোটা পৰিস্থিতি আৰু মুহূৰ্ত আছে যেতিয়া ভাবি-চিন্তি কিবা এটা সিদ্ধান্ত লোৱাৰ একো প্ৰয়োজনেই নাথাকে। নাইবা তাৰ বাবে কোনো সুকণ্ডা, কোনো সুবিধায়েই নাথাকে। পৰিস্থিতি পৰিবেশৰ যেন এটা নিজা সোঁত আছে—সিয়েই মানুহক উটুৱাই লৈ গৈ থাকে।

বিশালাক্ষীৰ পিছে পিছে আহি কল্যাণে অডিটৰিয়ামটোৰ বাহিৰ পাই ভালেই পালে। ইয়াত সেই উছুলি-মুছুলি পৰিবেশ নাই। জন সমাগমো একেবাৰে কম। ডিনাৰৰ নামত যে ছাইড বেষ্টোৰা এখনতে তুয়ো সামান্য কিবাকিবি খালে।

ছিৰিৰে তললৈ নামি থাকোঁতে বিশালাক্ষীয়ে এনেয়ে সোধা দি মিহিকৈ সুধিলে, —"ময়দানলৈ গৈছে কেতিয়াবা ?"

"নাই যোৱা," কল্যাণে ক'লে। আৰু কিবা এটা যোগ দিয়া উচিত বুলি ভাবি সি ক'লে, "সময়েই পোৱা নাই।"

প্ৰজেক্ট লুছিফেৰিনৰ কামত আজিকালি সি ইমান ব্যস্ত যে—নাই, আজিকালি বুলি কি কথা আছে? মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত যোগ দিয়াৰ দিনাৰে পৰা আজিলৈ বিজ্ঞানাগাৰটোৰ সকলো কথাতে, বিশেষকৈ প্ৰজেক্ট লুছিফেৰিনৰ লগত সি ইমান বেছি জড়িত হৈ পৰিছে যে এদিনলৈও ক'ৰবাত অকমান সময় কটাওঁ বুলি একেবাৰে মুকলি মনেৰে ওলাই আহিব পৰা নাই।

ছাইন্স ছিটিৰ ছিটি ফৰেষ্টৰ, একাষে বৃহদাকাৰ প্ৰাকৃতিক হ্ৰদ—তাৰ নাম জ্ঞান লেক। তাৰ পাৰতে বিজ্ঞানীসকলে ছুটী কটাব পৰা বা অৱসৰ বিনোদন কৰিব পৰা ছাইন্স ভিলাৰ সৰু সৰু কটেজবোৰ গাড়ীৰে যাওঁতে সি দেখিছে। আনকি, স্মিতাই তাক ধেমালি কৰি কৈছেও মধুচন্দ্ৰিকাৰ বাবে ইয়ালৈকে আহিব লাগিব। বিশাল ময়দানখনেও তাক বৰকৈ আকৰ্ষণ কৰে। কলিকতাৰ ময়দানখনতকৈ নিউ ইয়ৰ্কৰ ছেণ্ট্ৰেল পাৰ্কৰ লগতহে ইয়াৰ বেছি সাদৃশ্য আছে। চাৰিওফালে গাড়ীৰে কেতিয়াবা সি একোপাক মাৰিছে। পাৰ্কখনৰ অ'ত ত'ত বৃহৎ গছৰ তলৰ সুন্দৰ লনত, সৰু পুখুৰীবোৰৰ পাৰৰ বেঞ্চত, জোপোহাৰ আঁৰত, দলঙৰ ৰেইলিঙত, পুখুৰীত উটি ফুৰা নাৱত, অ'ত ত'ত, আশা কৰা আৰু নকৰা নানা অংশত সি যুৱক-যুৱতী আৰু নৱবিবাহিত দম্পতীৰপৰা বৃদ্ধ অৱসৰ প্ৰাপ্তিৰ বয়সৰ দম্পতীলৈকে বহুতকে দূৰৰপৰাই সি দেখিছে।

কিন্তু আনকি স্মিতাৰ লগতো ইয়ালৈ এবাৰ আহি অৱসৰ কটোৱাৰ, ভাগৰ জিৰোৱাৰ, সময় পাৰ কৰাৰ দৰে কথা এতিয়ালৈ ঘটা নাই।

"বহিব ডক্টৰ? সেই বেঞ্চখনতে বহিব পাৰোঁ দেখোন।"

"ওঁ"—কল্যাণৰো বহু দূৰ খোজ কঢ়াৰ পাছত অলপ বহিবৰ মন গৈছিল, ভেট ফুল ফুলা পুখুৰী এটাৰ পাৰত, মিহিকৈ কটা গাঢ় সেউজীয়া ঘাঁহনি এডৰাৰ ওপৰত, বেঞ্চখনৰ এটা মূৰত সি বহি পৰিল। চেন্দেলযোৰ খুলি খালি ভৰিৰে ঘাঁহখিনিৰ শীতলতা সি অনুভৱ কৰিলে।

জোনটোৱে মেঘৰ আঁৰত লুকা-ভাকু খেলিছিল। জোনটোৰ ফালে চাই থাকোঁতে কল্যাণ অলপ আনমনা হৈ পৰিছিল। অমু বাইদেউৰ বায়োলুমিনেটৰ, ডক্টৰ পৱন ভাৰ্গভ আৰু অশোক মিত্তালৰ কেমোফছফৰ সকলোৰে সংযোগত সফল হ'বনে বাৰু প্ৰজেক্ট লুছিফেৰিন? জোনটোৰ পোহৰৰ দৰে মৃদু-শীতল পোহৰেৰে পাৰিবনে সি উদ্ভাসিত কৰিব আমাৰ জীৱন?

বেঞ্চৰ পিঠিৰে মেলি দিয়া তাৰ বাওঁহাতখনত এক গভীৰ উষ্মাৰ অনুভূতিৰে সি চকমক খাই উঠিল। বিশালাক্ষী চলিহা বেঞ্চখনৰ মাজৰপৰা তাৰ ওচৰ চাপি আহিছে। তাৰফালে মূৰটো হাওলাই দি তাৰ হাতৰ ঠাৰিত চোওঁ-নোচোওঁকৈ তেওঁৰ ওঁঠ দুটা লগাই দিছে। তেওঁৰ তপত নিশাহে কল্যাণৰ হাতৰ ঠাৰি চুই গৈছে।

কল্যাণে তাৰ হাতখন যেনে তেনেভাৱেই থাকিবলৈ দিলে। বিশালাক্ষীৰ ওঁঠৰ স্পৰ্শ গভীৰ হৈ অহা নাই নে? আৰু নিশাহৰ উষ্মা? হয়তো বহুপৰ তেনেকৈ পাৰ হৈ গৈছিল। দূৰৰপৰা ছাইন্স ছিটিৰ ছেন্ট্ৰেল টাইম কিপাৰৰ ওখ গম্বুজৰপৰা বাতি দহ বজাৰ ঘণ্টাৰ কোব ভাহি আহিছিল। পূৰণি ঐতিহ্য হিচাবে এতিয়াও এই অভ্যাসটো চলাই ৰখা হৈছে। অৱশ্যে এতিয়া ঘণ্টাৰ শব্দ ইলেকট্ৰনিকেলি কৰা হয়।

"আপুনি একেবাৰে মোৰ দেওৰ, মেণ্টেল হস্পিটেলৰ ডাক্তৰ, ডাক্তৰ অৰূপ চলিহাৰ দৰে—নিৰ্বিকাৰ, নিৰাসক্ত, আনকি, আনকি—" শব্দ বিচাৰি বিশালাক্ষী অলপ সময় ৰ'লে, তাৰ পাছত ক'লে, "আনকি মই ক'বলৈ অকণো দ্বিধাবোধ নকৰোঁ যে আপুনি নিৰ্দয়ো।"

তাৰ পাছত বিশালাক্ষী চলিহাৰ দৰে ব্যক্তিত্বৰ অধিকাৰিণী, খাৰাং-খাচ যেন লগা, ৰোড্‌ছ ইঞ্জিনিয়াৰিঙৰ গৱেষণাত দেশ-বিদেশত নাম কৰা বিজ্ঞানীগৰাকীয়ে একেবাৰে নাটকীয়ভাৱে যেতিয়া উচুপি উঠিল, কল্যাণৰ বৰ অসহায় বোধ হ'ল।

"মই জানো, ডক্টৰ," তাৰ পাছত উচুপনিৰ মাজতে বাক্যটো টানি নি বিশালাক্ষী চলিহাই লাহে লাহে ক'লে, "স্মিতাৰ লগত আপোনাৰ মানসিক সম্পৰ্কৰ কথা মই জানো। তাত মোৰ কোনো ঈৰ্ষা, কোনো কপটতা নাই। স্মিতা বৰ ভাল ছোৱালী। আপোনালোক দুয়ো বৰ সুখী হ'ব। কিন্তু, মৰম বস্তুটো এনে নেকি ডক্টৰ, যে এজনক উবুৰিয়াই দিলে আন কাকো আৰু এছিকুটো দিব নোৱাৰি? মৰম জানো তেনেকুৱা পাৰ্থিব বস্তু যে কাৰোবাক দিলেই সি শেষ হৈ যায়? আন কাৰো বাবে আৰু অকণো নৰয়?"

এনে একোটা মুহূৰ্তৰ বাধ্যতাতে বাৰু মানুহে পুৰণি প্ৰমূল্যৰ ওপৰত নতুন দৰ্শনৰ চাপ অনুভৱ কৰে নেকি? কল্যাণে তাৰ বাওঁ বাউসীৰ ওপৰত হাউলি পৰা বিশালাক্ষী চলিহাৰ চুলিৰ মাজত তাৰ সোঁহাতৰ আঙুলিকেইটা লাহে লাহে আলফুলকৈ চলাই দিলে। তাৰ গোটেই দেহটোতে সি বিশালাক্ষীৰ উচুপনিৰ জোকাৰণি বহুপৰৰ মূৰে মূৰে অনুভৱ কৰি থাকিল। দীঘলীয়াকৈ একোটা উচুপনিৰ দমক টানি বিশালাক্ষী বহুপৰলৈ কল্যাণৰ বাউসীতে মুখ গুজি পৰি ৰ'ল।

ছাইন্স ছিটি লেডিজ ক্লাবৰ এনুৱেল মিটৰ ফাংচন আৰু চোৱা নহ'ল। বিশালাক্ষীয়ে গাড়ী চলাই ছাইন্সটিষ্ট এপাৰ্টমেণ্ট পৰ্য্যন্ত লৈ যাওঁতে গোটেই বাটছোৱাত একেবাৰে মুকলিভাৱে কল্যাণক তাইৰ

জীৱনৰ কাহিনী শুনালে। আমেৰিকাৰ ৱাশ্চিংটনৰ জৰ্জ ৱাশ্চিংটন ইউনিভাৰ্ছিটিত ধ্ৰুৱ চলিহাক লগ পোৱাৰ পৰা বিশালাক্ষীয়ে গৰ্ভপাত কৰিবলৈ মান্তি নোহোৱালৈকে সমস্ত কথা। দেশলৈ ঘূৰি অহাৰ পাছত ধ্ৰুৱ চলিহাৰপৰা কোনো সঁহাৰি নাপাই বেলত উঠি অকলেই এই ছাইন্স ছিটিলৈকে গুচি অহাৰ কথা। চাৰিমহীয়া গৰ্ভস্থ সন্তানৰ বাধ্যত পৰি ধ্ৰুৱ চলিহাই বিয়া কৰোৱাৰ কথা। তাৰ পাছত ইঞ্জিনিয়াৰ ধ্ৰুৱ চলিহাৰ একেখন ঘৰতে, একেটা পদূলিতে বাস্কোনত থাকিব নোখোজা মুকলিমূৰীয়া স্বভাৱৰ কথা উদাৰ মনোবৃত্তিৰ কথা। এটা চৰম মুহূৰ্তত জীয়েক নীলাক্ষীক লৈ গিৰিয়েকৰপৰা পৃথকে থাকিবলৈ সিদ্ধান্ত গ্ৰহণৰ কথা।

বাহিৰত, বগ্যা অনা জোনাকৰ বিচ্ছুৰিত পোহৰত কল্যাণে সিদিনা নতুন দৃষ্টিৰে বিশালাক্ষীক চালে। ষ্ট্ৰাকচাৰৰ বিজ্ঞানাগাৰ এটাত কাম কৰা ইঞ্জিনিয়াৰ ধ্ৰুৱ চলিহাৰ উদাৰ জীৱনৰ কথা সি ইতিমধ্যে শুনিছে। সুস্থ-সবল এগৰাকী অকলশৰীয়া বিবাহিতা মহিলাৰ মনোবেদনাৰ কথা সি যেন গভীৰভাৱে অনুভৱ কৰিলে। তদুপৰি আনে যিয়েই নকওক কিয়—ধ্ৰুৱ চলিহাৰ ওপৰত এক প্ৰতিশোধৰ প্ৰৱণতাই বিশালাক্ষীক দহি দহি মাৰিছে বুলি কল্যাণে অনুভৱ কৰিলে।

স্মিতালৈ তাৰ বৰকৈ মনত পৰিল। আত্ম-বিশ্লেষণৰ এক নিবিড় মুহূৰ্তত সি নিজকে বুজালে যে বিশালাক্ষী চলিহাক সামান্য সান্ত্বনা দি স্মিতাৰ প্ৰতি কোনো অন্যায় কৰা নাই। কিন্তু ইমানতে সীমা ৰখা উচিত হ'ব। আজিৰ এই সামান্য প্ৰশ্ৰয়কে বিশালাক্ষী চলিহাই অন্য এক অধ্যায়ৰ আৰম্ভণি বুলি ভুল কৰি নেপেলায়তো?

ছাইন্টিষ্ট এপাৰ্টমেণ্টৰ ছিৰেৰে ওপৰলৈ বগাই যাওঁতে কল্যাণৰ অনু বাইদেউলৈ মনত পৰিল। নিজকে বিশেষ কোনো ব্যাখ্যা দিব নোৱাৰাকৈয়ে হঠাৎ তাৰ মনলৈ এটা সিদ্ধান্তয়েই যেন আহি গ'ল — অনু বাইদেউৰ আকৌ বিয়া হোৱা উচিত। আৰু লাটুও সাত বছৰীয়া হ'ল। গতিকে আৰু পলম কৰিবও নোৱাৰি। কিন্তু-হেৰি—কথাটো

হ'ল—কাৰ লগত বিয়া হ'ব? কিয়? ডক্টৰ পৱন ভাৰ্গভ নাই? কল্যাণে যেন অনু বাইদেউ আৰু পৱন ভাৰ্গভৰ দুখন দুঃখিত হিয়াৰ মৃদু অনুৰণন কেতিয়াবাই অনুভৱ কৰিছে। কিন্তু অনু বাইদেউক জানো এই প্ৰস্তাৱ দিব পৰা যায়? আৰু পৱন ভাৰ্গভক? সুমনলতাৰ পৱিত্ৰ স্মৃতিকে বুকুত বান্ধি একমাত্ৰ ল'ৰাটোক পিতৃ আৰু মাতৃ উভয়ৰে মৰম দি তেওঁ ইমানটা বছৰ কটাইছে। তেওঁ জানো এনে এটা প্ৰস্তাৱ গ্ৰহণ কৰিব? তদুপৰি এনে এটা প্ৰস্তাৱ আগ বঢ়াবলৈ সিয়েই বা কোন?

*

ছাইন্টিষ্টছ এপাৰ্টমেন্টৰ বিৰাট বিল্ডিংটোৰ বহল ছিৰিৰে জপিয়াই যোৱাদি ওপৰলৈ উঠি যাওঁতে কল্যাণে মন কৰিলে পৰিৱেশটো যেন আন দিনাৰ তুলনাত বেছ থমথমীয়া হৈ আছে। অথচ এতিয়া এপাৰ্টমেন্টটোৰ দুয়োটা ক্লাব গিজ গিজাই থকাৰ সময়—ৰাতি বেছি হৈ আহে মানে ক্লাব দুটাও যেন সজীৱ হৈহে আহে। আজি বাৰু হৈছে কি? ৱাল ভিদিঅ'বোৰো বন্ধ কৰি ৰখা হৈছে কিয়? তাচৰ আড্ডাও জমি উঠা নাই দেখোন? ক'তো একো অঘটন ঘটা নাইতো?

তাৰ নিজৰ এপাৰ্টমেন্ট এঁছ-এ-২০৫ অৰ ফালে কিছু অনিশ্চয়তাৰে আগবাঢ়ি যাওঁতে কল্যাণে লাইব্ৰেৰিৰ জাহ্নৱী দত্ত আৰু আন দুজনমান ডেকা ছাইন্টিষ্টে অনুচ্চ স্বৰত কথা পাতি থকা দেখি অকমান বৈ দিলে।

"আপুনি তাৰপৰাই আহিল নেকি ছাৰ?" জাহ্নৱীয়ে যেন সহানুভূতিৰ সুৰতহে সুধিলে।

"তাৰ পৰা মানে? ক'ৰ পৰা?" কল্যাণে অবিনাশৰ লগত লেডিজ ক্লাবৰ এম্বুৰেল মিটলৈ যোৱাৰ কথাটো পোনে পোনে উলিয়াব খুজিলে।

"তেনেহলে, আপুনি শুনাই নাই নেকি ছাৰ?"

জাহ্নবীয়ে বাক পোনে পোনে কথা ক'ব নজনাই হ'ল নেকি ? কল্যাণে এইবাৰ অলপ যেন কৰ্তৃত্বৰ সুৰ ক'ব নোৱাৰাকৈয়ে সানি হি সুধিলে, "মই একো বুজা নাই, মিছ দত্ত, আৰু একো শুনাও নাই। আপুনি যদি বেয়া নাপায় অলপ পোনে পোনে কওক।"

"নহয় ছাৰ, মই আকৌ আপুনি জনা বুলি ভাবিহে কোৱা নাছিলোঁ। কলোনিটোৰ বাবে বৰ দুখৰ খবৰ, ছাৰ। ডক্টৰ পৱন ভাৰ্গভৰ ল'ৰাটো—ল'ৰাটো ঢুকাল নহয় আজি সন্ধিয়া।"

জাহ্নবীৰ মাতটো যেন সোপা মাৰি ধৰিলে। তাই কোনো-মতেহে ডাঙৰকৈ নকন্দাকৈ ক'লে। বৰ কষ্টেৰে কান্দোন নিয়ন্ত্ৰণ কৰি তাই ক'লে, "সৰু ল'ৰা নহয়, চাইকেল চলাই খেলি আছিল। ক'ৰবাৰ পৰা অহা হোভাৰ স্কুটাৰ এখনে খুন্দা মাৰি দিলে। ডক্টৰ ভাৰ্গভে লেবতে দেৰীলৈকে কাম কৰি আছিল। অন্য মানুহে লগে লগে আমাৰ হস্পিটেললৈ নিলে। কিন্তু সেই সময়ত ডিউটিৰ ডাক্তৰো তাত নাছিল। ক'ৰবালৈ ওলাই গৈছিল। ডাক্তৰ বাণী শৰ্মাক খবৰ দিয়া হ'ল।"

কল্যাণ প্ৰায় অধৈৰ্য্য হৈ পৰিছিল। তদুপৰি তাৰো বুকুৰ গভীৰতাৰ পৰা কঁপি কঁপি কান্দোন এটা ওলাই আহিছিল। সি তাৰ গাম্ভীৰ্য্যৰ আৱৰণ দলিয়াই দি আবেগেৰে সুধিলে।— "কওক মিছ জাহ্নবী। কওক। তাৰ পাছত ?"

ডাক্তৰ বাণী শৰ্মাৰ ঘৰত তেতিয়া কিবা এটা পাৰ্টি চলি আছিল। ছোৱালীৰ বাৰ্থ ডে নে কি—। তেখেতে আন এজন জুনিয়ৰ ডাক্তৰক বিচাৰিবলৈ ক'লে।"

"তেওঁ নাহিল তেনেহ'লে ?"—কল্যাণে যেন জাহ্নবীৰ ওপৰতহে সমস্ত অভিযোগ আনিলে।

"নাহিল, ছাৰ। অহা হ'লেতো এনে হ'বলৈহে নাপায়। বিচাৰ-খোচাৰ কৰোঁতে কৰোঁতে ল'ৰাটোৰ তেজ বৰকৈ গৈ আছিল। ডিউটিৰ ডাক্তৰ আহি পাই বেজি এটা দি ছাইন্স ছিটি জেনেৰেল হস্পিটেললৈ

নিবলৈ ক'লে। ডক্টৰ পৱন ভাৰ্গভো পগলাৰ দৰে লগতে গ'ল।
বাটতে—বাটতে—" পাগলীৰ দৰে জাহ্নবীয়ে ব্যাকুলভাৱে কান্দি উঠিল
—"বাটতে, ডক্টৰ ভাৰ্গভৰ বুকুৰ মাজতে, ল'ৰাটোৱে চকু মুদিলে।"

অকণো সময় খৰচ নকৰাকৈয়ে কল্যাণ ডক্টৰ পৱন ভাৰ্গভৰ ফ্লেট পালেগৈ। তাৰ গাড়ীতে জাহ্নবী আৰু ডেকা ছাইন্টিষ্ট দুজনো গ'ল।

পৰিৱেশ নিমাওমাও। দুই চাৰিজন বন্ধু-বান্ধৱ আছে। অনু বাইদেৱো আছে। মজিয়াত কাৰ্পেটৰ ওপৰত পৰা চাদৰ এখনৰ ওপৰত থমথমকৈ পৱন ভাৰ্গভ বহি আছে।

সিহঁত সোমাই যোৱাত ডক্টৰ ভাৰ্গভে মূৰ তুলি চালে। শান্তসমাহিত হৈ মূৰ্তিৰ দৰে তেওঁ স্থিৰ হৈ থাকিল। কিছু পৰৰ পাছত অনু বাইদেৱে মাতিলে, "কল্যাণ!"

কল্যাণে মূৰটো লৰালে।

ছোফাখনৰ ফালে ইংগিত কৰি অনু বাইদেৱে ক'লে, "বহঁা!"

কল্যাণ আৰু বাকী দুজন বহিল। জাহ্নবীয়ে অনু বাইদেউৰ হাতত ধৰি খৰখেদাকৈ ভিতৰ সোমাল। পৰ্দাৰ সিফালৰপৰা চেপা উচুপনিৰ শব্দ ভাহি আহি প্ৰত্যেকৰে মনবোৰ জোকাৰি দিলে।

বহুপৰলৈ ডক্টৰ পৱন ভাৰ্গভ সমাহিত হৈয়ে ৰ'ল। তাৰ পাছত বৰ সহজ সুৰত পাতলকৈ কৈ গ'ল—"জানে ডক্টৰ চৌধুৰী? যোৱাৰ আগতে বাৰে বাৰে ৰাকেশে মোক ক'বলৈ চেষ্টা কৰিছিল, 'মোক তুমি বেয়া নাপাবা দেউতা। মইতো চাইকেল জোৰেৰে চলোৱা নাছিলোঁ। তুমি সোনকালে ডাক্তৰ বাণী শৰ্মা আংকুলক মাতি দিয়া। তেহে মই ভাল হ'ম দেউতা!' "

শেষৰফালে ডক্টৰ পৱন ভাৰ্গভৰ মাতটো ফালি বেসুৰা হৈ ওলাল।

॥ ৮ ॥

দেওবাৰে পুৱা ছাইন্স ছিটিৰ ছবি যেন অকণমানি এয়াৰপোৰ্টটোৰ-পৰা কল্যাণে দুঘণ্টা পলমকৈহে যাত্ৰা কৰিলে। যান্ত্ৰিক বিজুতিৰ বাবে যাব লগা বিমানখন যাব নোৱাৰি বৈ গ'ল। অন্য এখন সৰু বিমানেৰে যাত্ৰীসকলক দুঘণ্টা পলমকৈ নি যেতিয়া কলিকতা পোৱালেগৈ তেতিয়া হায়দৰাবাদলৈ যোৱা পুৱাৰ বিমানখন গুচি গৈছে। কলিকতাতে সন্ধিয়ালৈ বৈ যোৱাত বাহিৰে কল্যাণৰ আৰু একো উপায় নাথাকিল।

এডিচনেল ডাইৰেক্টৰ ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য কলিকতাতে আছিল। থাইলেণ্ডৰপৰা দল এটা আহিছে। বিদ্যুৎ চক্ৰবৰ্তীয়ে এবাৰ বেংককলৈ গৈ মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ প্ৰছেছ এটাৰ লাইছেঞ্চ বৰ সফলতাৰে থাইলেণ্ডক দিছিল। থাইলেণ্ডৰ অৰ্কিডবোৰত নানা সুন্দৰ গোন্ধ যোগ দিয়াৰ প্ৰছেছ। আগৰ গোন্ধ নথকা তিনি নে চাৰি জাতৰ ধুনীয়া অৰ্কিডত এই লেবৰেটৰিৰ বিজ্ঞানীসকলে বায়োটেকনোলজিৰ কৌশলেৰে গোন্ধ যোগ দিলে। এই প্ৰছেছ গ্ৰহণ কৰাৰ পাছত থাইলেণ্ডৰ অৰ্কিডৰ ৰপ্তানি বহু শতাংশ বাঢ়ি গৈছে। ফলত মন্দাকিনীৰ প্ৰতি থাইলেণ্ডৰ আগ্ৰহ বাঢ়িছে। লগতে যশস্যা আৰু বাহাদুৰী বাঢ়িছে বিদ্যুৎ চক্ৰবৰ্তীৰ।

প্ৰতাপ ভট্টাচাৰ্য্যৰ লগত বিদ্যুৎ চক্ৰবৰ্তীও কলিকতালৈ আহিছে। কলিকতাতে থাইলেণ্ডৰ লগত ভৱিষ্যতৰ প্ৰছেছৰ বিষয়ে আমাৰ দেশৰ বিজ্ঞান বিভাগৰ চুক্তি এখন হ'ব। তিনি দিন আগৰেপৰা প্ৰতাপ ভট্ট আৰু বিদ্যুৎ চক্ৰবৰ্তী কলিকতাত আছে। ঢিছু কালচাৰ ছেকচনৰ কোনো বিজ্ঞানীক অৱশ্যে অনা নাই।

কল্যাণে ডাইৰেক্টৰ প্ৰকেছৰ মজুমদাৰক কথাটো কৈছিল। তেখেতে

আজিকালি অৱশ্যে কোনো কথাতে কেতিয়াও পোনে পোনে সিদ্ধান্ত নিদিয়ে। এইবাৰো নিদিলে। দুদিন পাছত কথাটো কল্যাণেই আকৌ উলিয়ালে। অবিনাশ কোৰে দি যোৱা মেগনেটিক ডিস্ক ফাইল এটাৰপৰা স্ক্রিনত পঢ়ি, কিবা শুদ্ধ কৰি, অমনোযোগীভাৱে ডাইৰেক্টৰে ক'লে, "ছাইন্টিষ্টবিলাক এইবিলাক কামত গৈ থাকিলে টাইমো বহুত নষ্ট হয় হে কল্যাণ। তদুপৰি কথাটো হৈছে প্রছেছ ট্রেন্সফাৰৰহে—"

ডাইৰেক্টৰে কি ক'ব খুজিছে কল্যাণে বুজিছিল। সি তেওঁৰ কথাৰ ওপৰতে মাত দিলে, "কিন্তু ছাৰ— ছৰি টু ইন্টাৰাপ্ট ইউ—"

"নাই নাই, কোৱা—"

"যোৱা শুক্রেবাৰে অহা ফেক্স মেছেজটোত থাইলেণ্ডে তেওঁলোক কি কি লাইনৰ ৰিছার্চত ইন্টাৰেষ্টেড সেইটো স্পষ্টকৈ জনাইছে। তেওঁলোকৰ এটা প্রধান লাইন অব ইন্টাৰেষ্ট হ'ল এফ্রোডিছিয়াক।"

প্রফেছৰ মজুমদাৰ ডাইৰেক্টৰ হ'লেও কেতিয়াবা একেবাৰে প্রফেছৰৰ দৰে কথা কয়। তেওঁ গম্ভীৰ সুৰত ক'লে, "যৌবনৰ পাৰদর্শিতা আৰু স্পৃহা বঢ়োৱাৰ বাবে মানুহৰ প্রাগৈতিহাসিককালৰে এই ইচ্ছা হয়তো সদায়ে অপূর্ণ হৈ ৰ'ব। পৃথিৱীৰ কত কিমান বিজ্ঞানাগাৰে বর্তমানৰ বিস্তৰ বৈজ্ঞানিক কৌশল খটুৱাই কত কিমান উচ্চ পর্য্যায়ৰ গৱেষণা চলালে — কিমান জনে কত কি আবিষ্কাৰ কৰা বুলি দাবীও কৰিলে, কিন্তু পাৰিলে জানো প্রকৃত কামোদ্দীপক এটা আবিষ্কাৰ কৰিব? যিহেতু মানুহৰ সমস্ত দক্ষতা, সমস্ত কর্মস্পৃহা আনকি তেওঁৰ মানসিক শক্তি আৰু দর্শনো নির্ভৰ কৰে তেওঁৰ যৌন স্পৃহা আৰু দক্ষতাৰ ওপৰত, এনে এক সচাঁকৈয়ে কাম কৰা কামোদ্দীপক বা এফ্রোডিছিয়াক উলিয়াই দিব পাৰিলে আমাৰ সমাজৰ ৰূপেই বদলি যাব।"

এইবোৰ যে কল্যাণে নতুন কথা শুনিছে তেনে নহয়। কিন্তু প্রফেছৰৰ মুখত, সংযত ভাষাত কথাখিনি শুনি তাৰ নতুনকৈ শুনা যেনেই লাগিছিল। সি কৈছিল, "কিন্তু ছাৰ, আমাৰ লেবৰেটৰিয়ে

এফ্ৰোডিছিয়াক প্ৰস্তুতিৰ বাবে যি দিশত আগবাঢ়িছে সি একেবাৰে নতুন দিশ। আচলতে তাক এফ্ৰোডিছিয়াক বা কামোদ্দীপক বুলি কোৱাতকৈ দক্ষতাবৰ্ধক বা অনুসন্ধিৎসাবৰ্ধক বুলি কোৱাহে ভাল হয়। সিদিনাৰ ৰিভিউ মিটিঙৰ শেষত মই নাম দিছোঁ মন্দাকিনী অল্ফো-এফিকেটৰ।' তাৰ যুক্তি দেখুৱাই কল্যাণে কৈছিল যে সেয়া মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰে উলিয়াব খোজা অলফেক্টৰি এফিকেটৰ বা ঘ্ৰাণ-দক্ষতা-বৰ্ধক। তাত মানুহৰ পুৰণি অভিজ্ঞতা আৰু নতুন গৱেষণা দুয়োটাকে অপূৰ্ব সুন্দৰভাৱে একাত্ম কৰিবলৈ বিচৰা হৈছে।

কল্যাণে সেই সুযোগতে ডাইৰেক্টৰক ৰত্না সিন্‌হা আৰু পুলক সিন্‌হা নামৰ বিজ্ঞানী দম্পতিটোৰ সম্ভাৱনাপূৰ্ণ গৱেষণাৰ কথা কৈছিল। ৰত্না আৰু পুলক সিন্‌হাৰ এইবিলাক অৱিহণাৰ কথা সি বাৰু অলপ বেছিকৈয়ে কৈছিল নেকি?—কাৰণ ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে দেখোন তেওঁৰ সন্মুখৰ ভিদিঅ' মেছেজ পেডটোত মনোযোগ দি দুটামান চাবি টিপি তেওঁৰ পি. এছ. অবিনাশলৈ কিবা নিৰ্দেশ দিয়াতহে মনোযোগ দিলে। তদুপৰি তেওঁ ক'লে, "স্মেল এণ্ড ফ্লেভাৰ ডিভিজনৰ এই ছোৱালীজনীও বেয়া নহয়, হেৰি যে—কি নাম আছিল—অ'পন ইউনিভাৰ্ছিটিৰ ফিউচাৰ ষ্টাডিজৰ ডিন ব্ৰজেশ চোপ্ৰাৰ ছোৱালী যে—"

"কৃষ্ণা চোপ্ৰা।"

"অঁ, অঁ, কৃষ্ণা। সেই ছোৱালীজনীৰো প্ৰট'প্লাষ্ট ফিউচনত ভাল হোল্ড আছে।"

ডাইৰেক্টৰে যেতিয়াই এনেদৰে প্ৰসংগ সলায় কল্যাণে সদায়ে প্ৰসংগটো ঘূৰাই আনিবলৈ যত্ন কৰে। সি প্ৰায় নিৰ্দয়ভাৱে ক'লে, "মই ছাৰ, ৰত্না সিন্‌হা আৰু পুলক সিন্‌হাৰ নতুন ধৰণৰ কামটোৰ কথা কৈ আছিলোঁ।"

ডাইৰেক্টৰে সৰু ভিদিঅ' স্ক্ৰিনখনৰপৰা মূৰ তুলি তাৰ ফালে অবিশ্বাসৰ দৃষ্টিৰে চালে। তেওঁ অতি পুৰঠ মানুহ। গতিকে বাহিৰত কোনো অসন্তুষ্টি নেদেখুৱালে।

কল্যাণে কৈ গ'ল, 'সিদিনা আপুনি নাছিল। স্কুল এপটোৰ প্ৰজেক্ট ইভেলুৱেচন মিটিঙত ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য, বিদ্যুৎ চক্ৰবৰ্ত্তী আৰু বাকী মেম্বাৰবিলাক আছিল। বন্না আৰু পুলক সিন্‌হাই নিজৰ কামৰ বিষয়ে যি প্ৰেজেন্টেচন দিছিল, মই নিশ্চিত যে তাকে লৈ এদিন এই মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰে গৌৰৱ কৰিব পাৰিব।"

ডাইৰেক্টৰে অনিশ্চয়তাৰে মূৰ দুপিয়ালে।

"তেওঁলোক দুয়ো কামোদ্দীপক বা এফ্ৰোডিছিয়াক সম্বন্ধে ইতিমধ্যে পৃথিৱীৰ সকলো লিটাৰেটাৰ ছাৰ্ভে কৰি এটা কম্পিউটাৰ ডেটা বেংক বনাইছে। লাইব্ৰেৰিৰ জাহ্নৱী দত্তয়ো বৰ সহায় কৰিছে।"

ডাইৰেক্টৰে কিমান মনোযোগেৰে শুনিছে কল্যাণে ধৰিব নোৱাৰিলে। কিন্তু নিজৰ সন্তুষ্টিৰ বাবেই সি কৈ গ'ল, "পৃথিৱীৰ বহুতো মানুহে অতি উৎকৃষ্ট এফ্ৰোডিছিয়াক বুলি ইতিমধ্যে মানি লোৱা ইয়োহিম্বাইন নামৰ আফ্ৰিকাত পোৱা গছ জোপাত বাহিৰেও নানা ঠাইৰ নানা বিশ্বাসৰ বহুতো কামোদ্দীপকৰ নমুনা বন্নাই সংগ্ৰহ কৰিছে। আনকি ইউনানী দৰৱ কেঁচুৰ গুড়িও তেওঁলোকে সংগ্ৰহ কৰিছে। সেইবোৰৰ কামোদ্দীপক ৰসায়নৰ বাবে দায়ী জিনবোৰ আনি খোৱা বস্তু যেনে মাছৰুম—মানে কাঠফুলাত দিবলৈ যত্ন কৰিছে পুলকে। আনকি, আমাৰ স্থানীয় কপৌ ফুলতো সেই জিন স্থাপন কৰা হৈছে।"

আমাৰ কপৌ ফুলতকৈও ধুনীয়া থাইলেণ্ডৰ স্পাইৰেন্থাছ নামৰ এবিধ অৰ্কিডত আমাৰ সাধাৰণ কঠালচম্পা ফুলৰ গোন্ধ দিয়াৰ আইডিয়াটো বন্নাই পাইছিল কোনোবা নতুন বিজ্ঞানভিত্তিক গল্প লেখা লেখক এজনৰপৰা। পাছত থাইলেণ্ডত সেই ফুলে বৰ সমাদৰ পায়, আনকি তাৰ ৰপ্তানিও বাঢ়ি যায়। সেই প্ৰচেছ অতি দক্ষতাৰে থাইলেণ্ডলৈ ট্ৰেন্সফাৰ কৰিছিল প্ৰচেছ ট্ৰেন্সফাৰ বিভাগৰ মুৰব্বী বিদ্যুৎ চক্ৰবৰ্ত্তীয়ে। ডাইৰেক্টৰৰ এইবোৰ কথা ভালদৰে মনত আছে। কল্যাণবো মনত আছে।

কল্যাণে আৰু বিশং বৰ্ণনা দিছিল। সেই অৰ্কিডটোতে গোন্ধৰ উপৰিও এতিয়া কোৰিয়াৰপৰা অনা জেনছেং শিপাৰ জিন এটা যোগ দিবলৈ যত্ন কৰা হৈছে। ৰত্না সিন্‌হাই সিদিনা একেবাৰে কলেজৰ প্ৰফেছৰৰ দৰে বক্তৃতা দি কৈছিল যে জেনছেং গছৰ শিপা এতিয়া শক্তিবৰ্ধক, উৎসাহবৰ্ধক, প্ৰেৰণাবৰ্ধক আনকি কামস্পৃহা আৰু যৌন দক্ষতা বৰ্ধক বুলিও গোটেই পৃথিৱীতে বিখ্যাত হৈ পৰিছে। কেবাটাও কোম্পানীয়ে এই শিপাৰপৰা পোনে পোনে টেবলেট বা কেপছুল বনাই বজাৰত যথেষ্ট বিক্ৰি কৰিছে।

পুলকে অৱশ্যে আৰু কেবাবিধো আৰ্কিডত শেৱালিৰ সুবাস আৰু ইয়োহিম্বাইনৰ জিনেৰে মেনিপুলেট কৰিবলৈহে যত্ন কৰি আছে। কৃষ্ণায়ো তেওঁক যথেষ্ট সহায় কৰিছে।

তাৰ পাছত বৰ উৎসাহেৰে কল্যাণে যোগ দিলে, "মই এই প্ৰজেক্টটোৰে নাম ৰাখিছোঁ মন্দাকিনী অলফো-এফিকেটৰ, চমুকৈ এম. অ'. এ. —মোৱা।"

'প্ৰজেক্ট মোৱা'ৰ প্ৰতি তাৰ যে বিশেষ বা অহৈতুক কোনো দুৰ্বলতা নাই, আন আন লোকো ইম্প্ৰেছড হৈছে তাকে বুজাবলৈ সি আৰু যোগ দিলে, "ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য আৰু বিদ্যুৎ চক্ৰবৰ্তীয়েও সিদিনাৰ মিটিঙত এই প্ৰজেক্টটোৰ বিষয়ে যথেষ্ট আশা কৰিছে।"

ডাইৰেক্টৰে যেন এই কথাটোৰ বাবেই বাট চাই আছিল। তেওঁ ততাতৈয়াকৈ হাঁহিৰ সুৰ এটা ফুটাই তুলি ক'লে, "হেঃ হেঃ সেই কাৰণেইতো মই ভট্ট আৰু চক্ৰবৰ্তীকে আমাৰ ছেন্‌ট্ৰেল মিনিষ্ট্ৰি আৰু থাইলেণ্ড গভৰ্মেণ্টৰ লগত কলিকতাত হ'বলগীয়া জইণ্ট মিটিংখনলৈ পঠাব খুজিছোঁ।"

"কিন্তু ছাৰ—," কল্যাণে ক'ব খুজিছিল ইমান বুৰোক্ৰেছিৰ মাজেৰে যোৱাতকৈ পোনে পোনে বিজ্ঞানী দুজনকহে দেখোন আলোচনাৰ বাবে পঠোৱা ভাল—তেহে গৱেষণাটোৰে গ্ৰাহক দেশ থাইলেণ্ডৰ মন

বুজি নতুন দিশত গতি কৰিব পাৰিব, তদুপৰি বিজ্ঞানীকেইজনেও অনুপ্ৰেৰণা পাব।

কিন্তু, কিবা এটা ভাবি কল্যাণে বাক্যটো আধাভুখৰীয়া কৰিয়ে এৰিলে। ডাইৰেক্টৰৰ ওপৰত প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ অদৃশ্য ভোলডালৰ টান সি স্পষ্টকৈ অনুভৱ কৰিলে।

সি জানে প্ৰতাপ ভট্টাচাৰ্য্য লেন দেনৰ সকলো কামতে বৰ আগ্ৰহী। বিশেষকৈ বিদেশৰ লগত কৰা এইবোৰ লেনদেনত। কাৰণ, অন্য সুবিধাৰ উপৰিও তেতিয়া তেওঁ ৰজাৰ দৰে উচ্চ তাৰকা হোটেলৰ ৰয়েল ছুটত থাকিবলৈ পায়। বিদেশৰ লোকৰ আগত ষ্টেটাছ ৰাখিবলৈ লেবৰেটৰিয়ে এই বহুল ব্যয়ো কৰে। সি আৰু জানে এই সকলো লেনদেনৰ কামতে বিদ্যুৎ চক্ৰবৰ্ত্তী প্ৰতাপ ভট্টৰ সোঁহাত-বাওঁহাত।

*

থাইলেণ্ডৰ লগত হোৱা আলোচনাৰ প্ৰগতি এয়াৰ পোৰ্ট ৰপৰা ফোন কৰি হ'লেও প্ৰতাপ ভট্টাচাৰ্য্য বা বিদ্যুৎ চক্ৰবৰ্ত্তীৰ পৰা জানি ল'বৰ বাবে কল্যাণক ডাইৰেক্টৰে কৈছিল। হায়দৰাবাদত সোমবাৰে ছেভেন-ইয়াৰ প্ৰফাইলৰ মিটিঙত সেই কথা কল্যাণে যেনে তেনে উল্লেখ কৰা উচিত হ'ব।

পুৱাৰ প্লেন মিছ কৰি দমদম এয়াৰপোৰ্টৰ একসুৰীয়া খদমদমৰ মাজত সন্ধিয়াৰ ফ্লাইটলৈ বহি থাকিবলৈ কল্যাণৰ মন নগ'ল। সি হুভাৰক্ৰেফট্ টেক্সি এখনেৰে যেতিয়া হোটেল শকুন্তলা পালে তেতিয়া হোটেলৰ ছেন্‌ট্ৰেল লাউঞ্জত ভাৰতীয় সময় দেখুওৱা কেন্দ্ৰীয় ঘড়ীটোত পুৱা এঘাৰ বাজি পঁয়ত্ৰিশ মিনিট গৈছে। হোটেলৰ ছেন্‌ট্ৰেল লাউঞ্জত বিভিন্ন দেশৰ বিভিন্ন সময় দেখুওৱা আৰু কেবাটাও ঘড়ীও আছে।

হোটেলখন একেবাৰে আধুনিক যদিও তাত বঙালী সৌহাৰ্দ্যৰ অকণো হীন-ভেটি ঘটা নাই। কল্যাণে প্ৰতাপ ভট্টাচাৰ্য্য আৰু বিদ্যুৎ চক্ৰবৰ্ত্তীৰ

ছুটৰ নম্বৰ ছুটা ল'লে। সি যেতিয়া ক'লে যে কোনত জনোৱাৰ বা অনুমতি লোৱাৰ কোনো প্ৰয়োজন নাই, তাৰ নিজৰ ঠাইৰ নিজৰ মানুহ—তদুপৰি সি তাৰ মেগনেটিক আইডেন্টিটি কাৰ্ডখনো দেখুৱালে—তেতিয়া তাক ফ্ৰন্ট ডেস্কৰ তাঁতী শাড়ী পিন্ধা গাঢ় ক'লা বঙৰ মৰম লগা ছোৱালীজনীয়ে অতি বিনয়ীসুৰেৰে ওপৰলৈ যাবলৈ বুজাই দিলে।

ছেকেণ্ড ফ্লোৰত বিদ্যুৎ চক্ৰবৰ্তীৰ ছুটতে কল্যাণে প্ৰথমতে নক্ কৰিলে। কিছুপৰ কোনো উত্তৰ নহাত সি কল বেলটো টিপি চালে। ক্ৰমে ইংৰাজী আৰু বঙলা ভাষাত মহিলাৰ কণ্ঠস্বৰ এটা শুনা গ'ল। —"কমত কোনো নাই, ৰিছিপচন ডেস্কত আপোনাৰ বাৰ্তা ৰাখক।"

ৰিছিপচনলৈ নগৈ এটা ফ্লোৰ তললৈ নামি গৈ কল্যাণে প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ ছুটত কল বেল টিপিলে। সুমধুৰ সংগীতৰ সুৰ এটা বজি বাজি মাৰ নৌযাওঁতেই দুৱাৰখন খোল খালে।

"আ—আপুনি?"

বিদ্যুৎ চক্ৰবৰ্তীৰ ভৈণীয়েক অলকা চক্ৰবৰ্তীয়ে দুৱাৰ খুলি দি চিনাকি আৰু আশ্চৰ্য্য দুয়োটা সুৰকে একেষাৰ কথাতে ঢালি দি তাক সম্ভাষণ জনালে, "আহক, ডক্টৰ চৌধুৰী, ভিতৰলৈ সোমাই আহক।"

কল্যাণে ইতঃস্ততঃ কৰিলে। প্ৰতাপ ভট্টাচাৰ্য্যৰ ছুটৰ দুৱাৰ অলকা চক্ৰবৰ্তীয়ে খুলি দিয়াত সি এক প্ৰকাৰ হতবম্ব হ'ল। মন্ত্ৰ মুগ্ধৰ দৰে ভিতৰ সোমাই অলকাৰ ইংগিত মতে ড্ৰইং হলটোৰ এফালে থকা ছোফাছেটৰ এটা চকুত দি বহি পৰিল। অলকাও সন্মুখৰ ছোফা এখনত বহিল। তেওঁৰ ফালে মন কৰি কল্যাণে দেখিলে তেওঁৰ ডিঙিৰপৰা মাটিলৈ বৈ পৰা নানা ফ্ৰিল খুওৱা গুলপীয়া, বিলবিলীয়া পাতল গাউন যেন ড্ৰেছটোৱে তেওঁৰ বয়স চল্লিছৰপৰা যেন আৰু দহ বছৰ কমাই পেলাইছে।

বেছিপৰ সেই ফালে চাই থাকিবলৈ অসুবিধা পাই কল্যাণে সুধিলে, "ভট্টাচাৰ্য্য ছাৰ নাই নেকি?"

অলকাই মুখ ঢুপিয়ালে। "আছে। টয়লেটত। আহিব।"

"মই ওপৰত আপোনালোকৰ ছুট টু-জিৰো-টুলৈও গৈছিলোঁ। তাত বন্ধ দেখিহে ইয়াত সোমালোঁ। ভট্টাচাৰ্য্য ছাৰৰ লগত অলপ অফিছিয়েল কথা আছিল। মই আজি সন্ধিয়া হায়দৰাবাদলৈ যাম। পুৱা আমাৰ ফ্লাইটটো লেট আছিল।" ব্যাখ্যা দিয়াৰ সুৰত কল্যাণে আৰু কিবাকিবি কৈ যাব ধৰিছিল। কিন্তু, অলকাই নাকৰ আগটো ল'ৰাই সামান্য হঁহাৰ দৰে কৰি তাক সুধিলে, "আপুনি হাৰ্ড কিবা ল'বনে ?"

"নাই নাই, দিয়ে যদি ছফ্‌ট ড্ৰিংক এগিলাছকে দিয়ক," কল্যাণে ক'লে।

পানীয় আনিবৰ বাবে অলকা ভিতৰলৈ গ'ল। হোটেলৰ এনে কোঠাবোৰক যে কিয় ৰয়েল ছুট বোলে কল্যাণে অনুভৱ কৰিব পাৰিলে। এয়া মাত্ৰ কম হ'ব কেনেকৈ ? ড্ৰইং হলটোৱে দেখোন তাৰ গোটেই ছাইন্টিষ্ট্‌ছ এপাৰ্টমেণ্টটোৰ সমান হ'ব। ভিতৰত আৰু ক'ত কি আছে বুজা নাযায়। কিন্তু মিউজিক ছিষ্টেম্‌, ৱাল ভিডিঅ' স্ক্ৰিন, দোলনা খেলিব পৰা ওলোমোৱা বেতৰ চকী আৰু ভাৰ দোঁ খাই যোৱা উণী কাৰ্পেটে কোঠাটো ৰাজকীয় কৰি তুলিছে। এই কোঠাত অলকা চক্ৰৱৰ্তীৰ সেই পৰী যেন পোচাকহে শুৱায়।

এটা চিনাকি সুবাস ভাহি আহি মিহিকৈ, লাগো-নালাগোঁকৈ তাৰ নাকত লাগিল। হুঁ ? কিহৰ গোন্ধ ? দীঘলকৈ উশাহ টানি চকু মুদি সি গোন্ধটো মনত পেলাবলৈ যত্ন কৰিলে। আঁ—! হঠাত তাৰ মনত পৰি গ'ল এয়া ৰত্না সিন্‌হা-পুলক সিন্‌হাৰ কঠাল চম্পা ফুলৰপৰা এক্সট্ৰেক্ট কৰা গোন্ধটো। ইয়াকে থাইলেণ্ডৰ অৰ্কিড এটাৰ লগত জেনিটিকভাৱে লগ লগাই প্ৰথমতে সেই অৰ্কিড সুবাসিত অৰ্কিড কৰা হৈছিল। তাৰ পাছত ইয়োহিম্বাইনৰ নিজ আনি যোগ দিয়াত সি এফ্ৰোডিছিয়াক হিচাবে কাম কৰা বুলি দাবী কৰা হৈছিল।

কল্যাণৰ আৰু মনলৈ আহিল যে ডাক্তৰ বাণী শৰ্মাই পঞ্চাশ জন মান ইন্‌ফৰ্ম্‌ড ভলন্টিয়াৰৰ গাত পৰীক্ষা কৰি চাই তেওঁলোকৰ পিটুইটেৰি এক্টিভিটি বাঢ়ি যোৱা বুলি প্ৰমাণ পাইছিল। ভলন্টিয়াৰ কেইজনে বাতি নিজ কোঠাত এনে জেনিটিক মেনিপুলেটেড ছেণ্টেড অৰ্কিড ৰখাৰ পাছত তেওঁলোকৰ উদ্যম আৰু বাসনাও বাঢ়ি যোৱা বুলি স্বীকাৰো কৰিছিল। ৰিভিউ মিটিঙত নমুনা হিচাবে এই পৰীক্ষাৰ ভলন্টিয়াৰসকলে নিজ হাতে পূৰোৱা ফৰ্মৰ কেইখনমান এপিস্কোপেৰে প্ৰজেক্ট কৰা হৈছিল। তাত কাৰো নাম নাছিল। কিন্তু পি আৰু এচ আখৰকেইটাৰ চিনাকি ভাঁজকেইটাৰপৰা তাৰে এখন অমু বাইদেউৰে হ'ব বুলি কল্যাণে অনুমান কৰিছিল। হয়তো ডাক্তৰ বাণী শৰ্মাৰ অনুৰোধত দৃঢ়মনা, নিৰ্ভীক অমু বাইদেৱে এনে এক পৰীক্ষাৰ বাবে বিনা দ্বিধাই ভলন্টিয়াৰ কৰিছে। কিন্তু, উচিত হৈছেনে? এগৰাকী অকলশৰীয়া বিবাহিতা নাৰীক তেওঁৰ বেডৰুমৰ নিভৃতত পুনৰ এক কৃত্ৰিম বাসনাৰ জুইৰে জ্বলাই দিয়া উচিত হৈছেনে?—সিদিনা বাৰে বাৰে কল্যাণে সেই কথাকে ভাবিছিল।

ফুৰফুৰীয়াকৈ সেই নতুন পৰীক্ষামূলক এফ্রোডিছিয়াকৰ সুবাস কল্যাণৰ নাকত লাগি আছিলেই। এনেতে ভিতৰৰপৰা এটা উল্লসিত, কিন্তু চেপা হাঁহিৰ শব্দ তাৰ কানত পৰিল।

"কৈ দিম ৰ'ব! দুষ্টটো!"—ভিতৰৰপৰা চেপা মাত এটাও তাৰ কানত পৰিল।

চাহ ৰঙৰ ঠাণ্ডা পানীয়ৰ ট্ৰে লৈ লয়লাস ভংগীৰে অলকা চক্ৰৱৰ্তী ওলাই আহিল। তেওঁৰ পিছে পিছে ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য।

এই নিবিড় বিশ্ৰামৰ সময়ত কল্যাণক দেখি ভট্টাচাৰ্য্যয়ে সন্তুষ্ট নহয় সেইটো কল্যাণে অনুমান কৰিলে। নাইবা হয়তো সেয়া তাৰ প্ৰাক্‌ধাৰণা মাত্ৰ। ভট্টাচাৰ্য্যই পাতল কুৰ্তা-পাইজামা পিন্ধি আহিছে। তেওঁৰ কো. মেহ

তজৰজীয়া যেন দেখা গ'ল। ভেওঁৰ বয়সো বহুখিনি কমি যোৱা যেন দেখা গৈছে।

সৌহার্দ্যৰ যান্ত্রিক আদান-প্রদানৰ পাছত কল্যাণে হায়দৰাবাদত কাইলৈ সোমবাৰে হ'ব লগা তাৰ মিটিঙৰ কথা ক'লে। 'প্রজেক্ট মোৱা' অর্থাৎ মন্দাকিনী অল্‌ফো এফিকেটৰৰ বিষয়ে, থাইলেণ্ডৰ লগত হোৱা আলোচনাৰ প্রগতিৰ বিষয়েও বুজি ল'লে। আলোচনা ঠিক দিশতেই ভালেখিনি আগবাঢ়িছে। থাইলেণ্ডে এফ-এফ-এ অর্থাৎ 'ফাণ্ডিং ফৰ এডভাইছ' স্কিমত প্রজেক্টটোৰ বাবে পুঁজি দিবলৈ কোনো আপত্তি কৰা নাই।—ভাৰতীয় হিচাবত প্রায় ডেৰ কোটি টকা। আজি দেওবাৰ বাবে কাইলৈহে এগ্রিমেণ্ট চহী হ'ব। ইয়াতেই। আজি ফিছন হেলিকপ্টাৰ এখনেৰে বিদ্যুৎ চক্রবর্তীয়ে টিমটোক সুন্দৰবন দেখুৱাবলৈ নিছে।

"অলকাই আকৌ সেই পিছফালৰ পৰা আক্রমণ কৰা বাঘবোৰক বৰ ভয় কৰে। নগ'ল। মোৰো এই তিনি-চাৰিদিন মিটিং কৰি কৰি অলপ বিলেক্স কৰিবৰ মন গৈছে। নগ'লোঁ আৰু!" প্রতাপ ভট্টাচার্য্যই বাৰু পৰিস্থিতিটো ব্যাখ্যা কৰি ক'লে নে তাক কিবা ইতিকিং কৰিছে ক'লে?

প্রতাপ নাৰায়ণ ভট্টাচার্য্য আৰু অলকা চক্রবর্তীৰ পৰা বিদায় লৈ হোটেল শকুন্তলাৰপৰা ওলাই-অহাৰ বহু পিছলৈকে কঠাল চম্পাৰ ফুৰফুৰীয়া গোন্ধটো কল্যাণৰ নাকত লাগিয়েই থাকিল। স্মিতালৈ তাৰ মনত পৰিল।

সেইদিনা ৰাতি হায়দৰাবাদৰ গেষ্ট হাউছৰ প্রশস্ত কোঠাত কঠাল-চম্পাৰ ফুৰফুৰীয়া গোন্ধটোৱে কল্যাণক বৰকৈ আমনি কৰি থাকিল।

*

হায়দৰাবাদৰপৰা তিনিদিন পছত ঘুৰি আহি অফিছত সোমায়েই কল্যাণে অভ্যাসবশতঃ ভিজিট্‌স' মেছেজ পেডটো চালে। নাই, বিশেষ

দৰ্কাৰী কোনো মেছেজ নাই। অন্য বাইদেবে বিচাৰি ছিল— বিশেষ দৰ্কাৰী নহয় বুলিও লগতে কৈ থোৱা আছে। পি. এ. নিভা কৌৰবক এংগেজমেণ্ট ডায়েৰি দিবলৈ কোৱাত নিভাই চাবি এটা টিপি দিলে। ভিদিঅ' স্ক্রিণত সেইজীয়া আখৰেৰে অতি দৰ্কাৰী, দৰ্কাৰী, আৰু একো লেবেল নোহোৱা কাম বা ফাইলবোৰৰ কথা ওলাল। অতি দৰ্কাৰী লেবেলৰ তলত লিখা আছিল যে সিদিনাই আবেলি চাৰি বজাত প্ৰছেছ ট্ৰেন্সফাৰ কমিটিৰ মিটিং এখন আছে।

"প্ৰছেছ ট্ৰেন্সফাৰৰ মিটিঙত মই আকৌ কেলেই? কিবা ভুল হোৱা নাইতো?"

"মই কনফাৰ্ম কৰিলো ছাৰ। বিদ্যুৎ চক্ৰবৰ্তী ছাৰে ক'লে আপোনাক স্পেছিয়েল ইনভাইটি হিচাপে আজিৰ মিটিঙলৈ মাতিছে।" নিভাই তাইৰ বেনীডাল পিছলৈ কোব মাৰি ক'লে। "ফাণ্ড ফৰ এডভাইছ' স্কিমৰ প্ৰজেক্ট এটা আছে বোলে।"

'ফাণ্ড ফৰ এডভাইছ' স্কিমটো এই লেবৰেটৰিটোত বৰ দুখ লগাকৈ স্বাৰ্থত ব্যৱহাৰ কৰা হৈছে। এই স্কিমত যি পুঁজি আহে তাৰ সত্তৰ শতাংশ এডভাইজৰি টিমত থকা বিজ্ঞানী কেইজনে পায়। কামৰ ভাগ আৰু দায়িত্ব অনুযায়ী বেলেগ বেলেগ হাৰত প্ৰত্যেকে পায়। প্ৰছেছটোত যাৰ অৰিহণা বেছি তেওঁ বেছি পায়। দহ শতাংশ পায় প্ৰছেছ ট্ৰেন্সফাৰ, মাৰ্কেটিং পাৰ্চেজ, ষ্টোৰছ আদিৰ লোকে। বাকী কুৰি শতাংশ থাকে লেবৰেটৰিটোৰ বাবে। কিন্তু কল্যাণে অহাৰ পৰাই মন কৰিছে যে এডভাইজৰি টিমটোত প্ৰতাপ ভট্টাচাৰ্য্য আৰু বিদ্যুৎ চক্ৰবৰ্তীৰ নাম সদায় থাকে আৰু তেওঁলোকে প্ৰতি বছৰে এনে প্ৰজেক্টৰপৰা এটা বুজন পৰিমাণৰ ধন অনাহকতে বা অন্যায়কৈ পায়।

তদুপৰি প্ৰতাপ ভট্টাচাৰ্য্যই অন্য জুনিয়ৰ ছাইন্টিষ্ট, ৰিছাৰ্চ ফেলো আদিৰো নাম তাত ভৰাই ৰাখে। তেওঁলোক কম আয়ৰ মানুহ বাবে টেক্সো দিব লগা নহয়। তদুপৰি তেওঁলোকে এডভাইজৰি কিছু

যি পায় সেইখিনি পায় নগদ হিচাবে কেছ ছেকচনবপবা। তাতেই সাংঘাতিক ঘটনা এটা ঘটে।

প্রতুল ভূঞাই সেই পৃষ্ঠাটো কল্যাণৰ আগত মেলি থৈ গৈছে।

অৰ্গেনিক কেমিষ্ট্ৰিত ছোডিয়ামত জুই লাগি সামান্য আঘাত পোৱা প্রতুল ভূঞাই কল্যাণক দেখা কৰিবলৈ আহিছিল। হয়তে কৃতজ্ঞতাতে। কাৰণ, কল্যাণে তাৰ বেছ খা-খবৰ লৈছিল। তত্নপৰি নিভাৰ লগতো যে প্রতুলৰ কিবা এটা সম্পৰ্ক গঢ়ি উঠিছে সেইটো কল্যাণে মন কৰিছিল।

কল্যাণে ধেমালি কৰিবলৈয়ে কৈছিল, "থোৱাহে প্রতুল, আমিনো কোন কুটা, স্বয়ং এডিছনেল ডাইৰেক্টৰ ভট্টাচাৰ্য্য ছাৰেই সিদিনা তোমাৰ খা-খবৰ ল'বলৈ দৌৰি গৈছে। ডাক্তৰকো যত্ন ল'বলৈ পূৰা অৰ্ডাৰ দি আহিছে।"

প্রতুল ভূঞা ধুনীয়া ল'ৰা। হাঁহি মৰাত আৰু ধুনীয়া দেখা গ'ল। চকুত জিলিকনি এটা ফুটাই তুলি সি কৈছিল, "কেলেই নাযাব ছাৰ? পেষ্টিছাইডৰ এডভাইজৰি টিম এটাত থাৰ্টি ফাইভ পাৰছেণ্ট ফিজ মোৰ নামত দিছিল নহয়।"

ৰহস্যটো কল্যাণে তেতিয়া বুজা নাছিল। চকুত আৰু এটা বিজুলিৰ জিলিকনি মাৰি প্রতুলে কৈছিল, "আমাৰ নামত যে ইমান ফিজ দিয়ে, আমি ছাৰ চহীটোহে কেছ ছেকচনত গৈ কৰি আহিব লাগে। পইচাৰ এনভেলটো কেছিয়াৰ আজিজুৰ ৰহমানে পোনে পোনে প্রতাপ ভট্ট ছাৰলৈ পঠায় নহয়।"

সি আচৰিত হৈ কল্যাণক সুধিছিল, "আপুনি ছাৰ এতিয়াও এইবোৰ ৰহস্য গমেই পোৱা নাই নেকি?"

*

সিদিনা সুমনলতা কনকাৰেন্স ৰুমত 'ফাণ্ড ফৰ এডভাইছ' স্কিমৰ মিটিঙত থাইলেণ্ডৰ বাবে লোৱা 'মোৱা' অৰ্থাৎ মন্দাকিনী অলংকো-

এফিকেটৰ প্ৰজেক্টৰ এডভাইজৰি টিমত এটা শকত পাহে'স্টৈজ কল্যাণৰ নামতো দিবলৈ প্ৰস্তাৱ আগ বঢ়াইছিল বিদ্যুৎ চক্ৰৱৰ্তীয়ে। কল্যাণৰ এই প্ৰজেক্টত অৱদানৰ বিষয়ে তেওঁ গদগদীয়া মাতেৰে বহুত কিবাকিবি কৈছিল।

থ্ৰোট মাইক্ৰ'ফোনটো এডজাষ্ট কৰি নিজৰ উঠি অহা খংটো দমাই, চক্ৰৱৰ্তীক ধন্যবাদ জনাই অত্যন্ত গম্ভীৰভাৱে কল্যাণে কৈছিল, "মোৰ এনে এটা ইমপোৰটেন্ট প্ৰজেক্টৰ এডভাইজৰি টিমত মাত্ৰ প্ৰকৃত ছাইন্টিফিক ৱাৰ্কাৰ কেইজনৰহে নাম থাকিব লাগে। মোৰ নাম, মিষ্টাৰ চক্ৰৱৰ্তী আৰু ডক্টৰ ভট্টাচাৰ্য্যৰ দৰে এই টিমৰ বৈজ্ঞানিক কামৰ বিষয়ে কোনো অভিজ্ঞতা নথকা লোকৰ নাম দিলে প্ৰকৃত বিজ্ঞানী কেইজনৰ সন্মান লাঘৱ কৰা হ'ব আৰু টিমটোৰো মূল্য কমিব। মই ব্যক্তিগত পইচা অৰ্জাৰ এই গোটেই বুধিটোকে গৰিহণা দিওঁ।"

প্ৰতাপ ভট্টাচাৰ্য্যৰ চকুত সিদিনা অগাণি বৰষিছিল। তেওঁ খংটো আয়ত্বলৈ আনি মাথোন কৈছিল, "আই থিংক ডক্টৰ চৌধুৰী ইজ অ'নলি এ স্পেছিয়েল ইনভাইটি টু দিছ মিটিং, নট এ ৰেগুলাৰ মেম্বাৰ। তেখেতে কোৱা কোনো কথাই ৰেকৰ্ড কৰা নহ'ব।"

কল্যাণে জানিছিল সি ফেটী সাপক জোকাই লৈছে।

॥ ৯ ॥

কলিকতাৰপৰা অহাৰ পাছৰেপৰা,—আচলতে ক'ব লাগিলে হোটেল শকুন্তলাৰ সেই মোহনীয় সুবাসৰ মাদকতাৰ মাজত অলকা চক্ৰবৰ্ত্তী আৰু প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যক তেনেকৈ এৰি অহাৰ পাছৰে পৰা— স্মিতাক লগ পাবলৈ কল্যাণৰ মন ব্যাকুল হৈ পাৰিছিল। কিন্তু তাৰ পাছৰ তিনিটা দিন সি অত্যন্ত ব্যস্ততাৰ মাজত কটাব লগা হ'ল।

প্ৰজেক্ট ছাইন্টিষ্ট অশোক মিত্তালৰ এনকুৱেৰিটোৱে ভবাতকৈ বেছি সময় ল'লে। চান্দমল চেৰাউগী জড়িত হৈ পৰা কথাটোৱে এফালে যেনেকৈ অশোক মিত্তালৰ চাৰিত্ৰিক দিশটো বেছি স্পষ্ট কৰি তুলিলে, আনফালে তেনেকৈ এটা একেবাৰে স্পষ্ট, আৰু সন্দেহাতীত চিন দেখুৱাব নোৱাৰাকৈ অশোকক দোষী সাব্যস্ত কৰাটোও জটিল কৰি তুলিলে।

কেমিকেল ফছফৰৰ কামটো আগবাঢ়ি অহাৰ লগে লগে অশোক মিত্তালৰ ধাৰণা হৈছিল যে সময়মতে এই প্ৰজেক্ট শেষ হ'ব। প্ৰজেক্ট শেষ হ'লে প্ৰজেক্ট ছাইন্টিষ্ট হিচাবে তাৰ চাকৰিও শেষ হ'ব। চাকৰি অৱশ্যে সি পাবই। কিন্তু মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰতে নহয়। একোজন ডেকা বিজ্ঞানীয়ে একোটা প্ৰজেক্টত সফলতাৰে কাম কৰাৰ পাছত তেওঁক ভাল চাকৰিয়েই দিয়া হয়, কিন্তু একেটা বিজ্ঞানাগাৰতে নহয়। ৰাষ্ট্ৰীয় গৱেষণা পৰিষদে সেয়া নিয়ম কৰি পেলাইছে। পৰিষদৰ মত হ'ল যে প্ৰজেক্টত বহুত বছৰ কাম কৰাৰ পাছত একেটা বিজ্ঞানাগাৰতে বিজ্ঞানীৰ চাকৰি পালে তেনে বিজ্ঞানীৰ কামত এবপ্ৰকাৰ ক্লান্তি বা লেথাৰ্জি আহি যায়। তদুপৰি তেনে বিজ্ঞানীয়ে আগৰ সেই সফল প্ৰজেক্টটোৰ মোহ এৰিব

নোৱাৰি সেই একে লাইনতে কাম কৰি যাব খোজে'। কিন্তু মানুহৰ উৰ্বৰতা বা উৎপাদকতাৰ এটা সীমা আছে। একে লাইনতে দীঘলীয়া কাল ধৰি কাম কৰি থাকিলে উৰ্বৰতা কমি যায়। গতিকে ৰাষ্ট্ৰীয় গৱেষণা পৰিষদে একে লেবতে প্ৰজেক্ট শেষ হোৱাৰ পাছত আৰু চাকৰি নিদিয়ে।

ড° পৱন ভাৰ্গভৰ লগত কথা-বতৰা হোৱাৰ পাছত কল্যাণৰ বুজিবলৈ বাকী নাথাকিল যে অশোক মিত্তালে কিবা প্ৰকাৰে এই পোহৰ দিয়া ফছফৰবোৰৰ প্ৰস্তুতিত পলম দিব বিচাৰিছে।

"মটিভটো কি হ'ব পাৰে, ডক্টৰ ভাৰ্গভ?" —কল্যাণে সংগোপনে সুধিলে।

"আপুনি নিশ্চয় মোক এই প্ৰশ্ন এনকুৱেৰি কমিছনৰ ফালৰপৰা সুধিছে? ডাইৰেক্টৰে যে ছেবোটেজটোৰ কথা গম পাইছে আৰু কোনো ফৰ্মেল অৰ্ডাৰ দিয়া নাই যদিও—আপোনাকে লৈ ৱান-ম্যন-এনকুৱেৰি কমিছন পাতি দিছে সেইটো বুজিছোঁ।" তেওঁ ক'লে।

পৱন ভাৰ্গভৰ কথাত ঠাট্টা নে গভীৰ বোধৰ সুৰ কল্যাণে ভালদৰে বুজিব নোৱাৰিলে। ভাৰ্গভে খিৰিকিৰ চিকচিকীয়া কাচৰ মাজেৰে দূৰলৈ চালে। তাৰ পাছত ক'লে, "কিন্তু কি হ'ব? আমাৰ ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে কিবা একচন ল'ব পাৰিব জানো? তেওঁৰটো হাত-ভৰি বন্ধা। আপুনি জইন কৰাৰ দিনাই যে পাইলট প্লেণ্টছিত জুই লাগিছিল—তাৰেতো এনকুৱেৰি কমিটিত আপুনিও আছিল, ময়ো আছিলোঁ, মিষ্টাৰ জনাৰ্দনৰ সকলো কথাই তো ওলাই পৰিছিল। কি হ'ল? দুদিন পাছত মিষ্টাৰ জনাৰ্দনৰ অৰ্ডাৰত পাইলট প্লেণ্টৰ নামত কম্পিউটাৰ কণ্ট্ৰোল্ড মাইক্ৰোৱেভ কুকিং ৰেঞ্জ এটা আহিল। অৱশ্যে নামটো ফলাই পাইলট প্লেণ্টৰ বাবে অ'ভেন-গ্ৰিলাৰ নে কি টেকনিকেল নাম এটাত কিনা হ'ল। কুকিং ৰেঞ্জটো গৈ প্ৰতাপ ভট্টৰ ঘৰ উঠাৰ পাছত জীয়েক কুইনে ইণ্টাৰকমত ঘৰৰপৰা ক'লে, অ'হ্, পাপা, হাউ ছুইট ইউ আৰ!' প্ৰতাপ ভট্টই জনাৰ্দনৰ ফালে চাই আধা তৃপ্তি আৰু আধা

কৰ্মীৰ ফুটো-মুফুটো হাঁহি এটা মাৰি ওঁঠৰ চুকত দীঘল ছিগাৰেটটো চেপি ধৰি ক'লে, 'অল ৰাইট, উই উইল ছি হোৱাট উই কেন ডু ফৰ ইউ।' তাৰ পাছতে ডক্টৰ পদ্মনাভনৰ চেয়াৰমেনশ্বিপত হোৱাত এনকুৱেৰি কমিটিৰ ৰিপোৰ্ট ধোঁৱা চাঙত উঠিল।"

ড° পৱন ভাৰ্গৱে বস কৰা নাছিল। তেওঁ বৰ ক্ষোভতহে কথাখিনি কৈছিল।

সেই এনকুৱাৰি কমিটিটোৰ কথা ওলালে কল্যাণৰ বৰ লাজ লাগে। সি তেতিয়া একেবাৰে নতুন। এই লেবৰেটৰিৰ চাল-চলনত অভ্যস্ত বায়োটেকনোলজিৰ হেড ডক্টৰ পদ্মনাভনে একেবাৰে ঠিক কথাকে কৈছিল। জনাৰ্দনে লেবৰেটৰিটোৰ ৱাৰ্কশ্বপ, পাইলট প্লেন্ট, মেইটেনেন্স আদি ছেকছনবোৰত এটা গোপন ব্যৱসায় চলাইছিল। এবাৰ ধোঁৱা খাই পেলাই দিব পৰা ডিছপোজেবল চিলিমত ভাং আৰু ধঁপাতৰ মিশ্ৰণ এটা। চিলিমবোৰ ছেল্‌ফ ইগনাইটিং। মাইক্ৰোছুইচ এটা টিপি দি হোপা মাৰিলেই অকমানি চিলিমটোত থকা ভাং আৰু ধঁপাতৰ মিশ্ৰণটো জ্বলি উঠে। মিষ্টাৰ জনাৰ্দনৰ ঘৰত ভাঙৰ খেতি আছে—ছাইন্স ছিটিৰপৰা মাত্ৰ পঁচিশ কিল'মিটাৰ দূৰত ডাঙৰ ফাৰ্ম। তাত ছিৰামিক মিনি চিলিম আৰু মাইক্ৰোছাৰ্কিটৰ বিভাগ দুটাও আছে। এডাল চকমাটিৰ সমান ডাঙৰ ভাং-ধঁপাত ভৰাব পৰা চিলিমবোৰ চমজদাৰসকলক দিনটোৰ বিভিন্ন সময়ত বিভিন্ন কায়দাত যোগান ধৰাৰ সুন্দৰ নেটৱাৰ্ক এটা গঢ়ি উঠিছে। গোটেই লেবৰেটৰিটোত বিভিন্ন স্তৰত, বিভিন্ন স্থানত এই চিলিম নিখুঁত কায়দা এটাৰে ছাপ্লাই কৰা হয়। বছৰত কেবালাখ টকাৰ ব্যৱসায়। শুনা যায় এডিচনেল ডাইৰেক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰো তাত ভাগ আছে।

ডক্টৰ পদ্মনাভনে কল্যাণক কৈছিল, "চাওক ডক্টৰ চৌধুৰী, আপোনাৰ যুক্তি মই বুজিছোঁ। কিন্তু ওলোটা যুক্তি এটাও দিব

পাৰি—মিষ্টাৰ জনাৰ্দনৰ মিনি চিলিমৰপৰাই পাইলট প্লেণ্ট-ছিৰ বেনজিন ষ্টোৰত জুই লাগিল। ঠিক আছে। কিন্তু যেয়ে এই মিনি চিলিমটো জ্বলি থকা অৱস্থাতে ছুইচ অফ নকৰাকৈ পেলাইছিল তেওঁৰহে দোষ। চিলিম ছাপ্লাই কৰা জনৰ কি দোষ? ব্লেডেৰে ডিঙিত ৰেপ দি কোনোবা মৰিল, সেয়া ব্লেড কোম্পানীৰ দোষ হ'বনে?"

এতিয়া ভাবিলে কল্যাণৰ হাঁহি উঠে। অভিজ্ঞতাৰ নিকংসাহে তাক তেতিয়াও চোৱা নাই। সি মিষ্টাৰ জনাৰ্দনৰ এই ব্যৱসায় যে কিমান সৰ্বনাশী—আজি পাইলট প্লেণ্টৰ বাবে, কাইলৈ গোটেই লেবৰেটৰিৰ সকলো কৰ্মীৰ বাবে—সেইবোৰ কথাৰে ধুনীয়া এটা বক্তৃতায়েই দিছিল।

গম্ভীৰ পৱন ভাৰ্গভে তেতিয়ালৈ বিশেষ একো মতা নাছিল। কিন্তু শেষত গুৰুগম্ভীৰ স্বৰেৰে কৈছিল,—"মিষ্টাৰ চেয়াৰমেন, মোৰ বেছিভাগ প্ৰশ্নৰ উত্তৰত পাইলট প্লেণ্ট-ছি আৰু অন্য ছেকচনৰ মানুহৰ-পৰাই এটা কথাই প্ৰত্যক্ষ বা পৰোক্ষভাৱে ওলাই পৰিছে। ওলাই পৰিছে যে জুই নালাগে, দিয়াচলাই এটাও জেপত নিয়া নিষিদ্ধ কৰা তেনে অঞ্চল এটাত জুই লগাৰ মূল কাৰণ মিনি চিলিম। তাত আগতেই জুই লাগিব লগা আছিল। লাগিল পলমকৈ। পাইলট প্লেণ্টৰ ইনচাৰ্জ মিষ্টাৰ জনাৰ্দনে জানি-বুজি তাত এই ব্যৱসায় চলাই আছে। জুই নালাগিলেও ৰাগীয়াল বস্তুৰ নিচাতে একোটা মানৱ সম্পদ নষ্ট হৈছে—"

তেওঁ আবেগত আৰু কৈ গৈ আছিল। বয়সস্থ ভদ্ৰলোক আৰু চেয়াৰমেন ডক্টৰ পদ্মনাভনে হাত দাঙি বাধা দিলে, "সেইটো—এই মানৱ সম্পদ বা মানুহৰ চৰিত্ৰৰ বিষয়টো আমাৰ কমিটিৰ টাৰ্মছ অব ৰেফাৰেন্সৰ বাহিৰত।"

"কিন্তু জুইৰ ঘটনাটো আমাৰ টাৰ্মছৰ ভিতৰত," কল্যাণে খাবাং-খাচকৈ কৈ উঠি নিজেই লজ্জিত হ'ল। সি মোলায়েম কৰি ক'লে, "জুইৰ বাবেও মিষ্টাৰ জনাৰ্দন দোষী।"

"আ—সেইটো বৰু আও—পকীয়াকৈ প্ৰমাণ কৰা কথা," ডক্টৰ পদ্মনাভনে যেন জনাৰ্দনক ৰক্ষণাবেক্ষণ দিবলৈহে লাগি গৈছে। অন্ততঃ তেতিয়া কল্যাণৰ তেনে লাগিছিল।

পাছত যোৱা তিনিটা বছৰত সি বহুতো কথা জানিলে। বহুতো চৰিত্ৰ চিনি পালে। ডক্টৰ পদ্মনাভনে জানিছিল, এইবোৰ, কমিটি-চমিটিবোৰ এনেয়ে। মানুহক দেখুওৱাৰ বাবে এইবোৰ কৰি ঘটনাটোৰ উম্ম কমি যোৱালৈ বাট চোৱা হয়। তাৰ পাছত কমিটিৰ ৰিপোৰ্ট অবিনাশ কৌৰৰ কোঠাৰ পিছফালে অলপ দূৰত থকা ধূলি ভৰা আৰ্কাইভ এটাত ধূলিৰ তৰপত পোত যায়।

তিনিজন মেম্বাৰৰ দুজনৰ দৃঢ়মত থকা বাবে কমিটিটোৱে ৰিপোৰ্টত লিখিছিল—"ছাপ্পন্নজন বিভিন্ন পৰ্য্যায়ৰ লোকৰ সাক্ষ্য গ্ৰহণ কৰাৰ পাছত আৰু নানা দিশ চালি-জাৰি চোৱাৰ পাছত এই কমিটিয়ে উল্লিখিত পাইলট প্লেণ্ট-ছিৰ জুইৰ ঘটনাটোৰ বাবে পাইলট প্লেণ্টৰ ইনচাৰ্জ মিষ্টাৰ জনাৰ্দনকে নিম্নোক্ত কাৰণসমূহৰ বাবে দোষী সাব্যস্ত কৰে—"

তাৰ পাছত ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ বাবে মিষ্টাৰ জনাৰ্দনৰ প্ৰচেষ্টাত মাইক্ৰোৱেভ কুকিং ৰেঞ্জ আহিল।…অবিনাশৰ আৰ্কাইভত আৰু এটা ধুনীয়াকৈ বন্ধা ৰিপোৰ্ট ধূলিৰ প্ৰলেপৰ তলত ধূসৰিত হৈ পৰিল।

কল্যাণৰ অফিছ ৰুমৰ বোডি ছেন্সৰ নামৰ নতুন কম্পিউটাৰ ব্যৱস্থাৰে স্বয়ংক্ৰিয়ভাৱে শীত-তাপ নিয়ন্ত্ৰিত হোৱা পৰিৱেশত বাস্তৱৰ ৰূঢ়তাই মানুহক সাধাৰণতে আমনি নকৰে। কিন্তু জীৱনৰ বাস্তৱতাই ডক্টৰ পৱন ভাৰ্গভক বহুখিনি শিকাই থৈ গৈছে। শোক আৰু সন্তাপে মানুহজনক কিমান দহিছে বাহিৰৰপৰা মুঠেই বুজিব নোৱাৰি।

ডক্টৰ ভাৰ্গভে কল্যাণক সেই জুইৰ ঘটনাৰ এনকুৱাৰি কমিটিটোৰ কথা মনত পেলাই দিয়াৰ পাছত কল্যাণ বৰ আনমনা হৈ পৰিছিল নিজকে তাৰ বৰ অক্ষম অক্ষম যেন লাগিছিল। ডক্টৰ পৱন ভাৰ্গভো

মনে মনে আছিল। হয়তো বাস্তৱৰ ৰূঢ়তাই তেওঁক জীৱনৰ সকলো কথাকে গ্ৰহণ কৰিব পৰাকৈ পুৰি পুৰি সোণ কৰি থৈ গৈছে।

অলপ পৰৰ পাছত পৱন ভাৰ্গভে কোনোবা এজন মদপী দাৰ্শনিকৰ উক্তি দি ক'লে, "নিচাগ্ৰস্ত অজ্ঞাত মানুহজনে বৰ সুন্দৰ কথা এষাৰ কৈছিল—'হে প্ৰভু মোক যেন সলনি কৰিব পৰাবোৰ সলনি কৰিবলৈ সাহস দিয়া, সলনি কৰিব নোৱাৰাবোৰ মানি ল'ব পৰাকৈ গাম্ভীৰ্য্য দিয়া, আৰু দুয়োবিধৰ মাজৰ পাৰ্থক্য বুজি পাবলৈ জ্ঞান দিয়া'।" তাৰ পাছত তেওঁ যোগ দিলে, "ইয়াত সলনি কৰিব নোৱাৰাটোৱে বেছি। গতিকে গাম্ভীৰ্য্যৰ প্ৰয়োজনো বৰ বেছি।'

কল্যাণেও এটা উক্তি দিয়াৰ লোভ সামৰিব নোৱাৰিলে—সি অনুবাদ কৰাৰ সুৰতে ক'লে, "কিন্তু ডক্টৰ ভাৰ্গভ, 'কোনটো শুদ্ধ জনা, অথচ তাক নোকোৱা—সেইটো হৈছে কাপুৰুষালি'—চীনা দাৰ্শনিক কনফুছিয়াছে কৈছিল।"

আকৌ বন্ধুপৰৰ নীৰৱতা।

"ঠিক আছে তেনেহ'লে," এইবাৰ পৱন ভাৰ্গভ যেন সাক্ষ্য দিবলৈ সাজু হ'ল। "মই মোৰ ক'বলগীয়া খিনি কওঁ। আপুনি এনকুৱাৰি ৰিপোৰ্টত আপোনাৰ লিখিবলগীয়া খিনি লিখক। তাৰ পাছত যি হয় হ'ব। সেয়া আমাৰ হাতত নাই। সৰ্বশক্তিমান বিভুৰ হাতত।"

সৰ্বশক্তিমান বিভু বুলি ডক্টৰ ভাৰ্গভে ওপৰলৈ দেখুওৱাৰ সলনি বাওঁহাতখনেৰে কল্যাণৰ খিৰিকিৰে তললৈ অলপ দূৰলৈ ইংগিত কৰিলে। তেওঁ বাৰু এই ইংগিতেৰে এই লেবৰেটৰিৰ বিভু বুলি এডিছনেল ডাইৰেক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যকে তেওঁ বুজাইছে নেকি?

নিজৰ দীঘল ভূমিকা আৰু আওঁপকীয়া কথাত পৱন ভাৰ্গভ যেন নিজেই কিছু বিৰক্ত হৈছিল। সেইবাবে তেওঁ প্ৰজেক্ট ছাইন্টিষ্ট অশোক মিত্তালৰ কথাটো পোনপটীয়াকৈ আৰম্ভ কৰিলে, "মিত্তাল ল'ৰাটো খুব দৃঢ়মনা চৰিত্ৰৰ ল'ৰা আগতেও নাছিল। তদুপৰি তাক

বিদ্যুৎ চক্রবৰ্ত্তী—প্ৰতাপ ভট্ট কোম্পানীয়ে কিনি পেলাইছে। সি এতিয়া জানে যে এই প্ৰজেক্ট ছাইন্টিষ্টৰ টেনিঅ'ৰ শেষ হ'লে বেগুলাৰ এপইণ্টমেণ্টৰ বাবে সি অন্য কোনোবা লেবৰেটৰিলৈ যাব লাগিব। সেইটো সি নিবিচাৰে।"

বৰ চুটিকৈ পৱন ভাৰ্গভে মিত্তালৰ দুটামান গোপন ৰিছাৰ্চৰ কথা উল্লেখ কৰিলে—চান্দমল চেৰাউগীৰ ভুজিয়াৰ প্ৰিজাৰভেটিভ, মিঠাইৰ নিষিদ্ধ ছুইটেনাৰ আৰু এইবাৰ, ভুজিয়াৰ তেল পোৰাটো কমোৱা পলিমাৰ যিল্ম। আগতে এবাৰ এটা লোকেল পাৰ্টিৰ বাবে ভোটৰ দিনা ভোটাৰৰ হাতত দিয়া মচিব নোৱাৰা চিঞাহী মচা কেমিকেলো উলিয়াই দিছিল।

"ল'ৰাটো বুদ্ধিমান। কিন্তু সি তাৰ বুদ্ধি কেতিয়াও মানৱ জাতিৰ উপকাৰৰ গৱেষণাত ব্যৱহাৰ নকৰে।" বাৰে বাৰে মূল কথাটোৰপৰা আঁতৰি গৈ পৱন ভাৰ্গভে এইবাৰ যেন ঠিক কৰিলে আৰু ইফালে-সিফালে নাযায়। ইমান বহুবক্তিতা ভাল নহয়। তেওঁ ক'লে, "সেউজীয়া পোহৰ দিয়া উইলেমাইট আৰু নীলা পোহৰ দিয়া ছিলাইট ফছফৰৰ ক্ষেত্ৰত বিশেষ সাফল্য লাভ কৰাৰ পাছত অন্য অধিকাৰীয়ে এই কামটো আমাৰ হাততে এৰি বায়োফছফৰ বা বায়োলুমিনেটৰৰ কাম কৰাৰ প্ৰতি আগ্ৰহ দেখুৱালে। তেওঁ যেতিয়া ডক্টৰ পদ্মনাভনৰ লগত কাম কৰিবলৈ কেমিষ্ট্ৰি এৰি একেবাৰে বায়োকেমিষ্ট্ৰি ডিপাৰ্টমেণ্টলৈ ছিফেটই কৰিলে তেতিয়া কেমিকেল ফছফৰ কামৰ সম্পূৰ্ণ দায়িত্ব আহি পৰিল মোৰ ওপৰত। মই জিংক ছিলিকেট, জিংক বেৰিলিয়াম ছিলিকেট, জিংক আৰু কেডমিয়াম বোৰেট, কেডমিয়াম ফছফেট আদি কেবাবিধো কেমিকেল ফছফৰ বৰ সোনকালেই প্ৰস্তুত উলিয়ালোঁ। —সুমনলতাৰ মৃত্যুৰ পাছৰপৰা এনেয়েও মই লেবতে বেছি সময় কটাওঁ, দিনে-ৰাতিয়ে ফছফৰৰ কাম কৰিবলৈ ধৰিলোঁ।"

পৱন ভাৰ্গভে মাত্ৰ সুমনলতাৰ কথাহে ক'লে। পুতেকৰ মৃত্যুৰ

কথা মক'লে। কিন্তু কল্যাণে তোৰ গাৰ নোমবোৰৰ মাজেৰে এক অদ্ভুত শিহৰণ অনুভৱ কৰিলে। মি মাথোঁ ক'লে, "আই এম ছো ছৰি, ডক্টৰ।"

নিজকে সুন্দৰকৈ চম্ভালি ৰাখি ডক্টৰ পৱন ভাৰ্গভে কৈ গ'ল "ছিলিকেট, বোৰেট, ফছফেটবোৰে এবাৰ গাত পোহৰ পৰিলে বঙাৰপৰা সেউজীয়ালৈ বিভিন্ন পোহৰ দিবলৈ আৰম্ভ কৰিলে। প্ৰজেক্ট ছাইন্টিষ্ট অশোক মিত্তাল আৰু পাৰবিন নামৰ মোৰ তত্ত্বাৱধানত পি. এইচ. ডি.-ৰ কাম কৰা ছোৱালীজনীয়ে ফছফৰ:বাৰৰ এফিছিয়েন্সি বঢ়াবৰ বাবে নানা এক্টিভেটৰ ব্যৱহাৰ কৰি চালে। মেগনেছিয়াম, ষ্ট্ৰনছিয়াম আদি এক্টিভেটৰে সুন্দৰ কাম কৰিলে। ফছফৰ:বাৰৰ পোহৰ দিয়াৰ দক্ষতা বাঢ়ি গ'ল। আমাৰ প্ৰজেক্টৰ কাম প্ৰায় শেষ পৰ্য্যায়লৈ অহা বুলি বেছ উৎফুল্ল হৈ পৰিলোঁ।

"পাৰবিনৰ থেছিছৰ কামেও শেষ পৰ্য্যায় পাইছিল। এদিন আমি অশোক মিত্তালৰ ক'ত চাকৰি হ'ব পাৰে তাৰো আলোচনা কৰিছিলোঁ। তেনে সময়তে ঘটনাটো ঘটিবলৈ ল'লে।"

ঘটনাটো কিদৰে কল্যাণক কোৱা যায় তাকে ঠিক কৰিবৰ বাবেহে যেন ডক্টৰ ভাৰ্গভ অকমান ৰ'ল। তাৰ পাছত ক'লে, "ফছফৰবোৰ পোহৰ দিব পৰা দক্ষতা হঠাতে কমি যোৱা কথাটো এদিন পাৰবিনে লক্ষ্য কৰিলে। তাইৰ থেছিছৰ কাম য'তে আছিল ত'তে ৰৈ গ'ল। নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা চলায়ো কেৰোণটো ক'ত আমি ধৰিব নোৱাৰিলোঁ। —কিন্তু এদিন পাৰবিনেই সকলো আৱিষ্কাৰ কৰিলে।"

তিনিমাহ মান পাছত পাৰবিনে ডক্টৰ পৱন ভাৰ্গভক সকলো কথা চিঠিৰে জনাইছিল। তেতিয়া তাই গিৰিয়েৰ লগত ছাইন্স ছিটি এৰি বেংগালোৰলৈ গুচি গৈছে।

এদিন সন্ধিয়া বহু দেৰীলৈকে অশোক মিত্তাল আৰু পাৰবিনে লেবত কাম কৰি আছিল। পাৰবিনে থেছিছৰ বাবে এক্সপেৰিমেণ্ট

এটা কৰি আছিল। পৱন ভাৰ্গভ ক'ৰবালৈ গৈছিল, লেবত নাছিল। ফছফৰৰ ফ'টন এমিছন জুখিবলৈ কোঠাটোৰ লাইটবোৰ অফ কৰি দিবলৈ পাৰবিনে অশোকক কৈছিল। ফছফৰৰ পোহৰেৰে কোঠাটো নীলা হৈ পৰিছিল। হঠাতে পাৰবিনে লক্ষ্য কৰিছিল তাইৰ নাকত ফুৰফুৰিয়া গোন্ধ এটা লাগিছে।

"অশোক, ধনীয়া গোন্ধ এটা পাইছানে ?"

"হুঁ—এইটো নেকি ?" এই বুলি টিউব এটাৰ কোনা খুলি পাৰবিনৰ নাকৰ আগত ধৰি অশোক মিত্ৰালে সুধিছিল ?

"হাৰে অঁতো। ইমান সুন্দৰ ছেণ্ট। ক'ত পালা তুমি ?"

"কৃষ্ণাই দিছে। টিছু কালচাৰত ৰত্না আৰু পুলক সিন্‌হাৰ লগত কাম কৰে যে—" অশোকে নিৰুদ্বেগ সুৰতে কৈছিল। তাৰ পাছত সি পাৰবিনৰ ফালে আবেগেৰে চাই সুধিছিল, "বৰ ভাল গোন্ধ নহয় নে ?"

"উঁ, মনটো বেলেগ লাগি যায়।"

"গোন্ধটো শুঙাৰ লগে লগে পাৰবিনৰ মনটো বেলেগ লাগি গৈছিল। অশোক ল'ৰাটো ইমান স্মাৰ্ট, ইমান ধুনীয়া, ইমান চমৎকাৰনে ? —যে লেবৰেটৰিৰ এই নীৰস পৰিবেশলৈ ধুনীয়া গোন্ধ এটা অনাৰ কথা ভাবিলে ? তাইৰ বাবে ? তাৰ বাৰু তাইক কেনে লাগে ?

তাইৰ প্ৰশ্নৰ উত্তৰৰ বাবে পাৰবিনে বেছি পৰ বাট চাব লগা নহ'ল। পেট্ৰি ডিছ এখনত অশোক মিত্ৰালে অৰ্কিডৰ কনছেন্‌ট্ৰেড এক্সট্ৰাক্টটো বাকি দি কোঠাটোত গোন্ধটো বিয়পি যাবলৈ এৰি দিলে। মোগল যুগৰ এক প্ৰেমিকাৰ দৰে অশোক পাৰবিনৰ ওচৰ চাপি আহিল।

"মোৰ পিঠিত অশোকৰ হাতৰ স্পৰ্শ পাই প্ৰথমতে মই উচপ খাই উঠিছিলোঁ। কিন্তু ক'ৰবাত যেন কিবা এটা হৈছিল—সেই ব্যাপ্ত মৃদু সুবাসত, ফছফৰৰ মায়াবী নীলাভ আভাত বা হয়তো মোৰ ভিতৰতে ক'ৰবাত। মই যেন মোৰ নিজৰে নিয়ন্ত্ৰণ হেৰুৱাই পেলালোঁ। মই

যেন ইতিহাসৰ আদিৰেপৰা চলি অহা এক চিৰন্তন মানৱ সম্পৰ্কক বাধা দিব নোৱাৰা হৈ পৰিলোঁ। মই মাথোঁ ক'লোঁ—"ধেৎ, ইমান পোহৰ —"

অশোক মিত্তালে মূৰ দুপিয়ালে। তাৰ পাছত পিপেট এটাৰে টেপৰপৰা পানী অকণ আনি ফছফৰবোৰৰ গাত ঢালি দিলে। লগে লগে ফছফৰবোৰ নিষ্প্ৰভ হৈ পৰিল। সিইঁতৰ গাৰপৰা আগৰ উজ্জ্বল পোহৰৰ ঠাইত অতি ক্ষীণ চিনো-নিচিনো পোহৰ এটাহে ওলাল।"

"তাৰ পাছত দুমাহ মান নানা অজুহাত দেখুৱাই পাৰবিন লেবলৈ নাহিল। একো বুজিব নোৱাৰি মই বিৰক্ত হ'লোঁ। তাৰ পাছত এদিন হঠাতে বেংগালোৰৰপৰা এই চিঠিখন আহিল।" —পৱন ভাৰ্গৱে ক'লে। চিঠিখনৰ শেষত পাৰবিনে লিখিছিল—"মোৰ সেই ব্যক্তিগত গ্লানিৰ কাহিনীৰে মই আপোনাৰ মনত দুখ দিব খোজা নাই বা আপোনাৰ পৰা অনুকম্পাও বিচৰা নাই। মই মাত্ৰ মোৰ মৰমৰ কেমিকেল ফছফছৰ প্ৰজেক্টটোৰ উন্নতিৰ বাবেহে এই চিঠি লিখিছোঁ।"

নিবিড়তাৰ সেই মুহূৰ্তত অশোকে গৌৰৱেৰে ৰহস্যটো ভাঙি কৈছিল—আইৰণ, কোবাল্ট, নিকেল এইবোৰতো ফছফৰৰ কিল্লাৰ বুলি জানাই। আৰু তুমি জানা যে আমাৰ লেবৰ টেপৰ পানীত বৰ হাই পি. পি. এম. ত আইৰণ আছে। এইবুলি তেওঁ টেপৰ পানী ঢালি ফছফৰৰ পোহৰ কমোৱাৰ বুদ্ধিটো বুজাই দি নিজৰ ৰসতে হাঁহিছিল। পুনঃ বুলি আন এষাৰি কথা পাৰবিনে যোগ দিছিল—"মোৰ ৰিছাৰ্চৰ সকলো ৰিজাল্ট, লগ বুক, ফিল্ম আৰু ডিস্কেট মোৰ ফাইল কেবিনতে পাব। সেইবোৰ কোনোবা ষ্টুডেণ্টক দি পি. এইচ. ডি. কৰালে মই বৰ সুখীহে হম।...."

ডক্টৰ পৱন ভাৰ্গৱে শেষলৈ অহাৰ দৰে কল্যাণক ক'লে, "মই নানা

পৰীক্ষা কৰি চালোঁ। মোৰ লেবৰ টেপত তিনিদিন ধৰি মাত্ৰ ডিষ্টিলড ৱাটাৰ ছাপ্লাই কৰোৱালোঁ। অশোক মিত্তালে টেপৰ পানী ফছফৰৰ গ্ৰোৱাৰ মেডিয়ামত ঢালিলে। কিন্তু একো লাভ নহ'ল। ডিষ্টিল্‌ড ৱাটাৰে ফছফৰৰ হাৰ্ম নকৰিলে। —অশোক মিত্তালৰ ছেবোটেজ প্ৰমাণিত হ'ল।"

সিদিনাই আবেলি ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰক লগ ধৰি কল্যাণে ইতিমধ্যে লোৱা আটাইবোৰ সাক্ষ্য আৰু মন্তব্যৰ ভিত্তিত ক'লে, 'অশোক মিত্তালৰ দৰে ছাইন্টিষ্ট এজন মাত্ৰ এই লেবৰেটৰিৰে নহয়, গোটেই দেশৰে, আনকি মই ক'বলৈ দ্বিধাবোধ নকৰোঁ যে—সমগ্ৰ মানৱ জাতিৰে শত্ৰু। প্ৰজেক্ট ছাইন্টিষ্ট এটা টেনিঅ'ৰ পোষ্ট। মই ভাবোঁ এমাহৰ বেতন দি আজিয়েই আমি অশোক মিত্তালক বিদায় দিব লাগে।' আৰু সি অশোক মিত্তাল, চান্দ মল চেৰাউগী, বিদ্যুৎ চক্ৰবৰ্ত্তী, প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য সংযুক্তিটোৰ কথাও চমুকৈ, কিন্তু যিমান স্পষ্টকৈ পাৰি ক'লে।

প্ৰফেছৰ মজুমদাৰে কথাখিনি শুনিলে। কিন্তু হাঁ-না একো নামাতিলে। তাৰ পাছত তেওঁ ভিদিঅ' ফাইলবোৰত মনোযোগ দিলে।

*

অন্য এটা কথায়ো কল্যাণক বৰ ব্যস্ত কৰি ৰাখিছিল। সেয়া আছিল তিনি দিন ধৰি চলা গেটকিপাৰছ অব ছাইন্সৰ মিটিং। বছেৰেকীয়া এই মিটিংখনতে ৰিছাৰ্চ প্ৰজেক্টৰ প্ৰত্যেকজন ছাইন্টিষ্টে গ্ৰুপ হিচাবে আৰু ব্যক্তিগতভাৱে নিজৰ কাম-কাজৰ বিষয়ে বিতং প্ৰেজেণ্টেচন দিব লাগে। এই গেটকিপাৰসকল দেশৰ বিজ্ঞানৰ নানা শাখাত আন্তৰ্জাতিক খ্যাতিসম্পন্ন ব্যক্তি। কোনোবাজন বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ, কোনোবাজন গৱেষণা প্ৰতিষ্ঠানৰ বিজ্ঞানী বা ডাইৰেক্টৰ,

কোনোবাজন আকৌ কোনোৱা কোম্পানীৰ মুৰব্বী। গেটকিপাৰৰ মিটিং বুলিলে ছাইন্টিষ্টবিলাক বৰ ব্যস্ত-সন্ত্ৰস্ত হৈ পৰে। কল্যাণৰ ছাইন্স এডমিনিষ্ট্ৰেচনৰ ডিপাৰ্টমেণ্ট, বিদ্যুৎ চক্ৰবৰ্তীৰ টেকনোলজি ট্ৰেন্সফাৰ ছেল, জাহ্নৱী দত্ত হঁতৰ লাইব্ৰেৰি আৰু ডকুমেণ্টেচন ছেকচন আৰু উৎপল বিষয়াৰ পাবলিক ৰিলেচনছ অফিছ সকলো অত্যধিক ব্যস্ত হৈ পৰে।

গোটেই লেবৰেটৰিটোৰ সমস্ত কামৰ মূল প্ৰেজেণ্টেচন দিয়ে ডাইৰেক্টৰে। তাৰ সকলো ভিদিঅ' ফিল্ম, স্লাইড, ভিউগ্ৰাফ আৰু অদিঅ' ট্ৰেক তৈয়াৰ কৰাৰ সৰ্বাত্মক দায়িত্ব আহি পৰে কল্যাণৰ ওপৰত। তাৰ বাবে গ্ৰুপবোৰৰ লগত মিটিঙো কৰিব লগা হয় বহুত।

যেতিয়াই তাৰ পাৰ্ছনেল এছিষ্টেণ্ট নিভা কৌঁৱৰে স্নিগ্ধ হাঁহি এটা মাৰি তাক তাৰ এটাৰ পাছত এটাকৈ থকা কৰিবলগীয়া কামবোৰৰ কথা, বা এখনৰ পাছত এখনকৈ থকা মিটিংবোৰৰ কথা মনত পেলাই দিয়ে, তেতিয়াই কল্যাণৰ এটা সুন্দৰ উক্তি মনত পৰি যায়ঃ 'ভাল মেনেজাৰবিলাক সদায় সহজ হৈ থাকে—অতি জটিল আৰু ভিন্ন ধৰণৰ পৰিস্থিতিত পৰিলেও'।

উক্তিটো মনত পৰাত নিভাৰ চালে চাই কল্যাণে হাঁহি মাৰি সুধিলে, "ওঁ, অফিছৰ মিটিংবোৰৰ কথা আৰু টাইম টাৰ্গেট ৰাখিবলগা এছাইনমেণ্টবিলাক বাৰু বুজিলোঁ। আৰু কিবা আছে নেকি কোৱাঁ।"

অকমানি ভিদিঅ' স্ক্ৰিনখনত নিভা উৎফুল্ল হৈ উঠিল - ক'লে, "অমু বাইদেৱে দিনটোৰ কেবাবাৰো ট্ৰাই কৰি আপোনাক ব্যস্ত বুলি গম পাই আপোনাক ছাৰ, পাৰিলে সন্ধিয়া এপাক মাৰিবলৈ কৈছে। লাটুৰেও বিচাৰি আছে বোলে। আৰু হেৰি, বেংকত যে কাম কৰে আপোনাৰ ভায়েক—তেখেতে লং ডিষ্টেন্স কল এটা কৰিছিল। আপোনাৰ ভন্টি শান্তাৰ গা ভাল নহয়। চিন্তা কৰিবলৈ মানা

কৰিছে। ভোক নাই বোলে, দুৰ্বল—পৰীক্ষা কৰাইছে—জণ্ডিছ হ'লেও কাইলৈয়ে গম পাব। আপোনাক আকৌ কল কৰিব। আৰু হেৰি ছাৰ।"

এইবাৰ নিভাই সামান্য লাজকুৰীয়া হাঁহি এটা মাৰি ক'লে, "স্মিতা বাইদেৱে ফোন কৰিছিল। আপোনালৈ আৰু কেতিয়াও ফোন নকৰে বোলে।" এই বুলি তাই খুঁহুঁকৈ চেপা হাঁহি এটা মাৰিলে।

মাক আৰু ভনীয়েকলৈ মনত পৰি, তেওঁলোকৰ লগত যথেষ্ট সম্পৰ্ক ৰাখিব নোৱাৰাৰ গ্লানিত কল্যাণৰ বেয়া লাগি আহিছিল। কিন্তু, স্মিতাৰ অভিমানৰ কথা সোঁৱৰাই দিয়াত আৰু বিশেষকৈ নিভা কোঁৱৰে খুঁহুঁকৈ চেপা হাঁহিটো মৰাত তাৰো হাঁহি উঠি গ'ল।

নিভাক ধন্যবাদ জনাই সি ক'লে, "একাপ গৰম লেমন টি মোলৈ মোলৈ পঠাই দিয়া। আৰু এটা কাম কৰা—প্ৰতুল ভূঞা যে অৰ্গেনিক পেষ্টিছাইডছৰ, চিনি পোৱা নহয়—তেওঁক এবাৰ মোক এতিয়াই দেখা কৰিবলৈ কোৱা।"

প্ৰতুল ভূঞাৰ নামটো কৈ ভিদিঅ' স্ক্ৰিনত নিভাৰ শিশুসুলভ মুখখনলৈ সি মনোযোগেৰে চালে। তাইৰ চকু ভিদিঅ' স্ক্ৰিনত স্থিৰকৈ বন্ধা আছে।

কল্যাণে আকৌ কৌতুক কৰিবৰ মনেৰে ক'লে—"অ' তুমি চিনি নোপোৱা যদি নালাগে দিয়া, ময়েই খবৰ দিম—"

নিভা সচকিত হৈ উঠিল লগে লগে খৰকৈ ক'ব খোজাত তাইৰ খোকোজা লাগিল—"নাই ছাৰ, মানে, পাওঁ, চিনি পাওঁ। এতিয়াই আপুনি মাতিছে বুলি ক'ম।"

প্ৰতুলক ফাণ্ড ফৰ এডভাইছ স্কিমৰ আৰু দুটামান কথা সুধিব লগা আছে। ল'ৰাটো বুদ্ধিমান। কিন্তু একেবাৰে একো নজনা-নুবুজাৰ দৰে থাকে। সি অধ্যয়ন কৰে। কিন্তু চিঞৰি নপঢ়ে। ফাণ্ড ফৰ এডভাইছ স্কিমৰ টকা ভগোৱা গোপন আৰু নীচ প্ৰক্ৰিয়াটো আৰু ভালদৰে বুজি

লৈছে ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰক সকলো জনাব লাগিব। হয়তো ডাইৰেক্টৰে সকলো জানেই। কিন্তু সি তাৰ কৰ্তব্য কৰিব।

কিন্তু তাৰপৰা কি হ'ব? প্ৰফেছৰ মজুমদাৰে অন্য কিবা এটা কথা উলিয়াই তাক বুৰ্বক বনাই বিদায় দিব।

কল্যাণে কনফুছিয়াছৰ উক্তিটো নিজে শুনাকৈ আকৌ গালে। —'কোনটো শুদ্ধ জনা, অথচ তাক নোকোৱা—সেইটো হৈছে কাপুৰুষালি।'

দাৰ্শনিক চিন্তাবোৰ বাদ দি এইবাৰ কল্যাণে স্মিতা কাশ্যপলৈ ভিদিঅ' ইণ্টাৰৰ চাবি টিপিলে। তাৰ অকমানি ভিডিঅ' স্ক্ৰিনখনত স্মিতাৰ মিঠা মুখখন স্থিৰ হৈ ৰ'ল। তাইৰ ধুনীয়াকৈ প্লাক কৰা কিচকিচিয়া ক'লা চেলাউৰিযোৰ সামান্য কোঁচ খালে। কিন্তু তাই একো নক'লে। ওলাই আহিব খোজা শব্দবোৰ বন্ধ কৰিবৰ বাবে তাই বাবে তাই যেন ওঁঠ দুটা ডাটকৈ চেপি ধৰিছে।

কল্যাণে তাৰ ভিদিঅ'-কমটোৰ কেমেৰা পিছটোৰ ওচৰলৈ মুখখন নি মিহিকৈ হাঁহি এটা মাৰিলে। স্ক্ৰিনত স্মিতাৰ চেলাউৰিযোৰ আৰু কুঞ্চিত হ'ল।

কল্যাণে এইবাৰ ভিদিঅ'-কমত মুখ লগাই খুব মিহিকৈ মৰমেৰে মিহিকৈ মাতিলে, "এই, এই সোনজনী চাওঁ!' খং কৰিছা নেকি? —চাওঁ মাতাচোন—নহ'লে নহ'লে, মই কান্দি দিম—"

কল্যাণৰ ভিদিঅ' স্ক্ৰিনখন সামান্য যেন কঁপি উঠিল। স্মিতাই প্ৰথমতে তাইৰ তলৰ ওঁঠটো কামুৰি ধৰিলে। অভিমানখিনি বুকুৰ গভীৰৰপৰা গলি গলি চকুৰ কোণেৰে নামি আহিব খুজিছে। উচুপনিৰ এটা চেপা শব্দ ভাহি আহিল—।

কল্যাণে ক'ব নোৱাৰাকৈয়ে ভিদিঅ' স্ক্ৰিনখন চুই চালে। তাৰ পাছত মিহিকৈ ক'লে—"ধেৎ! নাপায় নহয়। মই দেখোন সদায় ওচৰতে আছোঁ।"

॥ ১০ ॥

ৰিছিপচন ডেস্কৰপৰা স্মিতা কাশ্যপৰ মাদকতাভৰা কণ্ঠৰ মংগলাচৰণৰ পাছতেই মন্দাকিনী দেৱী স্মৃতি বিজ্ঞানাগাৰৰ অন্য এটা ব্যস্ততাৰ দিন আৰম্ভ হ'ল। এই দিনটোৰ ব্যস্ততা আন দিনাতকৈ আৰু বেছি। এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ তলৰ গায়ত্ৰী কনফাৰেন্স কমত পুৱা ন বজাত গেট'কিপাৰ্ছ অব ছাইন্সৰ মিটিং। লেবৰেটৰিটোৰ ৰিছাৰ্চ প্ৰজেক্টবোৰৰ দিক্‌দৰ্শক আৰু ভাগ্য নিৰ্ণায়ক এই মিটিঙে কেবাদিনো আগৰপৰা লেবৰেটৰিটো সজীৱ আৰু তৎপৰ কৰি ৰাখে। কেবাদিনো আগৰপৰা ইণ্টাৰ্নেল ইভেলুৱেচন মিটিংবোৰ হয়। তাৰ আগতে আকৌ ডিপাৰ্টমেণ্টবোৰৰ হেড আৰু ছাইণ্টিষ্টসকলে তেওঁলোকৰ গৱেষণাৰ খুটি-নাটি আলোচনা কৰে। —'মাইলৰ খুটি' নিৰ্ণয় কৰিবলৈ যত্ন কৰে। মাইলষ্টোন বা মাইলৰ খুটি শব্দটো ওলালে বেছিভাগ বিজ্ঞানীয়ে বৰ অসুবিধা পায়। কোনো এটা ৰিছাৰ্চ প্ৰজেক্টত কোনো এটা নিৰ্দিষ্ট সময়ত কি চমকপদ সাফল্য লাভ কৰিলে সেইটো স্পষ্ট ভাষাত ৰেকৰ্ড কৰাকে ৰিছাৰ্চ প্লেনিঙৰ নতুন পৰিভাষাত মাইলষ্টোন বোলে। গৱেষণাৰ এতিয়ালৈকে কৈ যোৱা অংশটোত বাহিৰেও অহা তিনিমাহ, ছমাহ, এবছৰ, পোন্ধৰ মাহত বিজ্ঞানৰ দল একোটাই লাভ কৰিবলৈ আশা কৰা সাফল্যকে মাইলষ্টোন চাৰ্টত ৰেকৰ্ড কৰি থব লাগে। ইণ্টাৰ্নেল ইভেলুৱেচন মিটিংবোৰত কোনো নিৰ্দিষ্ট সময়ত ঢুকি পাবলগীয়া মাইলষ্টোন একোটা কোনো বিজ্ঞানীৰ দলে ঢুকি পালে যেনেকৈ প্ৰশংসাবাণী ৰেকৰ্ড কৰা হয়, ঢুকি নাপালে তেনেকৈ প্ৰশ্নৰ বাণ মৰা হয় আৰু শেষত সমব্যথী ইভেলুৱেটৰ আৰু বিজ্ঞানী কেইজনে লগ লাগি সুবিধা-অসুবিধাবোৰৰ ভিত্তিত নতুন মাইলষ্টোন বা লক্ষ্য স্থাপন কৰে।

এই গোটেই গ্রুপ মিটিং, প্রগ্রেছ ৰিপোর্ট, ইণ্টার্নেল ইভেলুৱেচন, কোচিং টেকনিক, মনিটৰিং আদি ব্যৱস্থাবোৰ কাগজেপত্ৰই আগৰে পৰা আছিল। কিন্তু ঠিক এই ফৰ্মত, বিজ্ঞানীসকলে নিজে অংশ গ্ৰহণ কৰা, আত্ম-হিচাব-পৰীক্ষণ আৰু আত্ম-বিশ্লেষণৰ এই ব্যৱস্থা এই লেবৰেটৰিত কল্যাণেহে আৰম্ভ কৰাই দিছে।

ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে এদিন তাক তাৰিফ কৰি তেখেতৰ শহুৰেকৰ আগত হাঁহি-হাঁহি কৈছিল,—“এওঁ, কল্যাণে যেতিয়া আমাৰ ইয়াত এইবোৰ আৰম্ভ কৰে, মই তেতিয়া ভয়েই খাইছিলোঁ। ভাৱিছিলোঁ মুকলিমূৰীয়া ছাইণ্টিষ্টসকলে এনেকুৱা দায়বদ্ধতা, এনেকুৱা হিচাব পৰীক্ষা মুঠেই সহ্য নকৰিব, বিদ্ৰোহেই কৰিব। কিন্তু এই গোটেই ছিষ্টেম-বোৰে যেতিয়া তেওঁলোকৰহে হিত সধা দেখা গ’ল—যেতিয়া এই পৰীক্ষণৰ বাবেই গেটকিপাৰৰ মিটিঙবোৰে তেওঁলোকে অধিক আত্মবিশ্বাস আৰু দৃঢ়তাৰে ফেছ কৰিব পৰা হ’ল—তেতিয়া তেওঁলোকেহে এইবোৰ বেছিকৈ বিচৰা হ’ল। এতিয়া প্ৰজেক্ট লিডাৰ বোৰেহে মোক মনত পেলাই দিয়ে—‘ছাৰ নেক্স ইভেলুৱেচন মিটিংখন পাতিব পৰা হ’লে ভাল আছিল, ছাৰ মাইলষ্টোন চাৰ্টখন অলপ মডিফাই কৰিব লাগিছিল”—অলপ বৈ প্ৰফেছৰ মজুমদাৰে ৰিটায়াৰ্ড প্ৰফেছৰ, বুঢ়া শহুৰেকক আৰু কৈছিল—“দঁচাকৈয়ে এওঁ কল্যাণ চৌধুৰী আমাৰ লেবৰেটৰিৰ জে’ম—”।

সেয়া বেছ আৰম্ভণিৰেই কথা। তেতিয়াও কল্যাণে ডাইৰেক্টৰৰ আগত অশোক মিত্তালৰ ৰিপোৰ্ট দিয়াৰ দিনাৰ দৰে ডাঠি ক’বলগীয়া হোৱা নাই। তেতিয়াও অম্বু বাইদেউৰ বিদেশ ভ্ৰমণৰ বিষয়ে, বা ৰত্না আৰু পুলক সিন্‌হাক থাইলেণ্ডৰ দলৰ লগত আলোচনা কৰিবলৈ কলিকতালৈ পঠোৱাৰ বিষয়ে টানকৈ ক’বলগীয়া হোৱা নাই, তেতিয়াও সি তেখেতৰ অনিশ্চয়তা আৰু সিদ্ধান্ত গ্ৰহণৰ অক্ষমতা ভালদৰে বুজি উঠা নাই, বা সেইবোৰক তেওঁৰ সৰলতা বুলি বুজি আছে।

কিন্তু কল্যাণৰ দিনবোৰ লাহে লাহে এতিয়া সলনি হৈ পৰিব ধৰিছে, প্ৰফেছৰ মজুমদাৰ আৰু কল্যাণৰ মাজৰ সমীকৰণ অসন্তুলিত হৈ পৰিব ধৰিছে। প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ অদৃশ্য ডোলৰ টান তাত কিমান কোৱা টান, কিন্তু বিদ্যুৎ চক্ৰৱৰ্তীৰ পোনপটীয়া চৰিত্ৰ হননৰ অপচেষ্টা তাত আছে বুলি কল্যাণ নিশ্চিত। হয়তো পাবলিক ৰিলেচনছ অফিছাৰ উৎপল বিষয়ায়ো তাত কম অৰিহণা যোগোৱা নাই। আৰু অবিনাশ কৌৰ? অবিনাশ কৌৰৰ ভূমিকা সম্পৰ্কে কল্যাণ নিশ্চিত নহয়।

*

গায়ত্ৰী কনফাৰেন্স ৰুমৰ অতি গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশত মধ্যাহ্ন ভোজন বিৰতি ঘোষণা হোৱাৰ লগে লগে অমু বাইদেউ বাহিৰলৈ দৌৰ মাৰি অহা দি আহি পৰম স্বস্তিৰে কল্যাণক কৈছিল, "উহ! কোনোমতে শেষ কৰিলোঁ কল্যাণ। তোমাৰ কাৰণেই ইমান দীঘলীয়া প্ৰেজেণ্টেচন এটা এনেদৰে দিয়া সম্ভৱ হ'ল।"

"মোৰ কাৰণে?" কল্যাণ যেন নিৰ্বিবাদে কোনো পোনপটীয়া কৃতজ্ঞতা মানি ল'ব নোখোজে। হাঁহিৰ সুৰত সি সুধিলে, "মোৰ কাৰণে আকৌ কেনেকৈ? অ'—দাদাগিৰি কৰা ভাই এটা ওচৰতে আছে বাবে গেটকিপাৰৰ মেম্বাৰ কেইজনে ভয় খাই গ'ল হ'বলা?"

"যোৱা, তোমাৰ সদায় পেংলাই!" কৃত্ৰিম খং কৰি অমু বাইদেউৱে ক'লে, "সঁচাই তোমাৰ কাৰণে। তুমি যেতিয়া প্ৰথম ইণ্টাৰ্নেল প্ৰজেক্ট ইভেলুৱেচন পাতি আমাক ছব ছাইণ্টিষ্টবিলাকক নানা প্ৰশ্নেৰে থকা-সৰকা কৰিছিলা—তেতিয়া ময়ো মনে মনে কম বেয়া পোৱা নাছিলোঁ। ভাবিছিলোঁ তুমি ছাইন্স এডমিনিস্ট্ৰেটৰৰ ইমান ছিনিয়ৰ পোষ্ট এটা বৰ কম বয়সতে পাই অলপ ওস্তাদি কৰিছা।"

[illegible]

অমু বাইদেউৰ কথাষাৰ বেলেগতে নিদিলে মনোযোগ [illegible] আৰম্ভ ঠিক এই, "তুমি [illegible] তুমি পাছতে [illegible] অভিজ্ঞতাসম্পন্ন [illegible] তোমাৰ প্ৰতি [illegible]-সম্প্ৰদায় [illegible] মাজত বিজ্ঞানীসকলৰ দায়বদ্ধতাৰ বিষয়ে তুমি দিয়া বক্তৃতা দিছিলা—তোমাৰ চুটিকৈ কটা চুলি, ডকমকাই থকা দেহ, [illegible] পাৰ্চনেলিটি আৰু গম্ভীৰ কণ্ঠৰ সাৱলীল ইংৰাজী এইবোৰে আমিতে তোমাৰ সেই বক্তৃতা বেছ উপাদেয় কৰি তুলিছিল। কিন্তু তুমি যেতিয়া প্ৰকাশ পোৱা গৱেষণা প্ৰ-পত্ৰ, টেন্সৰ হোৱা টেকনোলজি, মাইলষ্টোন, কোদিং টেকনিক আদিৰে হাই ষ্টেটৰ এছিভমেণ্ট কোৱাৰ কথা ক'লা—তেতিয়া এজন মুক্ত বিজ্ঞানী হিচাবে মই তোমাৰ কথাখিনি হজম কৰিবলৈ বৰ টান পাইছিলোঁ। কিন্তু এতিয়াহে বুজিলোঁ।"

বিজ্ঞানৰ ভাল কৰ্মী হিচাবে অমু বাইদেউৰ নাম আছে। কিন্তু নিদিনা, পেটেণ্টিপাৰলকলৰ আগত বায়োলুমিনেচেন্সৰ গৱেষণাৰ বিষয়ে দিয়া সুন্দৰ প্ৰেজেণ্টেচনেৰে অমু বাইদেৱে নিজকে এগৰাকী অভিজ্ঞ অধ্যাপিকাৰ শাৰীতো প্ৰতিষ্ঠা কৰিলে।

নিদিনা হাইপাৱাৰ পেটেণ্টিপাৰছ অব বাইনৰ [illegible] লাঞ্চ টাইমৰ আগতে এটা এটাকৈ তিনিটা টিমে প্ৰেজেণ্টেচন দিছিল: মেল এণ্ড ফেটাল প্ৰ-পৰ পৰা বজা নিসৃত আৰু পুৰুষ সিনৃহাৰ লগতে [illegible] চোপ্ৰাই, কেমিকেল ফছফৰ প্ৰ-[illegible]পৰা উদ্ভৱ পৰম [illegible] আৰু অন্যান্য [illegible], আৰু বায়োলুমিনেচেন্সৰ প্ৰ-পৰ পৰা সহযোগী নিজৰ [illegible] লগত অমু বাইদেৱে, অমু বাইদেৱেই প্ৰধানকৈ, নিজৰ সহযোগী হিচাবে এনেয়েহে লগত আছিল।

ব্যৱস্থাপনাৰ অন্য কামত ব্যস্ত থাকিব লগা হোৱাত নিদিনা কল্যাণ

একেবাৰে [illegible] কিন্তু অনু বাইদেউৰ প্ৰেজেণ্টেচনৰ শুনিবলৈ বুলি সেইদিনা [illegible] অলপ [illegible] আছিল। [illegible] ভাৰ্গভৰ পাছতে অনু বাইদেউৰ প্ৰেজেণ্টেচন। কেমিকেল ফছফৰ আৰু বায়োফছফৰ বা বায়োলুমিনেটৰ যে একেটা প্ৰজেক্ট—প্ৰজেক্ট জুহিফেকিসন—ছটা দিশ লৈ বিষয়ে ডাইৰেক্টৰ প্ৰফেচৰ মজুমদাৰে এটা চুটি বিৱৰণী দিছিলেই। কিন্তু পৱন ভাৰ্গভে বাল ছাইজ ভিডিঅ' স্ক্ৰিনত কেমিকেল ফছফৰৰ আত্যোপান্ত প্ৰজেক্ট কৰি গৈ থাকোঁতে য'তেই অনু বাইদেৱে কাম কৰি থকা দৃশ্য ওলাল তাতেই ফ্ৰেমটো অলপ সময়ৰ বাবে ফ্ৰিজ কৰি দিলে আৰু 'মোৰ পুৰণা সহকৰ্মী', 'মোৰ মৰমৰ বন্ধু', 'যাৰ অবিহণাৰ বাবে আজি কেমিকেল ফছফৰৰ কাম ইমানখিনি আগ বাঢ়িছে', 'মাই ডিয়াৰেষ্ট ফ্ৰেণ্ড অনু'—এনেদৰে মন্তব্য কৰিলে। সেই গাম্ভীৰ্য্যপূৰ্ণ, থম থম, আধা আন্ধাৰ পৰিৱেশতে এপলক দৃষ্টি চুৰি কৰি ডক্টৰ ভাৰ্গভে অনু বাইদেউৰ ফালে চোৱা আৰু অনু বাইদেৱে এক বৰ্ণনাতীত কবিতাসুলভ সমব্যাখ্যাৰে তাৰ প্ৰতি সহাঁৰি জনোৱা কথাটো কল্যাণৰ চকুৰ পৰা সাৰি নগ'ল।

কিন্তু, কিন্তু, কল্যাণৰ ভুল হোৱা নাইতো? ডক্টৰ অশোক মিত্তাল আৰু ডক্টৰ পৱন ভাৰ্গভে প্ৰজেক্ট কৰা ফটোবোৰত পাৰবিন নামৰ—সেই ব্যক্তিগত স্খলনৰ বাবে একেবাৰে শেষ পৰ্য্যায়ত গৱেষণা এৰি যোৱা পাৰবিন নামৰ ছোৱালীজনীত বাহিৰেও আৰু এজন চিনাকি মুখ চমকতে পাৰ হৈ গ'ল নেকি বাৰু? কাৰ মুখ সেইখন? কুইনৰ?' ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ ছোৱালী কুইনে বাৰু কেনেবাকৈ ডক্টৰ পৱন ভাৰ্গভৰ গ্ৰুপত জইন কৰিলে নেকি?

অলপ পাছতে ডক্টৰ পৱন ভাৰ্গভে তেওঁৰ প্ৰেজেণ্টেচন শেষ কৰি বৰ আগ্ৰহেৰে ঘোষণা কৰিলে—"নাও, মাই অ'ল্ড কলিগ এণ্ড ফ্ৰেণ্ড অনু অধিকাৰী উইল প্ৰেজেণ্ট অন বায়োলুমিনেটৰ। অনু—।"

অনিশ্চিত, কিছু শংকাগ্ৰস্ত খোজেৰে অনু বাইদেউ লেকচাৰ

ৰোষ্ট্ৰামৰ ওচৰলৈ উঠি আহিল ডক্টৰ পৱন ভাৰ্গৱে, তাক ট্ৰিবিউট এটাৰ আমাৰ লেক্টাৰ্ণ মাইক্ৰোফোনটো নিজৰ কণ্ঠস্বৰ একেবাৰে মৈ অনু বাইদেউৰ ফালে টানি কৰা ডিজিটোত লগাই দিলে।

আকৌ এক মুহূৰ্তৰ দৃষ্টি বিনিময়ৰ পাছত সেই মাইক্ৰোফোনৰ মাজেৰে অনু বাইদেৱে কণ্ঠ পৰিস্কাৰ কৰাৰ শব্দ শুনা গ'ল। কেই চেকেণ্ডমানৰ সম্ভাৱনাময় নীৰৱতাৰ পাছত তেওঁ কিছু আড়ষ্টভাৱে ক'লে, "থেংক ইউ।"

সিদিনা গায়ত্ৰী কনফাৰেন্স ৰুমৰ প্ৰেজেণ্টেচন ৰোষ্ট্ৰামত একেই আড়ষ্টতা আৰু বিধাই আৱৰণিতে ৰত্না সিন্‌হা আৰু কৃষ্ণা চোপ্ৰাকো আগুৰি ধৰিছিল। পুলক সিন্‌হা আৰু পৱন ভাৰ্গৱকো। শেষত অনু বাইদেউকো। বহুদিনৰ মানসিক প্ৰস্তুতি আৰু অনুশীলনৰ পাছতো ভাগ্য আৰু দিশ নিৰ্ণায়ক এই থমথমীয়া গাম্ভীৰ্য্যৰ গেটকিপাৰসকলৰ আৱৰণ ভেদ কৰি লোমোৰাৰ প্ৰথম প্ৰচেষ্টাটো সদায়েই ভয়াবহ হৈ পৰে।

কিন্তু তাৰ পাছত দক্ষ বিজ্ঞানী কেইগৰাকীৰ গৱেষণাৰ অৱদান আৰু জ্ঞানৰ বলতে সেই ভয়াবহ গাম্ভীৰ্য্যক কোনো প্ৰশ্ৰয় নিদি নিতান্তই সহজভাৱে প্ৰেজেণ্টেচন আগবঢ়াই নিয়ে। প্ৰশ্নৰ থকা-সৰকা কৰা বাণৰ প্ৰক্ষেপ আছে। ৰথী-মহাৰথীৰ দৰে সাহসেৰে তাৰ সন্মুখীন হয় পৱন ভাৰ্গৱ আৰু অনু বাইদেউ, পুলক সিন্‌হা আৰু কৃষ্ণা চোপ্ৰাই, ডক্টৰ পদ্মনাভন আৰু বিশালাক্ষীয়ে, অশোক মিত্তাল আৰু প্ৰফুল্ল ভুঞাই, বিনায়ক দে আৰু বিমল বৰুৱাই, জিলবিজ হুচেইন আৰু ৰত্না সিন্‌হাই। একে একে সকলোৱে পাৰ পৰে। এই যুক্তি প্ৰস্তুতি আৰু পাৰদৰ্শিতাই, প্ৰত্যুৎপন্নমতিতা আৰু প্ৰখৰতাই একোজন বিজ্ঞানীৰ, একোটা গ্ৰুপৰ ভৱিষ্যতৰ কৰ্মপন্থা, ভৱিষ্যতে পাব লগা অনুদান আৰু সমৰ্থনৰ, পৰিমাণো নিৰ্ণয় কৰে। কোনো কোনোৰ

[illegible] তাঁৰ যে [illegible]—[illegible] কোনোটো [illegible] হৈ যে যাব পাৰে। [illegible] প্ৰেমৰ [illegible] পিয়া [illegible] হাহিব নজনা [illegible] মুখ দেখিছেন। তাতে কোনোৱেই [illegible] আনি এখনেও [illegible] হয়—কিন্তু এই মুখবোৰে [illegible] অদৃশ্য [illegible] লগাইছে ধূলি ধৰিছে উপৰত থাকাতে।

সেইদিনাও, প্ৰনেবুৰা অনুষ্ঠানত [illegible] প্ৰফেছাৰ ভট্টাচাৰ্য্যৰ মাত আবেগ আৰু ভক্তিত গদ গদ হৈ পৰিছিল।

"চেয়াৰমেন ডক্টৰ বৰুণদেৱ, দি অ'নলি লেডি মেম্বাৰ প্ৰফেছৰ মিচ্‌ সৰস্বতী, এণ্ড দি আদাৰ অনাৰড্‌ গেটকিপাৰছ", ভাইবেষ্টৰ পাতল পাতলকৈ প্ৰত্যেকটো শব্দ উচ্চাৰণ কৰি ৰাজনৈতিক নেতাই পতাকা উত্তোলন কৰি দিয়া বক্তৃতাৰ দৰে কৈছিল, "আই ৱেলকাম ইউ টু দি টুৱেন্টি ফিফ্‌থ মিটিং অব্‌ দি গেটকিপাৰছ অব্‌ হাইজ অব্‌ দি মন্দাকিনী মেমোৰিয়েল ৰিচাৰ্চ লেবৰেটৰি।...আপোনালোক আটায়ে নিশ্চয় জানে যে এটা অতি সামান্য আৰম্ভণিৰপৰা মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰে আজিৰ অৱস্থা পাইছে।"

তাৰ পাছত প্ৰায় বিহ্বলতাৰেই তেওঁ মন্দাকিনী দেৱীৰ স্মৃতি বিজড়িত সেই তেত্ৰিশ বছৰ আগৰ দিনবোৰৰ কথা স্মৰণ কৰিছিল। আদৰ্শৰ সপক্ষে সৰল মন্তব্য দাঙি ধৰাৰ অপৰাধত তিনি [illegible] ছাত্ৰই অধ্যাপক স্বামী আৰু যুৱক পুত্ৰক বিশ্ববিদ্যালয় চৌহদতে তেওঁৰ চকুৰ আগতে পেট্ৰোল ঢালি জুই লগাই [illegible] হত্যা কৰাৰ পাছতো, অধ্যাপিকা মন্দাকিনী দেৱীয়ে [illegible] গৱেষণাৰপৰা বিচলিত নহ'ল। গোটেই জীৱন কষ্টাৰ্জ্জিত সঞ্চয়েৰে তেওঁ [illegible] কৰিছিল বহু নিলগৰ নিজ বাসভৱনৰ এচুকতে স্থাপন কৰিছিল এটা সৰু বিজ্ঞানাগাৰ।

"সেই বিজ্ঞানাগাৰতেই এদিন হাইজ ছিটিৰ সকলো কাম-কাজৰ, সকলো গৱেষণা-উন্নয়নৰ নিউক্লিয়াছ হৈ পৰিব—সেই স্বপ্ন দূৰদৃষ্টি সম্পন্না

মন্দাকিনী দেৱীয়ে এদিন এনেদৰে ... বিশ্ববিদ্যালয়খনৰ ... কেমিষ্ট্ৰীৰ প্ৰত্যেক, ছাত্ৰ ছাত্ৰীলৈকে, নিজ গৱেষণাগাৰতে কাটিছিল আৰু এদিন গৱেষণাগাৰত কৰ্মৰতা অৱস্থাতে মৃত্যু মুখত পৰা মন্দাকিনী দেৱীৰ সেই সপোন তেওঁৰ জীৱন কালত কাৰ্যকৰী হৈ নুঠিল হৈয়ে ৰৈ গ'ল। কিন্তু তেওঁ সৃষ্টি কৰি যোৱা, নিজ হাতে গঢ়ি যোৱা এনে আদৰ্শপ্ৰাণ নিষ্ঠাবান গৱেষক ছাত্ৰই মন্দাকিনী বিজ্ঞানাগাৰৰপৰাই এক বিকাৰ মাটি আৰু কনিকেল ফ্লাস্ক পানী আনি আধাৰ শিলা স্থাপন কৰিলে মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ। সেই বিজ্ঞানাগাৰেই হৈ পৰিল এই গোটেই ছাত্ৰৰ ছিটিৰ হৃদপিণ্ড আৰু মস্তিষ্ক, জীৱনী-শক্তি আৰু স্পন্দন।"

শেষৰ ফালে ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰৰ মাতটো খোকাখুকিকৈ ওলাল। এই বিজ্ঞানাগাৰৰ ৰাষ্ট্ৰীয়কৰণ, অনুদান, সাফল্য, অৱদান, মানৱ-সম্পদ, বিজ্ঞানীৰ গড় বয়স আদিৰ কেবাটাও সংগীত সংযুক্ত ভিডিওগ্ৰাফ দেখুওৱাৰ পাছত তেওঁ মোখনি মাৰিলে, "যি ত্যাগ আৰু আত্মোৎসৰ্গৰ আদৰ্শ মন্দাকিনী দেৱীৰ জীৱনৰ আদৰ্শ আছিল, মন্দাকিনী দেৱীৰ স্মৃতি-বিজড়িত এই বিজ্ঞানাগাৰত সি সদায়ে মহান, সদায়ে স্বৰ্গীয় বুলি গণ্য হৈ আহিছে। সেই বাবেই গৱেষক ছাত্ৰী এগৰাকীক হাই ভোল্টেজ ইলেকট্ৰিক শ্বকৰপৰা বচাই নিজেই বলি হৈ পৰা গায়ত্ৰী মজুমদাৰৰ পবিত্ৰ স্মৃতিত আমি এই কনফাৰেন্স কম উৎসৰ্গা কৰিছোঁ।"
— প্ৰফেছৰ মজুমদাৰে পোন্ধৰ বছৰ আগতে হেৰুওৱা তেওঁৰ সহধৰ্মিনীৰ হাঁহি মুখীয়া, পূৰ্ণাবয়ব তৈল চিত্ৰখনৰ ফালে সিক্ত-সমাহিত দৃষ্টিৰে মূৰ তুলি চালে, কিন্তু তেওঁ ন'বল। কৈ গ'ল।

"কেমিকেল ইঞ্জিনিয়াৰিঙৰ পৰীক্ষা এটাত অগ্নিদগ্ধা হৈ মৃত্যু মুখত পৰা সুমনলতা ভাৰ্গৱৰ স্মৃতিত উৎসৰ্গিত হৈছে—ওপৰৰ কনফাৰেন্স কম," তেওঁ ডক্টৰ পৱন ভাৰ্গৱৰ ফালে সমবেদনাৰে চালে, "মানুহৰ চকুত নিৰ্ভীক প্ৰতিফলন কৰিবলৈ ... বোলে ... নিজৰ মনকে গোপন ...

নিউট্ৰিনো বিষয়ত পাণ্ডিত পৰীক্ষা কৰি চাই আন্তৰ্জাতিক [illegible] বঢ়াই নিজে অন্ধ আক্ৰোশত বিকাৰগ্ৰস্ত হৈ পৰা ডক্টৰ জ্ঞানচন্দ্ৰক নামত উৎসৰ্গ কৰিছোঁ জ্ঞানচান্দ অডিটৰিয়াম।”

ডাইৰেক্টৰ ডক্টৰ মজুমদাৰে বিজ্ঞানাগাৰটোৰ কেইটামান নতুন সাফল্য, থাইলেণ্ডৰ লগত অৰ্কিডৰ গৱেষণাৰ নতুন চুক্তি, যোৱা ছটা মাহত বিজ্ঞানাগাৰটোৱে কৰা আৰ্থিক উপাৰ্জন আদিৰ চমু বিৱৰণ ছবি, গ্ৰাফ, পাই-ডায়েগ্ৰাম আদিৰে চমুকৈ কিন্তু দৃঢ়ভাৱে দাঙি ধৰাৰ পাছত গেট-কিপাৰৰ চেয়াৰমেন ডক্টৰ বৰুণদেৱে কাৰ্য্যক্ৰমণিকাৰ মূল কাম আৰম্ভ কৰিলে। ডাঠ, ক'লা ৰংকৰা জপৰা চুলি, হালধীয়া ফ্ৰেমৰ চছমা, দুটা হৈ ফাটি পৰা থুঁতৰি আৰু অদ্ভুত ৰঙৰ বাহাৰ থকা স্পোৰ্টিং বনিয়নেৰে থোপোকা কিন্তু ভজবজীয়া মানুহজনক দেখিলে কল্যাণৰ কোনো ডাঙৰ বিজ্ঞানী বা প্ৰযুক্তিবিদ বুলি ভাব নহয়, ভাব হয় চিনেমাৰ খলনায়ক বুলিহে। পাইপ'টো অৱলীলাক্ৰমে ওঁঠেৰে চেপি ৰাখি তেওঁ প্ৰথমতে ডাইৰেক্টৰক ধন্যবাদ দিলে—তেওঁক আৰু তেওঁৰ দক্ষ পৰিচালনাত কাম কৰা পাৰদৰ্শী বিজ্ঞানীসকলক তেওঁলোকৰ সাফল্যৰ বাবে অভিনন্দন জনালে। তাৰ পাছতে তেওঁ যেন কিছু ৰুক্ষ, কিছু গোমোঠা হৈ পৰিল। ডাইৰেক্টৰৰ ফালে চাই ক'লে “প্ৰফেছৰ মজুমদাৰ, ইউ হেভ এ টিম অব ভেৰি ইণ্টেলিজেণ্ট এণ্ড কেপেব'ল ছাইণ্টিষ্টছ হিয়াৰ। তদুপৰি ছাইন্স এডমিনিষ্ট্ৰেচন, টেকনোলজি ট্ৰেন্সফাৰ, লায়েজোঁ আদিৰ বাবে আপোনাৰ হাতত আছে একো একোটা ফুল ডিভিজন। এই সকলো ৰিছোৰ্চ, এই সকলো ইনফ্ৰাষ্ট্ৰাকচাৰ একেবাৰে অপটিমাম লেভেলত ব্যৱহাৰ কৰি লেবৰেটৰিটোক দেশৰ প্ৰথম শ্ৰেণীৰ নেচনেল লেবৰেটৰিবোৰৰ এটা কৰাৰ দায়িত্ব আপোনাৰ—আপোনাৰ দক্ষ বিজ্ঞানীসকলৰ।”

এই কথাবোৰৰ যে বিশেষ একো মূল্য নাই, এইবোৰ যে দাৰ্শনিক ৰাজকীয় আৰু কৌপোনী উপদেশ মাথোন, সেই কথা কল্যাণে বুজিছে।

বিজ্ঞান, বিশ্বভ্রমি মনোযোগেরে শুনি, প্রকাৰ বলে শুনি থাকিলা। পিছে) লক্ষ্য কৰিলে আটায়ে মনোযোগেরে শুনি আছে।

প্রফেছৰ মিছ সৰস্বতী নাগৰ অতি তীব্র আঁতাৰ ব্যৱহাৰ কৰি অহা, অতি শকত মহিলা গৰাকীয়েও ডাঙৰ ডাঙৰ শব্দেৰে এটা বক্তৃতা দিলে। মাজে মাজে অদর্কাৰতে নিজ ৰসতে হাঁহিলে। "মহিলাগৰাকীৰ মুখটোৰ অলপ হেৰি আছে হ'বলা—গণ্ডগোল," অম্বু বাইদেৱে নিজৰ মুখত কিবা এটা পকোৱাৰ দৰে ভংগী কৰি কৈছিল। "কিন্তু, তেওঁ দেশৰ ছাইন্স টেকনোলজিৰ উচ্চ পৰ্য্যায়ৰ উপদেষ্টা।"

"গণ্ডগোল থকা বাবে নে গণ্ডগোল থকা সত্ত্বেও?" কল্যাণে ৰস কৰি সুধিছিল।

"বাবে যেনহে লাগে" অম্বু বাইদেৱে হাঁহিছিল। অম্বু বাইদেৱে হাঁহিলে কল্যাণে মনটোত বৰ সকাহ, বৰ স্ফূর্তি পায়।

প্রথমতে অলপ আড়ষ্ট হ'লে পাছলৈ সাৱলীলভাৱে থাইলেণ্ডৰ অৰ্কিডত জেনেটিকভাৱে সুগন্ধ দিয়া গৱেষণাৰ বিতং প্রেজেণ্টে চন দিছিল বন্না সিন্হাই। মিঠা বৰণীয়া, ওথ-পাখ এই ছোৱালীজনীৰ কণ্ঠটো কিন্তু বেছ দৰদী। এনেয়ে লেব বা মিটিঙত পোনপটিয়াকৈ চকু দিবলৈ কল্যাণৰ অসুবিধা লগা তাইৰ অবয়বটোৰ প্রকট ভাঁজ-ভুঁজবোৰ বহল স্ক্রিণত প্রজেক্ট কৰা উজ্জ্বল ছবিৰ বিপৰীতে ছিলুয়েট এটা হৈ পৰিছে —আৰু সেইবোৰ বৰ মায়াবী, বৰ কাব্যিক হৈ পৰিছে। প্রজেক্ট লুছিফেৰিনৰ কামৰ লগত এই কামটোও কেনেবাকৈ সংযুক্ত কৰিব পৰা হ'লে—তেতিয়াতো প্রজেক্ট লুছিফেৰিনৰ বিখন ভিদিঅ' ফিল্মৰ কথা কল্যাণে সদায় ভাবি আহিছে তাত এই মৌন স্লেভাৰ প্রজেক্টৰ কথাও দিব পৰা যাব। তেতিয়া, তেতিয়া কেইটামান মুহূর্তৰ বাবে ভিদিঅ' কেমেৰা নামি আহিব বন্না সিন্হাৰ সেই ফটোজেনিক মুখখনৰ পৰা ডিঙিৰে লাহে লাহে তললৈ—। কেইটামান মুহূর্তৰ বাবে সি বৈ যাব বৰ্কাই আইৰ ভিতি আৰু বাণ্ডিৰ ঠিক মাজতে এটাইতে দাড়ি থকা থকা

মৌলিকতাৰ বাবেও বেছি দৰকাৰ ।" বড়াই বাক্য তলিবলৈ মুখেৰে কথা দিলা আৰু অলপ লো কাউণ্টাৰ পলিছি কৰাইছিলে ?

এজেলেন মিছ-পৰবৰ্তীয়ে শিকিবা এটা জোক কৰি নিজ বসতে হাঁহি হাঁহি বন্যা-পুলকৰ কামৰ প্ৰশংসা কৰিলে । হাঁহিৰে বহস্যৰ ইংগিত দিয়াৰ দৰে তেওঁ ক'লে, "বন্যা-পুলক পিন্‌হাৰ এক্ৰোডিছিয়াকে বেডৰুমৰ বাহিৰেও কল-কাৰখানা, অফিচ-কাছাৰি, স্কুল-কলেজতো কামৰ স্পৃহা বঢ়োৱাৰ ক্ষেত্ৰত নতুন অৱিহণা যোগাব বুলি মই আশা কৰোঁ ।"

কৃষ্ণা চোপ্ৰাক তেওঁ আৰু অধিক পিটাৰেচাৰ ছাৰ্ভে কৰিবলৈ উপদেশ দিলে । সেয়া যে তেওঁৰ কামৰ ওপৰত দেখদেখকৈ বক্ৰ মন্তব্য, সেইটো অনুভৱ কৰি কৃষ্ণা বঙা-চিঙা পৰিল ।

পৱন ভাৰ্গৱ আৰু অশোক মিত্তালৰ প্ৰেজেণ্টেচনো সুন্দৰ হোৱা বুলি চেয়াৰমেন ডক্টৰ বৰুণ সেনে মন্তব্য কৰিলে । "কিন্তু কামৰ বেগ আৰু বঢ়া উচিত । আই ড'ণ্ট আণ্ডাৰষ্টেণ্ড অৰ এপ্ৰিচিয়েট হোৱাট কুড বি ইয়াৰ প্ৰব্লেম । বাকি ডিৰেক্টৰ ডাইৰেক্টৰ আৰু হাইজ এডমিনিষ্ট্ৰেৰ ড° কল্যাণ চৌধুৰীৰ লগত এই বিষয়ে কিছু কথা পাতিব লাগিব ।" —তেওঁ কি ইংগিত কৰিলে বুজা নগ'ল । হয়তো ডাইৰেক্টৰে কথাবোৰ ইতিমধ্যে তেওঁক বিশদকৈ জনাই থৈছে ।

পৱন ভাৰ্গৱে অনু বাইদেউৰ কণ্ঠৰ ওচৰত থৈ থোৱা মাইক্ৰোফোনটো পিছি জপাই দিয়াৰ সময়ত কল্যাণৰ হৃদপিণ্ডটোৱে যেন এটা চপচপনি মাৰিবলৈ পাহৰিলে । তাৰ বুকুখন চুপুক্‌কৈ গ'ল । পাৰিবনে ? পাৱৰ্ছ হোটেলৰ মিটিং কমৰ বেবকে ব্ৰেক বোৰ্ড বুলি কল্পনা কৰি লৈ সত্যেন আৰু তাক কেমিষ্ট্ৰি বুজোৱা অনু বাইদেৱে আজিৰ এই পৰীক্ষাত—পৰীক্ষাতকৈও ডাঙৰ পৰীক্ষাত—তাবিকেন বাক ধুনীয়াকৈ প্ৰেজেণ্ট কৰিব ?

"অ্যাডাপটেশন পৰীক্ষা পৰীক্ষা আমি এটাহে কৰিছোঁ ঃ তাতে এইবাৰ

[illegible]
অনু বাইদেৱে দুদিনমান আগতে এদিন তাক দেখিছিল।

প্ৰথম আহুতোৰিনি কাটি উঠাৰ পাছত পাৰ্টিছ কয়ন কৰাৰ প্ৰণালীত্তো ছেকেণ্ডটোকিপৰাকৈয়ে যেন জীৱন পাই উঠিল। পঙ্কজ আৰু কণ্ঠৰে অনু বাইদেৱে দখল আনি ল'লে। দিলবিজ হুছেইনে অ'ভাৰহেড প্ৰজেক্টৰ, ৱাইদ স্ক্ৰিন, এল. চি. ডি. ডিছপ্লে আদিত অনু বাইদেউৰ প্ৰ'জেক্টৰ কামবোৰ দেখুৱাই গ'ল।

এল. চি. ডি. বা জুলীয়া ক্ৰিষ্টেলৰ বজনৰ ক্ষেত্ৰত মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰে ইতিমধ্যে বিশেষ নাম কৰিছে। জীৱন্ত দৃশ্য দেখুৱাই থাকিব পৰা দৃশ্য সলনি কৰিব পৰা আৰু সুইচ টিপিয়েই স্বচ্ছ-অস্বচ্ছ কৰিব পৰা বেৰৰ কাৰিকৰী কৌশলবোৰ ইতিমধ্যে বজাৰত দিয়া হৈছে। কিন্তু নতুনকৈ উলিওৱা প্ৰজেকচনৰ ডিভাইছবোৰ ইয়াৰ ইনষ্ট্ৰুমেণ্টেচন ডিভিজনটোৱে সুবিধা পালেই মিটিংবোৰত দেখুৱায়। অনু বাইদেৱেও তাৰে শেহতীয়া কেইটামান ডিভাইছ ৱাইদ স্ক্ৰিন কালাৰ গ্ৰাফিকছ, অডিঅ'-ভিডিঅ' ছিনক্ৰোনাইজাৰ আদি ব্যৱহাৰ কৰি বক্তৃতা দিছিল।

"ডক্টৰ পৱন ভাৰ্গৱৰ কামৰ য'ত শেষ—মোৰ কামৰ তাতেই আৰম্ভণি"—গলগলীয়া মাতেৰে অনু বাইদেৱে আৰম্ভ কৰিলে। "কেমিষ্ট্ৰিৰ ছাত্ৰী হিচাবে মনো সেই কেমিকেল বস্তুবোৰৰ কামেৰেই মন্দাকিনীত মোৰ কাম আৰম্ভ কৰোঁ। কেমিকেল বস্তুবোৰৰ বিষয়ে ডক্টৰ ভাৰ্গৱে বিশদভাৱে আৰু অতি সৰলভাৱে আপোনালোকক কৈ গ'ল। তাৰ পাছৰপৰা মই আৰম্ভ কৰোঁ।"

অ'ধা আন্ধাৰ গায়ত্ৰী কনফাৰেন্স কমৰ বেৰৰ ৱাইদ ভিডিঅ' স্ক্ৰিনত আন্ধাৰ ৰাতিৰ দৃশ্য এটা ওলাল। অডিঅ' ছিনক্ৰোনাইজাৰটোৰে [illegible]
[illegible]

ছিমুলেচনটোৱে এনেকৈ এটা এনেকৈ দিকে কেলা পাৰ্চনৰ চকুবোৰক গোটেই কনকাৰেন্স ৰূমটোৰ অ'ত-ত'ত উৰি ফুৰিছে।

"এনে এজাক জোনাকী পৰুৱাৰ পোহৰৰ চমকনিয়ে এদিন মোক যেন এটা নতুন বাট দেখুৱাই দিলে,"—অনু বাইদেৱে তেওঁৰ কণ্ঠৰ মাদকতাৰে উপস্থিত সকলোকে এক নতুন মাৰ্গ দৰ্শনৰ দিশত লৈ গ'ল। "মই যেন কেমিকেল যন্ত্ৰৰ ৰাজ্যৰপৰা গৈ প্ৰকৃতিৰ, জীৱজগতৰ, এক প্ৰদীপ্তিৰ ৰাজ্যত বিচৰণ কৰিব খুজিলোঁ।"

দিলবিজ হুছেইনে বেৰৰ দৃশ্যটো সলনি কৰিলে। বিৰাট ডাঙৰকৈ জোনাকী পৰুৱাৰ ছবি এটা দেখা গ'ল। তাৰ শৰীৰৰ বিভিন্ন অংশত কাঁড় চিন দি লেবেল কৰা আছে। "লেম্পিৰিডি ফেমিলিৰ পতংগ এই জোনাকী পৰুৱাবোৰৰ পেটৰ তলৰ, নেজৰ ওচৰৰ এই অংশটোত লুছিফেৰিন নামৰ কণা বা পিগমেণ্ট কিছুমান থাকে। জোনাকী পৰুৱাবোৰে লুছিফেৰেজ নামৰ এবিধ এনজাইম ক্ষৰণ কৰে। লুছিফেৰেজৰ সান্নিধ্যত জোনাকী পৰুৱাটোৱে উশাহত লোৱা অক্সিজেনৰ লগত লুছিফেৰিন কণাবোৰে বিক্ৰিয়া কৰিলে পোহৰৰ সৃষ্টি হয়। জোনাকী পৰুৱাৰ মাইকীবোৰে ৰাতি নিৰ্দিষ্ট ছন্দত এই পোহৰৰ সংকেত দি মতাবোৰক সম্ভোগৰ বাবে নিমন্ত্ৰণ কৰি আনে।"

বেৰৰ ছাবিবোৰ আৰু সমন্বিত সংগীত সলনি হৈ গৈ থকাৰ লগে লগে জীৱবিজ্ঞান-পতংগজগত—ৰসায়নবিজ্ঞান, আনকি বংশ বৃদ্ধিৰ দৈহিক কৌশলবো এখন নতুন জগত যেন মুকলি হৈ পৰিবলৈ ধৰিলে। তাৰ আঁত ধৰি গৈ থাকিল এক চুম্বকীয় কণ্ঠই—সেই কণ্ঠ প্ৰজেক্ট লুছিফেৰিনৰ প্ৰজেক্ট লিডাৰ অনু অধিকাৰীৰ—কল্যাণৰ মৰমৰ অনু বাইদেউৰ।

"আমি কেলিফৰ্নিয়া ইউনিভাৰ্ছিটিৰ বায়োকেমিষ্টসকলৰ আইনত্তে জোনাকী পৰুৱাৰপৰা লুছিফেৰেজ এনজাইম আহৰণ কৰিবলৈ যত্ন কৰিছিলোঁ। সেয়া আছিল এক প্ৰকাৰ দুঃসাধ্য প্ৰচেষ্টা। অতি নিৰলীয়া

প্ৰত্যেক দুৰ্ভো প্ৰতিটো জোনাকী পৰুৱাৰ কোষত ইমান অগণ্য পৰিমাণে লুছিফেৰেজ পোৱা যায় যে সি কোনো কামতেই নাহে। গতিকে আমি জেনেটিক ইঞ্জিনিয়াৰিঙৰ সহায় ল'লোঁ।”

অম্বু বাইদেৱে সেই নতুনৰ যাত্ৰাৰ সমস্ত কাহিনী চুটিকৈ, কিন্তু সাৱলীলভাৱে বৰ্ণনা কৰিলে। ৰাইড ভিদিঅ' স্ক্ৰিণত ভেঁৰে বা চাউচাউৰ দৰে এঁকাবেঁকা, দণ্ড সদৃশ, অৰ্দ্ধস্বচ্ছ, জীৱন্ত পদাৰ্থবোৰক অম্বু বাইদেৱে ইছ্‌ছেৰিছিয়া কোলাই বুলি পৰিচয় কৰি দিলে। ইয়াত সেইবোৰ কেৰাহাজাৰ গুণ ডাঙৰকৈ দেখুওৱা হৈছে।

“ইছছেৰিচিয়া কোলাই—বা চমুকৈ ই. কোলাই নামৰ এই বেক্টেৰিয়াবিধ সকলোতে পোৱা যায়—নলা নৰ্দমাতো, আনকি মানুহৰ খাদ্য অন্ত্ৰতো। ইহঁতে অতি দ্ৰুতভাৱে বংশ বৃদ্ধি কৰে। ইহঁতৰ জিনত,”—টৰ্চ পইণ্টাৰেৰে স্ক্ৰিণৰ ছবিত পোহৰৰ কাঁড় এডাল মাৰি দি অম্বু বাইদেৱে ক'লে, “এই জিনবোৰত আমি জেনিটিক কৌশলেৰে সুমুৱাই দিলোঁ জোনাকী পকৰাৰ লুছিফেৰেজ-ছিক্ৰেটিং জিন।”

মিউজিক চৰম পৰ্য্যায়লৈ উঠিল। অতীতৰ বুকুৰপৰা উকমুকনি তুলি যেন নামি আহিছে একো চমকা পোহৰ। —ইনষ্টুমেণ্টচন ডিভিজনটোৰ হৰ্ষ কুমাৰ থাম্মা নামৰ বয়সীয়া মানুহজনে অদ্ভুত নিষ্ঠা আৰু ঐকান্তিকতাৰে কম্পিউটাৰ ছিমুলেটৰত এই মিউজিকবোৰ ৰচনা কৰে। মানুহজনৰ এটা চকু বেয়া, চুলি উছুলি-মুছুলি, দাৰ্শনিক যেন দেখি। মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ ছিগনেচাৰ টিউনৰপৰা সকলো তেৱেঁই ৰচনা আৰু উপস্থাপন কৰিছে।

সেই ব্যাকুল সংগীত-ধ্বনিৰ মাজে মাজে অম্বু বাইদেৱে কৈ গৈছিল, “ই. কোলাই বেক্টেৰিয়াই জোনাকী পকৰাৰ জিন গ্ৰহণ কৰি পোহৰ দিবলৈ আৰম্ভ কৰিলে। সিহঁতে উপযুক্ত পুষ্টি থকা মাধ্যমত দ্বিগুণ দক্ষভাৱে বংশবৃদ্ধি কৰাৰ লগে লগে পোহৰৰ পৰিমাণ বাঢ়ি গ'ল।

সেইখিনিতেই আমি মানুহ জাতিক কল্যাণৰ কামত বহুতো অৱদান সজোৱাৰ দেখিছোঁ।"

গেষ্ট হাউচত ডিনাৰৰ পাছত সেই বাত্তি থোকে কাঢ়ি স্নান লেকৰ কাষেৰে অমু বাইদেউৰ ঘৰলৈ যাওঁতে জোনাকী পৰুৱাৰ জাকবোৰ দেখি কল্যাণৰ পুতুল খুৰালৈ মনত পৰিল। পুতুল খুৰাৰ দিহামতে সৰুতে কল্যাণহঁতে জোনাকী পৰুৱা ধৰি টৰ্চ লাইট সাজিছিল। অমিতাৰ ঠাইত জোনাকী পৰুৱা ভঁৰাৰা টৰ্চ লাইট।

কথাটো মনত পৰি কল্যাণৰ ড'ঙৰকৈ হাঁহি উঠি প'ল। কল্যাণে খোজৰ বেগ বঢ়াই দিলে। অমু বাইদেউক খবৰ দুটা সোনকালে দিব লাগে — ডিনাৰৰ সময়ত হোৱা গেটকিপাৰ সকলৰ ফাইনেল মিটিঙত চেয়াৰমেন চক্টৰ বৰুৱাদেৱে অমু বাইদেউৰ কামৰ বিষয়ে বিশেষ প্ৰশংসা-সূচক ৰেকৰ্ড কৰাৰ পাছত অমু বাইদেউৰ বিদেশ ভ্ৰমণো এপ্ৰুভ কৰিছে। আৰু প্ৰফেচৰ মিহু সৰস্বতীৰ ষ্ট্ৰং ৰিকোমেণ্ডেচন মতে ছেবোটেজৰ অভিযোগত অশোক মিত্তালক ছাছপেণ্ড কৰিছে।

॥ ১১ ॥

পেটেণ্টৰ সকলৰ ফাইনেল মিটিঙত অনু মাইদেউৰ জাৰ্মানি ভ্ৰমণৰ অনুমোদন আৰু অশোক মিত্তালক নিলম্বিত কৰাৰ নিৰ্দেশ —দুয়োটায়েই একেবাৰে মাটকীয়ভাৱে আহিছিল। ছাইন্স এডমিনিষ্ট্ৰেটৰ ডক্টৰ কল্যাণ চৌধুৰীয়ে সিদিনা গতানুগতিকভাৱেই লেবৰেটৰীবোৰৰ বিজ্ঞান প্ৰশাসনৰ কামৰ খতিয়ান দিছিল। এক্‌চন লোৱা, এক্‌চন্‌ লখ ধৰা, এক্‌চন ল'ৰলে বাকী থকা কামবোৰৰ কম্পিউটাৰ প্ৰফাইল এটা সি প্ৰেজেণ্ট কৰাৰ সময়ত পেটেণ্টৰ চেয়াৰমেন ডক্টৰ বসুগণেৰ যেন জাপ মাৰি পৰিল—"হা? হোৱাট ইজ দিছ? এনে এটা ইণ্টাৰনেচনেল কাম—অথচ অনু অধিকাৰীৰ জাৰ্মানিলৈ ডেপুটেচনটো নিজৰ অফিচতে এমাহ ধৰি পৰি আছে? নাই নাই নাই। বাই ভাৰ্চু অৱ দি স্পেচিয়েল পাৱাৰ ভেষ্টেড অন মি—আই ষ্ট্ৰংলি ৰিকমেণ্ড দিছ এণ্ড এপ্ৰুভ দিছ। শি মাষ্ট এটেণ্ড দিছ কনফাৰেন্স।"

ডক্টৰ অশোক মিত্তালৰ গোটেই কেছটোৰ প্ৰফাইল প্ৰেজেণ্ট কৰা হ'ল। "ৰোবোটেক?"—এইবাৰ জাপ্‌ল থাই উঠিল প্ৰফেছৰ মিছ সৰস্বতী—"নাই নাই নাই, আই ফৰ ওৱান, শ্বেল নেভাৰ গিভ ইণ্ডালজেন্স টু চাচ্ছ থিংছ।"

কেইমামিনিট ধৰি মেম্বাৰ সকলে আলোচনা কৰিলে। তাৰ পাছত ঠিক হ'ল ডক্টৰ অশোক মিত্তালক নিলম্বিত কৰা হ'ব—হয়তো শেষত বিদায়েই দিয়া হ'ব।

ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে এইবোৰ নতুন ধৰণৰ ডেভেলপমেণ্ট কেনেদৰে গ্ৰহণ কৰিলে বুজা নগ'ল। কল্যাণে প্ৰথমতে মানুহ-জনক বৰ পৰিষ্কাৰ, বৰ প্ৰফেছৰ-লাইক বুলি ভাবিছিল। কিন্তু এতিয়া তেখেতৰ সৰলতা আৰু ঔদাৰ্য্যখিনিক—বাহিৰৰ আৱৰণ এখনহে মাথোন বুলি তাৰ ভাৱ হোৱা হৈছে। পৱন ভাৰ্গভে হয়তো ঠিকেই কৈছিল—মানুহজন এক নম্বৰ ধান্দাবাজ।

কিন্তু, এইবোৰ ঘটনাই আমনি কৰিব পৰাকৈ এডিচনেল ডাইৰেক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ তেতিয়া আজৰি নাছিল। তেওঁ তেতিয়া গেষ্ট হাউছৰ লাউঞ্জৰ কাষৰ ঈষৎ পোহৰ কৰিড'ৰটোত অলকাৰ লগত ব্যস্ত। অলকা—বিদ্যুৎ চক্ৰবৰ্ত্তীৰ সহধৰ্মিনী অলকা চক্ৰবৰ্ত্তী। খবৰ দুটা কোনোবা এজনে দৰকাৰী খবৰ দিয়াৰ নিচিনাকৈ তেওঁক দিয়াত তেওঁ সামান্য বিৰক্তিৰে মাথোঁ সুধিলে—"কোন বুলি ক'লা? কোন অশোক মিত্তল?—অ' ডেট গাই ইন কেমিষ্ট্ৰি? ছাছপেনচন হৈছে ভালহে হৈছে। কাম নকৰাকৈয়ো দুদিনমান পাছত পুৰা পইছা পাব। নে কি কোৱা মিছেছ চক্ৰবৰ্ত্তী?" এই বুলি তেওঁ অলকাৰ লোভনীয় উন্মুক্ত বাহুটোত দীঘলীয়া, আপোন স্পৰ্শ এটা দিলে।

অলকাই হাঁহি মাৰি সমৰ্থন কৰিলে। তাৰ পাছত মনত পেলাই দিয়াৰ দৰে ক'লে—"সেই অনু অধিকাৰী নে কি যে—গিৰিয়েকৰ এৰি অহা জনী—তায়ো নিশ্চয় গেটকিপাৰ চেয়াৰমেন ৰঘুনন্দনক বৰকৈ মুহিলে—" তাৰ পাছত হুমুনিয়াহ এটা পেলাবলৈ যত্ন কৰি তেওঁ ক'লে—"আমাৰ হে আৰু কোন দিনা জাৰ্মানি দেখাৰ ভাগ্য হ'ব?"

"হুঁ?" প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্যই অলকাৰ আক্ষেপটো যেন ঠিক বুজিব নোৱাৰি ক'লে, "জাৰ্মানিলৈ কেলেই? ছব জাগা একেইহে। তাতকৈ আমাৰ কলিকতাৰ হোটেল

নৱকুন্তলা বহুত ভাল । ... তাৰ পাছত কিবা এটা ভাবি আব্দাৰেৰে যোগ দিলে—"তোমাৰ মনত নপৰে ? সেই সংগীত, সেই সুবাসিত অৰ্কিড, হুঁ ?"

"হুঁ ....." অলকাই ইতিবাচক-নেতিবাচক স্পষ্টকৈ একো উত্তৰ নিদিয়াকৈ অৰ্থব্যঞ্জক সঁহাৰি এটা মাথো দিলে।

*

সেইদিনা ৰাতি ডিনাৰ শেষ হোৱা বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ আগতে প্ৰছেছ ট্ৰেন্সফাৰ ডিভিজনৰ হেড বিদ্যুৎ চক্ৰবৰ্তী আৰু ডাইৰেক্টৰৰ পাৰ্ছনেল চেক্ৰেটাৰি অবিনাশ কৌৰ ওলাই যাবলগীয়া হৈছিল। পিছদিনা পুৱাই আটাইকেইজন গেটকিপাৰ যাব. গতিকে কোবাটাও কথা এৰেঞ্জ কৰিবলগীয়া আছে।

"অলকা, মোৰ ঘৰ পাওঁতে অলপ পলম হ'ব পাৰে। অ', তুমি এটা কাম কৰিবা। ডিনাৰৰ পাছত ভট্ট ছাৰৰ গাড়ীতে যাবা—তেখেতে তোমাক ড্ৰপ কৰাই দিব।" বিদ্যুৎ চক্ৰবৰ্তীয়ে কৈছিল।

"অ'– ডেট উইল বি এ প্লেজাৰ।"—প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই তৎক্ষণাৎ সঁহাৰি দিছিল।

প্ৰথমতে গেটকিপাৰৰ মিটিঙৰ মিনিটখন ঠিক-ঠাক কৰিবৰ বাবে অবিনাশ আৰু বিদ্যুৎ চক্ৰবৰ্তী অবিনাশৰ অফিছ ৰুমলৈ গৈছিল। অবিনাশ অতি পাৰদৰ্শী মহিলা। ৱাৰ্ড প্ৰছেছৰ আৰু ছুপাৰফাষ্ট ডেস্কটপ পাৱলিছাৰ অৱলীলাক্ৰমে চলাই যাওঁতে তাই নানা কথা নানা টুকুৰা ঘটনা কৈ গৈছিল। গেষ্ট হাউছৰ ডিনাৰৰ হুইস্কিৰ নিচাই তাইৰ মনটো হয়তো অলপ মুকলি, অলপ উৎফুল্ল কৰি তুলিছিল।

“[illegible] জানিব, [illegible] [illegible] [illegible] [illegible] [illegible] মনৰ ?’ [illegible] [illegible] [illegible] [illegible] গুচাও’তে ভলকৈ নামি পৰা দোপাত্তাখন ঠিক-ঠাক কৰিবলৈ কোনো নৰালৰি নকৰাকৈয়ে অবিনাশে সুধিছিল।

ডাঠ [illegible] বঙৰ [illegible] কমিজটোৱে ‘[illegible] হাউলি তাই বাবু আৱশ্যকতকৈ বেছি সময় থকা নাইনে ? গেটকিপাৰৰ এই সাংঘাতিক মিটিংখনৰ বাবে ইমান দিনৰ ব্যস্ততাৰ পাছত তাইৰ বাবু অকণমান ৰেষ্ট বা বিলেক্সে-চনৰ প্ৰয়োজন হোৱা নাই নে ? বিদ্যুৎ চক্ৰবৰ্তী’ৰ এই নিষ্ঠাৱতী, কৰ্ম’তৎপৰ সহকৰ্মী গৰাকীৰ প্ৰতি হঠাতে যেন নিবিড় আবেদন এটা আহিল। তেওঁ’ৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ অসতৰ্ক ভাৱেই কথা এষাৰ ওলাই গ’ল—“অকমান বিলেক্স কৰিবৰ মন যোৱা নাইনে অবিনাশ ?”

“বিলেক্স—এতিয়া ? ক’ত ? ইয়াত ?” অবিনাশে যেন পৰিস্থিতিটো আয়ত্ব কৰিব বিচাৰিলে।

বিদ্যুৎ চক্ৰবৰ্তী’ৰ ডিঙিটো শুকাই সোপা মাৰি ধৰা যেন লাগিছিল। তেওঁ ডিঙিটো পৰিষ্কাৰ কৰি ক’লে, “নাই নাই, ইয়াত কেনেকৈ, অবিনাশ ? কিমান দিন যে তোমাৰ ঘৰলৈ যোৱাই হোৱা নাই।—তোমাৰ নতুন ইনটেলিজেণ্ট হাউচৰ কথা শুনিছোহে —নেদেখুওৱা জানো ?”

*

ইনটেলিজেণ্ট হাউচৰ প্লেনটোৰ বাবেও কল্যাণে ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰৰ লগত কম লাগিব লগা হোৱা নাই। প্ৰফেছৰ মজুমদাৰে যেন আগৰ যি আছিল তাকে ভাওপাতি খোৱাত বিশ্বাস কৰে—নতুন কিবা এটা কৰিব খুজিলেই, কোনোবা নতুন

উদ্যমেৰে ওলাই আহিব খুজিলেই তাত নিৰুৎসাহৰ বীজ ঢালি দিয়ে নাইবা অন্ততঃ তাৰ প্ৰতি কোনো আগ্ৰহ, আসক্তি নেদেখুৱায়। প্ৰফেছৰ মজুমদাৰৰ এই নিৰাসক্তি, অনাগ্ৰহ, গতানুগতিকাৰ ভাইৰাছে গোটেই লেবৰেটৰিটোকে এফালৰপৰা গ্ৰাস কৰি অনা নাইনে? আগৰ ডাইৰেক্টৰ ডক্টৰ পট্টনায়কৰ দিনত লেবৰেটৰিটোৰ যি প্ৰাণচাঞ্চল্য আৰু উদ্দীপনাৰ কথা কল্যাণে সদায়ে শুনি আহিছে সি বাৰু লাহে লাহে নিৰ্বাপিত হৈ যাব খোজা নাই নে?

'ইণ্টেলিজেণ্ট হাউছ? কেলেই কল্যাণ, আমাৰ ষ্টাফৰ যাক যাক ঘৰ লাগে, তেওঁলোকেতো পাইছেই, ইণ্টেলিজেণ্ট হাউছিঙৰ নামত ইমান টকা-পইচা খৰচ কৰাৰ দৰ্কাৰ আছে জানো?" ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে প্ৰশ্নবোধক বাক্যেৰে আচলতে নেতিবাচক অৰ্থহে কৰিছিল।

"ছাৰ," কল্যাণে নিয়ন্ত্ৰিত উষ্মাৰেই উত্তৰ দিছিল, "ইয়াত ছাইণ্টিষ্টবিলাকে কেনে ঘৰ পাইছে সেইটো আমি আটায়ে জানো। ঘৰত নামত চাৰিখন বেৰ আৰু এখন ছাল পাইছে ঠিকেই, কিন্তু তাত মৰ্ডান কমফোৰ্টেব'ল লিভিঙৰ নামত আছে কি? এয়াৰ কণ্ডিচনিঙৰ কথাই নাই—এ আৰু বি টাইপৰ কোৱাৰ্টাৰ্ছবোৰত আনকি প্ৰপাৰ ভেণ্টিলেচনেই নাই। মিউজিক চেনেল, টেলিফোন ফেছিলিটি আদিৰ কথাতো ছাইণ্টিষ্টবিলাকে ভাবিবই পৰা নাই।"

ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰৰ এটা ডাঙৰ গুণ কল্যাণে লক্ষ্য কৰি আহিছে। তেওঁ ইচ্ছা কৰিলেই তেওঁৰ কাণ দুখনক ডাষ্টবিন হিচাপে ব্যৱহাৰ কৰিবলৈ এৰি দিব পাৰে। পেলাই যোৱা তাত তোমাৰ সমস্ত আবৰ্জনা তেওঁ তাত অকনো বিচলিত নহয়।

কল্যাণৰ উষ্মাৰ শেষ হোৱা নাছিল। সি কৈ গ'ল, "ভেণ্টি-লেটৰ নোহোৱা, সেই পাৰৰ বাহৰ ফুটাটোৰ দৰে খিৰিকি থকা

এপাৰ্টমেণ্টবিলাকত থাকি কি ৰিছাৰ্চ কৰিব ইয়াং ছাইণ্টিষ্টবোৰে ? তাত গৰমত থাকিব নোৱাৰি—আনকি লগা পৰিমাণৰ অক্সিজেনো নোসোমায় যেন লাগে—ইউ ফিল ছাফোকেটেড।"

"কিন্তু ৰ'বা," ডাইৰেক্টৰে প্ৰতিৰক্ষাৰ সুৰত ক'লে, "সেই-বোৰতো দিল্লীয়ে দিয়া ডিজাইন মতে কৰা। তাত আমাৰ -

"তাতেই আমাৰ ভুল ছাৰ,"—কল্যাণে ডাইৰেক্টৰৰ কথাৰ ওপৰতে কৈ উঠিল। "কোনোবা দিল্লী বা কোনোবা লণ্ডনে আমাক কিছুমান গিফ্ট দিব আৰু আমি তাক গ্ৰহণ কৰিবই লাগিব— —তেনে কোনো কথা নাই। আমিহে আচলতে ইয়াত এই ধাৰণাটো প্ৰচাৰ কৰিছো যে দিল্লীয়ে দিছে, আমি এতিয়া গিলি থ'বই লাগিব। আমাৰ কনষ্ট্ৰাকচন ছেকচনৰ হেড ভাস্কৰ ঘোষে ভালদৰে জানে যে দিল্লীৰ নাম ডাঙৰকৈ কৈ ইয়াত সকলোৰে মুখ বন্ধ কৰিব পাৰি।"

তাৰ পাছত বহু সময় ধৰি কল্যাণে ইণ্টেলিজেণ্ট হাউছৰ আৱশ্যকতাৰ বিষয়ে একাডেমিক বক্তৃতা দিছিল। "ইণ্টেলিজেণ্ট হাউছ অকল ঘৰেই নহয় ছাৰ, ই যেন পৰিয়ালটোৰে অংশহে। এটা অকনমাণি কম্পিউটাৰে ঘৰখনৰ অক্সিজেন বেলেন্স, হিউমিডিটি, টেম্পেৰেচাৰ—সকলো নিয়ন্ত্ৰণ কৰিব, ভিজিটৰৰ লগত আগতে নিৰ্দ্দেশ দিয়া মতে কথা-বতৰা পাতিব, আনকি ঘৰৰ গৰাকী নথকা অৱস্থাত আগতে বৰ্ণনা দিয়া কোনো আলহী আহিলে হাউছ ৰবট এটাই তেওঁৰ আলপৈচানো ধৰিব, কেচুৱা ৰাখিব, লান্স টাইমত ছাইণ্টিষ্টজনে অফিসৰপৰা ফোন কৰিলেই কম্পিউটাৰটোৱে প্ৰেছাৰ কুকাৰৰ তলত জুই দিব—তিনিবাৰ ছুঁ মাৰিলে অফ কৰিব --"।

কল্যাণে উৎসাহেৰে আৰু কিবা কিবি কৈ যাব ধৰিছিল। কিন্তু, তেতিয়া প্ৰফেছৰ মজুমদাৰে তেওঁৰ ভিদিঅ' স্ক্ৰিনত মনোযোগ

দিছে। কল্যাণে এইবাৰ ডাঠকৈ কৈ দিলে, "মই ছাৰ ইণ্টেলিজেণ্ট হাউছৰ কথা কৈ আছিলো।"

'হঁ্? উঁ, উঁ" প্ৰফেছৰ মজুমদাৰ উচপ খাই উঠিছিল।

কল্যাণে সিদিনা ছাইণ্টিষ্ট একোজনৰ বাবে এনে ঘৰ কিমান প্ৰয়োজনীয় তাৰ যুক্তি আগবঢ়াইছিল। উদাহৰণ স্বৰূপে সি ৰত্না সিন্‌হা আৰু পুলক সিন্‌হা নামৰ নিষ্ঠাবান বিজ্ঞানী যুঁটিৰ কথা কৈছিল। এনে এটা উন্নত লিভিং কণ্ডিচনে তেওঁলোকৰ কামত কিমান অৰিহণা যোগাব তেওঁলোকে ঘৰৰ চিন্তা বাদ দি কিমান বেছি সময় লেবত থাকিব পাৰিব সেইবোৰ কথা সি জোৰ দি কৈছিল।

...আৰু এটা সময়ত, কল্যাণে আশা কৰাতকৈও বহু আগতে মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ বহল আবাসিক চৌহদৰ এমূৰে, ছাইন্স ছিটিৰ স্পেছিয়েল গ্ৰেণ্টেৰে, পোন্ধৰটা ইণ্টেলিজেণ্ট হাউছ বসবাসৰ বাবে সাজু হৈ উঠিল। অৱশ্যে ঘৰবোৰ এলট কৰাৰ সময়ত এডিচনেল ডাইৰেক্টৰ প্ৰতাপ নাৰায়ণ ভটাচাৰ্য্যৰ অদৃশ্য ডোল-ডালৰ টানত ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে আৰু এপাক নাচ নাচিছিল।

প্ৰতাপ ভট্টাচাৰ্য্যই ডাইৰেক্টৰক কথা দিছিল, "নাই নাই নাই, আপোনাৰ কোনো দিগদাৰি নহয়। দৰ্কাৰ হ'লে কাইলৈৰ পৰাই ইউনিয়নে দাবী চনদ দিব - ষ্ট্ৰাইকৰ কল দিব—এনে পৰিস্থিতিত হাউছ এলটমেণ্ট কমিটিয়ে ৰিকমেণ্ডেচন দিব। আপুনি সেইমতে কাম কৰিব।"

হাউছ এলটমেণ্ট কমিটিটোৱে উৎপন্ন বিষয়াৰ সভাপতিত্বত দীঘলীয়া আলোচনা কৰি পোন্ধৰটা ইণ্টেলিজেণ্ট হাউছৰ যি এলটমেণ্ট লিস্ট তৈয়াৰ কৰিলে তাত আঠজনহে ছাইণ্টিষ্টৰ নাম আছিল—আন নামৰ ভিতৰৰ আছিল পাইলট প্লেণ্টৰ ছিকিউৰিটি ইনচাৰ্জ মিষ্টাৰ জনাৰ্দন ছিনিয়ৰ পাৰ্চেজ অফিছাৰ মিষ্টাৰ

বালকৃষ্ণণ, কোছিয়াৰ আজিজুৰ ৰহমান, ডাক্তৰ বাণী শৰ্মা আৰু ডাইৰেক্টৰৰ পাৰ্ছনেল ছেক্রেটাৰি অবিনাশ কৌৰৰ। কল্যাণে ছাইণ্টিষ্টৰ বাবেহে এই স্কিম বুলি মুক্তি দিছিল। ডাইৰেক্টৰ আৰু প্ৰতাপ ভট্টৰ লগত সি প্ৰায় তৰ্কই কৰিছিল। কিন্তু সি লাহে লাহে বুজি উঠিছিল—জীৱনত কৰিব নোৱাৰা বহুতো কাম আছে। সি এইবোৰত লাগি থাকি অযথা জুইৰ আঙঠাত নিজৰ আঙুলিহে সুমুৱাই দিছে।

তাৰ নামত এলটমেণ্ট হোৱা ইণ্টেলিজেণ্ট হাউছটো তাক নালাগে বুলি কল্যাণে জনাই দিব খুজিছিল। কিন্তু অনু বাইদেৱে তাক শাসন কৰিলে, "এইবোৰ তুমি কি কৰিব খুজিছো? ইমান ত্যাগী মহাত্মা হৈ নেদেখুৱাবা। তুমি ছাইণ্টিফিক ৰিছাৰ্চৰ লগত ওতঃপ্ৰোতভাৱে জড়িত, তুমি বহুতো এক্সট্ৰা ঘণ্টা অফিছত থাকা—তদুপৰি তুমি অকলে থাকা—বা দুদিন পাছত যেতিয়া বিয়া পাতিবা—তেতিয়াও দুয়ো কাম কৰিবা—তোমাক ইণ্টেলিজেণ্ট হাউছৰ বৰ প্ৰয়োজন।"

অলপ ৰৈ অনু বাইদেৱে আৰু বুজাইছিল—"আৰু তুমি এৰি দিলেতো প্ৰতাপ ভট্টাচাৰ্য্য এণ্ড কোম্পানিয়ে ভালেই পাব – আন কোনোবা হাতৰ মানুহক দিব পাৰিব—"

লাটুৱে ইমান পৰে মাকৰ কথাবোৰ তধা লাগি শুনি আছিল। সি এইবাৰ কান্ধখন নচুৱাই নচুৱাই মাত দিলে, "হাঁ হাঁ, খুব ভাল পাইছো। খুব বকনি খালা নহয় আজি। খুব ভাল পাইছো।'

তাৰ পাছত সি তাৰ আনটো খুদুৱনি মাৰিব খুজিলে, "দুদিন পাছতে কল্যাণ মামাৰ বিয়া নেকি মা? কইনা ক'ত?'

অনু বাইদেৱে এনেয়ে কৈ থ'লে—"দেখিবা নহয় তুমি, ধৈৰ্য্য ধৰাচোন।"

কিন্তু লাটুৰ কথা শেষ হোৱাই নাই। "মামী আহিলে কিন্তু

মই তোমালোকৰ লগত ইণ্টেলিজেণ্ট ঘৰত এদিন-দুদিন থাকিম দেই মাজে মাজে।" তাৰ পাছত সি কতৃত্বৰ সুৰত ক'লে, "ৰবটটোক হ'লে খুব কাম দিম। যা বলটো লৈ আহ—যা—ফ্ৰিজৰ পৰা পানী এগিলাছ আন।"

কল্যাণে গম্ভীৰ হৈ ক'লে, "উঁহু মামীয়ে আগতেই কৈ থৈ দিব—খবৰদাৰ, লাটুৰে খুজিলেও ফ্ৰিজৰ পানী নিদিবি, পোন্ধৰ ডিগ্ৰি ছেলছিয়াছৰ তলত কোনো পানীয়েই নিদিবি। তাৰ থ্ৰোটটো ভাল নহয়। পৰীক্ষাও আছে।"

অনু বাইদেৱে মুখ টিপি হাঁহিছিল। লাটুৰে যেন সেই-দিনটোৰ বাবে বেছি দিন ৰ'ব নোৱাৰে। "মামা," সি কল্যাণৰ পেণ্টৰ জেপত টানি ধৰি সুধিছিল, "মামী কেতিয়া আহিব? মই কেতিয়া ইণ্টেলিজেণ্ট হাউছত থকাকৈ যাম?"

"কেলেই লাটু?" কল্যাণে বিশেষ গুৰুত্ব নিদিয়াকৈয়ে সুধিছিল, "মামী নহ'লেওতো তুমি মোৰ লগত থাকিব পাৰা। আমি দুয়ো ভিদিঅ' গেম খেলিম, ৰবটটোক হৰুৱাই দিম।"

"নালাগে," লাটুৰে মুখ ওফোন্দাই কৈছিল। "মামী নোহোৱা ঘৰত মই নাথাকোঁ যোৱা।"

পৰিয়ালত দেউতাকনো কাক বোলে সেই কথা বুজি নোপোৱা আৰু কেৱল মাকৰ মৰমতে ডাঙৰ হোৱা লাটুৰে, কোনো তিৰোতা মানুহ নোহোৱা ঘৰ এখনৰ কথা হয়তো কল্পনাই কৰিব নোৱাৰে—কল্যাণে ভাবিলে। কিন্তু সিদিনা জানো সি অনুমান কৰিব পাৰিছিল যে সোনকালেই লাটু তাৰ ঘৰলৈ কেইদিনমান থকাকৈ আহিব আৰু মামী থকা ঘৰ এখনলৈহে আহিব?

ডক্টৰ পৱন ভাৰ্গভে ইণ্টেলিজেণ্ট হাউছ এটালৈ ঘৰ সলোৱাৰ দিনা লাটুৰ দেউতাকৰ অভাৱটোৰ কথা কল্যাণৰ এবাৰ মনলৈ

আহিছিল। কিন্তু ৰত্না আৰু পুলক সিন্হাৰো যে কিবা অভাৱ থাকিব পাৰে সেই বিষয়ে সি ভবাই নাছিল।

কল্যাণে ইণ্টেলিজেণ্ট হাউছলৈ শিফ্ট দিনা ৰত্না আৰু পুলককেও ওচৰৰে আন এটা ইণ্টেলিজেণ্ট হাউছলৈ শিফ্ট্ কৰিছিল। পুলকে গেৰেজৰ মেকানিকৰ দৰে এটা ঢিলা অ'ভাৰ-অল পিন্ধি ইটো-সিটো কৰি আছিল। ৰত্নাই সাধাৰণ গৃহকর্ত্ৰীৰ দৰে তাঁতী শাড়ী পিন্ধিছিল। তাই শাড়ীৰ আচলেৰেৰে মাজে মাজে তাইৰ ৰঙা পৰি উঠা গাল-মুখ মচি আছিল।

কল্যাণক দেখি ৰত্না আৰু পুলক দুয়ো আগবাঢ়ি আহিছিল। পুলকে- কল্যাণৰ বাবেই মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত ইণ্টেলিজেণ্ট হাউছবোৰ হোৱা বাবে তাক ধন্যবাদ জনাইছিল। কল্যাণে পোনে পোনে প্ৰশংসা শুনিবলৈ টান পাই এনেয়ে কৈছিল, "ও' এতিয়া মিছেছ সিন্হা—সোনকালে এদিন ঘৰ-লোৱা পাতি আমাক মাতক—হৈ হাল্লাৰে ভৰাই দিও' আপোনাৰ ইণ্টেলিজেণ্ট ঘৰ।"

হাৰে! সি কিবা বেয়া কথা ক'লে নেকি? ৰত্নাচোন গম্ভীৰ হৈ পৰিল--। তাই শেঁতা হাঁহি এটা মাৰি ক'লে. "হৈ-হাল্লা আৰু আমাৰ ঘৰত কত হ'ব ছাৰ? কোনে কৰিব? আৰু এতিয়াতো ইণ্টেলিজেণ্ট হাউছ। মেচিনৰ দৰে চলি থাকিব নিমাও-মাও হৈ।"

তাৰ পাছত অলপ যেন বেছি কোৱা হ'ল তেনে ভাৱত নিজকে নিয়ন্ত্ৰণ কৰি দাৰ্শনিকৰ দৰে তাই ক'লে. "আপোনাক হয়তো এদিন মাতিব লাগিব। মাতিলে আহিবনে ছাৰ?"

কল্যাণে 'নিশ্চয় আহিম—নাহিম আকৌ কেলেই'- ধৰণৰ উত্তৰ এটা দিছিল। তাৰ পাছত সেই বিষয়ে সি আৰু একো ভবা নাছিল। কিন্তু ৰ'দত ৰঙা হৈ থকা ৰত্নাৰ গাল-মুখলৈ তাৰ মনত পৰি আছিল।

অবিনাশক নিচাই ধৰিছিল। তথাপিও বিদ্যুৎ চক্ৰবৰ্তীৰ গাৰ ওপৰেৰ হাউলি গৈ তাই লিকুইড-ক্ৰিস্টেল বেৰবোৰ ভিতৰ-বাহিৰ নেদেখা অস্বচ্ছ কৰি দিলে। মিউজিকটোও অলপ বঢ়াই দিলে। তাৰ পাছত সুধিলে, "আৰু এক পেগ খাব নেকি, ছাৰ ?"

"উঁহুঁ। নালাগে।" জিভা ভালকৈ দোৰোল খোৱা নাছিল নাছিল যদিও বিদ্যুৎ চক্ৰবৰ্তীয়ে কৈ গ'ল, "কিমান খাবা আৰু এইছৱ। আমি ইয়াত নিচা কৰি কৰি মৰিছো আৰু লাইম-লাইট গৈ ফোকাছ হৈছে লোকৰ ওপৰত।"

"কাৰ ওপৰত ?"

"কেলেই মন কৰা নাইনে তুমি ? আমাৰ যে এই নতুন এডমিনিষ্ট্ৰেটৰ ডেকা জন আমদানি হ'ল। কি চাবা আদব-কায়দা। ডাইৰেক্টৰকতো হাত কৰিছেই। আজি দেখিলো গেটকিপাৰ কেইজনো কথাতে উঠিছে-বহিছে।"

"উঁ বৰ ডাংকোপ কিন্তু।"—অবিনাশে ক'লে।

"চিনি পোৱা নাই, সেকা এটা দিব পাৰো একেবাৰে।"—বিদ্যুৎ চক্ৰবৰ্তীয়ে পৰিস্থিতিটো আয়ত্ব কৰাৰ সুৰত ক'লে। "আৰু বিশেষকৈ আমাৰ নিজৰ মানুহ অশোক মিত্তালক এনেদৰে ছাছপেণ্ড কৰোৱাৰ গুৰিতোতো তেৰেঁই।"

"উঁ। অলপ বেছি বেছি কৰা নাই নে ?"

বিদ্যুৎ চক্ৰবৰ্তী কামৰ মানুহ। তেওঁ অযথা কথা-বতৰাত সময় নষ্ট নকৰে। ক'লে, "তুমি এটা কাম কৰা অবিনাশ।" পৰিৱেশৰ আত্মীয়তাৰ বাবে ক'ব নোৱাৰাকৈয়ে তেওঁ আজি অবিনাশক তুমি সম্বোধন কৰি গ'ল।

অবিনাশে নিচাৰ জালতে কথাটো শুনিবলৈ ইমান ওচৰ

চাপি আহিল যে অভ্যস্ত বিদ্যুৎ চক্রবর্তীও এক মুহূৰ্তৰ বাবে চমকি উঠিল। তাৰ পাছত পৰিস্থিতি আয়ত্ব কৰি, অবিনাশৰ বব কটা শুকান চুলিৰ মাজেৰে হাত বুলাই বুলাই ক'লে, "প্ৰজেক্ট লৈয়েই তো ইমান বাহাদুৰী—ঠিক আছে আমিও প্ৰজেক্টতে কিবা এটা কৰিব লাগিব। তুমি স্মেল এণ্ড ফ্লেভাৰ গ্ৰুপৰ সেই চোপ্ৰা নামৰ ছোৱালীজনীক হাত কৰা—পাৰিলে তাইৰ হতুৱাই পুলক সিনহাক জালত পেলোৱা – নহ'লেও আন কিবা প্ৰকাৰে—"

"কৃষ্ণা চোপ্ৰাক?" অবিনাশে বিদ্যুৎ চক্রবর্তীৰ বুকুৰ মাজত কুচি-মুচি সোমাই সুধিলে।

"ইয়েছ, মাই ডিয়াৰ। আৰু হেৰি—লুছিফেৰিন প্ৰজেক্টত দিলবিৰ্জ হুছেইনক হাত কৰিবলৈ চোৱা। তাক অদ্ভুত নিষ্ঠাৰে কাম কৰি থাকিবলৈ কোৱা—তাৰ মাজতে কোনোৱে বুজিব নোৱাৰাকৈ সি প্ৰজেক্ট লুছিফেৰিন খোৰা কৰি পেলাব লাগিব।' ছেফ্টিপিন এটা খুলিব খুজি বিদ্যুৎ চক্রবর্তীয়ে সামান্য খোঁচ খালে।

"লুছিফেৰিনৰ শীতল পোহৰ এই ওলাও, এই ওলাও—কিন্তু নোলায়!"—ৰগৰ কৰি অবিনাশ কোৰে যোগ দিলে।

বিদ্যুৎ চক্রবর্তীয়ে অবিনাশৰ অকলশৰীয়া জীৱনটোৰ কথা এই ব্যস্ততাৰ মাজতো যেন হঠাতে অনুভৱ কৰিলে। "বৰ অকলশৰীয়া লাগি থাকে নহয়নে তোমাৰ? এইবিলাক কামত ব্যস্ত হৈ পৰা। ভাল লাগিব। কিবা এটা ভাল কাম কৰি থকা যেন লাগিব।'

কথা কৈ থাকোঁতে তেওঁ অবিনাশৰ মধ্যমীয়া গঠনৰ পুৰঠ দেহটো সাবোট মাৰি থিয় কৰাই ল'লে। তাৰ পাছত ভিতৰৰ ফালে আলফুলকৈ ঠেলি লৈ যাওঁতে কৈ গ'ল—"তুমি সম্প্ৰতি এই দুটা কামেই কৰাচোন। বাকী ল'ৰা-ছোৱালী বখা

ক্লেছটো আৰু পৰন ভাৰ্গৱক মই চাম।"

নিচাৰ মাজতে ক লৈ গৈ আছে ধৰিব নোৱাৰাৰ দৰে গাটোৰ সমস্ত ভৰ বিদ্যুৎ চক্ৰবৰ্তীৰ ওপৰতে এৰি দি অবিনাশে আব্দাৰ ধৰি সুধিলে—"ক্লেছত কি কৰিব ছাৰ ?"

"হুঁ! বৰ ক্লেছ পাতি নাম কৰিছে—এনে বেমাৰে ধৰিব নহয়—যে এটাও ল'ৰা-ছোৱালী নোযোৱা হ'ব!"

"আৰু ডক্টৰ পৰন ভাৰ্গৱৰ ছাৰ ?"

বিদ্যুৎ চক্ৰবৰ্তীয়ে সকলো ৰহস্য কাকে উদঙাই নিদিয়ে। আনকি নিবিড় সম্পৰ্কৰ মাজতো। তেওঁ সজাগ হ'ল। মাথো ক'লে, "তোমাকনো আটাইবোৰ কথা এতিয়াই কেলেই মোৰ সোণজনী ? পৰন ভাৰ্গৱৰ কিবা এটা ভাল হোৱা দেখিলেহে আমি ভাল পাওঁ—অকলশৰীয়া মানুহ! বেয়াই লাগে।"

'অনু অধিকাৰীৰ লগত বৰ মিল দেখোন!" ভিতৰৰ ঈৰ্ষখিনি ইমান আপোন মানুহ এজনৰ আগত লুকুৱাবলৈ চেষ্টা নকৰাকৈয়ে অবিনাশে ক'লে।

কিন্তু বিদ্যুৎ চক্ৰবৰ্তীয়ে তেতিয়া তেওঁৰ গোপনীয়তাৰ আৰু কাপোৰখন পুনৰাকৈ টানি পেলাইছে। তেওঁ ক'লে, "আ! সেইবোৰ কথা এতিয়া এৰা মোৰ সোণ।" তাৰ পাছত কোমল সুৰত যোগ দিলে,—"এইখিনি সময় মাথোন তোমাৰ আৰু মোৰ, মোৰ আৰু তোমাৰ। নহয়নে মোৰ জীউমণি ?"

"উঁ!"—অবিনাশে বিদ্যুৎ চক্ৰবৰ্তীৰ বুকুৰ মাজত আশ্ৰয় বিচাৰি লৈ, পৰম আবেগেৰ দীঘলীয়াকৈ ক'লে—"উঁ!"

*

অনু বাইদেৱে যে প্ৰজেক্ট লুছিফেৰিনক ব্যক্তিগত স্বাচ্ছন্দ্য, বিদেশ ভ্ৰমণৰ সুযোগ সকলোৰে ওপৰত থয় সেই কথা সিদিন।

ৰাতি কল্যাণে আৰু ভালদৰে বুজি উঠিছিল। গেষ্ট হাউছৰ ডিনাৰৰ পাছত কল্যাণ বেগাবেগিকৈ গৈ অনু বাইদেউক তেওঁৰ জাৰ্মানিৰ ডেপুটেচন এপ্ৰুভড হোৱাৰ কথা কৈছিল। কৈছিল —গেটকিপাৰৰ মিটিঙে এপ্ৰুভ কৰিলে হেডকোৱাৰ্টাৰ্ছেও একো মাতিব নোৱাৰে।

অনু বাইদেউক কিন্তু উৎফুল্লিত হোৱাতকৈ চিন্তিত হোৱাহে দেখা গৈছিল। তেওঁ কৈছিল—"এই লাটুটোক লৈহে মোৰ বৰ চিন্তা হৈছে। সি বা মোক এৰি থাকিব পাৰে নে নোৱাৰে! কেতিয়াও তেনেকৈ থাকি পোৱা নাইতো।"

"কেলেই অনু বাইদেউ? সিতো ক্ৰেছৰ মালবিকা বাইদেউৰ লগত থাকিম বুলি কৈছে। দিনটোতো তেওঁৰ লগত তাৰ বেছ দোস্তিয়েই চলে।"

"নহয়, ৰাতিও মালবিকা বাইদেউৰ লগত তেওঁৰ ঘৰতে থাকিব বুলি সি কথা দিছে। কিন্তু তাৰ কথা ক'ব নোৱাৰি। মই সচাঁকৈ যাব ওলালেহে সি বা কেনে কৰে!"

তাৰ পাছত প্ৰসংগ সলাই হঠাতে মনত পৰাৰ দৰে তেওঁ কৈছিল, "আজ পুৰা গেটকিপাৰৰ মিটিঙত প্ৰেজেণ্টেচন দিওঁতে যিমানখিনি কলো প্ৰজেক্ট লুছিফেৰিন আচলতে তাতকৈ আৰু এটা ষ্টেপ আগ বাঢ়িহে আছে। ডক্টৰ পদ্মনাভনেই ক লে ফুল্লি কনফাৰ্মড নোহোৱা ৰিজাল্টবোৰ প্ৰেজেণ্ট কৰিব নালাগে। সেই কাৰণে নকৰিলো। কেঁচ এখনেৰে কাটি উলিওৱাৰ দৰে আমি ইছছেৰিছিয়া কোলাই বেক্টেৰিয়াবিধৰ ডি.এন.এ. চেইনৰ অংশ একোটা কাটি পেলাইছো।"

"ৰিষ্ট্ৰিকচন এনজাইমেৰে?"

"অ" তুমি দেখোন ফিজিক্সৰ ছাত্ৰ হৈ বায়োটেকনোলজিৰো বহুতো কথা জানা।"

"ভাটৌৰ দৰে মুখস্থ কৰি লৈছো। মাজে মাজে ইভেলুৱেচন-মনিটৰিং মিটিঙবোৰত পেকপেকাই দিওঁ আৰু!" কল্যাণে পুতুককৈ উত্তৰ দিলে।

অনু বাইদেৱে হাঁহিলে। তেওঁৰ চকুৰে-মুখে এই পাতি লোৱা ভায়েকজনলৈ মৰম ফুটি উঠিল। কিন্তু তেওঁ আগৰ প্ৰসংগলৈ ঘূৰি আহিল, "ৰেষ্ট্ৰিকচন এনজাইম ব্যৱহাৰ কৰি, ই. কোলাইৰ জিন কাটি তাত লগাই দিলো জেনাকী পৰুৱাৰপৰা আইছোলেট কৰা লুছিফেৰেজ-ছিক্ৰেটিং জিন। জোনাকী পৰুৱাৰ জিন লৈ ই. কোলাইবোৰে লুছিফেৰেজ ছিক্ৰেট কৰিবলৈ আৰম্ভ কৰিলে।"

"এইখিনি কথা আজি ৰাতিপুৱা গেটকিপাৰৰ মিটিঙত আপুনি প্ৰেজেণ্ট কৰোঁতে উল্লেখ কৰা নাছিল জানো?"

"কৰিছিলো," অনু বাইদেৱে ক'লে। "মাত্ৰ উল্লেখহে কৰিছিলো। ডিটেইলছবোৰ দিয়া নাছিলো। তুমি দুদিনমান যোৱা নাই নহয় আমাৰ লেবলৈ— '

যাব পৰাই নাই। গেটকিপাৰৰ মিটিঙৰ কাম—"

"তোমাক মই দোষ দিয়া নাই। এনেয়ে কৈছো। গ'লে দেখিবা জেনিটিকেলি মেনিপুলেটেড ই. কোলাইবোৰৰ কলোনিটোক যদি লুছিফেৰিনেৰে ৰাছ কৰা হয়, তেনেহ'লে ধুনীয়া পোহৰ ওলায়—একেবাৰে জোনাকী পৰুৱাৰ দৰে কাব্যিক, হালধীয়া-সেউজীয়া শীতল পোহৰ!"

কল্যাণে মন কৰি আহিছে যে অনু বাইদেৱে যেতিয়া প্ৰজেক্ট লুছিফেৰিনৰ কথা কয় তেতিয়া তেওঁৰ সমগ্ৰ মুখমণ্ডল উদ্ভাসিত হৈ পৰে এক স্বৰ্গীয় দীপ্তিৰে। এইজনী নিষ্ঠাৱতী বিজ্ঞানীক বাইদেউ হিচাবে পাই সি গৌৰৱ বোধ কৰে।

অনু বাইদেউৰ কথাৰ শেষ হোৱা নাছিল। তেওঁ ক'লে, "আৰু জানা কল্যাণ দিলবিজ হুছেইন নামৰ ল'ৰাটো যে, অত্যন্ত

ছিনছিয়াৰ, বৰ হাৰ্ড ৱাৰ্কিং। জেনিটিকেলি মেনিপুলেটেড এই পোহৰ দিয়া ই. কোলাই বেক্টেৰিয়াৰ কলোনি নষ্ট নোহোৱাকৈ জীয়া ই. ৰখা, সংখ্যাত বঢ়োৱা, অন্য সাধাৰণ ই কোলাইৰ কলোনিয়ে যাতে ইয়াৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিব নোৱাৰে, তাৰ ব্যৱস্থা কৰা – এই সকলো কাম এতিয়া দিনবিজেই কৰে। মুঠতে," অনুবাইদেৱে মোখনি মৰাৰ সুৰত ক'লে, – "ই. কোলাইৰ স্পেছিয়েল নিউট্ৰিটিভ মেডিয়াম তৈয়াৰ কৰাৰ পৰা তাৰ গ্ৰোউথ এণ্ড ডেভেলপমেণ্টৰ প্ৰতিটো কথাতে মই এতিয়া দিলবিজৰ ওপৰতে নিৰ্ভৰ কৰিছো।'

কল্যাণৰ অন্তৰ্দৃষ্টিয়ে যেন হঠাতে কাম কৰিলে। ডক্টৰ পৰন ভাগৱে'ও বাৰু অশোক মিত্তালৰ ওপৰত বৰকৈ নিৰ্ভৰ কৰা নাছিলনে? সি বাৰু অনুবাইদেউক অলপ সাৱধান কৰি দিব নেকি? অন্ততঃ অনুবাইদেৱে যেতিয়া কেবাদিনৰ বাবে দিলবিজৰ হাততে সমস্ত কাম গটাই বিদেশলৈ যাব? কিন্তু জীৱনত তাতকৈ বহু অভিজ্ঞ অনুবাইদেউক পোনে পোনে কিবা এটা উপদেশ দিবলৈ তাৰ বৰ টান লাগিল।

উভতি আহোতে বাটৰ দাঁতিত জোনাকী পৰুৱাবোৰৰ পোহৰৰ পিৰিকণি দেখি কল্যাণৰ আকৌ পুতুল খুৰালৈ মনত পৰিল। যেতিয়া জ্ঞান লেকৰ কাষ পালে তেতিয়া তাৰ চকুত চমক লগাই প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ গাড়ীখন তাৰ কাষেৰে পাৰ হৈ গ'ল। প্ৰতাপ ভট্টই নিশ্চয় অলকা চক্ৰবৰ্তীক ঘৰত থৈ আহিলে।

কল্যাণ আহি নিজৰ ইণ্টেলিজেণ্ট হাউছটোৰ ওচৰ পাওঁতে দেখিলে বিদ্যুৎ চক্ৰবৰ্তীৰ গাড়ীখনৰ হেড লাইট জ্বলি উঠিল আৰু তাৰ পাছতে গাড়ীখনে গতি ল'লে। বেলকনিৰ পৰা নাইটি পিন্ধি থকা অবিনাশ কৌৰে সোঁহাতখন জোকাৰি বিদ্যুৎ চক্ৰবৰ্তীক বিদায় দিয়া তাৰ চকুত পৰিল।

॥ ১২ ॥

দৈনন্দিন অভিমান-অভিযোগৰ মনোৰম সময়খিনি পাৰ হৈ যোৱাৰ পাছত স্মিতাই হঠাতে মনত পৰাৰ দৰে কল্যাণক কৈছিল.—"ৰত্না সিন্‌হাই পাৰিলে দহ বজাৰ পাছত এবাৰ তেওঁৰ লেবলৈ যাবলৈ কৈছে, কিবা নতুন এক্সপেৰিমেণ্ট কৰিব বোলে।' নিভাই তোমাক ক'বই।"

তাৰ আগতে মংগলাচৰণৰ বাণীবোৰ আনদিনাৰ দৰে দৰদী কণ্ঠেৰে উচ্চাৰণ কৰাৰ পাছত দিনটোৰ কাৰ্য্যসূচী তাই ঘোষণা কৰিছিল। তাৰ ভিতৰত তিনি বজাত কল্যাণে পতা ইণ্টাৰগ্ৰুপ প্ৰজেক্ট মেনেজমেণ্টৰ মিটিং এখনো আছিল। সেইখনৰ বাবে কল্যাণে কেইবাদিনৰপৰাই নিজকে সাজু কৰি ৰাখিছিল। এইখন মিটিঙৰ ওপৰতে যে প্ৰজেক্ট লুছিফেৰিনৰ সমস্ত সম্ভাৱনা নিহিত আছে—সেই কথা সি বুজিব পাৰিছিল। প্ৰজেক্ট লুছিফেৰিনৰ সাফল্য তাৰ সাফল্য, অনু বাইদেউৰ সাফল্য আৰু মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ সাফল্য! এইকেইদিন সেইবাবেই সি এই উদ্দেশ্যেৰে যথেষ্ট চিন্তাচৰ্চা কৰিছে। ৰোডছ ইঞ্জিনিয়াৰিং ডিভিজনৰ বিশালাক্ষী চলিহা, কেমিষ্ট্ৰিৰ ডক্টৰ পৱন ভাৰ্গভ, স্মেল-ফ্লেভাৰ গ্ৰুপৰ ৰত্না আৰু পুলক সিন্‌হা আৰু বায়োটেকন্যোলজিৰ অনু বাইদেউ আৰু দিল্লীবিজ হুচেইনকে ধৰি আটাইকেইজন ছিনিয়ৰ ছাইণ্টিষ্টকে সি এই ইণ্টাৰগ্ৰুপ মিটিংখনলৈ মাতিছে।

সি ভিদিঅ'কমত নিভাক বিচাৰিলে।

"ইয়েছে ছাৰ?" স্পিকাৰৰপৰা তাৰ পি. এ. নিভা কোৱঁৰৰ

মাতটো ভাহি আহিল। স্ক্রিনত তাইৰ চকুত তিৰবিৰণি, কণ্ঠত পৰম আত্মীয়তাৰ সুৰ।

সি সুধিলে, ইণ্টাৰগ্ৰুপ মিটিঙৰ বাবে সুমনলতা কনফাৰেন্স ৰুম বুক কৰা হ'ল নে ?"

"হয় ছাৰ। সকলো এৰেঞ্জমেণ্ট কনফাৰ্ম কৰা হৈছে। অদিঅ'-ভিদিঅ'-ৱাইডস্ক্রিন আটাইবোৰ মই কালিয়ে ছেট কৰাই ৰাখিছো। চাহৰ ব্যৱস্থাও কৰা হৈছে।" তাই মুখটিপি হাঁহি এটা লুকুৱালে—কল্যাণৰ চাহৰ প্ৰতি দুৰ্বলতাৰ কথা মনত পৰি তাইৰ হাঁহি উঠিছিল।

"থেংক ইউ, নিভা।"

তাইৰ বাওঁচকুৰ ওপৰত পৰি অমনি কৰি থকা চুলিকেইডাল মূৰ জোকাৰি আঁতৰাই লওঁতে কল্যাণৰ তাইক ভনীয়েক শান্তাৰ দৰে লাগি গ'ল। নিভাৰ দৰে একেই চকুৰ তিৰবিৰণি, একেই উৎসাহ, একেই তজবজীয়া স্বভাৱ - অথচ বেচেৰী শান্তাই সকলো আবেগ, সকলো আব্দাৰ প্ৰকাশ কৰিব লাগে হাতৰ অংগী-ভংগী আৰু চকুৰ পাকেৰে! সেই দুখ সেই মনোবেদনায়েই বাৰু তাইৰ চকুৰ কোণ দটা সেমেকাই ৰাখে নেকি ?

"আন এটা ইনপোৰ্টেণ্ট মেছেজ আছিল, ছাৰ।" নিভাই আগৰ প্ৰসংগ শেষ হোৱাৰ পাছত ক'লে, "ক্ৰেছৰ দুটা সৰু ল'ৰাৰ টাইফয়ড হৈছে—মালবিকাই ফোন কৰিছিল।"

কল্যাণ অলপ আচৰিত আৰু চিন্তিত হ'ল, "কি কৈছা তুমি ? ছাইন্স ছিটিত আকৌ টাইফয়ড়ৰ জাৰ্ম সোমাল কেনেকৈ ?"

"মালবিকাই ল'ৰা দুজনৰ গা যোৰা দুদিনমান বেয়া দেখিছিল। পাছত সিহঁত ক্ৰেছলৈ আহিব নোৱাৰা হ'ল। গাৰ্জেনে ছুটী লৈ ল'ৰাৰ ৰখীয়া হৈ ঘৰত থাকিব লগা হ'ল। আজি ডাক্টৰে দুয়োৰে টাইফয়ড বুলি প্ৰমাণ পাইছে। মালবিকা বৰ চিন্তাত

পৰিছে। সেইবাবে আপোনাক বিচাৰিছিল। এংগেজ্‌ড পাই মোকে ক'লে।"

"উঁ।" কল্যাণে নিৰ্দিষ্ট কোনো উত্তৰ নিদিলে। ক'লে, "ডাক্তৰ বাণী শৰ্মা ফ্ৰি আছে নেকি চোৱা। আছে যদি মোক লাইনটো দিবা। লাইনটো ছিকিওৰ কৰি দিবা আৰু ডাক্তৰ শৰ্মাকো চেম্বাৰ ছাউণ্ড প্ৰুফিং কৰি গোপনে মোৰ লগত কথা পাতিবলৈ ক'বা। ইটছ আৰ্জেণ্ট।"

*

ৰত্না সিনহাই কল্যাণক কেতিয়াবা ছাৰ বুলি আৰু কেতিয়াবা ডক্টৰ চৌধুৰী বুলি মাতে। কল্যাণ সোমাই যোৱাৰ লগে লগে তাই বৰ আগ্ৰহেৰে মাতি নিলে, "আহক, আহক ছাৰ। মই স্মিতা আৰু নিভালৈ ফোন কৰি আপোনাক ইনভাইট কৰি থৈছিলোঁ। আপুনি যে আহিব পাৰিব আশাই কৰা নাছিলোঁ কিন্তু। আপুনি এইকেইদিন যি ব্যস্ত। অৱশ্যে আপুনি সদায়ে ব্যস্ত। আপুনি অহাৰ দিন ধৰি দেখিছো।"

কল্যাণে হাঁহিলে। চকলেট ৰঙৰ শাৰীৰ ওপৰত বগা লেব কোটটোৰে ৰত্নাক বৰ স্মাৰ্ট লাগিছে।

"ব্যস্ততা-ত্যস্ততা এইবোৰ বোধহয় মানুহৰ স্বভাৱহে—আন একো নহয়। প্ৰকৃত দক্ষ আৰু কামৰ মানুহে অতি জৰুৰী আৰু চিন্তনীয় বিষয়তো সহজ হৈ থাকে।" কাৰোবাৰ এটা উদ্ধৃতিৰ অনুবাদ কৰি কল্যাণে ক'লে।

"আপোনাৰ গাতো সেই গুণ আছে, ছাৰ। জুইৰ এনকুৱেৰি-টোৰপৰা ছুপাৰগেলাক্সিৰ সময়ত উলিওৱা স্মৃতি গ্ৰন্থৰ কেলেং-কাৰীলৈকে, ক্ৰেছ পতাৰ বিৰম্বনাৰপৰা, অশোক মিত্তালৰ ছাছপেনচনলৈকে, ইণ্টেলিজেণ্ট হাউছিং কৰাৰপৰা অনু বাইদেউৰ

ডেপ্‌টেচনলৈকে সকলোতে আপোনাৰ সহনশীলতা, ধৈৰ্য্য আৰু সাহসৰ প্ৰমাণ আমি পাই আহিছো।" অলপ ৰৈ কিবা এটা ভাবি তাই যোগ দিলে "আৰু ত্যাগৰ। নিবেদিতা স্মৃতি বিজ্ঞানাগাৰৰ সুস্বাস্থ্যৰ বাবে আপুনি ব্যক্তিগতভাৱে যি ত্যাগ আৰু সৎসাহসৰ উদাহৰণ দেখুৱাই আহিছে -"

ৰত্নাই বাক্যটো শেষ কৰাৰ আগতেই কল্যাণে বাধা দি উঠিল, "নাই নাই। তেনেকুৱা বিশেষ একো নহয়। এইটো লেবৰেটৰিয়েই আমাক খুৱাইপিন্ধাই ৰাখিছে, আমাৰ মানসিক স্বাস্থ্যৰ খোৰাক যোগাইছে। ইয়াৰ বাবে আমি আটায়ে আমাৰ কৰ্তব্য কৰিবই লাগিব।"

হঠাতে, ৰত্নাই দিয়া ইমানবোৰ উদাহৰণৰ মাজতে কল্যাণৰ সেই স্মৃতিগ্ৰন্থ কেলেংকাৰীটোলৈহে মনত পৰিল।

ছাইন্স ছিটিত প্ৰতি বছৰে ছুপাৰগেলাক্সি নামৰ বিজ্ঞান সমাৰোহ পতা হয়। দেশৰ বিভিন্ন বিজ্ঞানাগাৰ আৰু বিশ্ববিদ্যালয়ৰ পৰা বিজ্ঞানী আহে। বিদেশৰপৰাও আন্তজাতিক খ্যাতিসম্পন্ন বিজ্ঞানীক বক্তৃতা প্ৰদানৰ বাবে আমন্ত্ৰণ কৰি অনা হয়। গৱেষণা-প্ৰপত্ৰ পাঠৰ চক্ৰ বহে, যুৱ সমাজৰ বাবে বিজ্ঞানৰ ভিদিঅ' কুইজ, কম্পিউটাৰ কুইজ হয়, ছাইন্স পেনোৰামাত বিখ্যাত বিজ্ঞানীৰপৰা ছাত্ৰ-ছাত্ৰীলৈকে নানা জনে নতুন অদ্ভুত বৈজ্ঞানিক ধাৰণা বা পৰীক্ষা প্ৰদৰ্শন কৰে। সাংস্কৃতিক সন্ধিয়া আৰু বিজ্ঞানৰ মেজিকো হয়। ছুপাৰ গেলাক্সিৰ সাতোটা দিন ছাইন্স ছিটি উদুলি-মুদুলি হৈ থাকে।

প্ৰতি বছৰে ছাইন্স ছিটিৰ একো একোটা বিজ্ঞানাগাৰে ছুপাৰ-গেলাক্সি আমন্ত্ৰণ কৰে। গৃহস্থ বিজ্ঞানাগাৰটোৰ বাবে সেই বছৰৰ ছুপাৰগেলাক্সি হৈ পৰে এটা গৌৰৱ আৰু সন্মানৰ বস্তু।

কল্যাণে জইন কৰাৰ দিনা পাইলট প্লেণ্টৰ জুইৰ ঘটনাটোৰ

পাছতে চাৰে দহ বজাত ওপৰৰ সন্মনলতা কনফাৰেন্স ৰুমত ডাইৰেক্টৰে যিখন মিটিং লৈছিল তাতেই ছুপাৰগেলোক্সিৰ কথাটোও ওলাইছিল।

পাবলিক ৰিলেচনছ অফিছাৰ উৎপল বিষয়াক মাতি পঠোৱা হৈছিল। উৎপল বিষয়া নিজৰ ওপৰত আস্থা থকা চুটি-চাপৰ গাঠলু মানুহ। তেওঁ কৈছিল, "এতিয়াও বহুত টাইম আছে ছাৰ, মই ডিটেইলড প্লেনিং কৰি মিটিং পাতিম, আপোনাৰো এডভাইছ ল'ম ছাৰ—"

ডিটেইলড প্লেনিঙত নতুন ছাইন্স এডমিনিষ্ট্ৰেটৰ আৰু ৰিছোৰ্ছ মেনেজাৰ ডক্টৰ কল্যাণ চৌধুৰীকো ল'বলৈ ডাইৰেক্টৰে উপদেশ দিছিল।

ছুপাৰগেলাক্সিৰ দুমাহমান আগৰেপৰা উৎপল বিষয়া বৰ ব্যস্ত হৈ পৰিছিল। এদিন হঠাতে কল্যাণৰ ৰুমলৈ বিনয় সহকাৰে সোমাই আহি তজবজীয়া, গাঠলু উৎপল বিষয়াই পৰম বিশ্বস্ততাৰ সুৰত কৈছিল, "চাওক ডক্টৰ চৌধুৰী, মই প্লেনিং-টেনিঙৰ নামত এইবোৰ মিটিং আৰু পেপাৰ ৱাৰ্কত বিশ্বাস নকৰো। সেই কাৰণে মই ডিটেইলড ৱাৰ্ক এছাইনমেন্ট ৰেডি কৰিয়েই পেলাইছো।—আ হেৰি—" জেপৰপৰা তাচ পাতৰ সমান ডাঠ ইলেকট্ৰনিক ডায়েৰি এটা উলিয়াই দুটামান চাবি টিপি তেওঁ কৈছিল, "আপুনি নতুন মানুহ, বেছি বাৰ্ডেন দিব খোজা নাই, কিন্তু স্মৃতিগ্ৰন্থ মানে ছুভেনিৰ খনৰ দায়িত্ব হ'লে ল'বই লাগিব।"

কল্যাণে 'নাই নাই তাৰ এই লাইনত কোনো অভিজ্ঞতা নাই' আদি কোৱাত উৎপল বিষয়াই ইলেকট্ৰনিক ডায়েৰিটোত দুটামান চাবি টিপি তাক ডিছপ্লেটো দেখুৱাইছিল।

তাত 'ছুভেনিৰ—ডক্টৰ কে ছি, যোগ চিন এটা, আৰু তাৰ পাছত ইউ বি' জিলিকি উঠিছিল। তাৰ অৰ্থ কল্যাণে বুজি পালে ঃ

কল্যাণ চৌধুৰীৰ লগত যুটীয়াভাৱে উৎপল বিষয়াও থাকিব।

"হ'লতো ?"

"বাৰু হ'ব দিয়ক, আপুনি নেৰে যেতিয়া। পিছে সকলো দায়িত্ব হ'লে আপোনাৰ ওপৰতে পৰিব।" কল্যাণে অৱশেষত কৈছিল।

ছুভেনিৰখন একেবাৰে বিজ্ঞাপনৰ পইচাৰে স্বাৱলম্বীভাৱে হ'ব লাগিব বুলি ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে জোৰ দি কৈছিল। বিজ্ঞাপনৰ বাবে যোগাযোগ কৰা আৰু ধন সংগ্ৰহ কৰাৰ দায়িত্ব কল্যাণৰ ওপৰত পৰিছিল। তাৰ পাছত 'মেনেজমেণ্ট – ছুভেনিৰ' বুলি কল্যাণ আৰু উৎপল বিষয়াৰ নামত কম্পিউটাৰ মেগনেটিক পাছ'নেল একাউণ্ট খুলি পইচাবোৰ জমা থোৱা হৈছিল।

কল্যাণ আৰু উৎপল বিষয়াৰ জইণ্ট ছিগনেচাৰ আৰু মেগনেটিক কোডিং ব্যৱহাৰ কৰি পইচা উলিয়াব পৰা হৈছিল। হঠাতে একোদিন উৎপল বিষয়া দৌৰ মাৰি আহি বৰ আৰ্জেণ্ট কামত পইচা বিচাৰিছিল। কল্যাণে কাৰ্ডখনত কোডটো বহুৱাই ৱান-টাইম ছিগনেচাৰটো দিছিল।

কিন্তু পাছলৈ বাৰে বাৰে এই কামটো কৰি কল্যাণ বিৰক্ত হ'ল। সি ক'লে "এটা কাম কৰোঁ দিয়ক মিষ্টাৰ বিষয়া। মই ছেভেন-টাইম বা টেন-টাইম ছিগনেচাৰ এটাকে দি দিওঁ নহলে ? সেয়া শেষ হ'লে আপুনি আকৌ আহিব।"

"নাই নাই, সেইটো—" প্ৰথমতে উৎপল বিষয়াই আপত্তি কৰিছিল। তাৰ পাছত কিবা এটা ভাবি কৈছিল, "অৱশ্যে কথাটো হয়ো। আপোনাৰ মোৰ মাজত বিশ্বাছ নৰখাৰ কোনো কাৰণ থাকিব নোৱাৰে।"

সেই বিশ্বাসৰ সুযোগ লৈ উৎপল বিষয়াই ধুনীয়াকৈ ছুভেনিৰ উলিয়াইছিল আৰু একাউণ্টটোৰ ধনখিনি শেষলৈকে খৰচ কৰিছিল।

ছুপাৰগেলাক্সি ধুমধামেৰে হৈ গ'ল। কিন্তু কল্যাণে এ. ছি. গাড়ীখন কিনাৰ পাছত উৎপল বিষয়াৰ তৰফৰপৰা বদনাম ওলাল যে ছুভেনিৰ একাউণ্টৰ ডাঙৰ এমাউণ্ট এটা গাড়ী কিনাৰ আগদিনা উলিওৱা হৈছে।

কল্যাণে লক্ষ্য কৰিছে যে মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত মুখ-ৰোচক কাহিনী এটা পালে সি বৰ খৰ গতিত মুখ বাগৰি যায়। তাৰ এই কেলেংকাৰীৰ কথা যেতিয়া অনু বাইদেউৰ কাণত পৰিল তেওঁ গম্ভীৰ হৈ ক'লে, "একেবাৰে সৰল মানুহৰ দৰে জালখনত সোমাই পৰিলা কল্যাণ।"

কল্যাণে বুজি পালে অনু বাইদেউৰ খং উঠিছে। তেওঁ সম্পাদিত 'সৰল' শব্দটোৰ সলনি 'বুৰ্বক' শব্দটো ব্যৱহাৰ কৰা হ'লেই সি ভাল পালেহেঁতেন।

তুমি ভু-ভা ল'লেই জানিব পৰিবা যে ছুভেনিৰ খনৰ সমস্ত বিল ডিষ্ট্ৰিবিউট কৰি দিয়া হৈছে মন্দাকিনী বিজ্ঞানাগাৰৰ বাকী অফিছিয়েল লিফলেট আৰু ডিছপ্লেবোৰত। আৰু তোমালোকে বিজ্ঞাপনৰ পৰা কালেক্ট কৰা ছুভেনিৰ ফাণ্ড গৈ সোমাইছে উৎপল বিষয়াৰ জেপত।" তাৰ পাছত কথাটো পৰিষ্কাৰ কৰাৰ বাবে তেওঁ যোগ দিলে, "অৱশ্যে অকল উৎপল বিষয়াৰ জেপতে নহয় — উৎপল বিষয়া, প্ৰতাপ ভট্ট, বিদ্যুৎ চক্ৰবৰ্তী সকলোৰে জেপবোৰ সংলগ্ন — হয়তো ডাইৰেক্টৰৰ জেপো — কোনে জানে!"

কল্যাণৰ গাড়ীৰ বাবে লগা পইচা যে এমাহ আগতে মাকৰ পৰা আহিছিল — সিহঁতৰ পুৰণা ঘৰবাৰীৰ সম্পত্তি বিক্ৰী কৰাৰ অংশৰ-পৰা — সেইটো প্ৰমাণ কৰিবলৈ টান নহ'ল।

"কিন্তু প্ৰমাণ কোনে বিচাৰে কল্যাণ? ইয়াত চোৱাই থাকিব-লৈহে কিবা এটা লাগে।" অনু বাইদেউৱে অভিজ্ঞ দাৰ্শনিকৰ দৰে কৈছিল "খাদ্যতকৈ জাবৰতহে নিচা বেছি। এওঁলোকে

কুঁহিয়াৰ খায় বস খাবৰ বাবে নহয়, ভাবৰি চোবাই থাকিবৰ বাবেহে।"

হাই-টেক লিথ'গ্ৰাফ নামৰ প্ৰেছটোৰপৰা ছুভেনিৰৰ বিল, ৰচিদ আদি উৎপল বিষয়াই ইমান ঠিকঠাককৈ ৰাখিছিল যে তাত খুঁট ধৰিব পৰা একো নাছিল। কিন্তু ছুপাৰগেলাক্সিৰ সময়ত বিষয়াই উলিওৱা বাকীবোৰ প্ৰচাৰ পত্ৰৰ বিলৰ অংক হাইটেক লিথ'গ্ৰাফে অদ্ভুত বঢ়াই দিছে। তাত যে ছুভেনিৰৰ বিলো ভগাই দিয়া হৈছে সহজে বুজা যায়।

সি যেতিয়া সমস্ত আপত্তি জুকিয়াই লৈ ডাইৰেক্টৰক কথাবোৰ কলে, তেও' অমনোযোগীভাৱে তেও'ৰ পাৰ্ছনেল কাম্পউটাৰটোৰ স্ক্ৰিনত চকু দি ক'লে, "আঁ এইবোৰ সৰু-সুৰা কথাত চকু দিবলৈ এৰা, কল্যাণ। বি জেনেৰাছ। ডাঙৰ কাম কৰা। আৰু হেৰি নহয় ছুপাৰগেলাক্সিৰ সময়ত হাইটেকে আজেন্ট কাম কৰি দিছে, কোৱালিটি কাম কৰি দিছে—বিল অলপ বেছি হ'বই। তুমি এইবোৰ চিন্তা বাদ দিয়া।"

*

"আপুনি দেখোন বৰ আনমনা হৈ পৰিছে ডক্টৰ চৌধুৰী?"

"হুঁ? উঁ, নাই নাই"—ৰত্নাৰ কথাত সজাগ হৈ উঠি লাজ পোৱাৰ দৰে কল্যাণে ক'লে। ছুইভেল ষ্টুলখনত সি এনেয়ে আধাপাক মান মাৰি সহজ হৈ দেখুৱালে।

ৰত্নাৰ তাইৰ এক্সপেৰিমেণ্টৰ ইটো-সিটো ঠিক কৰি থকাৰ পৰাই ক'লে, "আপোনাৰ বেছি সময় নলও ছাৰ, মাত্ৰ এই হাই ভোল্টেজটো এডজাষ্ট কৰিলেই হৈ গ'ল।"

তাই খোজ কাঢ়োঁতে পিছফালে এটা ধুনীয়া ঢৌ উঠে। দীঘল বেণীডালে সেই ঢৌত উঠা-নমা কৰে। কল্যাণে দেখিলে তাৰ

এপলক দৃষ্টি তাৰ অবাধ্য কৈ সেই ঢৌত ধমকি বয়।

"মই ৰ'ম বাৰু। আপুনি কৰি যাওক।" কল্যাণে সৌহাৰ্দ্য দেখুৱাই ক'লে।

ইতিমধ্যে স্মেল-ফ্লেভাৰ গ্ৰুপৰ কৃষ্ণা চোপ্ৰায়ো তাৰ মনোযোগ আকৰ্ষণ কৰি তাৰ আগেৰে কেবাবাৰো অহা-যোৱা কৰি আছিল। এবাৰ চকুৰে চকুৰে পৰাত কল্যাণে সুধিলে, "হেল্লো কৃষ্ণা? হাও আৰ ইউ দিছ মনিং?"

"ফাইন ছাৰ, থেংক ইউ।" কৃষ্ণাই ক'লে।

"আৰু এক্সপেৰিমেণ্ট কেনে চলিছে?"

"ভালেই চলিছে, ছাৰ। নতুন কম্পিউটাৰ—এইডেড এনভাইৰন-মেণ্টেল চেম্বাৰটো আহি পোৱাৰপৰা আমাৰ কামৰ প্ৰগেছ খুব চেটিছফেক্টৰি ছাৰ।"

"এনি প্ৰব্লেম?"

"নো ছাৰ, নট এট দিছ মমেণ্ট। আপুনি অহাৰপৰা কোনো ছাইণ্টিষ্টৰে সা-সুবিধা বা ইনফ্ৰাষ্ট্ৰাকচাৰৰ কোনো প্ৰব্লেম হোৱা নাই।" তাৰ পাছতে কৃষ্ণাই হাঁহি মাৰি যোগ দিলে—"আৰু কিবা লাগিলেতো আপোনাক আমনি কৰিমেই।"

অত্যাধিক ব্যস্ততাৰ ফাঁকে ফাঁকে কল্যাণে কেতিয়াবা কেতিয়াবা এনে সহজ সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশ উপভোগ কৰে। সি আপোন কৰি লোৱা এই মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত তাৰ দৃষ্টি আৰু দৰ্শন উপলব্ধি কৰিব পৰা বুদ্ধিমান বিজ্ঞানী আৰু তৎপৰ কৰ্মচাৰী সকলৰ লগত সহজভাৱে দুষাৰ কথা পাতিব পাৰিলে তাৰ মনটো পাতল লাগে।

ৰত্না সিনহাই কম্পিউটাৰ এইডেড বৃহৎ এনভাইৰনমেণ্টেল চেম্বাৰটোৰ আশে পাশে ঘূৰি ইটো-সিটো এডজাষ্ট কৰি থকা সময়খিনি কল্যাণে কৃষ্ণা চোপ্ৰাৰ লগত এনেয়ে দুষাৰ কথা পাতি

আছিল। সি কথাৰ মাজতে ক'ব নোৱাৰাকৈয়ে ছুইভেল ষ্টুলখনত ইফালে আধাপাক মান সিফালে আধাপাকমান মাৰি আছিল।

কিন্তু তেনেতে, তেনেতে এক আতংকিত, নাটকীয়, বিহ্বল কণ্ঠই কোঠাটোৰ পৰিৱেশেই সলনি কৰি দিলে।

"আ—উ—উ!"

ছাটকৈ, উফাল খাই একাতি হৈ পৰি গ'ল ৰত্না সিনহা। চকুৰ আগতে। একেবাৰে চকুৰ আগতে।

"ষ্টপ, ডোণ্ট টাচ্ হাৰ!" কল্যাণ একেজাপে ষ্টুলৰপৰা উঠিল। দৌৰ মাৰি ৰত্নাক ধৰিবলৈ যোৱা কৃষ্ণাক বাউসীতে থাপ মাৰি ধৰি ৰখাই দি সি ক'লে, "হাই ভোল্টেজ হ'ব পাৰে। নুচুবা।"

কৃষ্ণা বাৰু কঁপিছিল নেকি আতংকত? কিন্তু সেইফালে চাবলৈ কল্যাণৰ তেতিয়া সময় নাছিল। সি একেজাপে আহি ৰঙা বুটাম এটা টিপি ৰুমটোৰ মেইনছ কাট অফ কৰি দিলে। তাৰ পাছত কৃষ্ণাক দৃঢ়ভাৱে ক'লে, "এইফালে আহা। ধৰা। ওঁ মূৰৰ ফালে। ওঁ, শোৱাই দিয়া এতিয়া।"

"ইয়াতে? মজিয়াতে?"

"ওঁ কাৰ্পেটৰ ওপৰতে চিতকৈ শোৱাই দিয়া।" অতি দ্রুততাৰ সুৰত কল্যাণে আদেশ দিলে। "মূৰটো অলপ পিছলৈ হাওলাই দিয়া।—নাই নাই তেনেকৈ নহয়, ওঁ, থুতৰিটো দাঙি দিয়া—কপালখন থুঁতৰিটোতকৈ চাপৰ কৈ ৰাখা। উশাহ-নিশাহ চোৱা—নহয় নহয় নাকত হাত দিলে নাপাবা—তোমাৰ গালখন ৰত্নাৰ নাকৰ ওপৰত ধৰা।"

আতংকিত অনিশ্চয়তাৰ সুৰত কৃষ্ণাই মাথোঁ ক'লে—"ছাৰ—! মই দেখোন—" তাৰ পাছত বাক্যটো সম্পূৰ্ণ নকৰাকৈয়ে তাই ক'লে—"আপুনি চাওকচোন ছাৰ!"

অকনো সময় সৌজন্যৰ বাবে নষ্ট নকৰাকৈয়ে কল্যাণে, ৰিত্নাৰ নাকৰ ওচৰত তাৰ গালখন ধৰিলে। নাই। উশাহ-নিশাহৰ কোনো চিন নাই। তাৰ মানে এতিয়াৰ পৰা দুটা বা তিনিটা মিনিট সময় ৰত্নাৰ জীৱনৰ বাবে অতি মূল্যবান সময়।

"ডাক্তৰক খবৰ দিওঁনে ছাৰ?" অতি উদ্‌গ্ৰীৱ হৈ কৃষ্ণাই সুধিলে।

"নো, তাৰ বাবে এতিয়া অকণো সময় নাই।" সি প্ৰায় ধমকি দিয়াৰ সুৰত ক'লে, "কিছ অফ লাইফ, কিছ অফ লাইফ— আৰ্টিফিচিয়েল ৰিস্পিৰেচন! পাৰিবানে তুমি ষ্টাৰ্ট কৰি দিব?"

কিছ অব লাইফ বা জীৱন চুম্বন পদ্ধতিটো এই বিজ্ঞানাগাৰৰ বিজ্ঞানীসকলৰ বাবে নতুন নহয়। বিজ্ঞানীৰ জীৱন আৰম্ভ কৰাৰ সময়ত ৰাষ্ট্ৰীয় গৱেষণা পৰিষদে যি বাধ্যতামূলক প্ৰশিক্ষণ দিয়ে তাত সম্ভাৱ্য দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰাৰ জীৱন বচোৱাৰ শিক্ষাও বৰ নিষ্ঠাৰে দিয়া হয়। পানীত পৰা বিষাক্ত গেছ সেৱন কৰা, সাপে খোটাত বা বিদ্যুৎ আঘাতত হোৱা মৃত্যু কেতিয়াবা কেতিয়াবা আচল মৃত্যু নহয়, আপাত মৃত্যুহে। অৰ্থাৎ দেখাতহে আঘাতপ্ৰাপ্ত জনক মৃত যেন লাগে।

তেনে ভুক্তভোগীক বিদ্যুতৰ সংযোগৰ পৰা বিচ্ছিন্ন কৰাৰ পাছত চিতকৈ শোৱাই দিব লাগে, উশাহৰ বাট পৰিষ্কাৰ ৰাখিবৰ বাবে মূৰটো পিছলৈ হাওলাই দিব লাগে। তাৰ পাছত কণ্ঠৰ ওচৰত লাহেকৈ টিপা মাৰি কেৰোটিড পালছ অনুভৱ কৰিব লাগে। তাত স্পন্দন নাপালে তৎক্ষণাত তেওঁৰ নাকত টিপামাৰি ধৰি মুখত মুখ দি বেলুন ফুওৱাদি ফুৱাই তেওঁৰ হাওঁফাওঁত বতাহ ভৰাব লাগে।

কৃষ্ণায়ো এনে প্ৰশিক্ষণ পাইছিল। কিন্তু প্ৰকৃত বিপদৰ সম্মুখত

পাৰি তাই হেহেঁা-নেহেঁা কৰিলে। কিন্তু এয়া শালীনতাৰ সময় নহয়। কল্যাণে এটা মুহূৰ্তও অপচয় নকৰি ৰত্নাৰ নাকটোত টিপা মাৰি ধৰিলে। তাৰ পাছত তাইৰ গোটেই মুখখন তাৰ মুখেৰে আবৰি ধৰি এটা দীঘল ফুঁৰে ৰত্নাৰ হাওঁফাওঁ ভাৰই দিলে। এবাৰ মুখখন এৰুৱাই আনি দীঘলকৈ উশাহ এটা লৈ সি আকৌ এবাৰ ফুওৱাৰ আগতে সি অত্যাধিক দ্ৰুততাৰে কৃষ্ণাক নিৰ্দেশ দিলে "ব্লাউজৰ হুক বা পিন যি আছে খুলি দিয়া, পেটিকোটটো ঢিলাই দিয়া—আৰু এয়া মই দাঙি ধৰিছো অকমান —ও" এই বুলি সি ক'লে, "তুমি পিঠিৰ ফালে ব্লাউজৰ ভিতৰেৰে হাত সুমুৱাই হুকটো খুলি দিয়া—"

এইবাৰ দ্বিতীয় দীঘল ফুঁ-টোৰে এউশাহ বতাহ সুমুৱাই দি সি ৰত্নাৰ কাষত আঠু কাঢ়ি বহি ল'লে আৰু অতি সাৱধানে তাইৰ তলৰ কামিহাড়ডালৰ চাৰি ছেণ্টিমিটাৰ ওপৰত হাতৰ গদা বহুৱাই কৃত্ৰিম শ্বাসৰ বাবে থৰথৰকৈ হেচা দিবলৈ ধৰিলে।

*

নিভাই আবেলিৰ ইণ্টাৰ গ্ৰুপ মেনেজমেণ্ট মিটিং খনৰ কথা সময়ৰ আগে আগে কল্যাণক সোঁৱৰাই দিলে—"ছাৰ, আৰু দহ মিনিটৰ পাছতে সুমনলতা কনফাৰেন্স ৰুমত ইণ্টাৰগ্ৰুপ মিটিং— আপুনি অৱশ্যে মুৰামুৰিকৈ আহিলেও হ'ব। মই আমাৰ ডিভিজনৰ সত্যনাৰায়ণ আৰু ডক্টৰ কুমাৰৰ লগ লাগি সকলো ঠিক-ঠাক কৰি ৰাখিছো—মই এতিয়া ইয়াৰ পৰাই কৈছো—সুমনলতা কনফাৰেন্স ৰুমৰ পৰা।"

"থেংক ইউ নিভা—মই তোমালোকৰ ওপৰত নিৰ্ভৰ কৰিব পাৰো," কল্যাণে সঁচা কৃতজ্ঞতাৰ সুৰত ক'লে। "মই এতিয়াই পামহি।"

দৰ্কাৰী কাগজ-পত্ৰখিনি হাতত লৈ বেগাবেগীকৈ কনফাৰেন্স ৰুমৰফালে খোজ দিওঁতে বাটতে তাৰ লাইব্ৰেৰিৰ জাহ্নবীৰ লগত ভেটাভেটি হ'ল। মাজৰ চিৰিটোৰে জাহ্নবী বোধ হয় ডাইৰেক্টৰৰ ৰুমৰফালেই উঠি আহিছিল। তাক দেখি ৰ'ল। ইতঃস্ততঃ কৰিলে। তাৰ পাছত তলমূৰকৈ সি অহাৰ ওলোটা ফালে ঘূৰিব খুজিলে।

"কি খবৰ মিছ দত্ত?" কল্যাণে আনদিনাৰ দৰে উৎফুল্ল হৈ সুধিলে।

কিন্তু ক'ৰবাত কিবা এটা বেলেগ বেলেগ লগা নাইনে? ক'ৰবাত কিবা এটা বিসদৃশ যেন ভাৱ হোৱা নাই নে?

"ঠিকেই আছে।"—বৰ নিৰুদ্বেগ নিৰুত্তাপ সুৰত, তাকো অন্য ফালে চাই জাহ্নবীয়ে উত্তৰ দিলে। তাৰ পাছত তাই যেন ক'তো একো হোৱাহে নাই, যেন তাই কাকো ওচৰত দেখাহে নাই তেনে ভংগীত কল্যাণৰ যোৱাৰ বিপৰীত দিশত খোজ দিলে।

এয়া জানো সম্ভৱ? তাকো জাহ্নবী দত্তৰ পৰা? যি জাহ্নবী দত্তই তাক দেখিলে ওচৰ'ল দৌৰি অহাদি আহে—তাক লাইব্ৰেৰিলৈ অহা নতুন কিতাপৰ খবৰ দিয়ে, কলোনিৰ নতুন খবৰ থাকিলে তাক বিতংকৈ দিয়ে, একো কথা নাথাকিলেও তাক সশ্ৰদ্ধ সম্ভাষণ জনায়—তাৰ লগত সহজ সম্পৰ্ক ৰাখে?

ক'ৰবাত কিবা ভুল হ'ল নেকি? তাৰ? কল্যাণৰ? কেতিয়াবা বাৰু নিজৰ অজানিতে সি তাইক টানকৈ কিবা এষাৰ ক'লে নেকি? নক'বলগীয়া কিবা এটা ক'লে নেকি? নাইবা, কেতিয়াবা তাই আগ্ৰহেৰে তাৰ ফালে দৌৰি অহাদি আহোঁতে সি নিৰ্বিকাৰ—নিৰুদ্বিগ্ন—অতি ব্যস্ত হৈ দেখুৱালে নেকি?—কল্যাণে একো মনত পেলাব নোৱাৰিলে। কিন্তু, সদায় সহজভাৱে মাতকথা দি

থকা এগৰাকী সহকৰ্মীৰ এনে আচহুৱা ব্যৱহাৰত তাৰ মনটো বৰ গধুৰ হৈ পৰিল।

*

কল্যাণ গৈ যেতিয়া সুমনলতা কনফাৰেন্স ৰুমৰ সন্মুখত উপস্থিত হ'ল তেতিয়া হৰ্ষ খান্নাৰ ৰচনা আৰু প্ৰযোজনাৰ কম্পিউটাৰ সংগীতৰ এক মধুৰ মূৰ্চ্ছনাই তাক সম্ভাষণ জনালে। বেণীডাল পিছফাললৈ উছাৎ মাৰি দি এটা মোলায়েম হাঁহিৰে এইবাৰ সম্ভাষণ জানালে তাৰ পি. এ. নিভা কোঁৱৰে।

"ছাৰ, এভ্ৰিথিং ইজ ৰেডি। আৰম্ভণিতে বাৰু একোকাপ সুদা চাহ দিম নেকি?' কথাষাৰ সোধোতে তাইৰ চকুত দুষ্টালিৰ জিলিকনি এটা খেলি গ'ল।

নিভাই যে এটা নিশ্চিত ইতিবাচক উত্তৰহে আশা কৰিছিল সেইটো কল্যাণে বুজি পালে। কিন্তু, সি তাৰ বোবা ভনীয়েক শান্তালৈ মনত পৰি যোৱাত পোনপটীয়া উত্তৰ এটা নিদিলে।

"আঁ, চাহ—?" সি বৰ ছিৰিয়াছ হৈ ভবাৰ নিচিনা কৰি প্ৰশ্নটো সুধিলে।

নিভা যেন এক মুহূৰ্তৰ বাবে আচৰিত হ'ল—স্তব্ধ হ'ল।

তাৰ পাছত তাৰ সেই বিমল, শিশুসুলভ সহজ হাঁহিটো মাৰি সি নিভাৰ ফালে চাই সি ক'লে, "চাহৰ কথা আৰু সুধিব লাগে নেকি, নিভা? আৰু হেৰি মোক দিবা একাপ ধোঁৱা ওলাই থকা সোনালী ৰঙৰ লেখন টি, হুঁ?"

সংহাৰিত নিভাৰ চকুৰ কোন দুটাত হাঁহি এটা খেলি গ'ল।

মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ প্ৰায়বোৰ মিটিঙেই বৰ ইনফৰ্মেল পৰিবেশত হয়। তাতো অৱশ্যে কল্যাণৰ অৱদান

কম নহয়। আগতে ইয়াত মিটিঙলৈ জুনিয়ৰ ষ্টাফৰ মানুহবোৰ দহ পোন্ধৰ মিনিট আগতে আহি আসন গ্ৰহণ কৰে। তাৰ পাছত আহে ছিনিয়ৰ ছাইণ্টিষ্ট আৰু এছিষ্টেণ্ট সকল। তাৰ পাছতহে ডাইৰেক্টৰ আৰু প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য সোমাই আহে গুৰুগম্ভীৰ খোজেৰে একেবাৰে মিটিঙৰ মুৰামুৰি সময়ত। তেওঁলোক সোমাই আহিলেই বাকী সকলোৰে মিলিটেৰী কায়দাত থিয় হয় আৰু তেওঁলোক দুজন নবহালৈকে মুৰটো সামান্য দোৱাই থিয় হৈয়ে থাকে।

প্ৰথম দিনা এই সুমনলতা কনফাৰেন্স ৰুমতে এই কায়দা দেখি কল্যাণ আচাৰিত হৈছিল, কিন্তু ডাইৰেক্টৰ পি. এছ. অবিনাশ কৌৰে তাক ফুচফুচাই কোৱাৰ দৰে কৈ সজাগ কৰি দিছিল—"ছাৰ, ডাইৰেক্টৰ আৰু এডিচনেল ডাইৰেক্টৰ!"

"অ'!" কল্যাণেও আনবোৰৰ লগতে অৱলীলাক্ৰমে থিয় দিছিল।

কিন্তু তাৰ পাছৰ কেবাখনে মিটিঙত সি এই হাইস্কুলীয়া নিয়মটোৰ প্ৰকাশ্যে বিৰোধিতা কৰিছিল। সি লোৱা মিটিংবোৰলৈ হাঁহি মাৰি সি সোমাই আহোঁতে কোনোবা থিয় হ'ব খুজিলে সি আদেশ দিয়াৰ সুৰত কৈছিল—"নো, প্লিজ ছিট ডাউন। মই সোমালে অন্ততঃ এনেদৰে থিয় নহ'ব। আৰু, যদি পাৰে, মিটিঙলৈ আন কোনো সোমালেও থিয় নহ'ব। ছাইন্সৰ জগতত এই মালিক ভৃত্যৰ সম্পৰ্ক বা আনকি শিক্ষক-ছাত্ৰৰ সম্পৰ্কই নাই। ইয়াত সকলো ছাত্ৰ—সদায়।"

ছাইকেল বা বেলুন—বাইক চলাই গৈ থাকোঁতে তাক দেখিলে নামি নামি যোৱা মানুহবোৰকো সি দৃঢ় ভাষাত কৈ দিছিল—"নো, প্লিজ ডোণ্ট। এনেদৰে বৃটিছ আমোলৰ পৰাধীন ভাৰতীয়ৰ মেণ্টেলিটি প্ৰকাশ নকৰিব। এনেকৈ সময় নষ্ট কৰাৰ অধিকাৰ

আমাৰ কাৰোৰেই নাই।"

মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত বিজ্ঞানী সকলৰ মাজত বিড়ি-ছিগাৰেট খোৱা মানুহ বৰ কম। কিন্তু যি কেইজনে খায় তেওঁলোক মিটিঙত বা ছিনিয়ৰৰ আগত নাখাইছিল। কল্যাণ যেন অন্য সমাজৰ, অন্য সময়ৰ মানুহ। সি তো আচৰিত। এদিন সি সোমাই আহোঁতে ছিগাৰেট নুমুওৱা জুনিয়ৰ ছাইণ্টিষ্ট এজনক অকণো দ্বিধা নোহোৱাকৈ সি ক'লে, 'হাৰে ছিগাৰেট নুমুৱাইছে কেলেই? খাওক। মিটিঙত ছিগাৰেট বৰ্জন কৰি উচপিচাই থকাতকৈ খোৱাবিলাকে খাই সহজভাৱে থাকক।" অলপ ভাবি ধেমালি কৰাৰ সুৰত হাঁহি মাৰি সি যোগ দিলে, "চাহ কফি যদি ছিনিয়ৰৰ আগত খাব পাৰি, পাণমছলা যদি খাব পাৰি, এছ্‌পিৰিন-কেফিন টেবলেট যদি খাব পাৰি, ছিগাৰেটো পাৰিব। মিছা প্ৰমূল্য, মিছা ভেলু এটাত মূল্য দিয়ে কেলেই?"

"হাই, ডক্টৰ কল্যাণ চৌধুৰী!" মুখৰ পৰা এমুখ ধোঁৱা ওপৰলৈ কুণ্ডলীৰ আকাৰত দক্ষতাৰে মাৰি দি বিশালাক্ষী চলিহাই কল্যাণক সুমনলতা কনফাৰেন্স ৰুমৰ ভিতৰৰ পৰা চিঞৰি মতা দি মাতিলে।

"হাই বিশালাক্ষী! হাও আৰু ইউ দিছ আফ্‌টাৰনুন?"

"ফাইন, থেংক ইউ।"

"আপোনাৰ পৰা এটা ষ্ট্ৰং কমিটমেণ্ট আশা কৰিছোঁ, মিট্‌জ বিশালাক্ষী।"

"মোৰ পৰা? মোৰ পৰা আকৌ কেনেকৈ?"

"ওঁ। আচৰিত নহ'ব," কল্যাণে ক'লে।

"কিন্তু মোক এই মিটিং খনলৈ মতাতেই মই আচৰিত হৈছোঁ, ডক্টৰ। ইয়াত আছে অনু অধিকাৰীৰ বায়োলুমিনেটৰৰ গ্ৰুপ, পুলক সিনহা ৰয়া সিনহাৰ স্মেল-ফ্লেভাৰ গ্ৰুপ, পৱন ভাৰ্গভৰ

কেমিকেল ফছফৰৰ গ্ৰুপ, আৰু তাৰ লগতে একদম মিছফিট হৈ ৰোড্‌ছ ইঞ্জিনিয়াৰিং ডিভিজনৰপৰা মই—যাৰ মূৰত কেমিষ্ট্ৰি, বায়োটেকনোলজি, স্মেল, ফ্লেভাৰ, ব্ৰেইন, ছাইবাৰ নেটিকছ একো নোসোমায়। আচল কথা ক'ব লাগিলে যাৰ মূৰৰ ভিতৰত থকা সামান্য পৰিমাণৰ ব্ৰেইন ছাবষ্টেন্স ইতিমধ্যে ঘোলা হৈ গৈছে।"—এই বুলি বিশালাক্ষীয়ে নিজৰ ৰসিকতাত নিজেই হাঁহিবলৈ ধৰিলে।

কল্যাণে প্ৰাণ উজাৰি হাঁহিলে। কিন্তু তাৰ হাঁহিৰ জোৱাৰ মাৰ যাওতে নৌ যাওঁতে গম্ভীৰ খোজেৰে অনু বাইদেউক সোমাই অহা দেখা গ'ল।

অনু বাইদেউৰ প্ৰতি কল্যাণৰ যেন যেন এটা অদ্ভুত সমীহ অদ্ভুত ভয়। তেওঁক দেখাৰ লগে লগে সি গম্ভীৰ হৈ পৰিল।

"আহক, আহক অনু বাইদেউ। আপোনাৰ গ্ৰুপৰ বাকী কেইজন ?"

"আহিছে। আমাৰ কিমান সময় লাগিব কল্যাণ ?"

"ধৰক—" অলপ হেহোঁ নেহোঁকৈ কল্যাণে ক'লে "এই ধৰক এঘণ্টা।"

"ওঁ," অনু বাইদেৱে কিবা এটা ভাবি ক'লে, "মিটিঙ শেষ হ'লেই মই ঘৰলৈ যাব লাগিব। লাটুৰ জ্বৰ। হয়তো টাইফয়ডো হ'ব পাৰে।"

॥ ১৩ ॥

কল্যাণে আয়োজন কৰা ইণ্টাৰ-গ্ৰুপ মেনেজমেণ্ট মিটিংখনত ৰত্না সিন্‌হাৰ অনুপস্থিতি দেখদেখকৈ ওলাই পৰিছিল। মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ আটায়ে জানিলে যে কল্যাণৰ প্ৰত্যুৎপন্নমতি আৰু খৰতকীয়া ব্যৱস্থায়েই ৰত্নাক এটা প্ৰচণ্ড হাই-ভোল্টেজ শ্বকৰ পৰা বচাই তুলিলে। কিন্তু সুমনলতা কনফাৰেন্স ৰুমলৈ পুলক সিন্‌হা সোমাই অহাৰ লগে লগে গোটেই ঘটনাটো কল্যাণৰ মনৰ চকুৰ আগেৰে দ্ৰুতভাৱে আঁকৌ এবাৰ পাৰ হৈ গ'ল। লগে লগে সি যেন আকৌ আড়ষ্ট হৈ পৰিল।

সি বাৰু এক মৃত্যু মানসিক সংঘাতত ভুগিছে নেকি? —উচিত হৈছিল নে? নিতান্তই প্ৰয়োজনীয় আছিল নে? নে সি এই জীৱন চুম্বন দিবলৈ—এইদৰে মুখেৰে ফুৰাই দি অচেতন ভুক্তভোগী গৰাকীক বচাই তুলিবলৈ—উদ্‌গ্ৰীৱ হৈ পৰিছিল? কাৰণ, ভুক্তভোগী আছিল এক চৌম্বিক আকৰ্ষণ, এক অস্বীকৃত শিহৰণ? কিন্তু সেইখিনি সময়ত, এই আকৰ্ষণ, এই শিহৰণ ৰত্না সিন্‌হাৰ জীৱন নিৰ্ভৰ কৰিছিল কল্যাণৰ এক মুহূৰ্তত সিদ্ধান্তৰ ওপৰত, এক বৈদ্যুতিক তৎপৰতাৰ ওপৰত। সি বাৰু ৰ'ব পাৰে নে? নাইবা আত্মবিশ্বাস নথকা, দ্বিধাগ্ৰস্তা কৃষ্ণা চোপ্ৰাৰ ওপৰতে কেৱল শালীনতাৰ খাতিৰতে সি বাৰু এই দায়িত্ব এৰি দিব পাৰে নে?

কিন্তু আন এটা প্ৰশ্নও বাৰে বাৰে তাৰ মনলৈ আহি থাকিল—ৰত্না সিন্‌হা নহৈ আন কোনোবা হোৱা হ'লে আন কোনোবা পুৰুষ ছাইণ্টিষ্ট হোৱা হ'লেও সি সমানেই উদ্‌গ্ৰীৱ, সমানেই তৎপৰ হ'লহেঁতেন নে? —এই প্ৰশ্ন তাৰ নাছিল, আছিল স্মিতাৰ। তাইৰ মনত যি

ভাবেই খেলা নকৰক কিয় প্ৰশ্নটো সোধোঁতে কিন্তু তাই বিশেষ কোনো ভাবাবেগ দেখুওৱা নাছিল। সেইবাবে লাজকুৰীয়া হাঁহি এটা মাৰি তেতিয়া কল্যাণে প্ৰশ্নটো এৰাই গৈছিল।

ডক্টৰ পুলক সিন্‌হা সোমাই অহাৰ লগে লগে অমু বাইদেউ, দিলবিজ হুচেইন, বিশালাক্ষী চলিহা, সত্যনাৰায়ণ, ডক্টৰ কুমাৰ আৰু নিভা—আটায়ে তেওঁক প্ৰায় আগুৰি ধৰিলে। আটায়ে ৰত্নৰ কুশল-মংগলৰ নানা প্ৰশ্নও সুধিলে। কল্যাণো দুখোজমান আগবাঢ়ি গ'ল—অৱশ্যে কিবা এক দ্বিধা, কিবা আড়ষ্টতাই তাক বৰ আমনি কৰি থাকিল। তাৰ লগে লগে আহি থাকিল এক মধুৰ আমনিৰ স্মৃতি—এটা চিনো-নিচেনো তপত নিমখীয়া সোৱাদৰ স্মৃতি—তাৰ ওঁঠত। সি পোনে পোনে ৰত্নাৰ গিৰিয়েক পুলকৰ চকুৰ ফালে চাব নোৱাৰিলে।

"আপুনিতো জানেই ডক্টৰ চৌধুৰী" ডক্টৰ পুলক সিন্‌হাই আন সকলোৰে কথা খন্তেকলৈ আওকাণ কৰি কল্যাণক সম্ভ্ৰমেৰে ক'লে, "ৰত্নাক ডাক্তৰে আৰু কেই ঘণ্টামান বিচনাতে থাকিবলৈ কৈছে। অৱশ্যে ডক্টৰ বাণী শৰ্মাই ইলেক্‌ট্ৰো-এনছেফালোগ্ৰাম বা মেটস্কেনিঙত ক'তো একো এবনৰ্মেলিটি পোৱা নাই।" তাৰ পাছত অতি সকাহ পোৱাৰ সুৰত ওপৰলৈ দুয়োহাত তুলি তেওঁ পৰম কৃতজ্ঞতাৰে ক'লে, "অ' গড!" তাৰ পাছতে কল্যাণলৈ চাই ক'লে, "আপুনি নথকা হ'লে যে আজি কি হ'লহেঁতেন!"

কল্যাণে কি উত্তৰ দিব ভাবি পোৱা নাছিল। পুলক সিন্‌হাৰ পৰা এনে পৰিষ্কাৰ, নিৰ্ভেজাল ব্যৱহাৰ যেন সি আশাই কৰা নাছিল। সি এনেয়ে ক'লে, "নাই!"

"ইণ্টাৰ গ্ৰুপ মিটিঙলৈ আহিব নোৱাৰি ৰত্নাই আপোনাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনাবলৈ মোকেই কৈছে।"

"নাই নাই, তাৰ কোনো প্ৰয়োজন নাই। লেট হাৰ বি আলা ৰাইট ফাৰ্ষ্ট।"

"আৰু হেৰি,"—পুলক সিন্‌হাই ক'লে, "ৰত্নাই আজি সন্ধিয়া আপোনাক যেনে তেনে এবাৰ ঘৰলৈ মাতিছে। কেনেকৈ কি হ'ল তেওঁতো একো ক'বই নোৱাৰে—আপোনাৰপৰাই সকলো শুনিব বোলে।" একে সুৰতে তেওঁ আৰু ক'লে, "ময়ো সেই লোকৰ মুখতহে শুনা—আপোনাৰপৰাই ৰত্নাৰ পুনৰজীৱন লাভৰ কাহিনী শুনিম। আহিব।"

নিভা কোঁৱৰে, সত্যনাৰায়ণ আৰু ডক্টৰ কুমাৰৰ সহযোগত চাহ দিবলৈ আৰম্ভ কৰাৰ সময়ত ইণ্টাৰগ্ৰুপ মিটিংখনে এটা বিশেষ পৰ্য্যায় পাইছিলগৈ।

"ইছছেৰিচিয়া কোলাই নামৰ বেক্টেৰিয়াটোত জেনিটিক ইঞ্জিনিয়াৰিং টেকনিক খটাই সিহঁতৰ জিনত জোনাকী পৰুৱাৰ জিন সুমুৱাই দিবলৈ আমি সক্ষম হৈছোঁ—এই কথা মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ ভিতৰে-বাহিৰে বহুতে জানে।" —গলগলীয়া মাতেৰে অমু বাইদেৱে কৈ গৈছিল। "এতিয়া ডক্টৰ পদ্মনাভনৰ সুদক্ষ পথ-প্ৰদৰ্শন আৰু দিলবিজ্ছুছেইনকে ধৰি আমাৰ ডিভিজনৰ অন্য কৰ্মীসকলৰ কষ্টসহিষ্ণুতা আৰু নৈষ্ঠিক কামৰ বাবে আমি জোনাকী পৰুৱাৰ দৰে পোহৰ দিবপৰা ই. কোলাইৰ সুস্থিৰ কলোনি এটা তৈয়াৰ কৰিবলৈ সক্ষম হৈছোঁ।"

তাৰ পাছত ডক্টৰ পৱন ভাৰ্গৱৰ টিমে প্ৰস্তুত কৰি দিয়া আৰ্টিফিছিয়েল লুছিফেৰিনৰ পৰিৱেশত এই ই. কোলাইবোৰ মেলি দিলে সি কেনেকৈ পোহৰ দিবলৈ আৰম্ভ কৰে তাৰ বিশদ বৰ্ণনা অমু বাইদেৱে দিলে।

কল্যাণে এই মিটিঙৰ বাবে অমু বাইদেউৰ লগত আগতে যথেষ্ট আলোচনা-বিলোচনা, যথেষ্ট হোমৱাৰ্ক কৰিছে। সি মনত পেলাই দিলে, "অমু বাইদেউ, মেগনেটিক ফিল্ডৰ এফেক্টটোও মেনচন কৰক।"

"ওঁ, মই প্ৰায় সেইটোলৈকেই আহিছিলোঁ।" —অম্বু বাইদেৱে ক'লে, "হঠাতে, এক্সিডেণ্টেলি এদিন দিলবিজে আমাৰ ছুপাৰকণ্ডাক্টিং মেগনেটিক মেনি-পুলেটৰটো অন কৰি দিলে,—বেলেগ এটা কামৰ বাবে। কিন্তু, আচৰিত—আমাৰ ই. কোলাই বেক্টেৰিয়াবোৰে দেখোন অধিক তীব্ৰতাৰে পোহৰ দিবলৈ লাগি গ'ল। —আমি সেই দৈবাৎ ঘটা ঘটনাটোৰ সুযোগ ল'লোঁ। ছুপাৰকণ্ডাক্টিং মেগনেটৰ ফিকুৱেন্সি চল্লিশৰ পৰা পাঁচ হাজাৰ ছাইকলছ পাৰ্ ছেকেণ্ডলৈ সলনি কৰি চালোঁ। মেগনেটিক ফিল্ডৰ ষ্ট্ৰেংথ একৰপৰা দহ অ'ৰষ্টেডলৈ সলনি কৰি চালোঁ। তিনি সপ্তাহ নানা কম্বিনেচন এপ্লাই কৰি প্ৰায় ভাগৰি যোৱাৰ পাছত দিলবিজে এদিন সন্ধিয়া দেখিলে ছেভেন অ'ৰষ্টেড ইণ্টেনছিটিৰ ফিল্ডত ৩৩৯৫ ফ্ৰিকুৱেন্সিত ই. কোলাইবোৰে প্ৰায় হান্ড্ৰেড ফোটন কোৱাণ্টাম ইল্ড দেখুৱাইছে—প্ৰায় পইণ্ট নাইন এফিছিয়েন্সি।"

অম্বু বাইদেৱে পাতল কাপটো আলফুলকৈ দাঙি এঢোক চাহ খোৱা দেখি কল্যাণেও নিভাই সযতনে আনি দিয়া তাৰ লেমন টিৰ গিলাছটোৰ-পৰা এঢোক চাহ খালে।

অম্বু বাইদেৱে সম্ভ্ৰম আৰু স্নেহৰ মিশ্ৰিত দৃষ্টিৰে ডক্টৰ পৱন ভাৰ্গভৰ ফালে চালে। তাৰ পাছত ক'লে—"আমাৰ কামত ডক্টৰ পৱন ভাৰ্গভ, অশোক মিত্তাল আৰু কুইন ভট্টাচাৰ্য্যয়ো কম অৰিহণা যোগোৱা নাই। ছিন্থেটিক লুছিফেৰিনৰ যোগান ধৰাৰপৰা, তাত ফ্ৰি ৰেডিকেল আৰু হাইড্ৰোজেন পেৰক্সাইডৰ এফেক্ট ষ্টাডি কৰালৈকে সকলো বেক আপ এই গ্ৰুপটোৱে কৰিছো।"

"কুইনে অৱশ্যে অতি কম দিনতে সকলো আয়ত্ব কৰি লৈছে। বিশেষকৈ অশোক মিত্তালৰ ছাছপেনছনৰ পাছৰেপৰা তেৱেঁই লেবৰেটৰিটোৰ সকলো কাম চম্ভালিছে।" এটা সহজ হাঁহি মাৰি, ওচৰতে গম্ভীৰ হৈ বহি থকা কুইনৰ ফালে চাই, ডক্টৰ পৱন ভাৰ্গভে যোগ দিলে। কুইনে কোনো ভাব নেদেখুৱালে। তাই বৰ থমথমীয়া

মুখ এখন লৈ বহি ৰ'ল। ভাৰ্গভে আৰু ক'লে, "ছিন্থেটিক লুব্ৰিকেৰিন লাৰ্জ স্কেলত প্ৰডিউছ কৰাটো সিমান টান নহ'ব। পাইলট প্লেণ্টত সকলো সা-সুবিধা আছেই। তুই এটা খুব মাইনৰ মডিফিকেচনহে লাগিব।"

এইবাৰ পূৰ্ব পৰিকল্পিত মতে কল্যাণে নেতৃত্ব ল'লে। সি প্ৰথমতে এজন অভিজ্ঞ মেনেজাৰৰ দৰে সকলো গ্ৰুপৰে কামৰ প্ৰশংসা কৰিলে। ক'লে যে এইবোৰ কাম যি কোনো এটা আন্তৰ্জাতিক গৱেষণাগাৰৰ কামৰ সমপৰ্য্যায়ৰ হ'ব। তাৰ পাছত সি তাৰ আচল কথাটোলৈ আহিল, "যোৱা কেইদিন ধৰি মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ বিভিন্ন ৰিছাৰ্চ গ্ৰুপৰ ষ্ট্ৰেংথ আৰু উইকনেছ আধুনিক ছোৱাট—এছ. ডব্লিউ. এ. টি.—ছোৱাট পদ্ধতিৰে বিশ্লেষণ কৰাৰ পাছত মই এটা বিশেষ ডিৰেকচন, এটা বিশেষ লাইন অব ৰিছাৰ্চ, প্ৰপোজ কৰিব খুজিছোঁ।" এইবুলি সি বহাৰপৰা উঠিল। স্লাইড স্ক্রিনখনৰ ফালে আগবাঢ়ি যাওঁতে নিভাৰ ফালে ইংগিত দিয়াৰ ভংগীত চালে। নিভাই এবাৰ বেণীডাল উছাহ মাৰি তাৰ ফালে চাই মুখটো সামান্য লৰাই তাই ৰেডি আছে বুলি বুজালে।

স্লাইড স্ক্রিনত হৰ্ষ খান্নাৰ ৰচিত কম্পিউটাৰ মিউজিকৰ মাজত গাড়ী-মটৰ ভৰি থকা হুলস্থুলীয়া, বহল, ক'লা ৰাস্তা এটা দেখা গ'ল। কেমেৰা ৰাস্তাটোৰে চলি গৈ থাকোঁতে জেব্ৰা ক্ৰছিং, ট্ৰেফিক লাইট আৰু বিশেষকৈ ষ্ট্ৰিট লাইটবোৰৰ ওপৰত বেছিকৈ ফোকাছ কৰা দেখা গ'ল। এইবাৰ ৰাস্তাটোৰ ক'লা পিটছৰ এটা ডাঙৰ ছটাৰ ওপৰত কেমেৰা স্থিৰ হৈ ৰৈ গ'ল। এটা হিছহিছনি শব্দৰ লগে লগে দেখা গ'ল এটা মিহি বেঙুনীয়া পোহৰ আহি ৰাস্তাটোৰ এই অংশটোত পৰিছে। ৰাস্তাটোৰ এটা সৰু অংশ এইবাৰ কেইবাগুণো ডাঙৰ কৰি দেখুওৱা হ'ল। সংগীতৰ সুৰ সলনি হোৱাৰ লগে লগে মিহি বেঙুনীয়া পোহৰত এই পৰিবৰ্ধিত অংশটোত অসংখ্য সমান্তৰাল আঁচ দেখা গ'ল—এই আঁচবোৰ ৰাস্তাটোৰ পিটিখনৰ সমান ক'লা নহয়।

"প্ৰেজিয়াবিজম। প্ৰেজিয়াবিজম। সেয়া একেবাৰে মোৰ কামৰ নকল।"—কনফাৰেন্স ৰুমৰ এটা মূৰৰ পৰা বিশালাক্ষী চলিহাই চিঞৰি উঠিল। অৱশ্যে তেওঁ যে এনেয়ে ধেমালিৰ সুৰতহে কৈছে সেইটো তেওঁৰ কথাৰ সুৰৰ পৰাই বুজা গ'ল।

কল্যাণেই কৃত্ৰিম গাম্ভীৰ্য্য সানিয়েই ক'লে, 'হয়। এয়া আপোনাৰ কামৰ নকলেই, ডক্টৰ বিশালাক্ষী। কিন্তু ৰ'ব, মই লাহে লাহে আপোনালোক আটাইৰে কামৰ নকলেই প্ৰেজেণ্ট কৰিম। কিমান ভালদৰে নকল কৰিব পাৰোঁ এতিয়া, সেইটোতে মোৰ দক্ষতা।"

সিদিনাৰ এঘণ্টাৰ মিটিঙত কল্যাণৰ প্ৰেজেণ্টেচনেই চলিছিল আধা ঘণ্টাৰ ওপৰ। ৰোড্ছ ইঞ্জিনিয়াৰিঙৰ ডক্টৰ বিশালাক্ষী চলিহাই ৰাস্তা বান্ধোতে লগা এছফাল্টৰ পৰিমাণ কমাবৰ বাবে ষ্ট্ৰাইপ্ড ষ্ট্ৰিট নামৰ এটা প্ৰচেছ উলিয়াই দেশে-বিদেশে নাম কৰিছিল। এই প্ৰক্ৰিয়াত ৰাস্তাবোৰত ষ্ট্ৰাইপাৰ নামৰ মেছিনেৰে সমান্তৰাল ষ্ট্ৰাইপ বা আঁচ কেতবোৰ দিয়া হয়। তাৰে আঁচ নথকা অংশত এছফাল্ট লাগি নথৰে, আঁচ থকা অংশতহে লাগে। ফলত ৰাস্তা বান্ধোতে আগৰ দৰেই মজবুত আৰু সুচল হয়। খৰচ কিন্তু বহুখিনি কম হয়।

"এই ষ্ট্ৰাইপবোৰত বাৰু অমু বাইদেউৰ জেনিটিকেলি মেনিপুলেটেড পোহৰ দিব পৰা ই. কোলাই মিহলি কৰি দিব নোৱাৰিনে?—কল্যাণৰ এই মন্তব্যৰ লগে লগে সুমনলতা কনফাৰেন্স ৰুম নতুন সম্ভাৱনাৰ গুঞ্জনেৰে ভৰি পৰিল। ইজনৰ ওপৰত সিজনে অধৈৰ্য্যভাৱে মন্তব্য কৰিবলৈ ধৰিলে।

বৈজ্ঞানিক চিন্তা-চৰ্চাৰ এই মুক্ত আদান-প্ৰদানত কল্যাণে কোনো বাধা নিদিলে। অলপ পাছত যেতিয়া স্ক্ৰিনখন উকা হৈ পৰিল আৰু সুমনলতা কনফাৰেন্স ৰুম আকৌ হৰ্ষ খাম্নাৰ লো ভলিউমৰ বেক গ্ৰাউণ্ড মিউজিকেৰে ভৰি পৰিল, তেতিয়া সি ক'লে, 'ই. কোলাই বেক্‌টেৰিয়াৰ লাইট এমিটিং ষ্ট্ৰেইনটোৰ গ্ৰোউথ এণ্ড নিউট্ৰিচনৰ ষ্টাডিৰ সম্পূৰ্ণ দায়িত্ব

অনু বাইদেউ-দিলবিজয় গ্রুপৰ হাতত আছেই। ডক্টৰ ভাৰ্গভে লুছিফেৰিন ছিম্থেছিনৰ কামটো অলপ খৰকৈ আগবঢ়াই দিয়ক। ডক্টৰ পুলক আৰু ৰত্না সিনহাই স্পাইৰেন্থিছ বা ভানুডা বা তেনে কোনো অৰ্কিডে ই. কোলাইৰ বংশ বৃদ্ধি খৰতকীয়া ক'ৰিব পাৰে নেকি যত্ন কৰক। ডক্টৰ বিশালাক্ষীয়ে এছফালটৰ ষ্ট্ৰাইপবোৰত ই. কোলাইৰ নিউট্ৰিটিভ মেডিয়াম এটা কেনেকৈ সংযুক্ত কৰিব পাৰি তাৰ এক্সপেৰিমেণ্ট কেইটামান ষ্টাৰ্ট কৰি দিয়ক।"

কল্যাণৰ কথা শেষ হোৱাৰ লগে লগে বিশালাক্ষীয়ে কল্যাণৰ কাণে ইংগিত কৰি মন্তব্য কৰিলে, "এ ৰিয়েল ছাইন্স মেনেজাৰ, ইনডিড।"

বিজ্ঞানীকেইজনৰ সহযোগত কল্যাণে কেতিয়া কি কাম হ'ব তাৰ এখন পাৰ্ট চাৰ্ট ভিদিঅ' মেগনেটিক প্ৰোবৰ সহায়ত আঁকি পেলালে। কোনটো মাইলষ্টোন কেতিয়া এচিভ কৰা হ'ব তাকো জ্বলা-নুমোৱা কৰা ৰঙীন কাঁহীৰে চিত্ৰত দেখুওৱা হ'ল।

মিটিঙৰ শেষত অনু বাইদেউ খৰখৰকৈ ঘৰলৈ গ'ল। যাওঁতে কৈ গ'ল, "সন্ধিয়া পাৰিলে এবাৰ আহিবাচোন কল্যাণ, লাটুটোৰ বাবে মোৰ বৰ চিন্তা হৈছে। তাক এৰি এতিয়া বিদেশলৈ যাওঁ কেনেকৈ"

*

ডাক্তৰ বাণী শৰ্মাই যে কিবা এটা লুকুৱাব খুজিছে সেইটো তেওঁৰ ব্যৱহাৰত কল্যাণে বুজি পালে। কল্যাণে ক'ৰবাত পঢ়িছিল যে টাইফয়ড বেমাৰৰ বীজাণু কিছুমান মানুহে কৰিয়াৰ হিচাবে লৈ ফুৰে। এই কেৰিয়াৰ মানুহবোৰৰ নিজৰ টাইফয়ড নহয়, কিন্তু আনৰ গালৈ তেওঁলোকে অতি সহজে টাইফয়ড বেমাৰ বিয়পাই দিয়ে।

কল্যাণে ইতিমধ্যে কেবাটাও কথা জানি লৈছিল। ক্ৰেছত কোনোবা নতুন মানুহ, আয়া-চকিদাৰ-নাৰ্চক নিযুক্তি দিয়া হৈছিল

নেকি? মালবিকাই প্ৰথমতে মনত পেলাব নোৱাৰিলে—। তাৰ পাছত ক'লে, "অ'—এটা কথা ছাৰ, আগৰ যে হেল্পাৰ জন, তেওঁক প্ৰতাপ ভট্ট ছাৰে টাইপিষ্টৰ চাকৰি দিলে নহয়, এতিয়া টেম্পোৰেৰিলি এজন নতুন হেল্পাৰ দিছে। যোৱা সপ্তাহৰপৰা। মিড্-ডে মিল-টিল গৰম কৰি দিয়ে কেতিয়াবা।"

"নতুন হেল্পাৰ জনৰ হেল্থ স্ক্ৰিন কৰা হৈছিল নে?"—কল্যাণে ডাক্টৰ বাণী শৰ্মাক সুধিলে।

বাণী শৰ্মাই পোনে পোনে উত্তৰ নিদিলে। ক'লে, "আজি-কালি মোৰে কামৰ বৰ প্ৰেছাৰ। অত্যন্ত বিজি। আই থিংক ছো। হৈছিল নিশ্চয়। ছিষ্টাৰক সুধি আপোনাক জনাম।"

বাণী শৰ্মাই ছিষ্টাৰক সুধি জনোৱালৈ কল্যাণে বাট নাচালে। সি নিজে ছিষ্টাৰক পোনে পোনে কথাটো সুধিলে। হৈছিল। হেলথ স্ক্ৰিন কৰি ল'ৰাটোক আনকি ডাক্তৰে কিবা দুটা বেজিও দিছিল। কিহৰ বেজি তেওঁ ক'ব নোৱাৰে।

"আৰু এটা, অলপ বেলেগ ধৰণৰ কথা ছাৰ। ল'ৰাটোক এবটল ব্লাড প্লাজমা ট্ৰেন্সফিউচন দিয়া হৈছিল। ব্লাড বেংকত অৱশ্যে তাৰ কোনো ৰেকৰ্ড নাই। ব্লাড প্লাজমাখিনি হয়তো বাহিৰৰ পৰাহে অনা হৈছিল।"

"এটা কাম কৰক ডক্টৰ",—কল্যাণে নিৰ্দেশ দিয়াৰ সুৰত ডাক্টৰ বাণী শৰ্মাক ভিদিঅ' ফোনত ক'লে, "এই হেল্পাৰ ল'ৰাটোক আজিয়েই ব্লাড স্ক্ৰিনিঙৰ বাবে ছাইন্স ছিটি জেনেৰেল হস্পিটেললৈ ৰেফাৰ কৰি দিয়ক।"

তাৰ পাছত মালবিকালৈ ভিদিঅ' ফোন কৰি কল্যাণে ক'লে, "মালবিকা, তোমাক ক'বলৈ দিগদাৰিয়েই লাগিছে। আমি ক্ৰেছখন টেম্পোৰেৰিলি ক্লোজ কৰি দিব লাগিব—নহ'লে তাত টাইফয়ড এপিডেমিক এটা হৈ যাব পাৰে।"

একো বুজিব নোৱাৰি মালবিকাই সিফালৰপৰা অস্ফুটভাৱে মাত্র ক'লে, "ছাৰ!"

"বেছি দিনৰ বাবে নহয়—এই ধৰা ১৫-২০ দিন!"

হাই-প্ৰিছিচন ভিদিঅ' স্ক্রিনত কল্যাণে স্পষ্টকৈ দেখিলে যে মালবিকাৰ চকু দুটা সেমেকি উঠিছে।

*

ৰত্না আৰু পুলক সিন্হাৰ ঘৰলৈ সিদিনা আবেলি যোৱাটো যেন কল্যাণৰ বাবে কিবা এক নতুন প্ৰস্তুতিৰ কামহে আছিল। ক'ব নোৱাৰাকৈয়ে এক অদ্ভুত মাদকতাৰে সি সেই সন্ধিয়ালৈ অপেক্ষা কৰিছিল।—যেন কোনো চাকৰিৰ ইণ্টাৰভিউ বা থেছিছৰ ভাইভা-ভোছিলৈহে প্ৰস্তুত হৈছে। এটা সময়ত সি প্ৰথমতে ৰত্নাইতৰ ঘৰলৈ গৈ তাৰপৰা অম্বু বাইদেউৰ ঘৰলৈ যাবলৈ স্মিতাকো লগ ধৰিছিল—যেন তাক সামান্য এটা আশ্ৰয়ৰো প্ৰয়োজন হৈছিল।

কিন্তু স্মিতাই হাঁহি মাৰি কৈছিল, "সেই সুস্বাদু স্মৃতি ৰোমন্থন কৰিবলৈ তুমি অকলে গ'লেহে ৰত্নাই ভাল পাব। যোৱা!" তাৰ পাছত তাই ঠাট্টাৰ হাঁহিটো জোকাৰি গম্ভীৰ হৈ কৈছিল, "সন্ধিয়া এবাৰ অম্বু বাইদেউৰ তালৈহে যাম। লাটুটোৰ অসুখ বুলি শুনি বেয়াই লাগি আছে। তুমিও আহিবা সাত মান বজাত। তাতেই লগ পাম।"

অম্বু বাইদেউ আজি-কালি স্মিতাৰো বৰ মৰমৰ বাইদেউ হৈ পৰিছে। লাটুও হৈ পৰিছে মৰমৰ ভাগিন।

লাটুৱে এদিন স্মিতাক সুধিছিল, "আণ্টি, তুমি এটা ইণ্টেলিজেণ্ট হাউছ নোলোৱা কেলেই?"

"মই পোৱা নাই নহয়।"

"কেলেই?"

লাটুৱে কিবা এটা কথাত লাগিলে সন্তুষ্ট নোহোৱালৈকে সুধি

থাকিব। পণ্ডিতে স্মিতাই বুজাবলৈ যত্ন কৰিলে, "নহয় মানে মই এতিয়াও চাকৰিত জুনিয়ৰ হৈ আছোঁতো। আমাতকৈ চাকৰিত ছিনিয়ৰ বোবেহে পাইছে।"

"তেনেহ'লে বত্না আণ্টিয়ে পাইছে কেনেকৈ ?"

"তেওঁ পোৱা নাই নহয়। ডক্টৰ পুলক সিন্হাইহে পাইছে। বত্নাই পুলকক বিয়া কৰাইছে বাবেহে পাইছে তাত থাকিবলৈ।"

স্মিতাৰ উত্তৰটো এটা সৰলীকৃত উত্তৰ আছিল। কিন্তু লাটুক যিকোনো প্ৰকাৰে ইণ্টেলিজেণ্ট হাউছত থাকিবলৈ লাগে। তাকো স্মিতাৰ লগত। সি লগে লগেই সুধিলে, "তেনেহ'লে তুমিও কোনোবা এজন তেনেকুৱা আংকুলক বিয়া নকৰোৱা কেলেই ?"

অনু বাইদেউ পাগঘৰত ব্যস্ত থকা যেন পাই কল্যাণে স্মিতাৰ ফালে চাই চকু টিপিয়াই লাটুক কৈছিল, "ওঁ, তুকি এটা বৰ ভাল ছাজেছ্চন দিছা লাটু! হ'ব! তাৰ কিবা এটা ব্যৱস্থা কৰিব লাগিব।"

"কেতিয়া হ'ব মামা ?" - লাটুৱে উদ্গ্ৰীৱ হৈ সুধিছিল।

"মই কৈছোঁ। যেতিয়া সোনকালেই কিবা এটা হ'ব।"—কল্যাণে কৃত্ৰিম গাম্ভীৰ্য্য দেখুৱাই কৈছিল। স্মিতাই তাৰ ফালে পোন্দোৱাকৈ চাইছিল।

*

পুলক সিন্হাই কল্যাণক আথেবেথে একেবাৰে সিহঁতৰ শোৱনী কোঠালৈকেই লৈ গ'ল। তেওঁৰ সহজ ব্যৱহাৰ আৰু আগ্ৰহ দেখি কল্যাণৰ দ্বিধা আৰু আড়ষ্টতা নোহোৱা হ'ল।

"বত্নাই আপোনাৰ কথা কৈ আছে, ডক্টৰ চৌধুৰী। আপোনাৰ বাবেই অপেক্ষা কৰি আছে।—" তাৰ পাছত ক্লাছিকেল সুৰ এটা বাজি থকা, ঈষৎ আলোকিত বেডৰুমটোত সোমাওঁতেই পুলকে বত্নাক চিঞৰি ক'লে, "চোৱা বত্না, এয়া কোন আহিছে !"

"অ' আহক ছাৰ। আহক, ডক্টৰ চৌধুৰী," বিচনাতে গাটো অলপ কাতি কৰি লাজ লাজ ভৰা হাঁহি এটা মাৰি ৰত্নাই ক'লে, "আপোনাক আজি লেৰলৈ মাতি নিলোঁ। নতুন এক্সপেৰিমেণ্ট এটা দেখুৱাওঁ বুলি—দেখুৱালোঁ। এটা নতুন খেলাহে।"

কল্যাণক কাষৰ চকীখনত বহুৱাই পুলক পাগঘৰলৈ গ'ল। যাওঁতে কৈ গ'ল—"নিভাক সুধি সেইমতে কম্পিউটাৰ কুকক লেমন টিৰ ইন্সট্ৰাকচন দি থৈছোঁৱেই। মই লৈ আহোঁ ইয়ালৈ।"

কিছুপৰ ৰত্না আৰু কল্যাণ কোনোৱে যে কথাবতৰাৰ বাবে ভাল প্ৰসংগ এটা বিচাৰি পোৱা নাছিল।

"মুৰতত প্ৰচণ্ড আঘাত পোৱা—আৰু কৃষ্ণা আৰু ছিষ্টাৰে এম্বুলেন্সত তোলা—তাৰ মাজত যে কিবা ঘটিছিল, কিবা সময় পাৰ হৈছিল সেইটো মোৰ এতিয়াও বিশ্বাস নহয় ডক্টৰ।" তাৰ পাছত চকুত অনুনয় আৰু কৃতজ্ঞতা ফুটাই তুলি তাই কৈছিল,—"কওকচোন ডক্টৰ চৌধুৰী, আপোনাৰ মুখেৰেই সকলো শুনো।"

কিছুমান স্মৃতি আছে যিবোৰ পুনৰ পুনৰ বাৰ জী জী ভাল লাগে। কল্যাণৰ অনুভৱ হ'ল, তাৰ বাবে এইটোও এনেকুৱা এটা স্মৃতি। তাৰ ভাব হ'ল যে ৰত্নাই একান্তমনে তাৰপৰা মাত্ৰ তাইৰ অচেতন অৱস্থাত ঘটি যোৱা গোটেই ঘটনাটোৰ বিশদ বৰ্ণনায়েই শুনা নাই, তাই যেন তাৰ খুটি-নাটিবোৰ অনুভৱো কৰি চাইছে। জীৱন-চুম্বনৰ প্ৰক্ৰিয়াৰ বৰ্ণনাটো দিয়াৰ সময়ত তাৰ এনে লাগিল যে এই ইণ্টেলিজেণ্ট হাউছৰ নিয়ন্ত্ৰিত উষ্ণতাতো সি যেন অলপ গৰম পাইছে। সি দেখিলে তাৰ বৰ্ণনাৰ একান্ত মুহূৰ্ত এটাত ৰত্নাই চকু মুদি যেন বৰ্ণনাটো তাইৰ মনৰ মাজত দ্ৰৱীভূত হ'বলৈ এৰি দিলে আৰু তৰ্জনী আঙুলিৰ পিঠিৰে তাইৰ ওঁঠ দুটা এবাৰ পিহি দিলে। গাত লোৱা সেই চকচকীয়া বগা চাদৰখনৰ তলতো সেই ঈষৎ পোহৰতো ৰত্নাৰ বুকুত হুমুনিয়াহৰ দীঘলীয়া ঢৌ এটা কল্যাণৰ চকুত পৰিল।

একাপ লেমন টি, তাতে কম্পিউটাৰ কুক নামৰ মেচিনটোক আগতে নির্দেশ দিয়াই আছে—তাতে বাৰু পুলক সিন্‌হাৰ অলপ বেছি সময় লগা নাইনে? নে উদাৰ-হৃদয় পুলকে সান্নিধ্যৰ এই সময় দীঘলীয়া হ'বলৈ এৰি দিছে?

এটা সময়ত ৰবট-ছার্ভাৰটোৱে হাতত বিস্কুটৰ ট্রে এখন লৈ সোমাই আহিল। তাৰ পিছে পিছে আহিল পুলক—হাতত এখন ট্রেত তিনিটা গিলাছৰ এটাত কল্যাণৰ বাবে এগিলাছ ৰঙচুৱা চাহ—তলত হালধীয়া গোল নেমুৰ ছুচকল, এটাত পুলকৰ বাবে এগিলাছ গুলপীয়া কফি, আৰু তৃতীয়টোত এগিলাছ গৰম গাখীৰ—সেয়া ৰত্নাৰ বাবে। ব্যাখ্যা দি পুলকে কৈছিল, "সময় যে লাগিল তাৰ এটা কাৰণ আছে ছাৰ, এজনক লাগে চেনি নোহোৱাকৈ, এজনক এচামুচ, এজনক আকৌ তিনি চামুচ দিলেও কমহে হয়। মই প্ৰগেম কৰাত কিবা খেলিমেলি কৰিলোঁ হ'ব পায়—কম্‌-কুকটোৱে পইণ্ট আউট কৰি দিয়াতহে বুজিলোঁ—ছিঃ ওলোটা হৈ গ'ল।—আকৌ ষ্টার্ট কৰিলো গুৰিৰেপৰা।" এই বুলি তেওঁ যথেষ্ট ৰসাল কথা এষাৰ কোৱাৰ গৌৰৱেৰে হাঁহিলে। কল্যাণ আৰু ৰত্নায়ো সেই হাঁহিত যোগ দিলে।

চাহ-কফি-গাখীৰৰ মাজে মাজে সৌহার্দ্যসূচক কথাবতৰাও চলিছিল। আনকি সিদিনা আবেলি ইণ্টাৰগ্ৰুপ মিটিঙত ওলোৱা ইছছেৰিছিয়া কোলাইৰ বংশ বৃদ্ধিত অনুপ্ৰেৰণা যোগোৱা কিবা উপায় অর্কিডৰ এক্সট্ৰেক্ট বা তেনে কিবা প্ৰকাৰে বঢ়াব পাৰি নেকি সেই বিষয়েও নানা আলোচনা চলিল।

"মই আশা দেখিছোঁ, ডক্টৰ" - ৰত্নাই কৈছিল। "এটা সম্ভাৱনা যেন ক'ৰবাত লুকাই আছে। মোক ভাল হৈ ল'বলৈ দিয়ক। কিবা এটা নিশ্চয় উলিয়াব পাৰিম।"

"তাৰ আগতে আপোনাৰ লেবৰ ছেফ্‌টি ৰিকুয়াৰমেণ্টখিনি ভালদৰে চাই ল'ব লাগিব—অ'হ ভগৱান কিযে ঘটি যাব পাৰিলে-

হৈছেন।" কল্যাণে একেবাৰে গম্ভীৰভাৱে ক'লে। "ইতিমধ্যে মই সকলো লেব ছাৰ্কিটতে অটমেটিক শ্বক ডিছ্‌কানেক্টৰ ইনষ্টল কৰিবলৈ অৰ্ডাৰ দিছোঁ। ডাইৰেক্টৰে খৰচৰ কথাটো চাই হেহেঁা-নেহেঁা কৰিছিল। কিন্তু মই নামানিলোঁ।"

"আপোনাৰ সাহস, উত্তম আৰু দূৰদৃষ্টি আমাক সদায় প্ৰয়োজন হ'ব, ডক্টৰ চৌধুৰী"—পুলকে ক'লে।

"আৰু আপোনাৰ সহায়বো"—তাৰ চকুৰ ফালে চাই ৰত্নাই ক'লে।

"আপুনি সহায় বিচাৰি গ'লে মই কেতিয়াও না নকৰোঁ"—এনেয়ে কথাটো পাতলাবলৈ বুলি, বিশেষ একো নভবাকৈয়ে কল্যাণে ক'লে। তাৰ-পাছত সি ৰত্না আৰু পুলকৰপৰা বিদায় ল'লে।

ৰত্নাই যে এদিন সঁচাই সহায় বিচাৰি তাৰ ওচৰলৈ যাব, সেই কথা কল্যাণে তেতিয়া ভাবিবই পৰা নাছিল।

*

সন্ধিয়া সাত বজাত অনু বাইদেউৰ ঘৰ পাই কল্যাণে দেখিলে স্মিতা তাত ইতিমধ্যে উপস্থিত হৈছে। স্মিতা আৰু অনু বাইদেউ বৰ ঘৰুৱা পৰিৱেশত, নিতান্তই আত্মীয়ৰ দৰে বহি আছে। ওচৰতে ছোফা এখনতে গাত চাদৰ লৈ লাটু শুই আছে। তাৰ গাত হাত দি কল্যাণে ধেমালি কৰি সুধিলে, "কি খবৰহে ডেকা ল'ৰা?"

"খবৰ ভাল নহয়, জ্বৰ," লাটুৱে সহজকৈ ক'লে।

"এহ, এইখিনি জ্বৰকে জ্বৰ বোলে নে মানুহে? আমি সৰুতে এনে জ্বৰ গাত লৈ পুতুল খুৰাৰ লগত বজত মণ্ডলৰ বাৰীত আম-পনিয়ল পাৰি ফুৰিছিলোঁ।"

আটায়ে তাৰ কথাৰ সুৰত হাঁহিলে। তথাপিও অনু বাইদেউ যে চিন্তাত আছে বুজা গ'ল। তেওঁ ক'লে, "আজি এন্নাৰ টিকেট, ভিছা সকলো হৈ থকাৰ খবৰ আহিছে। ট্ৰেভেল এজেন্সিটোৱে টিকেট আৰু

ভিছাব ফেক্স পঠাই দিছে। লেখকপৰা আহিবৰ সময়ত বাটতে আমাৰ কেম্ব্ৰিয়াৰ আজিজুৰ ৰহমানে মাতি নি পাৰ্ ভিয়েম আৰু ভিক্টাৰেক্স এলাৱেন্স নে কি মুঠতে পাব লগা পা-পইচাখিনিও দিছে। বাকী জাৰ্মান মাৰ্ক আদি এজেন্টে দিল্লীত দিব।"

তাৰ পাছত তেওঁ আচল কথালৈ আহিল, "কিন্তু, ইয়াক লাটুক লৈহে চিন্তাত পৰিছোঁ। ই একো মানিব নোখোজে।"

"কি মানিব নোখোজে ?"

"মই কৈছিলোঁ তই মালবিকা বাইদেউৰ লগতে থাক এই কেইদিন এইটো ঘৰতে। সি মানিও লৈছিল। কিন্তু মালবিকাৰ ঘৰৰপৰা কিবা খবৰ আহিছে—বিয়া পাতিব খুজিছে হ'ব পায়—তাইক সোনকালে, কিছুদিন থকাকৈ মাতি পঠাইছে। ডক্টৰ ভাৰ্গভে ইয়াক লগত ৰাখিব খুজিছিল। ই নাথাকে।"

"কেলেই ?" অলপ ভাবি সি ক'লে, "তেনেহলে মোৰ লগতে থাকিবা ব'লা। ইণ্টেলিজেণ্ট হাউছ। বৰ ভাল লাগিব।"

"ইণ্টেলিজেণ্ট হাউছত ময়োতো কিছুদিন থাকিবই খুজিছিলোঁ।" —লাটুৱে গম্ভীৰভাৱে ক'লে।

"তেনেহ'লে আৰু কি কথা আছে ?"

"সেইটোৱেইতো মই মাকো বুজাব পৰা নাই।"

"মোক বুজোৱা !"

"চোৱা," লাটুৱে বুজোৱাৰ সুৰত ক'লে, "ইন্‌টেলিজেণ্ট হাউছত থাকি মই ভাল পাওঁ। থাকিম। কিন্তু, মই মামা বা আংকুলৰ লগত নাথাকোঁ। মামী বা আণ্টি তাত থাকিব লাগিব।" তাৰ পাছত সি নিজকে কোৱাদি ক'লে, "স্মিতা আণ্টিৰ ইন্‌টেলিজেণ্ট হাউছ নাই ; তোমালোকৰ—মানে ভাৰ্গভ আংকুল আৰু কল্যাণ মামাৰ আকৌ আণ্টি বা মামী নাই। গতিকে মই ঠিক কৰিলোঁ মাৰ লগত জাৰ্মানিলৈয়ে যাম।"

"জাৰ্মানিলৈ এনেকৈ হঠাতে যোৱাটো টান হ'ব," কল্যাণে ক'লে। তাৰ পাছত অলপ ভবাৰ নিচিনা কৰি সি ক'লে, "কি-ন্তু, এ-টা কাম কৰিব পৰা যায়— ।"

"কি কাম ?"

"এই ধৰা, মই তোমাৰ বাবে মামী এজনী আনিব পাৰোঁ—তোমাৰ মাতো অহা মঙলবাৰেহে যাব। তাৰ আগতে তোমাৰ মামী মোৰ ঘৰলৈ আহিলেই হ'ল। তেতিয়াতো তুমি কোনো আপত্তি নোহোৱাকৈ মামা-মামীৰ লগত ইন্‌টেলিজেন্ট হাউছত থাকিবা ?"

"উঁ। বৰ মজা হ'ব। থাকিম !" লাটুৱে উৎসাহেৰে ক'লে।

হঠাতে ধমকি দিয়াৰ সুৰত—অনু বাইদেৱে কৈ উঠিল—"ধেমালিতে তুমি কি কৈ আছা নিজেই বুজি পাইছানে কল্যাণ ? পাছত লাটুৱে তোমাক মিছলীয়া বুলিহে ভাবিব।"

যেন একো আচৰিত হ'ব লগা নাই, তেনে ভাৱত কল্যাণে অনু বাইদেউলৈ চালে। তাৰ পাছত স্মিতাৰ ওপৰেৰে এবাৰ চকু ঘূৰাই আনি নিতান্তই নিৰ্বিকাৰ সুৰত অনু বাইদেউক ক'লে, "বিয়াতো এদিন পাতিবই লাগিব অনু বাইদেউ। গতিকে, এতিয়াই পাতি পেলাওঁ—সোমবাৰে, আপুনি যোৱাৰ আগদিনা। ছাইন্স ছিটিৰ মেৰেজ ৰেজিষ্টাৰে এদিন মই সোধোঁতে কৈছিল—আঠচল্লিশ ঘণ্টাৰ নোটিছ লাগে। গতিকে আজিয়েই মই নোটিছ দি দিম। মা হ'ত আৰু ভাইটোলৈও কুৰিয়াৰ যোগে খবৰ পঠাওঁ—কাইলৈ পুৱাই তেওঁলোকে খবৰ পাই যাব।"

স্মিতা আৰু অনু বাইদেউৰ যেন তেতিয়া অবাক হোৱাৰ পাল। "অ'াঁ, তেনেহ'লে মই আৰু পলম নকৰোঁ অনু বাইদেউ"—এই বুলি সি উঠিলেই।

কিন্তু লাটুৱে কিবা এটা বুজি পাইছিল। তাৰ মাজতে তাৰ কিবা এটা সুবুজা যেনো লাগিছিল সি সুধিলে, "কল্যাণ মামা, বিয়াতো পাতিলাই, কিন্তু মামী কোন হ'ব ?"

"অ' সেইটোতো ভবাই নাই—কি হ'ব এতিয়া!"—বিপদত পৰা যেন দেখুৱাই কল্যাণে ক'লে। "তুমি বাৰু কোন হ'লে ভাল পোৱা?"

লাটুৰ উত্তৰ সাজু হৈ আছিলেই। সি লগে লগে কৈ উঠিল, "স্মিতা আণ্টি, স্মিতা মাহী—" তাৰ পাছত সি শুদ্ধ কৰাৰ দৰে ক'লে, "স্মিতা মামী, স্মিতা মামী!"

স্মিতাই লাজ কৰিলে। আন একো ক'বলৈ বিচাৰি নাপাই তাই অহা মাহত মাদ্ৰাজত এমাহৰ বাবে হ'বলগীয়া তাইৰ ইন-চাৰ্ভিছ ট্ৰেইনিঙটোৰ কথা উলিয়ালে। কল্যাণে কতৃত্বৰ সুৰত ক'লে যে ট্ৰেইনিংটো কেইমাহমান পাছত আকৌ হ'ব। তেতিয়াও ল'ব পৰা যাব। তাৰ পাছত স্মিতাই এটা আচৰিত কাম কৰি পেলালে। তাই অমু বাইদেউৰ ভৰি চুই সেৱা কৰিলে।

*

লাটুৰ অসুখ, কল্যাণ আৰু স্মিতাৰ বিয়া বা বিদেশলৈ যাত্ৰা— কোনোটোৱেই অমু বাইদেউক বিশেষ টলাব নোৱাৰিলে। জাৰ্মানি ভ্ৰমণলৈ বুলি দিল্লীলৈ যাত্ৰা কৰাৰ আগদিনালৈকে অৰ্থাৎ কল্যাণৰ বিয়াৰ দিনালৈকে তেওঁ লেবত অত্যন্ত ব্যস্ত হৈ ৰল। দিলবিজ ছুছইনৰ লগত কাম কৰি লুছিফেৰিনৰ মাধ্যমত পোহৰ দিব পৰা ই. কোলাই বেক্টেৰিয়া ষ্ট্ৰেইনটো প্ৰায় ষ্টেবল কৰি পেলালে। তাৰ অপ্টিমাম নিউট্ৰিয়েণ্ট এটাৰ বাবে নানা কম্বিনেচন ষ্টাডি কৰি দিলবিজক এটা নতুন দিশৰ নিৰ্দেশনা দিলে।

"তুমিতো জানাই কল্যাণ," কল্যাণৰ বিয়াৰ দিনা ৰাতিপুৱা তাৰ অফিছৰুমলৈ ভিদিঅ'কম কৰি অমু বাইদেৱে ক'লে 'ই. কোলাই নামৰ বেক্টেৰিয়াবিধৰ এটা কোষৰপৰা কুৰি মিনিটত এবাৰকৈ বিভাজন ঘটি ঘটি চল্লিশ ঘণ্টাত প্ৰায় ছিক্স ইনটু টেন টু দি পাৱাৰ টুৱেণ্টিছেভেন গ্ৰাম বেক্টেৰিয়াৰ সৃষ্টি হ'ব পাৰিব। এই ওজন পৃথিৱীৰ ওজনৰ সমান।

কিন্তু এই ঘটনা নঘটে। কিয়নো, এই হাবত বংশবৃদ্ধি জনাই থাকিবৰ বাবে প্ৰয়োজনীয় পুষ্টি দ্ৰব্যৰ অভাৱ ঘটে। স্থান আৰু খাদ্যৰ বাবে বেক্টেৰিয়াবোৰৰ নিজৰ ভিতৰতে প্ৰতিযোগিতা চলে। তদুপৰি, আন কাৰণতো প্ৰতি মিলি লিটাৰ দ্ৰৱত বেক্টেৰিয়াৰ সংখ্যা টেন টু দি পাৱাৰ নাইন হোৱাৰ লগে লগে বংশ বৃদ্ধি বন্ধ হৈ যায়।”

বেক্টেৰিয়াবোৰ, বিশেষকৈ সুছিফেৰেজ দিব পৰা ই. কোলাইবোৰ অম্বু বাইদেউৰ যেন বৰ আপোন। সিহঁতৰ কথা ক'লে তেওঁৰ যেন কিবা এক আবেগিক আত্মীয়তা আহি পৰে।

“মই পুলক সিন্‌হাৰ লগত বিতং আলোচনা কৰিছোঁ। বংশ বৃদ্ধি, বা, ছিলেক্‌টিভ্‌লি, সুছিফেৰেজ ছিক্ৰেটিং ই. কোলাইৰ বংশ বৃদ্ধিটো ডাঙৰ সমস্যা নহয়। ৰত্না আৰু তেওঁ তাৰ কিবা এটা ব্যৱস্থা কৰিব পাৰিব। কিন্তু চোকা ৰ'দ পৰিলে যে পাঁচ মিনিটতে প্ৰায় সকলো বেক্টেৰিয়া মৰি যায়। সেইটোহে ডাঙৰ সমস্যা হৈ দেখা দিছে।”

“তেনেহলে, অম্বু বাইদেউ” ৰিছাৰ্চৰ কামত সমস্যা এটা দেখিলে কল্যাণে বৰ ততাতৈয়াকৈ তাৰ সমাধানৰ দিশত জাপ মাৰিব খোজে। সি বিশালাক্ষী চলিহাৰ কথা ক'ব খুজিলে—তেওঁ হয়তো কিবা উপায় দিব পাৰে—ৰ'দতো আৰু নোহোৱা কৰিব নোৱাৰি কিন্তু শিল্ডিং বা আন কিবা প্ৰকাৰে ই. কোলাইৰ গাত পৰা ৰ'দ হয়তো কমাবই পৰা যাব— ।

অম্বু বাইদেৱে সিফালৰপৰা ক'লে, “মই বিশালাক্ষীৰ লগতো ডিছকাছ কৰিছোঁ। তেওঁ কৈছে, জাৰ্মানিৰ এখন ফাৰ্মে ৰাস্তা তপত নহ'বলৈ ব্যৱহাৰ কৰা এবিধ ছানস্ক্ৰিন উলিয়াইছে। মোক তাৰ এড্ৰেছো দিছে—হামবুৰ্গৰ ওচৰে কি নামৰ জানো এখন চহৰত। মই লিখি লৈছোঁ। মই ভাতো ডিছকাছ কৰি আহিম আৰু বিশালাক্ষীক সকলো জনাম। তেতিয়া তেওঁ আমাৰ ইয়াতো নিশ্চয় কিবা এটা কৰিব পাৰিব।”

অমু বাইদেৱে কাম মাজতো কল্যাণৰ ব্যক্তিগত খা-খবৰ ৰাখিছে। তেওঁ ক'লে, "থাওক এইবোৰ, তুমি আজি বিয়াৰ দিনা এইবোৰ চিন্তা মূৰত সুমুৱাই ল'ব নালাগে। অঁা—তুমি হাফ-লিভ নল'বা জানো আজি?" হঠাতে মনত পৰাত তেওঁ আকৌ সুধিলে, "জোৰণলৈ নিভা যাব নহয়?"

"নিভা আৰু প্ৰতুল ভূঞা যাব," কল্যাণে ক'লে। "লাঞ্চ টাইমতে।"

*

লাঞ্চ টাইমত প্ৰতুল ভূঞাৰ হোণ্ডাৰ স্কুটাৰত উঠি কল্যাণৰ পি. এ. নিভা কোঁৱৰে স্মিতাৰ বাৰ্কিং গাৰ্ল'ছ হোষ্টেলত সক আইনা এখন, ফণী এখন আৰু সেন্দুৰ এপেকেট দি আহিছিল। সেয়াই আছিল কল্যাণৰ স্মিতালৈ প্ৰতীক জোৰণ।

আৰু সেইদিনা সন্ধিয়া আঠ বজাত কল্যাণৰ ইন্টেলিজেন্ট হাউছত মেৰেজ ৰেজিষ্ট্ৰাৰ আহি সোমোৱাৰ লগে লগে ৰত্নাই উৰুলি দিছিল।

পুলকে পূৰণা-বিয়া নামৰ ৰেকৰ্ড এখনৰপৰা এফাকি বিয়া নাম বজাইছিল। সিটো কোঠাৰপৰা হোষ্টেলৰ বান্ধৱী কেইজনীমানে সজাই-পৰাই স্মিতাক উলিয়াই আনিছিল। কইনা ধৰি আনিছিল কল্যাণৰ পি. এ. নিভা কোঁৱৰে। তাই নিশ্চয় স্মিতাক কিবা-কিবি জোকায়ো আহিছিল। আৰু ছিম্বলিকভাৱে দৰা ধৰি আনিছিল কল্যাণৰ বোবা ভণীয়েক আজলী শান্তাই। তাই হৰিণী এজনীৰ দৰে নাচি নাচি আহিছিল।

মেৰেজ ৰেজিষ্ট্ৰাৰত সাক্ষীৰ চহী কৰিলে স্মিতাক ডাঙৰ-দীঘল কৰা ককায়েকজনে, ডঃ পৱন ভাৰ্গভ আৰু অমু বাইদেৱে।

এটা ছিকিউৰিটি অদিঅ'-ভিদিঅ' বক্সৰ আগত মেৰেজ ৰেজিষ্ট্ৰাৰজনে গদগদীয়া মাতেৰে চন-তাৰিখ আৰু দৰা-কইনাৰ নাম

ৰেকৰ্ড কৰাৰ পাছত কল্যাণ আৰু স্মিতায়ো বন্ধটোৰ আগত প্ৰতিজ্ঞা ঘোষণা কৰিলে—দুয়ো দুয়োকে স্বামী আৰু স্ত্ৰী ৰূপে গ্ৰহণ কৰাৰ প্ৰতিজ্ঞা।

ৰত্না সিন্‌হাই অতি আন্তৰিকতাৰে সুৰত স্মিতাক অনুচ্চ সুৰত কোৱা কথা এষাৰ কল্যাণৰ কাণত পৰিল,—"এই স্মিতা, ইমান দিনে ডক্টৰ চৌধুৰী আমাৰ সকলোৰে বাবে মুকলি আছিল। এতিয়াৰপৰা হ'লে চম্ভালি ৰখাৰ দায়িত্ব তোমাৰ।"

তাৰ পাছত তাই ফুচফুচাই গোপন কথা এটা কোৱাৰ দৰে কৈছিল, "মনত ৰাখিবা নিজৰ কম্পিউটাৰ প্ৰগ্ৰেম আৰু আনৰ হাছবেণ্ড—তিৰোতা মানুহৰ বাবে এই দুটা বৰ আকৰ্ষণীয় বস্তু।"

- লাজ ভৰা হাঁহি এটা স্মিতাৰ দুচকুৰে খেলি গ'ল।

স্মিতাই কল্যাণৰ মাকক সেৱা কৰিব খুজিছিল। মাকে আথেবেথে তাইক বুকুত সাৱটি লৈ চুমা এটা খালে। স্মিতা আৰু কল্যাণৰ মাক—দুয়োৰে তেতিয়া চকুলোৰে গাল তিতি আহিছে।

স্মিতাক নিজৰ ছোৱালীৰ দৰে ডাঙৰ কৰা নবৌৱেকেও তাইক সাৱটি ধৰি কান্দিলে।

পিছদিনা দুপৰীয়া কল্যাণৰ মাক আৰু ভায়েক গ'ল।

আবেলিৰ ফ্লাইটেৰে অনু বাইদেউ দিল্লীলৈ গ'ল। ডক্টৰ পৱন ভাৰ্গভে এয়াৰপোৰ্টত থৈ আহিল।

লাটুৰ জ্বৰ কমি আহিছিল। স্মিতা মামী আৰু ইণ্টেলিজেণ্ট হাউছ পাই তাৰ বৰ স্ফূৰ্তি হ'ল।

তাৰ লগত শিশুৰ দৰে হৈ খেলিব জনা লগ এটাও সি পালে। সেয়া হ'ল শান্তা মাহী।—তাই কথা ক'ব নোৱাৰে। কিন্তু লাটুৰ বাবে সেইটোৱে কোনো অসুবিধা কৰিব নোৱাৰিলে।

॥ ১৪ ॥

কল্যাণৰ জীৱনৰ আৰু কেইটামান দিন বৰ খৰ গতিৰেই পাৰ হৈ গ'ল। অনু বাইদেউ জাৰ্মানিৰপৰা প্ৰায় আহিবৰ হৈ আহিছিল। এনেতে তেওঁৰ সাধাৰণ ডাকত দিয়া চিঠি এখন আহিল।

"ফেক্সতো পাইছাই, গতিকে চিঠি দিয়াৰ বিশেষ একো দৰকাৰ নাছিল। তোমালোকলৈ মনত পৰি থকা বাবেহে লিখিলোঁ। তুমি ফেক্স কৰি পঠোৱা লাটুৰ চিঠি আৰু সি গা ভাল পোৱা খবৰ পাইছোঁ। পাই সকাহ পাইছোঁ।"

তাৰ পাছতে প্ৰজেক্টৰ কথা—"আশাকৰোঁ। আমাৰ প্ৰজেক্ট লুছিফেৰিন পূৰ্ণ গতিত চলি আছে। জোনাকী পৰুৱাৰ জিন ট্ৰেন্সপোজ নকৰা ই· কোলাইৰ পপুলেচন যাতে ছিলেকটিভলি কম কৰি দিব পৰা যায় সেইটো চাবলৈ দিলবিজক ক'বা। ৰত্নাৰো সহায় ল'বলৈ ক'বা। মই ছানস্ক্ৰিনৰ টেকনোলজি এটাৰ ডিটেইল্‌ড লিটাৰেচাৰ বিশালাক্ষীৰ বাবে লৈ যাম। তেওঁক ক'বা।"

কল্যাণে আশা কৰা মতেই অনু বাইদেৱে ডক্টৰ পৱন ভাৰ্গভৰ কথাও মনত পেলাইছিল। লিখিছিল, "এটা নতুন আইডিয়া পাইছোঁ। আমি হয়তো কেমিকেল ফছফৰ আৰু বায়োলুমিনেটৰ একেলগে ব্যৱহাৰ কৰিব লাগিব। ডক্টৰ ভাৰ্গৱক কৈ থ'বা।"

বহুতো নাম থকা বিজ্ঞানীয়ে যে তেওঁৰ পেপাৰখনৰ প্ৰশংসা কৰিছে, বিশেষকৈ জাৰ্মানিৰ প্ৰফেছৰ কুৰ্ট ৰিকাৰ্টে—সেই কথা 'পাছত বহলাই ক'ম' বুলি শেষত অনু বাইদেৱে লিখিছিল, "সোতৰ তাৰিখে আবেলিৰ ফ্লাইটেৰে ছাইন্স ছিটি পাম। স্মিতা, শান্তা, লাটু আৰু তোমালৈ মৰম ব'ল।"

কল্যাণে বোডছ ইঞ্জিনিয়াৰিঙৰ বিশালাক্ষী চলিহালৈ ফোন কৰি

অসু বাইদেউৰ কথাখিনি জনোৱাত তেওঁ বৰ উৎসাহেৰে সঁহাৰি দিলে, "ইয়ে হয় নেকি ? তেতিয়া হ'লেতো বৰ ভাল কথা হ'ব। আমাৰ যে আলকাতৰাবোৰত বহুতো ৰাস্ক থাকে, গলি যায় নহয় চোকা ৰ'দত —আপোনাৰ দৰে ডেকা ল'ৰাৰ ওচৰত আমি গ'লি যোৱা দি –" এই বুলি তেওঁ ভিদিঅ' কমতে খুব হাঁহিলে, তাৰ পাছত ক'লে, "পাৰ্ছিয়েল স্ক্ৰিনৰ দৰে লেয়াৰ এটা ডেভেলপ কৰিব পাৰিলে আমাক আৰু পায় কোনে ?"

এদিন পুৱাৰ চিকুণ চিলমিল টোপনিৰ মাজতে হঠাতে কল্যাণৰ মনলৈ এটা নতুন ভাব আহিল—এনে হ'ব নোৱাৰে নে যে অৰ্গেনিক কেমিষ্ট্ৰিৰ হেড বিনায়ক দে-এ পেট্ৰোলিয়াম আৰু পলিমাৰৰ অভিজ্ঞতা থকা ছাইন্টিষ্ট কেইজনক লৈ এটা পলিমাৰ ডেভেলপ কৰিলে— যিটোৱে আলকাতৰাক অৰ্ধস্বচ্ছ কৰি তুলিলে। ফলত সেই আলকাতৰাই যথেষ্ট পৰিমাণে পৰিমাণে সৌৰশক্তি প্ৰতিফলিত কৰি মাত্ৰ বাকী— খিনিহে তললৈ পাৰ হৈ যাবলৈ দিয়াৰ দক্ষতা পালে !

সিদিনা অফিছ খোলাৰ অলপ পাছতে কল্যাণৰ ৰুমৰপৰাই নিভাই ভিদিঅ'কমত ডক্টৰ বিনায়ক দেক কল্যাণৰ লগত কথা পতাৰ বাবে অনুৰোধ কৰাত ডক্টৰ দে-এ স্বভাৱসুলভ সন্ত্ৰস্ততাৰে সুধিলে—"কেলেই ? মানে ব্যাপাৰটা কি ?"

নিভাই হাঁহিটো চেপি ৰাখি ক'লে, "বেপাৰটো—আই. এম্ ছৰি, কথাটো হৈছে, ছাৰে আপোনাৰ লগত কিবা এটা নতুন প্ৰজেক্ট ডিছকাছ কৰিব খোজে।"

ডক্টৰ দে-এ এক মুহূৰ্ত কিবা এটা ভাবিলে। তাৰ পাছত ক'লে, "তাহলে, বৰং আমি—ই তালৈ যাৱা ভাল হ'ব। তেখেতক ৰুমতে পাবো নহয় জানো ?"

ডক্টৰ বিনায়ক দে কল্যাণৰ ৰুমলৈ অহাত কল্যাণে যেতিয়া কথাটো বুজাই দিলে, তেওঁ এক প্ৰকাৰ জপিয়াই পৰিল –"কেলেই না

"হ'ব, ডক্টৰ চাহাব ? সেই ৰকম পাৰ্ছিয়েলি ৰিফ্লেক্টিং, হাই-টেম্পাৰাছাৰ ৰেজিষ্টেন্ট পলিমাৰ একটা বানাব লাগিব। কাজটো আমি-ই হাতত লবো। নিজে। লগত এই যে ছেলেটা—পুলক ভুঞা তাকে লবো।"

ডক্টৰ দে যোৱাৰ পাছত কল্যাণে ডক্টৰ পৱন ভাৰ্গভলৈ ভিদিঅ'-কমৰ ছাবি টিপিব খুজিও বৈ গ'ল। তাৰ আগতে ক্ৰেছৰ টাইফয়ড ইনফেকচনৰ কেছটোৰ কিবা এটা কৰিব লাগিব।

ডাক্তৰ বাণী শৰ্মা যে কথাটোৰ লগত জড়িত, নহ'লে যে আজিৰ দিনত, ছাইন্স ছিটিৰ এই এছেপ্টিক পৰিৱেশত টাইফয়ড হঠাতে হ'ব নোৱাৰে সেইটো কল্যাণে বুজি পাইছিল। কিন্তু এনে কথা মন খুলি পাতিব পৰা, যুক্তি তৰ্ক কৰিব পৰা একমাত্ৰ মানুহ বুলি কল্যাণে ডক্টৰ পৱন ভাৰ্গভক কথাটো কওঁতে তেওঁ একপ্ৰকাৰ ক্ষোভত কৈছিল, "চাওক, ডক্টৰ চৌধুৰী, এই মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত ডাক্তৰ বাণী শৰ্মাৰ দৰে দগাবাজ এটাক যদি মানুহবোৰে ভক্তি বা সন্মান কৰে বুলি ভাবিছে, সেইটো আপোনাৰ তেনেই সৰল ধাৰণা। সৰল কি ? ভ্ৰান্ত ধাৰণা। ইয়াত বাণী শৰ্মাক মানুহে ভয় কৰে। বাণী শৰ্মাৰ ওপৰত মেডিকেল ছেণ্টাৰৰ হেড ডাক্তৰ ভক্তবৎসলম আছে ; আজি-কালি আৰু দুজন নে তিনিজন জুনিয়ৰ ডাক্তৰো হ'ল। কিন্তু ডাক্তৰ বুলিবলৈ সেই বাণী শৰ্মাহে। কাৰণ হেডটো হেভেই, বাকী ডাক্তৰ কেইটাও নিতান্তই চাকৰি কৰা মানুহ। টানে-থাকিলে লাগিলে মানুহে সেই পুৰণা ডাক্তাৰ বাণী শৰ্মাৰে আশ্ৰয় ল'ব লগা হয়। গতিকে মানুহে তেওঁৰ বিৰুদ্ধে টুঁ এটাও নকৰে।"

তাৰ পাছত বক্তৃতাটো সম্পাদনা কৰাৰ সুৰত তেওঁ কৈছিল, "আপুনিও তেওঁৰ বিৰুদ্ধে লিখি একো কৰিব নোৱাৰে। ডাক্তৰ দুয়োজনকে তেওঁ হাতত ৰাখিছে, দৰৱ-পাতি, ডেলিভাৰি, এবোৰচন, ছাইকিআট্ৰি, ইয়াৰ-ক্লিনিং আনকি ভৰিৰ বিষত মেছেজ দিয়া পৰ্য্যন্ত কৰি দিয়ে।"

অলপ বৈ কিবা এটা ভাবি তেওঁ যোগ দিলে, "হঁ।, অৱশ্যে বাণী শৰ্মাৰ বিৰুদ্ধে এটা ছিৰিয়াছ অভিযোগ আনি তেওঁক অ'ফেণ্ড কৰিব পাৰিব। কিন্তু চাব, আপুনিও এতিয়া ফেমিলি মেন। বিপদত আকৌ বাণী শৰ্মাকে লাগিব পাৰে।—মইহে এতিয়া সেইবোৰৰ উৰ্দ্ধত।"

কল্যাণে ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰৰ পি. এছ. অবিনাশ কৌৰলৈ ফোন টিপিলে।

"ডাইৰেক্টৰে আজি মোৰ লগত মোৰ কনফিডেন্সিয়েল নোট এটা ডিছকাছ কৰিব খুজিছিল।"—কোনো ভূমিকা নোহোৱাকৈ কল্যাণে ক'লে।

'অ', ডাক্তৰ বাণী শৰ্মা আৰু ক্ৰেছৰ টাইফয়ডৰ বিষয়ে যে—" অবিনাশে নিৰুত্তাপ কণ্ঠেৰে ক'লে।

কনফিডেন্সিয়েল ফাইল এটাৰ কথা অবিনাশে জানিবই নালাগিছিল। অথচ তেওঁ ইমান খোলা কথা পতা দি ইনছিকিঅ'ৰ ভিদিঅ'কমত কথাষাৰ কৈছে! কল্যাণৰ দিগদাৰি লাগিল।

"তেখেত এতিয়া ফ্ৰি আছেনে?"

"প্ৰফেছৰ মজুমদাৰতো যোৱা সোমবাৰেই ত্ৰিবান্দ্ৰমলৈ গ'ল, ছাৰ। সাত দিনৰ প্ৰগ্ৰেম। পৰহিলৈহে আহি পাব।" তাৰ পাছত তাই সুদক্ষ পি. এছ. ৰ দৰে যোগ দিলে "আপুনি ডাইৰেক্টৰ-ইন-চাৰ্জ ডক্টৰ প্ৰতাপ ভট্টাচাৰ্য্য ছৰাৰ লগত কথা পাতিব খোজে নেকি?"

কল্যাণে প্ৰফেছৰ মজুমদাৰ অহালৈ ৰ'ব বুলি ক'লে। সি মন কৰিলে যে অবিনাশৰ কথাবোৰ আগতকৈ কম মোলায়েম হৈছে। তদুপৰি—প্ৰফেছৰ মজুমদাৰ নাথাকিলে তাকতো সকলো সময়তে ইনফৰ্ম কৰি ৰখা হয়। সেয়াতো প্ৰফেছৰ মজুমদাৰৰে নিৰ্দেশ আছিল। কথাবোৰ বাৰু লাহে লাহে সলনি হৈ যাব ধৰিছে নেকি? কল্যাণে ডক্টৰ পৱন ভাৰ্গভলৈ ভিদিঅ'কম টিপিলে। কিছুপৰৰ পাছতহে

এজন লেব এছিষ্টেণ্টে ভিদিঅ'কম ধৰি জনালে যে "ডক্টৰ পৰম ভাৰ্গভ নাই। টুৰত গৈছে।"

"টুৰত গৈছে? ক'লৈ, আৰু কেতিয়া?"

কাৰোবাক সুধিহে লেব এছিষ্টেণ্ট জনে জনালে যে গৈছে কলিকতালৈ। হঠাতে ডাইৰেক্টৰ-ইন-চাৰ্জ ড° প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই পঠাইছে। পৰহি গৈছে। কিবা কনফাৰেন্স নে মিটিং আছে।

সহজকৈ ধন্যবাদ জনাই কল্যাণে ভিদিঅ'কম থ'লে যদিও সি যেন সামান্য চিন্তাত পৰিল। ডক্টৰ ভাৰ্গভ হঠাতে কলিকতালৈ গ'ল? তাক এবাৰো জনাব নোৱাৰিলে। অথচ যোৱাৰ দিনা পুৱাও সি লগ পোৱা নাই জানো?

কিন্তু কল্যাণে সত্যহতে প্ৰজেক্ট লুছিফেৰিনৰ কথাটোহে আগ কৰিলে। মনতে গুণগুণাই কিবা এটা নিজেই নজনা সুৰ তুলি সি ভাবিলে —এটা কাম কৰিলে কেনে হয়? প্ৰতাপ ভট্টাচাৰ্য্যৰ ছোৱালী কুইনেতো এতিয়া ডক্টৰ পৰম ভাৰ্গভৰ ইনৰ্গেনিক কেমিষ্ট্ৰি লেবৰেটৰিৰ, বিশেষকৈ ফছফৰ প্ৰজেক্টৰ, প্ৰায় সকলো কথাই জানে। বেছি ৰ'দত যেতিয়া পোহৰ দিয়া ই. কোলাই বেছিকৈ ধ্বংসপ্ৰাপ্ত হ'ব, তেতিয়া সেই বেছি ৰ'দৰ বাবেই বেছিকৈ এক্সপোজড হোৱা ফছফৰে আমাক যদি কিছু পোহৰ দিয়ে? ই. কোলাইৰ কমা পোহৰৰ ক্ষতিপূৰণ যদি কেমিকেল ফছফৰে কৰে? কুইনৰ লগত এইখিনি কথা আলোচনা কৰিলে কেনে হয়? সি আৰু ৰ'ব নোৱাৰিলে।

"নিভা, মই ইনৰ্গেনিক কেমিষ্ট্ৰিৰ ৰিছাৰ্চ ফেলো মিছ কুইনৰ লগত কথা পাতিব খোজোঁ।" সি জৰুৰী বাৰ্তা দিয়াৰ সুৰত ক'লে।

কিন্তু অলপ পাছত কল্যাণৰ ভিদিঅ'কমত নিভাৰ পৰা খবৰ আহিল, "ছাৰ, মিছ কুইন ভট্টাচাৰ্য্য কলিকতালৈ গৈছে। ফছফৰৰে কিবা কনফাৰেন্স। কাইলৈহে আহিব। তেখেতলৈ আপোনাৰ কিবা মেছেজ ৰেকৰ্ড কৰিব লাগিব নেকি, ছাৰ?"

এডিচনেল ডাইৰেক্টৰ ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই সুগন্ধি-ছিগাৰেটৰ ধোঁৱাবোৰ নাকেৰে ওপৰলৈ উলিয়াই দি প্ৰছেছ ট্ৰেন্সফাৰ বিভাগৰ মুৰব্বী বিদ্যুৎ চক্ৰবৰ্তীৰ ফালে চালে। তেওঁৰ চকুৰ বাহিৰৰ চুক দুটাৰ ওচৰৰ মাংসপেশীখিনি কোঁচ খাই এটা ঈষৎ হাঁহিৰ অস্পষ্ট ইংগিত দিলে।

"উ, মই জানিছিলো চক্ৰবৰ্তী। আপুনি আছে যেতিয়া আমাৰ আৰু কোনো চিন্তা নাই। উই কেন অলৱেজ ডিপেণ্ড আপন ইউ।"

"থেংক ইউ ছাৰ। মইনো আচলতে কি কৰিছোঁ? সকলোৰে পিছত থকা ব্ৰেইন আপোনাৰহে আৰু ছাৰ।"—বিদ্যুৎ চক্ৰবৰ্তীয়ে অনুবাদ কৰাৰ দৰে বাক্যটো ক'লে।

"হেই হেই, তেনেকৈ নক'ব—কোনোবাই শুনিলে বিশ্বাস কৰি পেলাব পাৰে!"—এই বুলি নিজৰ ৰসতে অলপ পৰ ঢেকঢেকাই হাঁহি তেওঁ ক'লে, "আই হেভ মেয়াৰলি থ্ৰোওন ইন দ্যা আইডিয়াজ। দি ৰেষ্ট ডিপেণ্ডেড অন এবল হেণ্ডছ লাইক ইউ!"

"আপোনাৰ আশীৰ্বাদ ছাৰ।"

"বাই দি ৱে, দিলবিজ হুছেইন নামৰ ল'ৰাটোৰ প্ৰগ্ৰেছ সিমান ভাল হোৱা নাই যেন লাগিছে। এতিয়াও যেন সি কল্যাণ চৌধুৰী-অনু অধিকাৰী পদ্মনাভনৰ প্ৰভাৱৰপৰা মুক্ত হ'ব পৰা নাই।"

"আমি তেওঁৰ ওপৰত চকু ৰাখিছোঁ ছাৰ। আপুনি নিশ্চিন্তে থাকক।"

*

জাৰ্মানিৰপৰা আহি পোৱাৰ পিছদিনাৰ পৰাই অনু বাইদেউ লেবত আগতকৈও বেছিকৈ ব্যস্ত হৈ পৰিল। আগদিনা অনু বাইদেউক আগবঢ়াই আনিবলৈ ছাইন্স ছিটিৰ ছবি যেন অকণমানি এয়াৰপোৰ্ট-টোলৈ হাতত ফুলৰ থোপা লৈ স্মিতা গৈছিল, মাকৰ লগত আগতে মাজে মাজে ভগাই খোৱা হানি-চকলেট এটা লৈ লাটু গৈছিল, আৰু

বিশালাক্ষী চলিছা আৰু বন্যা-পুলকৰ প্ৰজেক্ট লুছিফেৰিনৰ কামৰ প্ৰগ্ৰেছৰ কম্পিউটাৰ ব্ৰিফিং লৈ কল্যাণ গৈছিল। কিন্তু অনু বাইদেউৰ বাবে এই আতিথ্য, এই ৰিছিপচনৰ মাজতো যেন কাৰোবাৰ অভাৱ হৈ গৈছিল। তেওঁ আঁৰ চকুৰে এবাৰ-দুবাৰ ইফালে-সিফালে চাইছিলো। ডক্টৰ পৱন ভাৰ্গভে অনু বাইদেউ সিদিনা আহিব বুলি নিশ্চিতভাৱে জানিছিল। কিন্তু কিবা দুৰ্বোধ্য কাৰণত তেওঁ অনু বাইদেউক বিছিভ কৰিবলৈ এয়াৰপোৰ্টলৈ নাছিল।

অনু বাইদেউ এই কেইদিনতে আগতকৈ ধুনীয়া আৰু সতেজ হৈ আহিছে। লাটু আৰু স্মিতাৰ উচ্ছাস-আবেগখিনি চম্ভালি লোৱাৰ পাছত কল্যাণৰপৰা প্ৰজেক্ট লুছিফেৰিনৰ কামৰ অগ্ৰগতিৰ কথা শুনি অনু বাইদেউ যেন জপিয়াই উঠিল।

"তুমিতো এই কেইদিনতে সাংঘাতিক কাম কৰিছা, কল্যাণ। তুমি যিদিনা মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত ছাইন্স এডমিনিষ্ট্ৰেচনৰ তোমাৰ প্ৰথম বক্তৃতাটো দিছিলা—সিদিনা সেইটো মই আন দহটা বক্তৃতাৰ দৰে এটা বুলিহে ভাবিছিলোঁ।" একেবাৰে বায়েকজনীৰ দৰে কল্যাণৰ পিছমূৰটো মৰমেৰে পিহি দি অনু বাইদেৱে আৰু ক'লে,— "মন্দাকিনীলৈ তুমি ইণ্টাৰগ্ৰুপ মেনেজমেণ্টৰ নতুন কালচাৰ আনিলা।"

*

তাৰ পাছৰ তিনিটা মাহত প্ৰজেক্ট লুছিফেৰিন আশা কৰা পাৰ্ট চাৰ্টতকৈ কেতিয়াবা ঘৰকৈ কেতিয়াবা পলমকৈ আগবাঢ়িল। কেবাখনো ইণ্টাৰগ্ৰুপ ইভেলুৱেচন মিটিঙত কল্যাণে এজন পাৰ্গত গৱেষণা প্ৰশাসকৰ দক্ষতাৰে নানা সমস্যাৰ সমাধান কৰিলে। বায়োলুমিনেটৰৰ নিউট্ৰিয়েণ্ট পুৰণি একেখন ৰেপিউটেড ফাৰ্মৰ পৰা নিকিনি নতুন এখনৰপৰা অলপ বেছি দামত কিনা বুলি পাৰ্ছেজ

কণ্ট্ৰোলাৰ জীৱন শৰ্মাই তোলা এটা অভিযোগ কল্যাণে মাত্ৰ 'অ'ভাৰ-কলড, ছাইণ্টিফিক বিজনেছ, ছিক্ৰেট' বুলি লিখি আকৌ কিনিবলৈহে নিৰ্দেশ দিলে। তাকে লৈ ডাইৰেক্টৰে তাক সকলোৰে ইগো ছেটিছফাই কৰি মিলি জুলি থাকিব লাগে ধৰণৰ এটা দাৰ্শনিক বক্তৃতায়েই এদিন দি দিলে।

"নহয় মানে, তুমি কথাটো বিবেচনা কৰি চাবা কল্যাণ, মই জাষ্ট ফৰ ইঅ'ৰ গাইডেন্স কথাখিনি ক'লোঁ।" ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে আইতাই ভয়ানক দৈত্যৰ সাধু শেষ কৰি 'মোৰ সাধু মিছা' বুলি পাতলাবলৈ কোৱাৰ দৰে কৈছিল।

কল্যাণে মাত্ৰ দুটামান বাক্যহে কৈছিল, "ছাৰ, গোটেই পাৰ্চেজ প্ৰছিডিঅ'ৰটোত এটা বৃত্ত গঢ়ি উঠিছে। আমি যিমান সোনকালে সেই বৃত্ত ভাঙিব পাৰোঁ। মন্দাকিনীৰ বাবে সিমানেই মংগল।"

ডাইৰেক্টৰৰ মুখ দেখি একো বুজা নগ'লেও তেওঁ খৰধৰকৈ পাৰ্ছনেল কম্পিউটাৰটোৰ মিনি কি বোৰ্ডখন টেপ কৰিবলৈ ধৰা দেখি বুজা গ'ল তেওঁ কথাটো ভালদৰে হজম কৰিব পৰা নাই।

প্ৰজেক্ট লুছিফেৰিনৰ আগৰ এখন ইণ্টাৰগ্ৰুপ ইভেলুৱেচন মিটিঙতে অৰ্গেনিক কেমিষ্ট্ৰিৰ হেড ডক্টৰ বিনায়ক দে-এ কৈছিল, "খুব বেছী লাগিলেও ছাৰ মাহৰ বেছী নালাগিব।"

ৰিছাৰ্চ ফেলো প্ৰতুল ভূঞাই ছেমি ট্ৰেন্সপাৰেণ্ট এছফাল্ট এডিটিভ তৈয়াৰ কৰিবৰ বাবে লাগিব পৰা সকলোবোৰ তথ্য ইতিমধ্যে গোটাই পেলাইছে—লিটাৰেচাৰ ছাৰ্ভে প্ৰায় কমপ্লিট কৰি পেলাইছে।

"আমি এটা এডিটিভ তৈয়াৰ কৰিব লাগিব, ছাৰ," ৱাইড স্ক্রিন ভিদিঅ' ডিছপ্লেত সম্ভৱপৰ লাইন অব একৃচন কেইটামান ৰঙীন নক্সাৰে দেখুৱাই প্ৰতুল ভূঞাই উৎসাহেৰে কৈছিল, "ঠিক ফটোক্ৰোমেটিক চছমাৰ লেন্সত ব্যৱহাৰ কৰাৰ দৰে বস্তু এটা, কিন্তু আমি ইউজ কৰিম

পি. পি. এম. কোৱাণ্টিটিত। সিয়েই আমাৰ বাস্তা বাঙ্খোতে ব্যৱহাৰ কৰা আলকাতৰাৰ মলিকুলবোৰক, আচলতে গ্ৰুপছ অব মলিকুলক অৰ্ধ-স্বচ্ছ কৰি পেলাব।"

"তেনেহলে, আমি পাৰ্ট চাৰ্ট ৰিভাইজ কৰি আৰু চাৰি মাহ পাছত এই মাইলষ্টোনটো ৰাখোঁ?"—কল্যাণে ডক্টৰ দেৰ ফালে চাই স্পষ্টকৈ সুধিলে।

"হয় ছাৰ, ৰাখতে পাৰেন।" ডক্টৰ দে-এ ক'লে। "অৱশ্যে এই এনালিটিকেল চাৰ্ভিছ গুনো মানে ফাষ্ট হ'ব লাগিব। পাৰ্টিকুলাৰলি জি· ছি. মাছ আৰু পোলাৰিমিটাৰ এনালাইছিছ।"

"সেইটো কৰা হ'ব। তাত যাতে কোনো প্ৰব্লেম নহয় সেইটো মই চাম,"—কল্যাণে কথাটো কৈ কৈ তাৰ গ্ৰুপৰ সহকৰ্মী সত্যনাৰায়ণৰ ফালে চাই সৰুকৈ কিবা এটা ক'লে। সত্যনাৰায়ণে পকেট পি. ছি. টোতে নোট কৰিলে।

ৱাইড স্ক্রিন ডিছপ্লেত কামৰ সংশোধিত আঁচনিৰে নতুন পাৰ্ট চাৰ্ট এখন ওলাবলৈ ধৰিলে। কেতবোৰ কম ডাঠ, বেছি ডাঠ ৰঙীন ৰেখা অত ত'ত কটাকটি কৰি আগবাঢ়িছে এটা নিৰ্দিষ্ট লক্ষ্যৰ ফালে। ৰেখাবোৰে কটাকটি কৰা ঠাইবোৰত একোটা ডাঠ বৃত্ত। তাৰ তলত বিভিন্ন সংখ্যা। একেবাৰে তলেৰে নিৰ্দিষ্ট দূৰে দূৰে মাহৰ সংখ্যা লিখা টাইম স্কেল এডাল পাৰ হৈ গৈছে। তাৰ চতুৰ্থ মাহত বৃত্তটোৰ তলত কঁপা কঁপা ডট মেট্ৰিক্সেৰে সত্যনাৰায়ণে লিখিলে ডেভেলমেণ্ট অব ছমিট্ৰেন্সপাৰেণ্ট পলিমাৰ।

"আ—মোৰ প্ৰতি অলপতো সদয় হওক ডক্টৰ,"—বিশালাক্ষীয়ে থোৰট মাইক্ৰোফোনটো এডজাষ্ট কৰি একেবাৰে ঘৰুৱা সুৰত কোৱা কথাষাৰত আটাইৰে হাঁহি উঠি গ'ল। গ্ৰুপ মিটিঙবোৰত থমথমীয়া আনুষ্ঠানিক আৰু কৰ্তৃত্বসুলভ কথা-বতৰাৰ মাজে মাজে এনে একোটা ইনফৰ্মেল মুহূৰ্তও আছে। ইভেণ্ট নাম্বাৰ টু টো ডক্টৰ দেৰ মাইল-

ষ্টোনৰ মাত্ৰ দুমাহ পাছত তাত ৰঙা ডাঠ বৃত্ত এটা দিয়া আছে। সেইটো ৰোড্‌ছ ইঞ্জিনিয়াৰিং ডিভিজনৰ ডক্টৰ বিশালাক্ষী চলিহাৰ এছাইনমেণ্ট। তেওঁ যে ইতিমধ্যে তেওঁৰ বিখ্যাত ষ্ট্ৰাইপড্‌ ষ্টীট স্ক্ৰিন্‌ড গ্ৰিড টেকনিক নামৰ ৰাস্তাত আঁচ আঁচকৈ মাত্ৰ পঞ্চাশ শতাংশ আলকাতৰা দিয়াৰ টেকনিকটো উলিয়াইছে তাত ডক্টৰ দেৰ অৰ্ধস্বচ্ছ এছফাল্ট এডিটিভ ফিট কৰাৰ লাগিব— ডক্টৰ দেৰ কামৰ মুঠ দুমাহৰ ভিতৰত। অৱশ্যে ডক্টৰ দেৰ কাম চলি থকা চাৰিমাহো বিশালাক্ষীয়ে এই গৱেষণাত লগাব। গতিকে তেওঁৰ হাতত মুঠ ছটা মাহ।

এই ছটা মাহতে ৰাইড স্ক্ৰিনৰ প ৰ্ট চাৰ্টত বহুতো এক্টিভিটি ৰেখাই কটা-কটি কৰি গ'ল।

•

ছটা মাহ। ছটা মাহ বৰ খৰতকীয়াকৈ কল্যাণৰ জীৱনৰ মাজেৰেও পাৰ হৈ গ'ল।

ইতিমধ্যে স্মিতা ধুনীয়া হৈ আহিব ধৰিছিল। তিনিমাহ মান আগতে এদিন ৰাতি কেবাটাও নিবিড় বাংময় মুহূৰ্তৰ পাছত তাই বাৰ্ত্তা ঘোষণাৰ সেই সনাতন পৰিৱেশ এটালৈ উভতি আহিছিল—"এই।"

"হুঁ?"

"এ নকওঁ যোৱা!'

"ঠিক আছে নোকোৱা যদি।"

কেইটামান সম্ভাৱনাময় নীৰৱ মুহূৰ্ত পাৰ হৈ যোৱাৰ পাছত স্মিতাৰ নিজৰ উচপিচনিটো নিজৰে বৰ অসহ্য লাগিল। তাই ক'ব নোৱাৰা-কৈয়ে কৈ পেলালে, "ইস, নক'লে জানো তুমি এৰিবা?"

"নেৰে'। নেকি? নেৰে'। যদি কৈয়ে পেলোৱা।"—নিতান্তই নিৰাসক্ত দেখুৱাই কল্যাণে ক'লে।

হাবে!—হয় নেকি? ক'ত আছিল কল্যাণ? প্ৰজেক্ট লুছিফেৰিনৰ

বন্ধ কোঠালিত সি বাৰু শুই আছিল নেকি? যেন এক উদ্‌ভ্ৰান্ত হিল্লোলে কল্যাণ আৰু স্মিতা চৌধুৰীৰ নীলাভ পোহৰেৰে ধোৱা শান্ত শোৱনী কোঠাটো মুহূৰ্ত্ততে ঢৌৱাই লৈ গ'ল। সি স্মিতাক কৰ্কালত ধৰি ছিনেমাৰ নায়কে নায়কক দণ্ডাৰ দৰে ওপৰলৈ দাঙি ধৰিলে।

ডাক্তৰ বাণী শৰ্মাৰ ওচৰলৈ নাযাব পৰা হ'লেই কল্যাণ সুখী হ'ল-হেঁতেন। কিন্তু, যেতিয়া অতি আপনজনৰ স্বাস্থ্যৰ কথা আহে তেতিয়া বেছি ডেমাকী দেখুৱাব নোৱাৰি। তাতে এতিয়াতো আৰু একজন মাত্ৰ আপোনজনৰ স্বাস্থ্যৰ কথা জড়িত নহয়, জড়িত আছে দুজনৰ স্বাস্থ্যৰ কথা—তাৰ মৰমৰ স্মিতাৰ, আৰু স্মিতা আৰু তাৰ অতি মৰমৰ এক অনাগত অভ্যাগতৰ।

স'ৰু লৰা-ছোৱালী ৰখা ক্ৰেছখনত টাইফৰয়ডৰ বীজাণু ইচ্ছাকৃত-ভাৱে সুমুৱাই দিয়াৰ এক চৰম অভিযোগ ডাক্তাৰ বাণী শৰ্মাৰ বিৰুদ্ধে কল্যাণে ডাইৰেক্টৰৰ ওচৰত পেচ কৰাৰ খবৰ সোনকালেই বাণী শৰ্মাৰ ওচৰ পাইছিল। সেই কথা কল্যাণে জানিছিল। তাৰ জোৰতেই, ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰে ইচ্ছা নাছিল যদিও শেষত অভিযোগ-টোলৈ মনোযোগ দিব লগীয়াও হৈছিল। কিন্তু শেষত যিটো এক্সপাৰ্ট-এনকুৱেৰি কমিটি তেওঁ পাতি দিলে সেইটো আগৰ অন্য কমিটিৰ দৰে একেবাৰে লোকক দেখুৱাবলৈয়ে পতা বিধৰ হ'ল। আনকি তাত চেয়াৰমেন পাতি দিয়া হ'ল ৰিজিয়নেল মেডিকেল কলেজৰ ছোছিয়েল এণ্ড প্ৰিভেণ্টিভ মেডিছিনৰ প্ৰফেছৰ এন. এন. ভট্টক। তেওঁ বাণী শৰ্মাৰ দূৰ সম্পৰ্কীয়, আৰু গুপ্তপীয়া সন্ধিয়াবোৰৰ সহযোগী।

হয়তো ডক্টৰ পৱন ভাৰ্গৱৰ কথাই কল্যাণে শুনিব লাগিছিল: 'তেওঁৰ বিৰুদ্ধে লিখি একো কৰিব নোৱাৰে।—হঁ। অৱশ্যে অফেণ্ড কৰিব পাৰিব। কিন্তু চাব, আপুনি এতিয়া ফেমিলি মেন। বিপদত আকৌ বাণী শৰ্মাকে লাগিব পাৰে।'

নানা দ্বিধা আৰু সংকোচৰ পাছত একপ্ৰকাৰ নিৰুপায় হৈ স্মিতাক

লগত লৈ অনিশ্চিত খোজেৰে কল্যাণ সোমাল, ডাক্তৰ শৰ্মাই বেতিয়া ডাক্তৰ বাণী শৰ্মাৰ চেম্বাৰত সোমাল, ডাক্তৰ শৰ্মাই কিন্তু যথেষ্ট আগ্ৰহ দেখুৱাই সুধিলে "মোৰ কি ভাগ্য, আহক আহক, পাছে পেছেণ্ট আপুনি নে আপুনি? কোনে কাক লৈ আহিছে।"

"এই ক্ষেত্ৰত আমি দুয়োকে পেছেণ্ট বোলা যুক্তিযুক্ত হ'ব ডক্টৰ।" হাঁহি মাৰি কল্যাণে ক'লে। "অৱশ্যে স্মিতাৰ দায়িত্বতো অলপ বেছি।"

কথাখিনি মনোযোগ দি শুনাৰ পাছত ডাক্তৰ শৰ্মাই উল্লাসেৰে কৈ উঠিল,—"সেইটোতো ভাল কথাহে। মৰ্নিং ছিকনেছ, বমি মমি ভাব।" তাৰ পাছত অলপ ডাক্তৰী ৰস ঢালি তেওঁ ক'লে, "কিমানে এনেদৰে বমি কৰিবলৈ কত চিকিৎসা কৰাব লগা হয়!"

স্মিতাই কেৰাহিকৈ তালৈ চালে। কল্যাণৰ এইখিনি সময়তে ৰঙা আৰু পুলক সিনহালৈ মনত পৰিল।

বোডি ছ'নাৰ আৰু মেটস্কেনিং কৰি নিশ্চিত হোৱাৰ পাছত অভিনন্দন জনাই, দৰৱ আৰু উপদেশ দি ডাক্তৰ বাণী শৰ্মাই বিদায় দিলে। সম্প্ৰতি দুসপ্তাহৰ মূৰে চেক আপলৈ আহিবলৈও নিৰ্দেশ দিলে।

এই প্ৰথম বাৰৰ বাবে নিজে আগতে কৰা এটা কামৰ বাবে কল্যাণৰ অনুতাপ হ'ল। সি পৱন ভাৰ্গৱৰ দিহা মনত ৰাখিব লাগিছিল আৰু ডাক্তৰৰ বিৰুদ্ধে এনকুৱেৰি কৰোৱাত আগ-ভাগ ল'ব নালাগিছিল। এতিয়া ডাক্তৰৰ আগত তাৰ যেন কিছু সংকোচ হ'ল, কিছু লাজ লাগিল।

ডাক্তৰৰ চেম্বাৰৰ ডাঠ বগা পৰ্দাখন গুচাই স্মিতাৰ কৰ্কালত মুহূৰ্তৰ বাবে হাতখন আলফুলকৈ দি বাহিৰ ওলাই আহোঁতেই লাইব্ৰেৰিৰ জাহ্নৱী দত্তৰ লগত কল্যাণৰ চকুৱে চকুৱে পৰিল। তাৰ চকুৱে মুখে স্মিতাৰ লগত কাণে কাণে কোৱাদি কোৱা কথা এবাৰৰ পাছৰ দুই

হাঁহিটোও লাগিয়ে আছিল। কিন্তু, জাহ্নবীয়ে এই হাঁহিকো আওকাণ কৰি সিদিনা কৰিডোৰত দেখাৰ দৰে মুখ ঘূৰাই ল'লে।

ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰ দিনক দিনে যেন মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ প্ৰতি যথেষ্ট উদাসীন, যথেষ্ট নিৰাসক্ত হৈ পৰিবলৈ আৰম্ভ কৰিছে। নাইবা ডক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ অদৃশ্য ডোলডালৰ সুস্থিৰ টানত তেওঁ হয়তো স্থবীৰ হৈ, নপুংসক হৈ পৰিছে।

কল্যাণে ডাইৰেক্টৰক প্ৰজেক্ট লুছিফেৰিনৰ ৱাইড এংগল ভিদিঅ' ফিল্ম এখন কৰাৰ কথা আৰম্ভনিৰে পৰা কৈ আছিল। বিনায়ক দে আৰু বিশালাক্ষীৰ ভাগত পৰা এছাইনমেণ্ট মাইলস্টোন সময়মতে পোৱাৰ আগন্তুক দেখি কল্যাণে ডাইৰেক্টৰৰ আগত কথাটো আকৌ উলিয়ালে। আনকি সি গোটেই স্কিমটোৰ কম্পিউটাৰ প্ৰফাইল এটাও ডিছপ্লে কৰিলে। স্কিমটো বৰ বিতংকৈ ছাইন্স এডমিনিষ্ট্ৰেচন ডিভিজনৰ সত্যনাৰায়ণ আৰু কান্তা কৌশলে বনাই পেলাইছে। তাত অন্য বাইদেৱে মন্দাকিনী স্মৃতি গৱেষণাগাৰৰ প্ৰধান গেটেৰে ছিকিউৰিটি পাৰ হৈ সোমাই অহাৰেপৰা প্ৰফেছৰ মজুমদাৰে লোৱা প্ৰজেক্ট মিটিং বোৰলৈকে সামৰা হৈছে।

অলপ পৰ তভক মাৰি ফিল্মখনৰ ব্ৰিফিংটোলৈ মনোযোগ দি চাই থাকি হঠাতে প্ৰফেছৰ মজুমদাৰে ক'লে, "এটা কথা কল্যাণ, ইয়াত ডক্টৰ প্ৰতাপ ভট্ট আৰু বিদ্যুৎ চক্ৰবৰ্তীৰ বোল দুটাত আৰু অলপ জোৰ দিব লাগিব, বুজিছা? বিদ্যুৎ চক্ৰবৰ্তী প্ৰছেছ ডেভেলপমেণ্টত নাই যদিও পাছত প্ৰছেছটো কমাৰ্ছিয়েলাইজ কৰোঁতে তেওঁকে লাগিবতো।"

শেষত অৰণ্যে পাৰ্চেজ কণ্ট্ৰোলাৰ জীৱন শৰ্মাৰ নানা ওজৰ-আপত্তি

থকা নোটিওৰ পাছতো প্ৰজেক্ট লুছিফেৰিনৰ ভিদিঅ' ফিল্মৰ স্কিমটো এপ্ৰুভড হৈছিল।

কল্যাণে অনু বাইদেউক এই ৱাইড এংগল ভিদিঅ' ফিল্মখনৰ বাবে লাহে লাহে সাজু কৰি আনিছিল। প্ৰথমতে অনু বাইদেৱে বৰকৈ আপত্তি কৰিছিল।

"মোক আৰু এতিয়া ছিনেমাৰ তাৰকা বনাব খুজিছা কেলেই? তাতকৈ আমাৰ কথাখিনিৰে স্ক্ৰিপ্ট লিখোৱা, তাৰ পাছত কোনোবা প্ৰফেছনেল একট্ৰেছ লৈ ৰোল প্লে কৰোৱা।"

কল্যাণে একোতে নামানিলে। তাৰ মতে এইখন ছিনেমা বা ডকুমেণ্টৰি নহয়। এটা প্ৰজেক্টৰ জন্ম আৰু জীৱনৰ ইতিহাস, মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত এই প্ৰজেক্ট লুছিফেৰিনৰ জন্ম বেদনাৰ উপলব্ধি।

সেই উপলব্ধি, সেই আবেগৰ কাব্যিক প্ৰদৰ্শনৰ বাবে কল্যাণ আৰু অনু বাইদেৱে আৰু পাছলৈ সত্যনাৰায়ণ, স্মিতা, ৰত্না সিন্হা আৰু প্ৰতুল ভুঞাই বৰকৈ খাটিছিল নানা পুৰণি কথা ৰিছাৰ্চ কৰি উলিওৱা হৈছিল। পুৰণি চিঠি-পত্ৰ, মেমোৰ পৰা একো একোটা সিদ্ধান্ত উদ্ধাৰ কৰা হৈছিল। সেইবোৰ এজন প্ৰফেছনেল স্ক্ৰিপ্ট ৰাইটাৰে লিখিছিল। কিন্তু কল্যাণৰ নিৰ্দেশত তাক বাৰে বাৰে ৰিভাইজ কৰিব লগা হৈছিল।

"অ'। — আমাৰ এক্টৰ-এক্ট্ৰেছবোৰৰো অলপ ৰেষ্টৰ প্ৰয়োজন হৈছে, ডক্টৰ" — কেইবাঘণ্টা ধৰি সুমনলতা কনফাৰেন্স ৰুমত ইণ্টাৰগ্ৰুপ ইভেলুৱেচন মিটিং এখনৰ দৃশ্য ভিদিঅ' ফিল্মৰ বাবে টেকৰিটেক কৰি থকাৰ মাজতে তেওঁৰ বিশাল বক্ষত জোকাৰণি তুলি বিশালাক্ষী চলিহাই ধেমালি কৰি কৈছিল। "আমাৰ দেখোন লাঞ্চ আৱাৰ হ বৰ হ'লেই, এই শটটো পিছবেলালৈ থ'লে নহয় নেকি?"

"অকণমান ধৈৰ্য্য ধৰক, মিছ্ছ বিশালাক্ষী।"

ইতিমধ্যে ডক্টৰ বিনায়ক দে আৰু প্ৰতুল ভুঞাই পাছৰ চাৰি মাহত

আলকাতৰা অৰ্ধ-স্বচ্ছ কৰা প্ৰচ্ছেছ এটা উলিয়াব খোজা আৰু তাৰ দুমাহৰ ভিতৰতে বিশালাক্ষীয়ে আঁচ আঁচকৈ পঞ্চাশ শতাংশ আলকাতৰা দি বনোৱা ৰাস্তাত সেই অৰ্ধ-স্বচ্ছ আলকাতৰা ব্যৱহাৰ কৰিব পৰা কৰা—এই দুয়োটা মাইলষ্টোন আগত দেখুওৱা ইন্টাৰগ্ৰুপ মিটিংখনৰ শ্বট লোৱা হৈছিল। প্ৰজেক্ট লুছিফেৰিনে এতিয়া সেইবোৰ মাইলষ্টোন পাৰ হৈ আহি নতুন পৰ্য্যায়ত ভৰি দিছে। ইতিমধ্যে ভিদিঅ' ফিল্মখনৰ অঘোষিতা নায়িকা হৈ পৰা অনু বাইদেৱে চমকপ্ৰদ দক্ষতা আৰু নিষ্ঠাৰে লেবৰ শ্বটবোৰত, আনকি হিউমেন ইন্টাৰেষ্টৰ ষ্টোৰিবোৰতো অভিনয় কৰি গৈছে। আজিৰ শ্বটত পাছৰ এখন ইন্টাৰগ্ৰুপ মিটিং থাকিব। তাত মুখ্য ভূমিকা থাকিব অনু বাইদেউ আৰু কল্যাণৰ।

"আৰু অলপ সময় মাত্ৰ," কল্যাণে দোহবাৰ দৰে ক'লে, "আজি বাৰু আমি এই কামটোৰ বাবে আমাৰ পাৰ্থিব লাঞ্চটোৰ কথা পাহৰি থাকিব নোৱাৰোনে ?"

অলপ ভাবি কল্যাণে তাৰ পি. এ. নিভা কোঁৱৰলৈ চাই ক'লে, "আমাৰ আটাইকেইজনৰ বাবে এটা ৱাৰ্কিং লাঞ্চ এৰেঞ্জ কৰা—কেন্টিনতে।"

"লাঞ্চ আৱাৰতে ছাৰ ?"

"নো নো, লেট লাঞ্চ! এই শ্বটটো কমপ্লিট হওঁতে আৰু ডেৰ ঘণ্টামান নালাগিবনে মিষ্টাৰ যাদৱ ?" কল্যাণে আগমন সৰ্মা-বৰ পকেট থকা অলিভ ৰঙৰ হলৌ পোচাক এটা পিন্ধা চিফ কেমেৰা ডাইৰেক্টৰ জনলৈ চালে। তেওঁ মুখেৰে একো নক'লে কিন্তু মূৰটো অ'মুভূমিকভাৱে লৰাই ইতিবাচক সহাৰি দিলে।

কল্যাণে নিভাক ক'লে, "উঁ, তিনিবজাত ইয়াতেই এৰেঞ্জ কৰা।"

হাঁহিমুখীয়া নিভাই তাইৰ দীঘল বেণী দুডাল পিছফালে উছাৎ মাৰি দি চেলাউৰি যোৰত ঢৌ তুলি 'ইয়েছ ছাৰ' বুলি বুজালে।

"মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ এক বৃহৎ স্বৰ্ণত এইখিনি ত্যাগ কৰক মোৰ সহকৰ্মীসকল", কল্যাণে অলপ আবেগেৰেই ক'লে।

শুটটো আৰম্ভ কৰিবলৈ মিষ্টাৰ যাদৱে মিলিটাৰি কায়দাত নিৰ্দেশ দিবলে আৰম্ভ কৰিছিলেই। কিন্তু এনেতে কল্যাণৰ হাতৰ ঠাৰিত বন্ধা স্লিপাৰটোৱে অধৈৰ্য্য ভাৱে স্লিপ স্লিপ কৰিবলৈ ধৰিলে। স্লিপাৰৰ স্ক্ৰিনৰ টাচ্চ বুটামটো টিপাত কল্যাণৰ ঘৰৰ নম্বৰ ওলাল। নিশ্চয় স্মিতাৰ ফোন হ'ব। বেচেৰীয়ে আজি ৰাতিপুৱাৰ লৰালৰিতে বেড-ৰুমতে খুন্দা এটা খাই প্ৰায় পৰি গৈছিল। ডাক্তৰ বাণী শৰ্মাক কোৱাত তেওঁ কিবা দৰৱ এটা পঠাই দিছিল আৰু দিনটো ৰেষ্ট ল'বলৈ কৈছিল।

যিমান পাৰি কম শব্দ কৰি উঠি আহি কল্যাণে ওচৰৰ বুথটোৰ পৰা স্মিতালৈ ভিদিঅ'কম কৰিলে। কামৰ মাজতে উঠি আহিব লগা হোৱাত তাৰ অলপ খঙেই উঠিছিল।

"হেল্লো ডিয়াৰ? তুমি স্লিপাৰলৈ কল নপঠাই মেছেজ এটাকে ৰাখি থ'ব পাৰিলাহেঁতেন। ইজ ইট ছো আৰ্জেণ্ট?"

স্মিতাৰ যেন মাতটো ওলাবই নোখোজে। তাইৰ মুখখনো অকমানি স্ক্ৰিনখনত বৰ শেঁতা, বেঁকা দেখা গৈছে। তাই বাৰু কান্দিছে নেকি?

"বৰ আৰ্জেণ্ট নোহোৱা হ'লে তোমাক এনেকৈ আমনি নকৰিলোঁহেঁতেন। তুমি এতিয়াই আহা—মোৰ বৰকৈ তেজ গৈছে--আই এম প্ৰফিউজলি ব্লিডিং।" তাই শেহাই শেহাই কোৱাদি ক'লে, "মই বাথৰুমৰ পৰা উঠিবই পৰা নাই।"

মিষ্টাৰ যাদৱে টেকটোৰ বাবে কেমেৰা আৰু অদিঅ' ছিষ্টেম একেবাৰে ৰেডি কৰি থৈ আছিল। এনেতে দুহাত দাঙি পৰাজয়ৰ ভংগীত সোমাই গৈ কল্যাণে সেই তীব্ৰ পোহৰত সেমেনা-সেমেনিকৈ ক'লে, "মোক ক্ষমা কৰক সহকৰ্মীসকল। এই শুটটো আজি ল'ব পৰা

নাথাব। দেয়াৰ ইজ চামথিং এক্সট্ৰিমলি আৰ্জেণ্ট এণ্ড পাৰ্ছনেল ফৰ মি।"

*

সেইদিনা আবেলি ছাইল্ড ছিটি জেনেৰেল হস্পিটেলৰ গাইনিৰ প্ৰফেছৰজনে অনু বাইদেউ আৰু কল্যাণৰ ওচৰ চাপি আহি কল্যাণৰ কান্ধত হাত থৈ ক'লে, "আই এম ছো ছৰি, ডক্টৰ চৌধুৰী। মাকৰ ছেফটিৰ বাবে আমি ৰাখ্ব কৰি দিবলগীয়া হ'লোঁ।"

কোনে কৈছিল—বিপদ কেতিয়াও অকলে নাহে? কল্যাণৰ মনত পৰিল—ইংৰাজী সাহিত্যৰ ছাত্ৰ তাৰ দেউতাকে কাৰোবাৰ উদ্ধৃতি দি সৰুতেই তাক কৈছিল।

স্মিতাক মানসিকভাৱে পুনৰ সংস্থাপন কৰোঁতে কল্যাণৰ দুটামান দিন লাগি গ'ল। প্ৰথম দুদিন সি ছুটী ল'লে। তাৰ পাছত অফিছলৈ গ'ল যদিও ঘনাই ভিদিঅ'-কমত স্মিতাৰ লগত ইটো-সিটো কথা পাতি থাকিল।

*

হঠাতে কল্যাণৰ ব্যস্ততাৰ মাজতে ভিদিঅ' কমটোৱে মৃদু জোকাৰণিৰ দৰে কল এটা অহাৰ সংকেত দিলে। সি স্মিতাৰ কল বুলিলে ভাবিছিল। কিন্তু নহয়, বন্না সিন্‌হাহে।

"কি খবৰ মিছেছ সিন্‌হা?"

'মই আপোনাক এতিয়াই লগ পাব খোজোঁ ডক্টৰ। ইট ইজ ভেৰি আৰ্জেণ্ট এণ্ড এক্সট্ৰিমলি ইমপোৰটেণ্ট।"

কল্যাণ 'এক মুহূৰ্তৰ বাবে স্তব্ধ হৈ ৰ'ল। তাৰ পাছত দক্ষ মেনেজাৰৰ দৰে উত্তৰ দিলে, "আহক তেনেহ'লে। মই আপোনাৰ কাৰণে বৈ আছোঁ।"

ডক্টৰ (শ্ৰীমতী) বন্না সিন্‌হাই একো শুভ সংবাদ অনা নাছিল।

তেওঁ বহিল কি নবহিল বাৰ্ত্তাটো আৰম্ভ কৰিলেই—পুলক আৰু তেওঁৰ লেবত কোনোবাই ছেবোটেজ কৰিছে !

"ছেবোটেজ ? কয় কি আপুনি ?" কল্যাণে আচৰিত হৈ ডাঙৰকৈয়ে ক'লে ।

"হয় ডক্টৰ । ছেবোটেজত বাহিৰে আন একো হ'ব নোৱাৰে । আজি ৰাতিপুৱা আমাৰ সকলো কালচাৰ, সকলো নিউট্ৰিয়েণ্ট ৰুটিনলি চেক কৰি দেখোঁ—তাত জেনিটিকেলি মেনিপুলেটেড ই. কোলাইৰ ঠাইত অন্য বেক্টেৰিয়াৰহে মোল্ড হৈছে । অতি বেছি পপুলেচন । একপ্ৰকাৰ ভয়াবহ !"

"কেনেকৈ হ'ব পাৰে ।"

"কেনেকৈ মানে ? কোনোবাই কৰিবই লাগিব, ডক্টৰ । নহ'লে এই এছেপ্টিক কণ্ডিচনত সেইটো হোৱাটো সম্ভৱ নহয় ।" অতি উত্তেজিত আৰু পৰম নিশ্চিতভাৱে বৰুৱাই ক'লে ।

"ধৰক ছেবোটেজটো মই কৰিব খুজিলোঁ । কামটো মোৰ বাবে কিমান সহজ বাৰু ?"

"আপোনাৰ যদি টিচু কালচাৰ বা বায়োটেকনোলজিৰ সামান্য ট্ৰেইনিঙো থাকে, তেনেহ'লে কামটো আপোনাৰ বাবে তেনেই উজু ।" উশাহ ল'বলৈ তেওঁ ৰ'ল । তাৰ পাছত ক'লে, "এটা কণ্টেমিনেটেড নিড্‌লেৰে কালচাৰ খিনি টাট্চ কৰি গ'লেই হ'ল । তাত আন্‌ৱান্‌টেড বেক্টেৰিয়াৰ পপুলেচন বাঢ়ি যাব—মোল্ড ফৰ্ম কৰিব ।"

"ৰ'বচোন মই আপোনাৰ ছাত্ৰবেশু আৰু কৃষ্ণা চোপ্ৰাৰ লগতো কথা পাতোঁ ।" কল্যাণে গম্ভীৰ সুৰত ক'লে ।

"কৃষ্ণা কালিৰে পৰা অহাই নাই । আৰু এওঁক, পুলকক আৰু কি সুধিব ? তেওঁতো একেবাৰে পুৰণি কালৰ ঋষিমুনিৰ দৰে, দুখতো নিৰুদ্বিগ্নমনা, সুখতো বিগতস্পৃহ"—গীতাৰ শ্লোক এটাৰ পৰা ৰুৱাই

ক'লে। তেওঁৰ কথাবাৰ শুনি কল্যাণৰ মুহূৰ্তৰ বাবে বল্লাইতৰ ছাইন্স ছিটি সংস্কৃত স্টাডি ছাৰ্ক'ল নামৰ ক্লাবটোলৈ মনত পৰি গ'ল।

ভিদিঅ' স্ক্রিনত ডক্টৰ পুলক সিন্‌হাৰ মুখখন যিমান নিৰ্বিকাৰ দেখা গ'ল, কল্যাণৰ প্ৰশ্নৰ উত্তৰত মাথোঁ কোৱা তেওঁৰ কথাখিনিও সিমান নিৰুদ্বেগ শুনা গ'ল, "হয়, ছেবোটেজ হ'বও পাৰে।—হয় আমাৰ কালচাৰ আৰু সকলো স্পেচিমেন সম্পূৰ্ণ নষ্ট হৈ গৈছে।—এঁ, এছেপ্টিক কণ্ডিচন এটা ৰিজেনেৰেট কৰি কামখিনি আগৰ অৱস্থালৈ আনিবলৈ এমাহ মানতো লাগি যাব।—একমাত্ৰ উপায় হ'ব অনু অধিকাৰীৰপৰা নতুন মোডিফাইড ই. কোলাই স্পেচিমেন লৈ কাম কৰাটো—সিও এমাহ পাছত।"

পুলকৰ ফোনটো শেষ হোৱালৈ বল্লা অধৈৰ্য্য হৈ বৈ আছিল। ফোনটো শেষ হোৱাৰ লগে লগে তাই ক'লে, "ডক্টৰ চৌধুৰী, অনু বাইদেউক এতিয়াই সাৱধান কৰি দিয়ক—তাতো কোনোবাই এনে কৰিলে গোটেই প্ৰজেক্ট লুছিফেৰিনেই বছৰ হিচাবত পিছুৱাই যাব।"

অনু বাইদেউ মেগনেটিক ৰিজোনেটৰ ৰুমত কিবা এক্সপেৰিমেণ্টত ব্যস্ত আছিল। কল্যাণৰ ফোন পাই তেওঁ উৎসাহেৰে সহাঁৰি দিলে।

"অনু বাইদেউ, আপুনি এটা ছিকিঅ'ৰ লাইনলৈ গৈ মোৰ লগত কথা পাতক। বৰ জৰুৰী।"

ছিকিঅ'ৰ লাইনত কথা পতাৰ পাছত অনু বাইদেউ নিজৰ লেবলৈ দৌৰি গ'ল। কিন্তু তেতিয়া তাত বল্লা সিন্‌হাৰ লেবত ঘটাৰ দৰে একে বিপৰ্য্যয় ঘটি গৈছে। পোহৰ দিয়া লুছিফেৰেজ ছিক্ৰেটিং ই. কোলাইৰ সংখ্যা তুলনাত নগণ্য কৰি দি তাত তেতিয়া সাধাৰণ ই. কোলাইৰ পপুলেচন হাজাৰ হাজাৰ, লাখ লাখ গুণে বাঢ়ি গৈছে। অনু বাইদেউৰ বাবে ইয়াতকৈ ডাঙৰ বিপৰ্য্যয় আৰু কি হ'ব পাৰে?

*

এক দুৰ্বল, হতাশ, ৰুগীয়া মানুহৰ দৰে তললৈ নামি অহা অৱস্থাত

কল্যাণক পি. আৰ, অঃ উৎপল বিষয়াই লগ পাই উৎসাহেৰে ক'লে, "অঃ, বেষ্ট উইশ্বেজ, ডক্টৰ চৌধুৰী।"

"কিহৰ বাবে, মিষ্টাৰ বিষয়া ?" বুজিব নোৱাৰি কল্যাণে সুধিলে।

"কেলেই তিনি তাৰিখে আপোনাৰ এছেছমেণ্ট নহয়—ডেপুটি ডাইৰেক্টৰ পোষ্টৰ বাবে—গম পোৱাই নাই নেকি ? আমাৰ বিদ্যুৎ চক্ৰবৰ্তী চাহাবে দেখোন মেমো পাই গ'লেই।"

॥ ১৫ ॥

যোৱা ডেৰ-দুই মাহৰ ভিতৰতে এটাৰ পাছত এটাকৈ কল্যাণৰ সৈতে জড়িত ঘটনাবোৰে নানা মুদ্ৰা, নানা নক্সাত যেন নতুন নতুন খেল খেলিছিল। কল্যাণ যেন এক ব্যস্ত, সময় সচেতন, পৃষ্ঠা-সচেতন ঔপন্যাসিকৰ উপন্যাসৰ প্ৰধান চৰিত্ৰ—কিন্তু এতিয়া নিৰ্দিষ্ট শেষ অধ্যায়ত তাৰ হতুৱাই মোখনি মৰাৰ লগা ঘটনাৰ ব্যাপ্তিয়ে যেন অনভিজ্ঞ ঔপন্যাসিকজনক ব্যতিব্যস্তহে কৰি তুলিছে। আৰু তাৰ বলি হৈছে যেন কল্যাণ চৌধুৰী নামৰ মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ সকলো দিশতে জড়িত হৈ পৰা এই ডেকা বিজ্ঞান-প্ৰশাসকজন।

সিদিনা পাবলিক ৰিলেচন্ছৰ হেড উৎপল বিষয়াক তেনেকৈ ছিৰিতে লগ পাই তাৰ প্ৰমোচন ইণ্টাৰভিউৰ খবৰটো পোৱাৰ পাছৰেপৰা যেন কল্যাণৰ জীৱনটো কিছু বেগেৰে আৰু কিছু পৰিমাণে তাৰ নিয়ন্ত্ৰণৰ বাহিৰহে চলিবলৈ আৰম্ভ কৰি দিছিল।

"তোমাক ফোনত কেবাবাৰো ট্ৰাই কৰিছিলোঁ।" সি ঘৰ পাই হাতৰ চাপ দি কম্পিউটাৰ কি এটাৰ সহায়ত দুৱাৰখন খুলি দিনটোৰ ক্লান্তিৰে ছোফাখনত গাটো এৰি দিয়াৰ লগে লগে স্মিতাই কৈছিল।

"কিয় ? কিবা বিশেষ কথা আছিল নেকি ?"

"তুমি, আজিকালি মোৰ, মোৰ কোনো খবৰেই নাৰাখা।" অভিমানৰ সামান্য অভিনয় কৰি স্মিতাই ক'লে। "বিয়াৰ বাবে যে সেইবাৰ যাব নোৱাৰিলোঁ—ট্ৰেইনিং ৱাৰ্কশ্বপটোলৈ, এইবাৰ এটা স্পেছিয়েল ক্ৰেছ কোৰ্ছ পাতিছে। মোৰ নামটোও আছে।

ত্ৰিবান্দ্ৰমত হ'ব। এমাহৰ। যামনে এইবাৰ ?"

স্মিতাক শাৰীৰিক আৰু মানসিকভাৱে পুনৰসংস্থাপন কৰাৰ এটাৰ ডাঙৰ দায়িত্ব স্মিতাৰ এতিয়াৰ এই একমাত্ৰ আপোন মানুহ জনৰ গাত যেন সদায়ে লাগি আছে। কল্যাণৰ যদিও অন্য বহুতো সন্দেহ হয় সেই নিষ্ফল গৰ্ভধাৰণৰ গ্লানি স্মিতাই কিন্তু নিজৰ গাতে সানি লৈছে। শাৰীৰিকভাৱে দুৰ্বল হৈ পৰিলে মানুহ মানসিক ভাৱেও হয়তো দুৰ্বল হৈ পৰে। কিন্তু তাইক সাহসী কৰি থিয় কৰোৱাৰ সমস্ত দায়িত্ব যেন এতিয়া কল্যাণৰে। আৰু কোনে জানে কল্যাণৰে হয়তো তাইৰ এই সাহস, এই ব্যক্তিত্বৰ প্ৰয়োজন এদিন সবাতকৈ বেছি হ'ব।

"কোৰ্ছটো কেতিয়াৰ পৰা হ'ব ?" কল্যাণে স্মিতাৰ ফালে মৰমেৰে চাই সুধিলে।

"অহা মাহৰ সাত তাৰিখৰপৰা। ছয় তাৰিখে ৰিপোৰ্ট কৰিব লাগিব।"

স্মিতাৰ যে এই কোৰ্ছটো কৰিবলৈ বৰ আগ্ৰহ সেইটো তাইৰ কথাৰপৰা বুজা গৈছিল। তাই যদি এনেকুৱা এটা কোৰ্ছ কৰি অহাৰ ফলত অলপ মানসিক উদ্যম পায়, তাৰ ফলত যদি তাইৰ আগৰ আগ্ৰহ, আগৰ উৎসাহ-অনুসন্ধিৎসা ঘূৰি আহে তেনেহ'লে কল্যাণ-স্মিতাৰ জীৱনত তাতকৈ ডাঙৰ আশীৰ্বাদ আৰু কি হ'ব পাৰে ?

"যাবা।"

"হুঁ ?"

"ওঁ, যাবা।"

এক মুহূৰ্তৰ বাবে স্মিতাই কল্যাণৰ চকুলৈ অবিশ্বাসৰ দৃষ্টিৰে চাই থাকিল। তাৰ পাছত আনন্দ চেপি ৰাখিব নোৱাৰি তাই বেঙা মেলি গৈ কল্যাণৰ ডিঙিত দুবাহুৰে আকোৱালি ধৰিলে।

মুৰৰপৰা ক'কাললৈ বৈ পৰা তাইৰ ক'লা চুলিখিনিৰে কল্যাণে সোঁহাতখন আলফুলকৈ চলাই নিলে। তাৰ পাছত সি যেতিয়া তাৰ প্ৰমোচনৰ এছেছমেণ্ট ইণ্টাৰভিউ তিনি তাৰিখে থকা বুলি জনালে প্ৰথমতে স্মিতাই তাৰ দুদিন পিছতে তাই বাকশবপলৈ নাযাওঁ বুলিয়ে ক'লে। তাইৰ মতে ইণ্টাৰভিউৰ আগতে এইবোৰ হুস্থূলুল কল্যাণৰ বাবে বেয়া হ'ব। কিন্তু কল্যাণে তাইক বুজালে, "ইণ্টাৰভিউৰ আগতে হোৱা হ'লেও এক কথা আছিল। দুদিন পাছত আকৌ তুমি যাব নোৱাৰিবা কেলেই?" তাৰ পাছত সি বিজ্ঞৰ দৰে ক'লে, 'আৰু এইবোৰতো এছেছমেণ্ট ইণ্টাৰভিউ, তাত আৰু নতুনকৈ কি ভাল বেয়া কৰিবলৈ আছে? নিয়মমতে আমাৰ যোৱা পাঁচ-ছয় বছৰৰ কাম-কাজ চাই তেওঁলোকে সকলোতো আগতেই ঠিক কৰি থ'ব লাগে।"

*

"তেওঁলোকে আগতেই সকলো ঠিক-ঠাক কৰি থৈ দিয়ে কল্যাণ," অনু বাইদেৱে সিদিনা সন্ধিয়া কল্যাণক কাষত বহুৱাই লৈ কৈছিল। "সেইটোৱেই তেওঁলোকৰ নিয়ম। তুমি মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ বাবে কি কৰিছা, কিমান কৰিছা, তাৰ বাবে কিমান ত্যাগ কৰিছা সেইবোৰে তেওঁলোকক সামান্য পৰিমাণেও টলাব নোৱাৰে। তেওঁলোকৰ বাবে তুমি কি কৰিছা, কিমান ঢালিছা, কিমান শোহাত সহায় কৰিছা সেইটোৱেই হ'ল তোমাৰ পাৰ্-ফৰমেন্স। তোমাৰ এচিভমেণ্ট। তাৰ বাবেহে তুমি নম্বৰ পাবা।"

অনু বাইদেৱে বাৰু এইবোৰ কথা তাক কিয় কৈছে? তেওঁ বাৰু বৰ হতাশ আৰু দ্বিধাগ্ৰস্ত নেকি? একেবাৰে নিশ্চিতভাৱে, অনু বাইদেউৰ সহকৰ্মী দিলবিজ হুচেইনে ইচ্ছাকৃতভাৱে তেওঁ সাধনাৰ গৱেষণা বহুদিনৰ বাবে পিছুৱাই দিয়াৰ পাছতো অনু

বাইদেউতো ইমান বিচলিত, ইমান চিন্তিত হোৱা নাছিল। তেতিয়া দেখোন অনু বাইদেৱে শেঁতা হাঁহি এটা মাৰি তাকহে সান্ত্বনা দিয়াৰ সুৰত কৈছিল, "এনেকুৱা কিবা এটা হ'ব বুলি মই জানিছিলোঁৱেই, কল্যাণ। আৰু তাৰ বাবে সাজুও আছিলোঁ।"

"সাজু আছিল? অনু বাইদেউ আপুনি?" অনু বাইদেউৰ ৰহস্যাবৃত হাঁহিৰ অৰ্থ বুজিব নোৱাৰি কল্যাণে আকৌ সুধিছিল, "কেনেকৈ?"

"সেইবোৰ কথাৰ এটা আঁত আছে, কল্যাণ।"

অনু বাইদেউ অতীতলৈ উভতি যাব খোজা বুলি তেওঁ শূন্যলৈ দূৰলৈ অলসভাৱে চেৱাটোৰপৰাই বুজা গৈছিল।

"তোমাক সেইবোৰ কথা কেনেকৈ কোৱা যায় সেইটোহে ভাৱিছোঁ।"

তেওঁ সচাঁকৈয়ে কথাবোৰ ভাবিলে আৰু ফেমিলি পিকচাৰ সম্পাদনা কৰাৰ দৰে সম্পাদনা কৰি কথাখিনি ক'লে, "মই যেতিয়া সংসাৰৰ প্ৰধান বান্ধোনৰপৰা মুক্তি লৈ জীৱনৰ সংস্থান বিচাৰি ইয়ালৈ প্ৰথম আহোঁ, লাটু তেতিয়া বৰ সৰু। আৰু ময়ো তেতিয়া এতিয়াতকৈ বহুখিনি কম বয়সৰ।"

তাৰ পাছত কি ক'ব অলপ ভাবি তেওঁ ক'লে, "কিন্তু প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য সদায় ডেকা, তেতিয়াও, এতিয়াও। তেওঁ উদাৰ জীৱন যাপন কৰে। তদুপৰি তেওঁ সকলো গাভৰুৱে জীৱনৰ প্ৰমূল্য টকা আৰু চাকৰিৰে কিনিব পাৰি বুলি ভাৱে।"

অনু বাইদেউ সঁচাকৈয়ে অতীতৰ দৃশ্য এটালৈ উভতি গ'ল।

"মই যেতিয়া উছাৎ মাৰি আঁতৰি যাব খুজিছোঁ, তেতিয়া অতি নিৰুদ্বেগ, অতি শান্ত মাতেৰে প্ৰতাপ ভট্টই কৈছিল, 'চাওক মিট্‌জ্ অধিকাৰী। আপোনাৰ নিচিনা ছোৱালী মই আগতেও লগ পাইছোঁ। কথাটো আপুনি ভাবি চাব।' তাৰ পাছত ড্ৰয়াৰৰপৰা

জেৰক্স কৰা কাগজ এখন উলিয়াই দিছিল।"

"এপইণ্টমেণ্ট লেটাৰ?" কল্যাণে একপ্ৰকাৰ উত্তেজিত স্বৰেৰেই সুধিলে।

"উঁ হুঁ। সেই অদৃশ্য ডোল—যাৰ সহায়ত প্ৰতাপ ভট্টই ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰক টানি থাকে! নচুৱাই থাকে!"

নিজৰ প্ৰতাপ দেখুৱাবলৈ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই অণু বাইদেউক সিদিনা সেই কাগজৰ মৰ্ম আৰু ক্ষমতা বুজায়ো দিছিল। আগৰ ডাইৰেক্টৰ ডক্টৰ পট্টনায়কৰ কামৰ প্ৰতি আৰু বিশেষকৈ নিয়মানুবৰ্তিতাৰ প্ৰতি নিষ্ঠাই এচাম কৰ্মীক অতীষ্ঠ কৰিছিল। তদুপৰি ভূমিপুত্ৰ আন্দোলনে তেতিয়া এক শীৰ্ষ পাইছিল। প্ৰতাপ ভট্ট আৰু প্ৰফেছৰ মজুমদাৰে তেতিয়া ডক্টৰ পট্টনায়কক খেদাবলৈ দুজনমান প্ৰতাপী ৰাজনৈতিক নেতাক ধৰামেলা কৰিছিল। অসতৰ্ক প্ৰফেছৰ মজুমদাৰে এদিন তেনে এজন নেতাক লগ ধৰিবলৈ যাবৰ বাবে প্ৰতাপ ভট্টক অনুৰোধ কৰি এখন চিঠি দিছিল। এতিয়া সেই চিঠি জোকাৰি প্ৰতাপ ভট্টই প্ৰফেছৰ মজুমদাৰক নচুৱাই থাকে।

সিদিনা সেই দুৰ্দান্ত প্ৰতাপী প্ৰতাপ নাৰায়ণ ভট্টৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি ওলাই আহিও পাছত ফৰ্মেল ইণ্টাৰভিউতে একমাত্ৰ নিজৰ পাৰদৰ্শিতাৰেই অনু বাইদেৱে ছাইণ্টিষ্টৰ চাকৰি পাইছিল। অৱশ্যে তেওঁৰ প্ৰতি প্ৰতাপ ভট্টৰ যে আশীৰ্বাদ-শুভেচ্ছা কেতিয়াও নাই সেই কথা অনু বাইদেৱে সকলো সময়তে বুজি থাকিব লগাত পৰিছিল।

কল্যাণ আকৌ পোহৰ দিব পৰা ই. কোলাইৰ কালচাৰবোৰ সমূলঞ্চে নষ্ট হোৱাৰ কথাটোলৈ উভতি আহিছিল। কিন্তু, এইবাৰ দিলবিজ হুছেইনৰ চক্ৰান্তত প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ অদৃশ্য হাতৰ পৰশ সি অনুভৱ কৰিলে।

অনু বাইদেৱে বিজ্ঞৰদৰে হাঁহি মাৰি তাক কৈছিল, "তোমাৰ গাড়ীৰ ডেস্ক বোৰ্ড'ত সদায় মোৰ নতুন কালচাৰ ঘঁহি থ'বলৈ মোক কিহে পায় বাৰু?" তেওঁ আৰু কৈছিল, "তাত যি নিউট্ৰিয়েণ্ট মই দিওঁ তাৰে ই. কোলাইবোৰ দুই-তিনি সপ্তাহো ভালে থাকে।"

তাৰ পাছত অতি কষ্ট কৰি অনু বাইদেৱে তেওঁৰ লেব এছেপ্টিক কৰিছিল। কল্যাণৰ গাড়ীৰ ডেস্ক বোৰ্ড আৰু লাটুৰ পঢ়া টেবুলৰ আগত ঘঁহি ৰখা বেক্টেৰিয়া ষ্ট্ৰেইন সংগ্ৰহ কৰি নিছিল।

দিলবিজ হুছেইনক প্ৰাথমিক অনুসন্ধান নোহোৱা পৰ্যন্ত সাময়িকভাৱে ট্ৰেন্সজেনিক প্লেণ্ট ছেকচনলৈ ট্ৰেন্সফাৰ কৰা হৈছিল। ঠিক পোন্ধৰ দিনৰ দিনা অনু বাইদেউৰ লেবত নতুন কালচাৰত লুছিফেৰেজ ছিক্ৰেটিং ই. কোলাইবোৰে লুছিফেৰিনৰ সংস্পৰ্শ'ত শীতল সেউজীয়া হালধীয়া পোহৰ দিবলৈ আৰম্ভ কৰিছিল। অনু বাইদেউৰ জীৱনলৈ নতুন উদ্যম ফিৰি আহিছিল।

*

প্ৰজেক্ট লুছিফেৰিনৰ সাফল্যৰ বিষয়ে গুৰিৰেপৰাই কল্যাণ বৰ আশাবাদী আছিল। বা সি একপ্ৰকাৰ নিশ্চিতয়েই আছিল যে তাৰ মৰমৰ মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ এই ইণ্টাৰগ্ৰুপ প্ৰজেক্ট এদিন সফল হ'বই—এদিন এই ছাইন্স ছিটিৰ ৰাস্তাবোৰ ষ্ট্ৰিট লাইটৰ সলনি ই. কোলাইৰ শীতল পোহৰেৰে উদ্ভাসিত হৈ উঠিব। সেইবাবে একপ্ৰকাৰ ছাইন্স ফিকচন লেখকৰ দৰে সত্য নাৰায়ণ আৰু ডক্টৰ কুমাৰৰ সহযোগত অতীৱ নিষ্ঠাৰে সি ভিদিঅ' ফিল্মখনৰ ভৱিষ্যতৰ স্কিমটো তৈয়াৰ কৰি পেলালে।

আৰু তাতোকৈ অধিক নিষ্ঠা আৰু ঐকান্তিকতাৰে চিফ কেমেৰা-ডাইৰেক্টৰ মিণ্টাৰ যাদৱৰ সহায়ত ভিদিঅ' ফিল্মখন শেষো কৰি পেলালে।

"হাঁ—উই আৰ নাও এক্টিং ফৰ এ ৰিয়েল লাইফ ষ্টৰি। ডক্টৰ কল্যাণ চৌধুৰীৰ এই ছাইন্স ফিকচন ষ্টৰিটো কিন্তু সঁচা হ'ব দুদিনমান পাছতহে!" বিশালাক্ষী চলিহাই তেওঁৰ স্বভাৱ সুলভ সাৱলীলতাৰে ভিদিঅ' ফিল্মৰ শেষ শ্বটটো লোৱাৰ আগতে কৈ নিজেই খুব হাঁহিছিল।

সিদিনা জানো কল্যাণে জানিছিল যে তাৰ বাৰ চাৰ্ট, পাৰ্ট নেটৱাৰ্ক সকলোৰে দেওনা পাৰ হৈ প্ৰজেক্ট লুছিফেৰিন সঁচাই এদিন সফল হ'ব—ঠিক তাৰ ভিদিঅ' ফিল্মখনত লিখা একপ্ৰকাৰ ছাইন্স ফিকচন ষ্টৰিটোৰ দৰেই?

তাৰ পাছৰ ঘটনাবোৰো বৰ খেলিমেলিকৈ ঘটিছিল। কল্যাণক আচৰিত কৰি দি মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত প্ৰথম বাৰৰ বাবে তাৰ আৰু বিদ্যুৎ চক্ৰবৰ্তীৰ প্ৰমোচন এছেছমেণ্টৰ ইণ্টাৰভিউ এমাহ পিছুৱাই দিয়া হৈছিল—গেটকিপাৰছ অব ছাইন্সৰ চেয়াৰমেন ডক্টৰ বৰুণদেৱৰ ব্যস্ততাৰ বাবে।

"ভিতৰুৱা খবৰবোৰ আপোনালোকে পিছে নাপায়েই, ছাৰ," নিভাৰ বন্ধু অৰ্গেনিক কেমিষ্ট্ৰিৰ ৰিছাৰ্চ ফেলো প্ৰতুল ভূঞাই তাক সংগোপনে কৈছিল। "আচলতে প্ৰছেছ ট্ৰেন্সফাৰৰ বৃহৎ ৰঙীন ডকুমেণ্ট এখন হাই-টেক গ্ৰাফিকছ নামৰ প্ৰেছটোত ছপা হৈ আছে। সেইখন ওলাই নহালৈকে বিদ্যুৎ চক্ৰবৰ্তীৰ ইণ্টাৰভিউ হয় কেনেকৈ?"

অনু বাইদেউ, প্ৰতুল ভূঞা, পৱন ভাৰ্গভ সকলোৱে সংগোপনে তাক বাৰু কি নীতিশিক্ষা, কি ভৱিষ্যৎবাণী দিব খুজিছে। পৱন

ভাৰ্গৱে কোনোবা মেনেজমেণ্ট আলোচনীৰপৰা উদ্ধৃতি দি কৈছিল, "এও, আমাৰ ডাইৰেক্টৰ চাহাবে খাটি মেনেজাৰৰ দৰে নীতিবচন মানি চলে।"

"কেনে নীতি বচন?" কল্যাণে পাতলাই দিবলৈয়ে হাঁহি মাৰি সুধিছিল।

"প্ৰথমতে অতীব আগ্ৰহেৰে আৰম্ভ কৰে, তাৰ পাছত তেওঁৰ মোহভংগ হয়, তেতিয়া হতাশ হয়, হতাশ হৈ দোষী বিচাৰি ফুৰে, তাৰ পাছত নিৰ্দোষজনক শাস্তি দিয়ে, আৰু শেষত কোনো কামতে অংশ গ্ৰহণ নকৰা জনক প্ৰশংসাও কৰে পুৰস্কাৰো দিয়ে।"

*

ইতিমধ্যে স্মিতাই ত্ৰিবান্দ্ৰমলৈ যাত্ৰা কৰিছিল। কল্যাণৰ ইণ্টাৰভিউ তাইৰ অনুপস্থিতিৰ মাজতে পৰি যাব বাবে তাই এটা সময়ত কোর্চটো বাদ দিয়াৰ কথাই তুলিছিল। কিন্তু কল্যাণে জানিছিল যে গৰ্ভপাতৰ সেই ঘটনাটোৰ পাছত স্মিতা আজিকালি অকাৰণতে হতাশ হৈ পৰে। তাইৰ মনটো টঙাই ল'বলৈ এনে এটা চেঞ্জৰ প্ৰয়োজন। সি একপ্ৰকাৰ জোৰ কৰিয়েই তাইক পঠাই দিলে।

প্ৰতিদিনে সন্ধিয়া একোবাৰ ফোন কৰিবলৈ তাই দঢ়াই দঢ়াই কৈ গ'ল।

প্ৰজেক্ট লুছিফেৰিনৰ শেষ শ্বটবোৰ লোৱাৰ দিনা ৰাতি এঘাৰ বজালৈকে আউটডোৰ শ্বুটিং ল'ব লগা হৈছিল। তাৰ পাছত পৰন ভাৰ্গৱে অনু বাইদেউক ঘৰত থৈ আহিবলৈ, গাত লৈছিল, ৰত্নাক কল্যাণে নিজে। কল্যাণৰ ই. কোলাইৰ পোহৰেৰে উদ্ভাসিত এ. ছি. কাৰখনেৰে ৰত্না সিন্‌হাক তাইৰ ইণ্টেলিজেণ্ট

হাউছটোৰ দুৱাৰমুখলৈ আনি নমাবৰ সময়ত ৰত্নাই যেন অলপ বেছি পলম কৰিছিল।

একো কথা নথকাত কল্যাণে এনেয়ে কৈছিল, "প্ৰজেক্ট লুছিফেৰিনতো আৰু ভিদিঅ' ফিল্মতো আপুনি বহুত কষ্ট কৰিছে মিছেছ ৰত্না। আপোনাৰ সহায়ৰ কথা মনত থাকিব।"

"সহায়ৰ উত্তৰ সহায়েৰেহে দিব লাগে, ডক্টৰ চৌধুৰী," হঠাতে কথাষাৰ কৈ তাৰ পাছত কি ক'ব তাই যেন বিচাৰি পোৱা নাছিল। তাৰ পাছত, বৰ কষ্ট কৰি জুকিয়াই লোৱাৰ দৰে তাই কৈছিল, "আপোনাৰপৰা এটা সৰু সহায় বিচাৰি যাম—আপোনাৰ বাবে সৰু, আমাৰ বাবে বৰ ডাঙৰ, বৰ মহান। কওক আপুনি আমাৰ অনুৰোধ ৰাখিব?"

সেই অনুৰোধ লৈ দুদিন পাছত এদিন সন্ধিয়া ৰত্না কল্যাণৰ ইণ্টেলিজেণ্ট হাউছত ওলাইছিলগৈ। ঘৰুৱা সাজটোৰে তাইক বৰ ঘৰুৱা, বৰ সহজ লাগিছিল। সোণালী ৰঙৰ দুকাপ লেমন টি কল্যাণৰ ইণ্টেলিজেণ্ট হাউছৰ পাকঘৰত তায়ে কৰি আনিছিল। বহুপৰ ইটো সিটো সৌজন্যসূচক কথা পতাৰ পাছত এবাৰ পুলক সিন্‌হাৰ কথা ওলোৱাৰ লগে লগে তাই একেবাৰে জাপ মৰাদি আচল কথাটোলৈ আহিছিল।

"বিয়াৰ পাছৰেপৰা ক্ৰমে ক্ৰমে পুলকৰ আচৰণৰ পৰিৱৰ্তন—বেডৰুম বিহেভিয়াৰৰ পৰিৱৰ্তন—মই লক্ষ্য কৰি আহিছিলোঁ। কিন্তু তেতিয়া আমি জনা নাছিলোঁ যে স্পাইৰেনাথিছ, ভান-ডা আদি অৰ্কিডৰ সেই প্ৰাণৱন্ত সুবাসে পুলকক এনে নিৰ্বিকাৰ, এনে অনাসক্ত কৰি তুলিব।"

তাৰ পাছত অৰ্কিডৰ ফ্লেভাৰৰ নান এফেক্টৰ কথাকৈ ৰত্নাই

সামৰণি মৰাদি ক'লে, "বছৰৰ পাছত বছৰ কনছেনট্ৰেটেড অৰ্কিড এক্সট্ৰেক্ট নাকেৰে ভিতৰলৈ গৈ ব্ৰেইনত প্ৰভাৱ পেলাইছিলেই। শেষত ই. কোলাইৰ ফিউচন এক্সপেৰিমেণ্টবোৰ কৰাৰ সময়ত সি একেবাৰে পুলকৰ পিটুইটেৰিত ক্ৰিয়া কৰিলে। তাৰ ফলতে তেওঁৰ 'এই দিশ'ৰ সকলো স্পৃহা সকলো আকৰ্ষণ কমি গ'ল। তেওঁ আৰু কেতিয়াও উৰ্বৰতা আৰু স্পৃহা ঘূৰাই নাপায়, ডক্টৰ!"

পৰিৱেশটো বৰ থমথমীয়া হৈ পৰিছিল। এনে এক স্বগতোক্তিৰ পাছত কি ক'ব লাগে কল্যাণে বুজি পোৱা নাছিল। এনেতে এক মৃদু উচুপনিৰ সুৰে কল্যাণক জোকাৰি দিলে।

"কিন্তু, কিন্তু, মই মাক হ'ব খোজোঁ, ডক্টৰ চৌধুৰী। আৰু মই ছাইন্স ছিটিৰ এই কৃত্ৰিম জীৱনৰ মাজতো এই এটা ক্ষেত্ৰত স্বাভাৱিক হ'ব খোজোঁ, প্ৰাকৃতিক হ'ব খোজোঁ।" উচুপনিটো চেপি ধৰি তাই ক'লে, "ডক্টৰ চৌধুৰী, পাৰিব আপুনি মোক সহায় কৰিব?"

কোনো কোনো ক্ষণৰ স্বাভাৱিক আবেদনত ক'ত উৰি যায় মানুহৰ সকলো সঞ্চিত প্ৰমূল্য? কল্যাণে মাথোন এই কথাটোকে ৰত্না সিন্‌হা সিদিনা কৃতজ্ঞ আৰু কৃতাৰ্থ হৈ ওলাই যোৱাৰ পাছত ভাৱিছিল। কিন্তু ৰত্নাৰ সেই স্বগতোক্তিৰ পাছত সেই সনিৰ্বন্ধ অনুৰোধৰ পাছত সিতো মাথোন এটা প্ৰশ্নহে সুধিছিল—"কিন্তু পুলকে?"

ৰত্নাই উত্তৰ দিয়া নাছিল। কিন্তু তাই সম্মুখৰ ছোফাৰপৰা উঠি আহি কল্যাণৰ কাষতে বহিছিল। তাৰ পাছত বেগৰপৰা সৰু স্লিপ এখন উলিয়াই তাই কল্যাণৰ হাতত থৈছিল। ডক্টৰ পুলক সিন্‌হাৰ খৰকৈ লিখা চিঠিঃ ডক্টৰ চৌধুৰী, ৰত্নাই বায়োৰিদম থাৰ্মোমিটাৰেৰে বোডি টেম্পাৰেচাৰ ৰেকৰ্ড কৰি একেবাৰে উপযুক্ত দিনতে আপোনাৰ ওচৰ চাপিছে। আশাকৰোঁ,

তেওঁক সহায় কৰি আমাক কৃতাৰ্থ কৰিব।'

*

মুখৰপৰা পাইপৰ ধোঁৱা কুণ্ডলী কৰি এৰি দি খেৰখেৰীয়া মাতটোৰে প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই বিদ্যুৎ চক্ৰবৰ্তীক ক'লে,—"ছুইছটো টিপকচোন, চক্ৰবৰ্তী চাহাব। নিউজটোৰ গেট আপটোৱেই বৰ ইম্প্ৰেছিভ হৈছে।"

বাধ্য ছাত্ৰৰ দৰে অলপ হাউলি গৈ দুটামান কি স্পৰ্শ কৰি বিদ্যুৎ চক্ৰবৰ্তীয়ে 'ইভিনিং ভিউ ডেটা' নামৰ ইলেকট্ৰনিক বাতৰি-কাকতখনৰ সিদিনাৰ সংস্কৰণৰ প্ৰথম পৃষ্ঠাটো উলিয়ালে।

"ব্ৰাইড স্ক্ৰিনত দিম নেকি, ছাৰ ?"

"দিয়ক।" আত্ম সন্তুষ্টিৰে প্ৰতাপ ভট্টই ক'লে। "এতিয়া এবাৰ পঢ়কচোন। আপোনাৰ পৰিষ্কাৰ কণ্ঠতেই শুনো।"

বিদ্যুৎ চক্ৰবৰ্তীয়ে স্পষ্টকৈ, যথেষ্ট জোৰ দি বাতৰিটো পঢ়িলে। 'মন্দাকিনীৰ ভিদিঅ' ফিল্ম সম্পৰ্কে' লিখা এই বাতৰিটোত প্ৰথম বাৰৰ বাবে এটা শেষ নোহোৱা প্ৰজেক্টৰ ভিদিঅ' ফিল্ম কৰাৰ কথা, বিজ্ঞানীক অভিনেতা হিচাবে ব্যৱহাৰ কৰাব কথা, মিষ্টাৰ যাদৱ নামৰ এজনৰ প্ৰতি অহৈতুক প্ৰীতিৰ কথা, আনকি ভিদিঅ' ফিল্ম-খনৰ লগত প্ৰত্যক্ষভাৱে জড়িত জেষ্ঠ বিষয়াজনৰ চৰিত্ৰ সম্বন্ধে হেলনীয়া মন্তব্য আদি নানা অপবাদ ৰটনা আৰু চৰিত্ৰহননৰ প্ৰচেষ্টা পোনপটীয়াকৈ ওলাইছিল।

"ৰিপোৰ্টাৰটো কোন ? সেই ইকবাল বৰুৱা নে কি—বৰ কথা কয় যে, সেইটো নেকি ?"

বিদ্যুৎ চক্ৰবৰ্তীয়ে মূৰ দুপিয়ালে।

"কিমান দিব লগা হ'ল ?"

বিদ্যুৎ চক্ৰবৰ্তীৰ চকুত এটা দুষ্ট হাঁহি খেলি গ'ল। তাৰ পাছত

তেওঁ গোপন কথা এটা কোৱাৰ দৰে প্ৰতাপ ভট্টৰ ওচৰলৈ হাউলি গৈ ক'লে, "বৰ বেছি একো নহয়, এটা পাৰ্ছনেল ডিনাৰ আৰু—"

এক পৰম ৰহস্যৰ হাঁহিৰে আধা কোৱাকৈ বিদ্যুৎ চক্ৰৱৰ্তী ৰৈ যোৱা দেখি প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্যই সুধিলে,—"আৰু ?"

বিদ্যুৎ চক্ৰবৰ্তীয়ে তেওঁৰ কথাৰ গোপনীয়তাখিনিক এটা স্বীকৃতি দিবলৈয়ে আন কোনো নোহোৱা কোঠাটোতে এবাৰ ইফালে-সিফালে চকু ঘূৰালে—তাৰ পাছত সংগোপনে ক'লে, "আৰু কৃষ্ণা চোপ্ৰা ! হোটেল প্ৰমেনেডত এটা সুৱদি সন্ধিয়া।" এই বুলি তেওঁ সোঁ চকুটো সামান্য টিপিয়ালে।

অঁনু বাইদেউৰ আশীৰ্বাদ, পৱন ভাৰ্গভৰ সদিচ্ছা আৰু ৰত্না সিন্হাৰ গভীৰ বাঙ্ময় দৃষ্টি আৰু স্মিতাৰ শুভ প্ৰাৰ্থনাই গঢ়া এক সাত্বিক অন্তৰ লৈ কল্যাণ যেতিয়া তলৰ গায়ত্ৰী কনফাৰেন্স ৰুমত তাৰ প্ৰমোচন ইণ্টাৰভিউ দিবলৈ সোমাল তেতিয়া গেট কিপাৰ্ছ অব ছাইন্সৰ চেয়াৰমেন ডক্টৰ বৰুণদেৱক আন এগৰাকী গেটকিপাৰ ডক্টৰ মিছ সৰস্বতীয়ে কিবা এটা বুজাবলৈ যত্ন কৰিছে ঃ "মানি ল'লোঁ। কিন্তু গোটেই কথাটোৱেই কাৰোবাৰ ঈৰ্ষা, কাৰোবাৰ আক্ৰোশৰ ঘটনা হ'ব পাৰে। আজিকাল কিছুমান ৰিপোৰ্টাৰকে একোটা দামত কিনি পেলাব পাৰি।"

চেয়াৰমেন ডক্টৰ বৰুণদেৱে অবিশ্বাসৰ ভংগীত মূৰ লৰালে।

কল্যাণৰ ইণ্টাৰভিউ দহ মিনিটো নচলিল। সি লুছিফেৰিন প্ৰজেক্টৰ বিৱৰণ দিব খোজোঁতে ডক্টৰ বৰুণদেৱে মাথোঁ ক'লে, "সেইটো আমি অলৰেদি ডিছকাছ কৰিছোঁ। ইউ কেন ছি দিছ বিউটিফুল ডকুমেণ্ট।" এই বুলি তেওঁ অলপ আগতে বিদ্যুৎ চক্ৰৱৰ্তীয়ে ইণ্টাৰভিউ দি যাওঁতে দিয়া বৃহৎ ৰঙীন ডকুমেণ্টখন কল্যাণৰ ফালে ঠেলা মাৰি দিলে।

প্ৰমোচন ইণ্টাৰভিউৰ ৰিজাল্ট দিওঁতে যথেষ্ট পলম কৰা হ'ল।

"তোমাৰ ৰিজাল্ট যে কি হ'ব ভগবানেহে জানে।"—কেনেবাকৈ তাৰ প্ৰতি মৰম সোমাই যোৱা গেটকিপাৰৰ প্ৰবীণ সদস্যা মিছ সৰস্বতীয়ে তালৈ এখন গোপন চিঠি লিখিছিল, "আমি অহাৰ পাছত গেষ্টহাউছত ডক্টৰ বৰুণদেৱ আৰু তোমাৰ ডাইৰেক্টৰে সকলো কৰিছে।"

তাৰ পাছত নানা কথা লিখি প্ৰজেক্ট লুছিফেৰিনৰ সাফল্যৰ বাবে তাক অভিনন্দন জনাই কল্যাণলৈ এটা আচৰিত প্ৰস্তাৱ আগ-বঢ়াই তেওঁ লিখিছিল, "কিন্তু তুমি কিবা এটা ডিছিছন নোলোৱা পৰ্য্যন্ত এই অ'ফাৰৰ কথা একেবাৰে তোমাৰ আৰু মোৰ মাজতে থাকিব লাগিব।"

*

ইতিমধ্যে মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ প্ৰধান ৰাস্তাবোৰত বিশালাক্ষী চলিহাৰ তত্ত্বাৱধানত ষ্ট্ৰাইপ্‌ড ষ্টিট-স্ক্ৰিন্‌ড গ্ৰিড টেকনিকেৰে এছফাল্ট লগোৱা হ'ল। তাত বিনায়ক দেৱ এছফাল্টক অৰ্ধস্বচ্ছ কৰা এডিটিভ যোগ দিয়া হ'ল। ৰত্না আৰু পুলক সিন্‌-হাই প্ৰস্তুত কৰা অৰ্কিড ফ্লেভাৰড নিউট্ৰিয়েণ্টত অনু বাইদেউৰ লুছিফেৰেজ ছিক্ৰেটিং ইছছেৰিচিয়া কোলাই বেক্টেৰিয়া মিহলাই দিয়া হ'ল। ইফালে ডক্টৰ পৱন ভাৰ্গভে কুইনৰ লগত নিজে থাকি তাত ব্ৰাছ স্প্ৰে টেকনিকেৰে লুছিফেৰিন স্প্ৰে কৰি আৰু কেডমিয়াম বোৰেট-কেডমিয়াম ছালফেট ক্ৰিষ্টেল ব্ৰাছ কৰি দিলে।

গোটেই দিনটো কিবা এক আশংকাত কল্যাণৰ বুকু টিপটিপ কৰি থাকিল। সিদিনা জাৰকালিৰ মিঠা ৰ'দৰ একাংশ গৈ কেমিকেল ফছফৰবোৰ এক্টিভেট কৰিলে। কিন্তু এডিটিভবোৰে এছফাল্ট

কিছু অস্বচ্ছ কৰি দিয়াত ৰ'দত আটাইবোৰ ই. কোলাই নমাৰিলো।

সিদিনা সন্ধিয়া ষ্ট্ৰিট লাইট জ্বলোৱা নহ'ল! কল্যাণৰ অনুৰোধত হৰ্ষ খান্নাই ৰচনা কৰা এটা আবেগ মধুৰ সংগীতৰ মূৰ্চ্ছনাৰ মাজত ই. কোলাই আৰু কেমিকেল ফছফৰবোৰে ৰাস্তাৰ বুকুৰপৰা যুটীয়া প্ৰচেষ্টাৰে এক শান্ত-শীতল মৃদু জোনাকৰ দৰে পোহৰ দিবলৈ আৰম্ভ কৰিলে।

অনু বাইদেউৰ খোজত চাঞ্চল্য নাছিল। কিন্তু এক তৃপ্তিৰ অভিব্যক্তিয়ে যেন তেওঁৰ মুখখন চুই গৈছিল। এবাৰ তেওঁ পৰন ভাৰ্গভলৈও চাই হাঁহি মৰা যেন কল্যাণে দেখিলে। কিন্তু ভাৰ্গভে মন নকৰাত অনু বাইদেৱে হাঁহিটো আধাতে সামৰি থ'লে। সিদিনা ৰাতি বহু পলমকৈ ই. কোলায়ে পোহৰোৱা ৰাস্তাৰে গাড়ী চলাই স্মিতা আৰু কল্যাণে লাটু আৰু অনু বাইদেউক ঘৰত থৈ আহিল। কল্যাণে লাটুক পুতুল খুৰাৰ অমিতাৰ ঠাৰিত জোনাকী পৰুৱা ভৰাই সজা টৰ্চ লাইটৰ গল্পটো আকৌ এবাৰ ক'লে।

*

এক সফল পৰিসমাপ্তিৰ তৃপ্তিত কল্যাণ বহু ৰাতিলৈ উজাগৰে থাকিল। পিছদিনা আগবেলা সি ছুটী ল'লে। পিছবেলা সি তাৰ অফিছ কোঠাত বহাৰ অলপ পাছতে স্মিতা তলৰপৰা উধাতু খাই লৰি আহিল।

"তুমি শুনা নাই ?" তাইৰ মাতত স্পষ্ট আতংক।

তাৰ পাছত অতি হতাশাৰে তাৰ সন্মুখৰ চকীখনত ভাঙি পৰাদি পৰি স্মিতাই ক'লে "ডক্টৰ পৰন ভাৰ্গভে বিয়া কৰালে। কুইনৈক !"

এজন ভাল মেনেজাৰৰ দৰে কল্যাণে পৰিস্থিতিটো চম্ভালি

ল'বলৈ যত্ন কৰিলে। তাৰ পাছত অভিনন্দন জনাওঁ বুলিয়ে পৰন ভাৰ্গভলৈ ভিদিঅকম দাঙিলে।

"মই আপোনাৰ ফোন আশা কৰি আছিলোঁৱেই, ডক্টৰ চৌধুৰী।" পৰন ভাৰ্গভে বৰ গম্ভীৰ সুৰত ক'লে। তেওঁ বাৰু ভাঙি পৰিছে নেকি? যে তেওঁ লজ্জিত?

তাৰ পাছত খুউব চমুকৈ, কাকো দোষাৰোপ নকৰাকৈ পৰন ভাৰ্গভে সাধু কোৱাদি কথাখিনি ক'লে। কৃষ্ণা চোপ্রাৰপৰা কুইন ভট্টাচাৰ্য্যই অনা কঠালচম্পা ফুল আৰু অৰ্কিডৰ কনছেনট্ৰেট-টোৱে তেওঁক নিয়ন্ত্রণৰ বাহিৰ কৰি লৈ গ'ল। কিন্তু, এবাৰ এটা ভুল কৰি তেওঁ কাপুৰুষৰ দৰে আচৰণ নকৰিলে। পৰিস্থিতিৰ ওচৰত তেওঁ আত্মসমৰ্পণ কৰিলে। তেওঁ কুইনক বিয়া কৰালে।

"ক'ব নোৱাৰাকৈয়ে মই প্রতাপ নাৰায়ণ ভট্টাচাৰ্য্যৰ জালত পৰি গ'লোঁ। কিন্তু, মই পলাব নুখুজিলোঁ। মই পুৰণি পুথিৰ বীৰৰ দৰে আত্মসমৰ্পণৰ সিদ্ধান্ত ল'লোঁ।" তাৰ পাছত অন্তস্রাবী ক্রন্দনৰ সুৰত তেওঁ ক'লে, "আশাকৰোঁ আপোনালোকে—আৰু বিশেষকৈ—বিশেষকৈ অনুৱে মোক ক্ষমা কৰিব পাৰিব।"

অনু বাইদেউ যেন সামান্য পৰিমাণেও বিচলিত হোৱা নাছিল। সিদিনা সন্ধিয়া অতি হতাশ আৰু দ্বিধাগ্রস্ত কল্যাণে খুব লাহে লাহে গাড়ী চলাই গৈ যেতিয়া অনু বাইদেউৰ ঘৰ পাইছিল, তেতিয়া সি আশা কৰা নাছিল যে অনু বাইদেউ ইমান শান্ত, ইমান সমাহিত হৈ থাকিব। ভিতৰত ক'ৰবাত লাটুৱে প্ৰুনীয়াকৈ সংস্কৃত শ্লোক এটা গাই আছিল ঃ

'দুঃখেষ্বনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহঃ।
ৰীতৰাগভয়ক্রোধঃ স্থিতধীৰ্মুনিৰুচ্যতে ॥'

লাটুৱে সংস্কৃত শ্লোকবোৰ তাৰ শিশুসুলভ দৰদ ঢালি গায়। সি প্ৰায়েই নতুন নতুন শ্লোক মাকৰ পৰা শিকি লৈ সন্ধিয়া পৰত তাৰ কম্পিউটাৰ টিচাৰৰ কাষত বহাৰ আগতে ধুনীয়াকৈ গায়।

লাটুৰ মুখত সেই নতুন শ্লোকটো এমাহ মান আগতে এদিন সন্ধিয়া, তাৰ প্ৰমোচন ইণ্টাৰভিউৰ আগদিনা, অনু বাইদেউৰ আশীৰ্বাদ ল'বলৈ অহাৰ সময়ত কল্যাণে শুনিছিল।

দুবাৰ-তিনিবাৰ মান লাটুক আওঁৰাবলৈ দি শুনাৰ পাছত কল্যাণৰ শ্লোকটো কিছু বুজা বুজা যেন লাগি গৈছিল।

"দুখত যেয়ে নিৰুদ্বিগ্ন হৈ থাকিব পাৰে," সংস্কৃতৰ শিক্ষকে বুজোৱা দি বায়োকেমিষ্ট অনু বাইদেৱে কতৃ‍ৰ্ত্বৰে কৈছিল, "আৰু বিবিধ সুখৰ প্ৰতি যাৰ স্পৃহা নাই, যাৰ ৰাগ বা আসক্তি নাই, ভয় নাই, ক্ৰোধ নাই, তেনেজন জ্ঞানী লোকক স্থিতপ্ৰজ্ঞ বোলে।"

কল্যাণৰ এনে লাগিল যেন আজিৰ এই দিনটোৰ বাবে—এনে এটা উপযুক্ত মুহূৰ্তৰ অপেক্ষাতে অনু বাইদেৱে লাটুক এনে এটা শ্লোকৰ তালিম দি থৈছিল।

"অনু বাইদেউ!"—যেন অনু বাইদেউক নহয়, কল্যাণকহে এটা আশ্ৰয় লাগে তেনে এক অসহায় সুৰত কল্যাণে উচ্চাৰণ কৰিলে।

"তোমাক ইমান শুকান শুকান, ক্ষীণ ক্ষীণ দেখিছোঁ, কল্যাণ। বহাঁ। চাহ একাপতো খাবাই নিশ্চয়।"

কল্যাণৰ ভিতৰৰ ক'ৰবাৰ পৰা যেন এটা উচুপনি—এটা হিয়াভগা কান্দোন ওলাই আহিব খুজিছে। তাৰ পুৰুষসুলভ, নিতান্তই মেনেজাৰসুলভ মনোবৃত্তিৰ বাবে সেই আবেগ ওলাই আহিব নোৱাৰি তাৰ গাৰ প্ৰতিডাল নোমকে যেন সিঁয়ৰাই দিছে।

মজিয়াৰ ফালে হাউলি গৈ অনু বাইদেউৰ ভৰি দুখনত সাবোট মাৰি ধৰি কল্যাণে কঁপি কঁপি ফেঁকুৰিবলৈ ধৰিলে।

*

'ইভিনিং ভিউ ডেটা' নামৰ ইলেকট্ৰনিক বাতৰিকাকত খনত 'মন্দাকিনীৰ ভিদিঅ' ফিল্ম সম্পৰ্কে" নামৰ কল্যাণৰ প্ৰতি আক্ৰোশমূলক বাতৰিটো মুখৰোচকভাৱে পৰিৱেশন কৰাৰ পাছতে কল্যাণে তাৰ চমু, পইণ্ট-বাই-পইণ্ট উত্তৰ দিছিল। 'ভিউ ডেটা'ৰ দৰে বহুমূলীয়া বাতৰিকাকত এখনে তাৰ মূল্যবান স্থানত প্ৰজেক্ট লুছিফেৰিনৰ কথা প্ৰকাশ কৰা বাবে আৰু বিশেষকৈ তাৰ বেছিভাগ তথ্যই শুদ্ধ হোৱা বাবে কল্যাণে সম্পাদক আৰু প্ৰতিবেদকক ধন্যবাদো জনাইছিল, কিন্তু, সি উকীলৰ নোটিছ নিদিয়া পৰ্যন্ত তাৰ প্ৰতিবাদ টোকা প্ৰকাশ ন'হল।

কেতিয়াবা কেতিয়াবা আমাক আচৰিত কৰি দিবৰ বাবেই হয়তো জীৱনৰ ঘটনাবোৰ বৰ একে সময়তে ঘটি যায়। কল্যাণৰ প্ৰজেক্ট লুছিফেৰিনৰ সাফল্যৰ বাতৰি যিদিনা বৰ বৰ ব্লক মেট্ৰিক্স আখৰেৰে 'ভিউ ডেটা'ৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ হ'ল, সিদিনাহে ভিতৰৰ এটা চকুত নপৰা চুকত কল্যাণৰ প্ৰতিবাদ টোকাটো উঠিল। তাৰ তলতে আঠ পইণ্টৰ আখৰত প্ৰতিবেদকে দিয়া ক্ষমা প্ৰাৰ্থনাৰ টোকা এটাও উঠিল।

সেই সংখ্যা 'ভিউ ডেটা'ৰে শেষ পৃষ্ঠাত 'মীমাংসাকাৰী অৱস্থান' বুলি এটা অস্পষ্ট, আৰু গোপনে, বৰ যত্নেৰে তোলা ফটো প্ৰকাশ পালে—তাত কাৰো নাম নাছিল। কিন্তু বৰ্ণনাৰ পৰা মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰ আৰু তাৰ লগত জড়িত কাৰো বুজিবলৈ বাকী নাথাকিল যে সেয়া প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য আৰু অলকা চক্ৰৱৰ্তীৰ নিবিড় মুহূৰ্তৰ ফটো।

তাৰ দুদিন পাছত কল্যাণ, বিদ্যুৎ চক্ৰবৰ্তীৰ প্ৰমোচন ইণ্টাৰ-ভিউৰ ৰিজাল্ট ওলাল। ঠিক কল্যাণৰ ৰিজাল্ট বুলিব নোৱাৰি। কল্যাণৰ ভিদিঅ' মেছেঞ্জাৰত এটা পাৰ্ছনেল মেমোহে ওলাল—

বিদ্যুৎ চক্রবৰ্তীৰ অলপতে ডেপুটি ডাইৰেক্টৰ পোষ্টলৈ হোৱা প্ৰমোচন সাপেক্ষে ছাইন্স এডমিনিষ্ট্ৰেচন আৰু প্ৰছেছ ট্ৰেন্সফাৰ ডিভিজন দুটা লগ লগোৱা হৈছে। ডাইৰেক্টৰ ইজ প্লিজড টু এপইণ্ট মিষ্টাৰ বিদ্যুৎ চক্ৰবৰ্তী এজ দি হেড অব দি কম্বাইনড ডিভিজন।

তাৰ পাছতে চুটি এটা শাৰী—ডক্টৰ কল্যাণ চৌধুৰীয়ে মিষ্টাৰ চক্ৰবৰ্তীৰ ওচৰত ৰিপোৰ্ট কৰিব।

তাৰ লগত কোনো সম্পৰ্ক নথকা বাৰ্তা এটা পঢ়াৰ দৰে নিৰ্বিকাৰভাৱে কল্যাণে পাছৰ্নেল মেমোখন পঢ়িলে। তাৰ পাছত গুণগুণকৈ কিবা এটা গাই সি নিভাক মাতিলে। বেণী দুডাল পিছলৈ উছাৎ মাৰি নিভা সোমাই অহাত সি মেছেজটোৰ এটা হাৰ্ড কপি ল'বলৈ ক'লে।

"ছাৰ!" নিভা যেন এটা বীভৎস সপোন দেখি সাৰ পাই উঠিছে।

কল্যাণে হাঁহি এটা মাৰিলে। তাৰ পাছত সি নিভালৈ ইংগিত এটা কৰাত তাই কোনোমতে নিজকে চম্ভালি ডিক্টেচন ল'বলৈ সাজু হ'ল।

অতি সাধাৰণ গতানুগতিক চিঠি এখন ডিক্টেচন দিয়াৰ সুৰত কল্যাণে এশাৰী মাথোঁ ডিক্টেচন দিলে: "আই ৰিজাইন দি পোষ্ট অব এছিষ্টেণ্ট ডাইৰেক্টৰ এণ্ড হেড অব ছাইন্স এডমিনিষ্ট্ৰেচন।"

তাৰ কাম-কাজ চম্ভালি ল'বৰ বাবে সি মাথোন এটা দিন হাতত ৰাখিলে।

ডিক্টেচন লিখাৰ মাজতে নিভাৰ চকু চলচলীয়া হৈ উঠিল। এটা সময়ত তাই তাইৰ বুকু কঁপাই উঠি অহা উচুপনিটো চেপি ৰাখিবলৈ চেষ্টা কৰি তলৰ ওঁঠটো কামুৰি ধৰি লৰ মৰাদি বাহিৰ ওলাই গ'ল।

*

সেইৰাতি কল্যাণৰ ইণ্টেলিজেন্ট হাউছত অনু বাইদেউ, স্মিতা আৰু কল্যাণ কোনোৱে আৰু নুশুলে। লিভিং ৰুমৰ ছোফাতে এটা সময়ত লাটুৰ টোপনি আহিল।

পিছদিনা ৰাতিপুৱা অন্য দহোটা সাধাৰণ দিনৰ দৰেই মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ অন্য এটা দিনৰ আৰম্ভণিৰ বাদ্য-বৃন্দৰ সুৰ চৰম সীমা পাই বৈ গ'ল।

দহ ছেকেণ্ড মানৰ বাঙময় নীৰৱতাৰ পাছত ৰিছিপছনিষ্ট স্মিতা চৌধুৰীৰ দৰদভৰা কণ্ঠ শুনা গ'লঃ "আজি এই পৰম সম্ভাৱনাময় পৱিত্ৰ পুৱা" শব্দবোৰে যেন এক গভীৰ পৰিৱেশৰ সৃষ্টি কৰি তৰংগ তৰংগ হৈ গোটেই বিজ্ঞানাগাৰটোকেই আৱৰি ধৰিলে—"মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰৰ সঞ্চালক প্ৰফেছৰ মজুমদাৰ আৰু ব্যৱস্থাপক মণ্ডলীৰ তৰফৰপৰা মই স্মিতা চৌধুৰীয়ে বিজ্ঞানাগাৰটোৰ সমূহবিজ্ঞানী আৰু কৰ্মচাৰীকে স্বাগত সম্ভাষণ জনাইছোঁ। অতীত আৰু বৰ্তমানৰ সকলো দাৰ্শনিক আৰু বিজ্ঞানীৰ প্ৰতি আমাৰ শ্ৰদ্ধা নিবেদন কৰি আজিৰ দৰে কৰ্মময়-প্ৰাণোচ্ছল দিন এটা আমি মানৱজাতিৰ হিতৰ বাবে উৎসৰ্গা কৰিলোঁ।"

পৰিৱেশটো যেন কোনো যজ্ঞৰ মংগল মন্ত্ৰেৰে সম্পৃক্ত হৈ পৰিল। কল্যাণৰ সি সেই প্ৰথম মন্দাকিনীলৈ অহা দিনটোৰ কথা মনত পৰিল।

সকলোকে বহিবলৈ বা কামত লাগিবলৈ কোৱাৰ পাছত স্মিতাই দিনটোৰ কাৰ্য্যসূচী ঘোষণা কৰিলেঃ "আজিৰ দিনটোৰ কাৰ্য্য-সূচীত আছে," তাই পঢ়ি গ'ল, "দহ বজাত ওপৰৰ সুমনলতা কনফাৰেন্স ৰুমত বক্তা আৰু পুলক সিন্হাৰ প্লেন্ট-

এনিমেল ছেল ফিউচনৰ এটা প্ৰিলিমিনাৰি প্ৰেজেণ্টেচন, দুই বজাত তলৰ গায়ত্ৰী কনফাৰেন্স ৰুমত অনু অধিকাৰীলৈ অহা জাৰ্মানিৰ কুৰ্ট ৰিকাৰ্ট ফেলোশ্বিপৰ ছাইটেচন প্ৰেজেণ্টেচন আৰু চাৰি বজাত” স্মিতাই মাইকৰ ফিদাৰডাষ্ট নমাই ডিঙিটো পৰিষ্কাৰ কৰি আৰু নিজকে চম্ভালি লৈ গলগলীয়া মাতেৰে ক'লে “চাৰি বজাত জ্ঞানচান্দ অডিটৰিয়ামত ডক্টৰ কল্যাণ চৌধুৰী আৰু স্মিতা চৌধুৰীৰ বিদায় সভা ।”

*

শেষৰ ঘোষণাটোৱে মন্দাকিনী স্মৃতি বিজ্ঞানাগাৰত যেন এটা মৃদু ভূঁইকঁপৰহে জোকাৰণি তুলিলে। কল্যাণলৈ ভিদিঅ'-কম পাছ কৰি কৰি নিভা ক্লান্ত হৈ পৰিল। একেবোব কথাকে বেছ ধৈৰ্য্য ধৰি কল্যাণে কৈ গ'ল। তাৰ কোনো ক্ষোভ, কোনো অভিযোগ নাই। সি জানিছিল এদিনতো মন্দাকিনী এৰি যাবই লাগিব। প্ৰজেক্ট লুছিফেৰিন এনে এটা সুস্থিৰ অৱস্থালৈ অহাৰ পাছত মন্দাকিনী এৰিবলৈ তাৰ কোনো দুখ নাই।

সি উত্তৰ দি থকাৰ মাজতে সন্তৰ্পণে লাইব্ৰেৰিৰ জাহ্নৱী দত্ত তাৰ কোঠালৈ সোমাই আহিল।

“ছাৰ—” তাই যেন কিবা এটা সঁহাৰি বিচাৰি ৰ'ল। তাৰ পাছত কল্যাণৰ মেজৰ কাচত উঠা তাইৰ চকা-মকা প্ৰতিছবিটোৰ ফালে চাই তাই কৈ গ'ল, “মোক ক্ষমা কৰক ছাৰ। মানুহে বহুতো কথা লগাইছিল। তাৰ ভিতৰত আপোনাৰ প্ৰতি মই দুৰ্বল হৈ পৰা বুলি আপুনি কৈ ফুৰিছে বুলিও ওলাইছিল। মই কথাবোৰ বিশ্বাস কৰিছিলোঁ।”

তাই কল্যাণৰ চকুলৈ চালে “মই আপোনাৰ প্ৰতি বেয়া ব্যৱহাৰ কৰিছিলোঁ। মোক ক্ষমা কৰক, ছাৰ।”

*

সিদিনা কল্যাণ আৰু স্মিতাৰ বিদায় সভাত জ্ঞানচান্দ অডিটৰিয়াম ভৰি পৰিছিল। পাইলট প্লেণ্টৰপৰা, ছিকিউৰিটি আৰু মেডিকেল ছেণ্টাৰ, ক্ৰেছ আৰু বিল্ডিং মেইণ্টেনেন্স, গেছ ছাপ্লাই আনকি ছুইপিং ছাৰ্ভিছৰ মানুহবোৰো সময়ৰ আগতে আহি ভীৰ কৰিছিল।

ডাইৰেক্টৰ প্ৰফেছৰ মজুমদাৰ, এডিছনেল ডাইৰেক্টৰ প্ৰতাপ নাৰায়ণ ভট্টাচাৰ্য্য আৰু ডেপুটি ডাইৰেক্টৰ বিদ্যুৎ চক্ৰবৰ্তী হঠাতে ছাইন্স ছিটি লেডিজ ক্লাবৰ মিটিং এখনলৈ যাবলগীয়া হোৱাত ছিনিয়ৰ ছাইণ্টিষ্ট ডক্টৰ পদ্মনাভনে সভা চলাইছিল।

তেওঁ লাইকেন, নিউট্ৰিয়েণ্ট আৰু ই. কোলাই ভৰাই সজা কাচৰ সৰু গোলকৰ লকেট এটা থকা ৰূপৰ চেইন এডাল স্মিতাক পিন্ধাই দিছিল,—"যিমান দিনলৈ তোমাৰ শৰীৰত উত্তাপ থাকিব সিমান দিনলৈ এই আত্মনিৰ্ভৰশীল অন্ত্ৰটোৱে পোহৰ দি থাকিব।" তেওঁ মন্ত্ৰ মতাৰ দৰে বিৰবিৰকৈ কৈছিল।

হৰ্ষ খান্নাই সিদিনা কম্পিউটাৰ মিউজিক বজাবলৈ দিয়া নাছিল। তেওঁ বিহ্বলভাৱে বাঁহী বজাইছিল। সেই সুৰে যেন হৰ্ষ খান্না মানুহজনকে উন্মাদ কৰি পেলাইছিল।

কল্যাণ আৰু স্মিতাই থিয় হৈ হাত জোৰ কৰিলে। বহি থকা সকলো থিয় হ'ল। বহুতৰে চকু সেমেকি উঠিল। হৰ্ষ খান্নাৰ উদ্বাউল বাঁহীৰ সুৰৰ মাজতো দুই এটা উচুপনিৰ চুটি শব্দ ভাহি আহিল।

*

সিদিনা সন্ধিয়া এক পৰম আত্মীয় বিদায় সম্ভাষণ জনাবলৈ ৰত্না আৰু পুলক সিন্হা কল্যাণহঁতৰ ইণ্টেলিজেণ্ট হাউছলৈ আহিছিল। ৰত্নাই কল্যাণক আৰু পুলকে স্মিতাক ৰজনীগন্ধাৰ

থোপা একোটা [illegible] তাৰ পাছত পুলকে ৰত্নাৰ ফালে ইংগিত [illegible] দিছিল—"ডাক্তৰ বাণী শৰ্মাই এওঁৰ মেট [illegible] জিটিভ পাইছে। এতিয়া সাৱধানে থাকিবলৈ কৈছে।"

"কং[illegible] সিন্হা," কল্যাণে ক'লে।

"থেংক ইউ।" ৰত্নাই কল্যাণৰ চকুলৈ চাই ক'লে, "থেংকছ এ লট।" কৈ উঠিও তাই কিছুপৰ কল্যাণৰ চকুলৈ চায়েই ৰ'ল।

*

সেই দিনা ৰাতি কল্যাণে নিজ হাতেৰে ডক্টৰ মিছ সৰস্বতীলৈ এখন চিঠি লিখিলে—'ইলেকট্ৰনিক্‌ছ ৱাৰ্ল্ড' নামৰ নেচনেল প্ৰজেক্ট এটাৰ ডাইৰেক্টৰ অব ছাইন্স এডমিনিষ্ট্ৰেচনৰ দৰে দায়িত্বপূৰ্ণ পদবী এটাৰ বাবে মোক আপোনালোকে কিদৰে উপযুক্ত বিবেচনা কৰিলে নাজানো। মোৰ জ্ঞান ক'ম, অভিজ্ঞতাও সামান্য। তথাপিও আপোনালোকৰ উপহাৰ মই আশীৰ্বাদ বুলি গ্ৰহণ কৰিলোঁ।

ইমান দিনে মংগলাচৰণৰ বাবে কল্যাণে কাগজবোৰৰ ওপৰত চাৰিটা ফুলৰ আঁকিছিল—সুখ, শান্তি, সমৃদ্ধি আৰু যশস্যাৰ প্ৰাৰ্থনাত।

মিছ [illegible] ওপৰৰ চুকত সি মাত্ৰ এটা [illegible] আৰু ইমানেই হ'ব প্ৰভু! [illegible] শান্তি!'

তাৰ [illegible] বুলি আৰু এশাৰী কথা লিখিলে—[illegible] আৰু মই [illegible] লগত থাকিম—তাৰ [illegible] হ'ম।'

এই বুলি [illegible]।